অধ্যায় ৮ ঃ ইউৰোপৰ সৈতে প্ৰাচীন চীন দেশীয় সম্পৰ্ক

অধ্যায় গাঁথনি

৮. ১ উদ্দেশ্য
৮. ২ পৰিচয়
৮. ৩ বিদেশীৰ প্ৰতি চীনাসকলৰ মনোভাৱ
৮. ৪ ইউৰোপীয় সকলৰ আগমন
৮. ৫ কেণ্টন বাণিজ্য
৮. ৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮. ৭ অধিক জানিবলৈ
৮. ৮ অগ্ৰগতিৰ খতিয়ান
৮. ৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- চীনাসকলৰ বিদেশীৰ প্ৰতি কেনে মনোভাৱ আছিল সেয়া জানিব পাৰিব,
- চীনত ইউৰোপীয়সকলৰ আগমনৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- কেণ্টনত চলা বাণিজ্যিক কাম-কাজ বৰ্ণনা কৰিব পাৰিব।

৮.২ পৰিচয়

বৰ্তমান চীন হ'ল বিশ্বৰ ভিতৰতে এখন অগ্ৰণী দেশ। ভাৰতীয় সভ্যতাৰ দৰে চীনা সভ্যতাও বিশ্বৰ প্ৰাচীনতম সভ্যতাবোৰৰ মাজৰে এটা। প্ৰাচীন কালৰে পৰা আজিলৈকে চীনে ভাৰতৰ সৈতে অবিৰত সম্পৰ্ক বৰ্তাই ৰাখিছে। ইয়াৰ উপৰি ভাৰতৰ দৰে চীনেও ঔপনিৱেশিক সাম্ৰাজ্যবাদৰ বোজা বহন কৰিছিল।

এই অধ্যায়টিৰ জৰিয়তে চীনা মানুহৰ বিদেশীৰ প্ৰতি, বিশেষকৈ ইউৰোপৰ পৰা চীনলৈ অহাসকলৰ প্ৰতি মনোভাৱ জানিব পাৰিম। বিদেশীৰ চীন আগমন অধ্যায়টিৰ প্ৰধান আলোচ্য বিষয়। ইয়াৰ লগতে কেণ্টন বন্দৰেদি চীনৰ ভূমিত প্ৰৱেশ কৰা বিদেশী বণিকসকলৰ বাণিজ্যকেন্দ্ৰিক কাৰ্য-কলাপৰ বিৱৰণো আপোনালোকে পঢ়িবলৈ পাব।

৮.৩ বিদেশীৰ প্ৰতি চীনাসকলৰ মনোভাৱ (CHINESE ATTITUDE TOWARDS THE FOREIGNERS)

চীনৰ বাসিন্দাসকলক চীনা বুলি কোৱা হয়। চীনাসকলে তেওঁলোকৰ দেশখনক পৃথিৱীৰ কেন্দ্ৰ বুলি গণ্য কৰিছিল। তেওঁলোকৰ মতে চীন হ'ল চুংকুঅ' (Chung Kuo) অথবা মধ্য

দেশ (Middle Kingdom) আৰু দেশখন স্বৰ্গ তথা নৰকৰ মাজত অৱস্থিত। চীনাসকলে নিজ দেশখনক চীনা ভাষাত 'টিয়েন চিয়া' (Tien Hsia) অৰ্থাৎ 'সৰগীয় সাম্ৰাজ্য' বুলি কয়।

এচিয়া মহাদেশৰ বিশাল ভৌগলিক অঞ্চল দখল কৰি থকা চীন চাৰিওফালৰ পৰা প্ৰাকৃতিক সীমাৰে পৰিৱেষ্টিত। দেশখনৰ উত্তৰে মৰুভূমি, পূৱে প্ৰশান্ত মহাসাগৰ আৰু দক্ষিণ তথা পশ্চিম দিশত কেইবালানিও পৰ্বতশ্ৰেণী আছে। এই সীমাবোৰে স্বাভাৱিকভাৱেই চীনক বাহিৰৰ পৃথিৱীখনৰ পৰা সুৰক্ষিত কৰি ৰাখে। অৱশ্যে এই একেটা কাৰণতে ই পৃথিৱীৰ আন অংশৰ সৈতে প্ৰত্যক্ষ সংযোগৰ পৰাও বিচ্ছিন্ন হৈ থাকে।

যিয়েই নহওক, চীনৰ সভ্যতা হ'ল অবিৰত আৰু উন্নত সভ্যতাৰ নিদৰ্শন। ইউৰোপীয় দেশবোৰতকৈ বহু আগতেই চীনাসকলে চিয়াঁহী, কাগজ, কম্পাছ, চুম্বক, ছপাশাল, ৰেছম, চাহপাত ইত্যাদিৰ ব্যৱহাৰ কৰিবলৈ শিকিছিল। চীনাসকল আনকি ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু ধৰ্মীয় জীৱনতো আগবঢ়া আছিল।

পৃথিৱীৰ কেন্দ্ৰ বুলি প্ৰচলিত ভৌগলিক ভ্ৰান্তধাৰণা আৰু প্ৰাকৃতিক সুৰক্ষা সীমাবোৰে চীনক অন্য দেশৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছিল। ওঠৰশ শতিকাৰ শেষলৈকে চীনৰ বিশ্বৰ বাকী অংশৰ সৈতে কোনো যোগাযোগ নাছিল। চীনা কৰ্তৃপক্ষই কোনো বিদেশীকে আহিব অনুমতি দিয়া নাছিল আৰু কোনো চীনা লোককে বিদেশলৈ যোৱাৰ অনুমতি নিদিছিল।

প্ৰত্যক্ষ যোগাযোগ নথকা বাবে চীনাসকল পৃথিৱীৰ অন্য সভ্যতাৰ অগ্ৰগতি সম্পৰ্কে অজ্ঞত আছিল। তেওঁলোক কেৱল নিজ সভ্যতাক লৈ সচেতন আছিল আৰু নিজৰ দেশখনক পৃথিৱীৰ সবাতোকৈ উন্নত দেশ আৰু নিজ সভ্যতাক সবাতোকৈ উন্নত সভ্যতা বুলি গণ্য কৰিছিল। ইয়াৰ ফলত চীনাসকলৰ মনত উচ্চাত্মিকাভাৱৰ জন্ম হৈছিল। এই মনোভাৱে তেওঁলোকৰ বিদেশীৰ প্ৰতি ধাৰণাকো প্ৰভাৱিত কৰিছিল।

চীনাসকলৰ মতে তেওঁলোক আছিল সকলো দিশৰ পৰা বিদেশীতকৈ শ্ৰেষ্ঠ। তেওঁলোকে বিদেশীসকলক অসভ্য অথবা বৰ্বৰ বুলি গণ্য কৰিবলৈ লৈছিল। চীনাসকলে বিদেশীক অতি বেয়া পাইছিল। তেওঁ লোকে আনকি চীনৰ মাটিত বিদেশীৰ অগ্ৰগতিৰ বিষয়ে গম পালেই বাধা দিবলৈ হিংসাত্মক পদ্ধতি অৱলম্বন কৰিছিল। অৰ্থাৎ, চীনা লোকৰ বিদেশীৰ প্ৰতি মনোভাৱ ঘৃণা আৰু ভয়ৰ মিশ্ৰণ আছিল। চীনৰ মাটিত ভৰি দিয়া বিদেশীসকল প্ৰধানতঃ ইউৰোপ মহাদেশৰ পৰা আহিছিল। পৰৱৰ্তী শিতানত 'ইউৰোপীয়সকলৰ আগমন'ৰ বিষয়ে অধ্যয়ন কৰিম।

৮.৪ ইউৰোপীয়সকলৰ আগমন (ADVENT OF THE EUROPEANS)

চীনাসকলৰ আত্মকেন্দ্ৰিক মনোভাৱৰ সম্পূৰ্ণ বিপৰীত আছিল ইউৰোপীয় সকলৰ মনোভাৱ। চীনৰ শাসক পক্ষ নিজ উন্নতিক লৈ আত্মগৰ্বী আছিল। তেওঁলোকে বাহিৰৰ পৃথিৱীখনৰ সৈতে কোনোধৰণৰ সম্পৰ্ক ৰখাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা নাছিল। কিন্তু ইউৰোপৰ বিভিন্ন দেশ শাসন কৰি থকা কৰ্তৃপক্ষবোৰ আকৌ উন্নতিৰ ন ন শিখৰত উপনীত হ'বলৈ তথা প্ৰগতিৰ দিশত কিবা নতুনত্ব লাভৰ আশাত দূৰ-দূৰণিৰ দেশৰ সৈতে সম্পৰ্ক গঢ়িবলৈ সদায় আগ্ৰহী আছিল।

ইউৰোপত নৱজাগৰণৰ (চৰ্তুদশৰ পৰা ষোড়শ শতিকা) কালছোৱা আছিল অতি সৃজনশীল আৰু পৰিৱৰ্তনশীল সময়। এই কালছোৱাতে বিভিন্ন ধৰণৰ সাগৰীয় দিক্‌নির্দেশক যন্ত্ৰৰ (Navigational aids) উদ্ভাৱন ঘটিছিল। ফলত সাগৰেৰে নতুন নতুন ঠাইলৈ যাত্ৰা কৰাটো সুচল হৈ উঠিছিল বাবে বহুতো ভৌগলিক অন্বেষণ তথা আৱিষ্কাৰ সম্ভৱপৰ হৈছিল। সাগৰীয় পথেৰে যাত্ৰা সুচল হৈ পৰাৰ ফলত ইউৰোপীয় দেশবোৰে নতুন ভূখণ্ডৰ আৱিষ্কাৰ কৰাৰ একপ্ৰকাৰ প্ৰতিযোগিতাত নামি পৰা যেন হৈছিল। ইয়াৰ পৰিণামস্বৰূপে উপনিৱেশ আৰু সাম্ৰাজ্যবাদৰ বিকাশ ঘটিছিল। পৃথিৱীৰ বিভিন্ন প্ৰান্তলৈ যোৱাৰ দৰে ইউৰোপীয় সকল আহি সুদূৰ প্ৰাচ্যত উপস্থিত হ'লহি। এনেদৰেই সুদূৰ প্ৰাচ্যৰ দেশ চীনেও ইয়াৰ উপকূলত ইউৰোপীয় জাহাজ প্ৰত্যক্ষ কৰিলে। সুদূৰ প্ৰাচ্যত বাণিজ্যিক ভেটি সম্প্ৰসাৰিত কৰাৰ উদ্দেশ্যৰে বিদেশী ৰাষ্ট্ৰবোৰে চীনত প্ৰৱেশ কৰাৰ চেষ্টা কৰিছিল। চীনৰ সৈতে ব্যৱসায়- বাণিজ্য লাভজনক হ'ব বুলিও তেওঁলোকে বিবেচনা কৰিছিল। চীনৰ ৰেছম বস্ত্ৰ আৰু চীনামাটিৰ সামগ্ৰীবোৰ পশ্চিমীয়া দেশবোৰে যথেষ্ট ভাল পাইছিল। ইউৰোপীয় দেশবোৰৰ, বিশেষকৈ ফ্ৰান্সৰ ৰাজদৰবাৰত চীনা কলাৰ বৰ আদৰ আছিল। জেচুয়ট মিশ্বনেৰীসকলেও ধৰ্মীয় আৰু মিশ্বনেৰী কাম-কাজ চলাই নিবলৈ চীন উপযুক্ত স্থান হ'ব বুলি ভাবিছিল।

ইউৰোপীয়সকলৰ ভিতৰত পৰ্তুগীজসকলে সকলোতকৈ আগতে চীনত পদাৰ্পন কৰিছিল। ১৫১৬ চনত পৰ্তুগীজসকলে চীনৰ দক্ষিণ উপকূলত প্ৰৱেশ কৰিছিল। তেওঁলোকৰ লক্ষ্য আছিল চীনৰ সৈতে এটা ফলপ্ৰসূ বাণিজ্যিক সম্পৰ্ক স্থাপন কৰা। সোনকালেই আন কেইবাখনো ইউৰোপীয় দেশে পৰ্তুগালৰ পদাংক অনুসৰণ কৰিলে। ১৫৭৫ চনত স্পেনীচসকল, ১৬০৪ চনত ডাচ্ছসকল, ১৬৩৭ চনত ইংৰাজসকল আৰু ১৭৮৪ চনত আমেৰিকানসকল আহি চীনত উপস্থিত হ'ল। পৰ্তুগাল, স্পেইন, হলেণ্ড, ইংলেণ্ড আৰু আমেৰিকাৰ বণিকসকলে সাগৰীয় পথেৰে আহি চীনত প্ৰৱেশ কৰিছিল। এই দেশবোৰ আছিল পশ্চিম ইউৰোপৰ অংশ। কিন্তু পূব ইউৰোপৰ অংশ ৰুছিয়াই স্থলপথেৰে চীনত প্ৰৱেশ কৰিছিল। ৰুছিয়া আৰু চীনৰ এক বিস্তৃত উমৈহতীয়া স্থলসীমা আছে। ভূ ভাগ জোৰা লাগি থকা বাবে ৰুছিয়াই চাইবেৰিয়াৰ মাজেৰে চীনৰ সৈতে সম্পৰ্ক স্থাপনৰ চেষ্টা কৰিছিল। অৰ্থাৎ পশ্চিম ইউৰোপৰ দেশবোৰে সাগৰীয় পথেৰে চীনৰ সৈতে সম্পৰ্ক স্থাপনৰ চেষ্টা কৰি থকাৰ সময়তে ৰুছিয়াই স্থলপথেৰে চাইবেৰিয়া অভিমুখে অগ্ৰসৰ হৈছিল আৰু চীনৰ সৈতে স্থলপথ সংযোগ স্থাপনৰ চেষ্টা কৰিছিল।

ৰুছিয়াৰ চাইবেৰিয়া অভিমুখী যাত্ৰাই এমুৰ নৈৰ উপত্যকাত বাস কৰা চীনা জনজাতিসকলৰ মাজত অসন্তুষ্টিত সৃষ্টি কৰিছিল। ফলত দুয়োপক্ষৰ মাজত সংঘাতৰ সৃষ্টি হৈছিল। এই সংঘাত দুয়ো দেশৰ চৰকাৰলৈও বিয়পি পৰিছিল আৰু এসময়ত ই গুৰুতৰ সীমা বিবাদৰ ৰূপ লৈছিল। কিন্তু ১৬ ৮৯ চনত দুয়ো দেশৰ চৰকাৰে **নাৰ্টকিন্স্ক (Nertchinsk)** নামৰ ঠাইডোখৰত এখন মৈত্ৰীপূৰ্ণ সন্ধিপত্ৰত চহী কৰি এই সীমা বিবাদ নিষ্পত্তি কৰিছিল। নাৰ্টকিন্স্কৰ সন্ধিপত্ৰখনেই আছিল ইউৰোপীয় দেশৰ সৈতে চীনে স্বাক্ষৰ কৰা প্ৰথমখন সন্ধিপত্ৰ। এই সন্ধিপত্ৰৰ জৰিয়তে এমুৰ উপত্যকালৈ চীনৰ সাৰ্বভৌমত্বৰ পৰিসৰ সম্প্ৰসাৰিত হৈছিল। সন্ধিপত্ৰখনে চীন আৰু

ৰুছিয়াৰ মাজত ঘনিষ্ঠ সম্পৰ্ক সৃষ্টি কৰিছিল। ৰুছিয়াই কেইবাগৰাকীও কুটনৈতিক দূতক চীনৰ ৰাজধানীলৈ প্ৰেৰণ কৰিছিল। ১৭২৭ চনত ৰুছ-চীনৰ উত্তৰ-পশ্চিম সীমান্ত বিবাদ নিষ্পত্তি হোৱাৰ পাছত ৰুছিয়াই এই সীমান্তত স্থায়ী বাণিজ্য কেন্দ্ৰ স্থাপন কৰিছিল। চীনা চৰকাৰে ৰুছসকলক পিকিঙত আনকি গীৰ্জা স্থাপনৰো অনুমতি দিছিল।

১৬৮৯ চনৰ চীনা-ৰুছ সন্ধিপত্ৰই অন্য দেশবোৰকো লাহে লাহে চীনৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ সুযোগ দিছিল। বিভিন্ন দেশৰ বণিকসকলে চীনত ব্যৱসায়িক কাৰ্য-কলাপ আৰম্ভ কৰিছিল। কিন্তু তেতিয়াও চীনৰ সাধাৰণ জনতাই বিদেশী বেয়া পাইছিল। তেওঁলোকে বিদেশীসকলক দুৰ্ব্যৱহাৰ কৰিছিল আৰু বৰ্বৰ বুলি কৈছিল। তেঁওলোকে আনকি কোনো বিদেশী বস্তু কিনা নাছিল। ইয়াৰ ফলত প্ৰথম অৱস্থাত বিদেশী বণিকসকলে চীনত একপক্ষীয় বাণিজ্য কৰিবলৈ বাধ্য হৈছিল। তেওঁলোকে নিজৰ সামগ্ৰী বিক্ৰী কৰিব পৰা নাছিল কিন্তু চীনা সামগ্ৰী কিনিছিল। কিন্তু লাহে লহে চীনৰ বুধিয়ক আৰু পণ্ডিত শ্ৰেণীটোৱে পশ্চিমীয়া দেশবোৰত হোৱা বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশ সম্পৰ্কে জেচ্যুট মিশ্বনেৰীসকলে দিয়া ভাষণবোৰ আগ্ৰহেৰে শুনিবলৈ ল'লে। এনেকৈয়ে এসময়ত চীনাসকলে বিদেশৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ আগ্ৰহী হৈ পৰিছিল।

১৬৪৪ চনৰ পৰা চীন শাসন কৰা মাঞ্চুসকলে ধন ঘটাৰ আশাৰে ইউৰোপীয় বণিকসকলক চীনত বেপাৰ-বাণিজ্য চলাই যোৱাৰ অনুমতি দিলে। মাঞ্চু শাসকসকলে নিজ ইচ্ছামতে বিদেশী বণিকসকলৰ পৰা শুল্ক আৰু কৰ দাবী কৰিছিল। বিদেশী বণিকসকলেও সেই দাবী পূৰণ কৰিছিল। প্ৰতি বছৰে এনেদৰে আহৰণ কৰা বিপুল ধনেৰে মাঞ্চুসকলে তেওঁলোকৰ শূণ্য ৰাজকোষ পূৰণ কৰিছিল।

জানি থোৱা ভাল



মাঞ্চু ৰাজবংশ হ'ল চীনৰ শেষ শাসকীয় ৰাজবংশ। তেওঁলোকে ১৬৪৪ চনৰ পৰা ১৯১২ চনলৈ চীন শাসন কৰিছিল। ১৯১৭ চনত অতি কম সময়ৰ বাবে তেওঁলোকৰ পুনৰুত্থান ঘটিছিল। এই ৰাজবংশটোক কিং ৰাজবংশ (Qing Dynasty) বুলিও জনা যায়। মাঞ্চু ৰাজবংশই প্ৰায় তিনিশ বছৰ দেশ শাসন কৰিছিল আৰু আধুনিক চীনৰ ভূখণ্ডভিত্তিক পৰিসীমা নিৰ্ধৰম কৰিছিল। মাঞ্চুৰিয়াৰ জাৰকেল এই চিন জিঅ'ৰ (Jurchen Aisin Gioro) ফেদটো আছিল এই ৰাজবংশৰ প্ৰতিষ্ঠাপক। মাঞ্চু ৰাজবংশৰ পাছত চীনৰ শাসন মিং ৰাজবংশৰ হাতলৈ যায় আৰু অৱশেষত চীনা প্ৰজাতন্ত্ৰৰ গঠন হয়।

মাঞ্চুসকলক চীনাসকলে, বিশেষকৈ দক্ষিণ চীনৰ বাসিন্দাসকলে বিদেশী বুলিয়েই গণ্য কৰিছিল। লাহে লাহে মাঞ্চুসকলে অনুভৱ কৰিবলৈ ল'লে যে বিদেশীসকলে চীনাসকলৰ মাজত মাঞ্চু বিৰোধী মনোভাৱ গঢ়ি তুলিব পাৰে। সেয়েহে তেওঁলোকে বিদেশীসকলৰ সততাক

সন্দেহৰ চকুৰে চাবলৈ ধৰিলে আৰু বিদেশী বণিকৰ প্ৰভাৱক্ষেত্ৰ সংকুচিত কৰি আনিবলৈ সম্ভৱপৰ সকলো প্ৰচেষ্টা চলালে। মাঞ্চু শাসকসকলৰ এই কাৰ্যই হ'ল কেণ্টন বাণিজ্যৰ বিকাশ ঘটাৰ আঁৰৰ কাহিনী। ইয়াৰ বিষয়ে পৰৱৰ্তী শিতানত আলোচনা কৰা হ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ 'ছুংকুঅ' (Chung Kuo) মানে কি?

.....

প্ৰশ্ন নং ২ঃ ইউৰোপীয়সকলে ব্যৱহাৰ কৰিবলৈ শিকাৰ আগতেই চীনাসকলে ব্যৱহাৰ কৰা যিকোনো দুবিধ সামগ্ৰীৰ নাম লিখক।

.....

প্ৰশ্ন নং ৩ঃ চীনৰ কোন দুবিধ সামগ্ৰীৰ পশ্চিমীয়া দেশবোৰত চাহিদা বেছি আছিল?

.....

প্ৰশ্ন নং ৪ঃ চীনত প্ৰৱেশ কৰা প্ৰথমখন ইউৰোপীয় দেশৰ নাম কি?

.....

প্ৰশ্ন নং ৫ঃ ইউৰোপীয় দেশৰ সৈতে চীনে চহী কৰা প্ৰথম সন্ধিপত্ৰ কোনখন?

.....

৮.৫ কেণ্টন বাণিজ্য (CANTON TRADE)

কেণ্টন আছিল চীনৰ এটা বন্দৰ। এই বন্দৰটো চীনৰ দক্ষিণ অঞ্চলত আছিল। আৰম্ভণিতে মাঞ্চু শাসকসকলে বিদেশী বণিকসকলক চীনত মুকলিভাৱে বেহা-বেপাৰ চলাই যোৱাৰ অনুমতি দিছিল। কিন্তু পাছলৈ তেওঁলোকে বিদেশীসকলৰ সততাক সন্দেহ কৰিবলৈ ল'লে আৰু বিদেশী বণিকসকলৰ বেহা-বেপাৰৰ পৰিসৰ সীমিত কৰি পেলালে। বিদেশী বণিকসকলক পৰৱৰ্তী সময়ত কেৱল কেণ্টন বন্দৰতহে চীনৰ সৈতে বেহা- বেপাৰ কৰাৰ অনুমতি দিয়া হ'ল। লাহে লাহে কেণ্টন বন্দৰত চীন আৰু পশ্চিমীয়া দেশৰ বণিকসকলৰ মাজত এটা বাণিজ্য সম্পৰ্ক গঢ়ি উঠিল। ইয়াকে 'কেণ্টন বাণিজ্য' বুলি জনা যায়। কেণ্টনত সুচাৰুৰূপে বাণিজ্যিক কাম-কাজ চলাই নিবলৈ কঠোৰ নিয়ম-কানুন প্ৰৱৰ্তন কৰা হৈছিল। কেণ্টনৰ বাণিজ্যিক কাম-কাজ চলাই নিবলৈ আৰু বিদেশী বণিকৰ গতি-বিধি নিয়ন্ত্ৰণ কৰিবলৈ মাঞ্চুসকলে 'কো-হং' (Co-hong) গঠন কৰিছিল। এইচ . এম. ৱিনাকেৰ (H.M. Vinacke) মতে "কো-হং' আছিল বিদেশ আৰু চীনা প্ৰশাসনৰ মাজৰ বিভাজক / মধ্যৱৰ্তী কৰ্তৃপক্ষ।"

দৰাচলতে কো- হং আছিল বৈদেশিক বাণিজ্যৰ সৈতে জড়িত চীনা বণিকসকলৰ সংগঠন। এই সংগঠনৰ সদস্যসকল আছিল মাঞ্চু শাসকৰ প্ৰতিনিধি। তেওঁলোকৰ কাম আছিল চীনত বিদেশী বণিকৰ সৈতে সম্পৰ্ক ৰখা আৰু চীনা বাণিজ্যত বিদেশী বণিকৰ একাধিকাৰ নাইকিয়া কৰা। কো-হঙৰ মুঠ সদস্যসংখ্যা আছিল ১২ নাইবা ১৩ জন। তেওঁলোকে সুৰক্ষা

বণিক হিচাপে কাম কৰিছিল। তেওঁলোকক চীনা চৰকাৰে নিয়ন্ত্ৰণ কৰিছিল। কো-হং প্ৰত্যক্ষভাৱে 'হোপ্পো' (Hoppo) অথবা কেণ্টনস্থ বাণিজ্য শুল্ক বিভাগৰ চীনা আয়ুক্তৰ অধীন আছিল। চীনৰ উপকূল আহি পোৱা প্ৰতিখন বিদেশী বাণিজ্য জাহাজ একো একোজন কো-হং বণিকৰ হাতত চমজাই দিয়া হৈছিল। কো-হং বণিকসকলে এনে জাহাজত অহা বিদেশী সামগ্ৰী চীনৰ ক'ত বিক্ৰী হ'ব তাৰ ব্যৱস্থা কৰি দিছিল আৰু বিদেশলৈ কোনবোৰ চীনা সামগ্ৰী যাব সেয়াও ঠিৰাং কৰিছিল। এইদৰেই কো-হং বণিকসকল বিদেশী বণিকসকল নিয়ন্ত্ৰণকাৰী কৰ্তৃপক্ষত পৰিণত হৈছিল। ইয়াৰ উপৰি কো-হং বণিকসকলে বিদেশী বণিকসকলক নিয়ন্ত্ৰণকাৰী কৰ্তৃপক্ষত পৰিণত হৈছিল। ইয়াৰ উপৰি কো-হং বণিকসকলে বিদেশী বণিকৰ পৰা বৃহৎ পৰিমাণৰ ধন ৰাজহ হিচাপে সংগ্ৰহ কৰিছিল। 'হোপ্পো'-য়ো কো-হং বণিকসকলক যিমান পাৰে সিমান বিদেশী বণিকৰ পৰা ৰাজহ সংগ্ৰহ কৰিবলৈ উৎসাহিত কৰিছিল।

কেণ্টনত বিদেশী বণিকসকলক অকলে থকাৰ অনুমতি দিয়া হৈছিল। তেওঁলোকে পৰিয়াল-পৰিজনক মাকাওত ৰাখিব লাগিছিল। কেণ্টনত ব্যৱসায়িক কাম-কাজ শেষ হোৱাৰ পাছত তেওঁলোক মাকওলৈ উভতি যাব লাগিছিল। কেণ্টন অথবা মাকাও কতোৱেই বিদেশী বণিকসকলে নিজ নিজ উদ্যোগিক এলেকাৰ বাহিৰৰ কোনো ঠাইত কোনো গৃহ আদি বনাব নোৱাৰিছিল। তেওঁলোকৰ সম্পূৰ্ণ কাম-কাজ উদ্যোগিকএলেকাৰ ভিতৰতে সীমাৱদ্ধ আছিল। চীনা কৰ্তৃপক্ষই তেওঁলোকৰ কাম- কাজৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছিল।

কিন্তু ইমানবোৰ বাধা-নিষেধ সত্বেও ইংলেণ্ডে চীনৰ সৈতে বাণিজ্যিক সম্পৰ্ক আৰু আধিক গাঢ় কৰাৰ শান্তিপূৰ্ণ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। ওঠৰশ শতিকাৰ দ্বিতীয়াৰ্ধত ইংলেণ্ডত আৰম্ভ হোৱা ঔদ্যোগিক বিপ্লৱে দেশখনক চীনত বাণিজ্যিক অনুগ্ৰহ বিচাৰিবলৈ কৰিবলৈ বাধ্য কৰিছিল। ইয়াৰ বাবে চীনে মাঞ্চু দৰবাৰলৈ বিশেষ দূত প্ৰেৰণ কৰি অধিক বাণিজ্যিক অনুগ্ৰহ লাভৰ চেষ্টা কৰিছিল।

ইংলেণ্ডে ১৭৮৭ চনত প্ৰথমবাৰ চালৰ্চ কেথকাৰ্ট (Charles Cathcart) নামৰ দূতজনক প্ৰেৰণ কৰি চীনা চৰকাৰৰ পৰা অধিক বাণিজ্যিক অনুগ্ৰহ আদায় কৰাৰ চেষ্টা কৰিছিল। তেওঁৰ পাছতেই ১৭৯২ চনত চীনলৈ গৈছিল লৰ্ড জৰ্জ মেকাৰ্ট্নি (Lord George Macartney) নামৰ দূতজন। তেঁও ইংৰাজ বণিকসকলৰ বাবে আন কেইটামান বন্দৰৰ দুৱাৰ মুকলি কৰাৰ চেষ্টা কৰিছিল। কিন্তু ইংৰাজসকলৰ কোনটো অভিযানেই সফল নহ'ল। ইয়াৰ বিপৰীতে চীনাসকলে লৰ্ড মেৰ্কট্নিক দুৰ্ব্যৱহাৰ কৰিলে আৰু অভিযানটোক উন্নত দেশ এখনক পৰাধীন দেশৰ কৰ্তৃপক্ষ এটাই জনোৱা সন্মান বুলি গণ্য কৰিছিল। অপমানজনক পৰিস্থিতিৰ মুখামুখি হোৱাৰ পাছত লৰ্ড মেকাৰ্ট্নিয়ে বলপূৰ্বকভাৱে চীনৰ পৰা বাণিজ্যিক সম্প্ৰসাৰণৰ সুবিধা আদায় কৰিবলৈ চৰকাৰক পৰামৰ্শ দিছিল। কিন্তু ইংলেণ্ডৰ চৰকাৰে পোনে পোনে এই পৰামৰ্শ নাকচ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ কেণ্টন বন্দৰ ক'ত অৱস্থিত আছিল?

.....

প্ৰশ্ন নং ৭ঃ 'হোপ্পো' মানে কি?

.....

প্ৰশ্ন নং ৮ঃ বিদেশী বণিকসকলে পৰিয়াল-পৰিজনক কোন ঠাইত ৰাখিব লাগিছিল?

.....

প্ৰশ্ন নং ৯ঃ চীনৰ সৈতে বাণিজ্যিক সম্পৰ্ক স্থাপন কৰা প্ৰথমখন ইউৰোপীয় দেশৰ নাম লিখক।

.....

প্ৰশ্ন নং ১০ঃ কোন চনত মেকার্টনি অভিযানক চীনলৈ প্ৰেৰণ কৰা হৈছিল।

.....



৮.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়ন কৰি আপুনি, জানিব পাৰিলে যে,

- চীনাসকলে তেওঁলোকৰ দেশখনক পৃথিৱীৰ কেন্দ্ৰ বুলি গণ্য কৰিছিল। তেওঁলোকৰ মতে চীন হ'ল ছুং কুঅ' অথবা মধ্য দেশ। চীনাসকলে নিজৰ দেশখনক চীনা ভাষাত টিয়েন চিয়া অৰ্থাৎ সৰগীয় সাম্ৰাজ্য বুলি কয়।
- এচিয়া মহাদেশৰ বিশাল ভৌগলিক অঞ্চল দখল কৰি থকা চীন চাৰিওফালৰ পৰা প্ৰাকৃতিক সীমাৰে পৰিৱেষ্টিত। এই সীমাবোৰে স্বাভাৱিকভাৱেই চীনক বাহিৰৰ পৃথিৱীখনৰ পৰা সুৰক্ষিত কৰি ৰাখে। অৱশ্যে এই একেটা কাৰণতে ই পৃথিৱীৰ আন অংশৰ সৈতে প্ৰত্যক্ষ সংযোগৰ পৰাও বিচ্ছিন্ন হৈ থাকে।
- পৃথিৱীখনৰ কেন্দ্ৰ বুলি প্ৰচলিত ভৌগলিক ভ্ৰান্ত ধাৰণা আৰু প্ৰাকৃতিক সুৰক্ষা সীমাবোৰে চীনক অন্য দেশৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছিল। প্ৰত্যক্ষ যোগাযোগ নথকা বাবে চীনাসকল পৃথিৱীৰ অন্য সভ্যতাৰ অগ্ৰগতি সম্পৰ্কে অজ্ঞ আছিল। তেওঁলোক কেৱল নিজ সভ্যতাক লৈ সচেতন আছিল আৰু নিজৰ দেশখনক পৃথিৱীৰ সবাতোকৈ উন্নত দেশ আৰু নিজ সভ্যতাক সবাতোকৈ উন্নত সভ্যতা বুলি গণ্য কৰিছিল। ইয়াৰ ফলত চীনাসকলৰ মনত উচ্চাত্মিকাভাৱৰ জন্ম হৈছিল।
- উচ্চত্মিকাবোধে চীনাসকলৰ বিদেশী লোকৰ প্ৰতি গঢ় লোৱা ধাৰণাকো প্ৰভাৱিত কৰিছিল। তেওঁলোকৰ মতে তেওঁলোক আছিল সকলো দিশৰ পৰা শ্ৰেষ্ঠ। তেওঁলোকে বিদেশীক অসভ্য অথবা বৰ্বৰ বুলি গণ্য কৰিছিল।

- যিসময়ত চীন নিজৰ উন্নয়নক লৈ আত্মগৰ্বী হৈ আছিল আৰু বাহিৰৰ পৃথিৱীৰ সৈতে কোনো সম্পৰ্ক ৰাখিব খোজা নাছিল সেই সময়তে ইউৰোপত হোৱা নৱজাগৰণে পশ্চিমীয়া দেশবোৰৰ মাজত অজ্ঞাত স্থানৰ অন্বেষণত অভিযান আৰম্ভ কৰাৰ প্ৰতিযোগিতা আৰম্ভ কৰিছিল। সুদূৰ প্ৰাচ্যত নিজৰ বাণিজ্যিক বুনিয়াদ গঢ়ি তোলাৰ আশাৰে বিদেশী বণিকসকল চীনৰ উপকূলত প্ৰৱেশ কৰিছিল। তেওঁলোকে চীনৰ সৈতে বাণিজ্য লাভজনক হ'ব বুলি ভাবিছিল।
- পৰ্তুগাল, স্পেইন, হলেণ্ড, ইংলেণ্ডৰ দৰে পশ্চিম ইউৰোপীয় দেশবোৰ আৰু আমেৰিকাই সাগৰীয় পথেৰে আহি চীনত উপস্থিত হৈছিলহি। আনহাতে পূৱ ইউৰোপীয় দেশ ৰুছিয়াই স্থলপথেৰে চীনত পদাৰ্পন কৰিছিল। ৰুছিয়াই হ'ল প্ৰথমখন বিদেশী ৰাষ্ট্ৰ যাৰ সৈতে চীনে ১৬৮৯ চনত নাৰ্টকিন্স্ক সন্ধিপত্ৰত চহী কৰিছিল।
- ১৬৮৯ চনৰ চীন-ৰুছিয়া সন্ধিপত্ৰই আন ৰাষ্ট্ৰবোৰকো চীনৰ সৈতে বাণিজ্যিক সম্পৰ্ক স্থাপনৰ সুযোগ দিছিল। বিভিন্ন দেশৰ বণিকসকলে চীনৰ সৈতে বাণিজ্যিক লেন-দেন আৰম্ভ কৰিছিল। কিন্তু চীনৰ সাধাৰণ মানুহে তেওঁলোকক বেয়া পাইছিল আৰু দুৰ্ব্যৱহাৰ কৰিছিল। বিদেশী বণিকসকলে একপক্ষীয় ব্যৱসায় কৰিবলগীয়া হৈছিল। তেওঁলোকে চীনা সামগ্ৰী কিনিছিল কিন্তু নিজৰ সামগ্ৰী বিক্ৰী কৰিব পৰা নাছিল। কিন্তু চীনৰ শিক্ষিত, বুদ্ধিজীৱি সমাজ তথা পণ্ডিতসকলে বিজ্ঞান আৰু প্ৰযুক্তি ক্ষেত্ৰত পশ্চিমীয়া দেশবোৰে কাৰ অগ্ৰগতি জনাৰ বাবে আগ্ৰহী হৈ পৰিছিল। সেয়েহে তেওঁলোকে বিদেশী ৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক স্থাপনৰ ইচ্ছা প্ৰকাশ কৰিছিল।
- ১৬৪৪ চনৰ পৰা চীন শাসন কৰা মাঞ্চুসকলে প্ৰথম অৱস্থাত ৰাজহ সংগ্ৰহৰ আশাৰে ইউৰোপীয় বণিকসকলক চীনত ব্যৱসায়িক কাম-কাজ চলোৱাৰ অনুমতি দিছিল। কিন্তু মাঞ্চুসকলক অধিকাংশ চীনা লোকেই বিদেশী বুলি গণ্য কৰিছিল। দক্ষিণ চীনৰ লোকসকলৰ মনোভাৱ এই ক্ষেত্ৰত অধিক গোড়া আছিল। সেয়েহে মাঞ্চুসকলে পাছলৈ বিদেশী বণিকসকলে চীনাসকলক তেওঁলোকৰ বিৰুদ্ধে উচটাব বুলি ভাবি বিদেশীৰ প্ৰভাৱ ক্ষেত্ৰ সংকুচিত কৰি পেলালে।
- পৰৱৰ্তী সময়ত বিদেশী বণিকসকলক দক্ষিণ চীনৰ কেণ্টন বন্দৰতহে বেহা-বেপাৰ কৰাৰ অনুমতি দিয়া হ'ল। কেণ্টনৰ বাণিজ্যিক কাম- কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ কঠোৰ নীতি-নিয়ম বলবৎ কৰা হ'ল। কেণ্টনৰ কাম-কাজ পৰিচালনাৰ লগতে বিদেশী বণিকৰ ওপৰত নজৰ ৰাখিবলৈ মাঞ্চু প্ৰশাসনে কো-হং গঠন কৰিলে।
- কো-হং আছিল বৈদেশিক বাণিজ্যত জড়িত চীনা বণিকসকলৰ সংগঠন। কো-হঙত থকা চীনা বণিকৰ সংখ্যা আছিল ১২ অথবা ১৩ জন। তেওঁলোকে সুৰক্ষা বণিক হিচাপে কাম কৰিছিল। তেওঁলোক চীনা চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত আছিল। কেণ্টনস্থ বাণিজ্য শুল্ক বিভাগৰ চীনা আয়ুক্তই তেওঁলোকক প্ৰত্যক্ষভাৱে নিয়ন্ত্ৰণ কৰিছিল।

- চীনৰ উপকূলত প্ৰৱেশ কৰা প্ৰতিখন জাহাজ একো একোজন কো-হং সদস্যক চমজাই দিয়া হৈছিল। কো-হং বণিকসকলে জাহাজখনে ক'ত আৰু কেনেদৰে সামগ্ৰী ক্ৰয়-বিক্ৰয় কৰিব সেয়া ঠিক কৰি দিছিল। বিদেশী বণিকক নিয়ন্ত্ৰণ কৰা একমাত্ৰ কৰ্তৃপক্ষ হিচাপে কো-হং সদস্যসকলে বৃহৎ পৰিমাণৰ শুল্ক আদায় কৰিছিল। 'হোপ্পো'- য়ো কো-হং বণিকসকলক বিদেশীৰ পৰা যিমান পাৰে ৰাজহ সংগ্ৰহ কৰিবলৈ উৎসাহিত কৰিছিল।
- বিদেশী বণিকসকলে বাণিজ্যিক কামতহে কেণ্টনত থকাৰ অনুমতি পাইছিল। তেওঁলোকে পৰিয়ালবৰ্গক মাকাওত ৰাখিব লাগিছিল। কেণ্টনৰ কাম শেষ হ'লেই তেওঁলোক তৎক্ষণাত মাকাওলৈ উভতি যাব লাগিছিল। কেণ্টন আৰু মাকাও দুয়ো ঠাইতে বিদেশী বণিকসকলে নিজ নিজ উদ্যোগ অঞ্চলৰ বাহিৰে অন্য ঠাইত কোনো গতি-বিধি চলাব নোৱাৰিছিল। চীনা কৰ্তৃপক্ষই তেওঁলোকৰ ওপৰত চোকা দৃষ্টি ৰাখিছিল।
- ইমান বাধা-নিষেধ সত্বেও ঔদ্যোগিক বিপ্লৱৰ বাবে ইংলেণ্ডে চীনৰ সৈতে বাণিজ্যিক সম্পৰ্ক বৃদ্ধি কৰাৰ চেষ্টা চলাইছিল। তেওঁলোকে মাঞ্চু ৰাজদৰবাৰলৈ এই সংক্ৰান্তত দুজন দূতো প্ৰেৰণ কৰিছিল। কিন্তু ইংলেণ্ডৰ দুয়োটা অভিযানেই অসফল হৈছিল।



৮.৭ অধিক জানিবলৈ

1) Singh, A.K., (2005), *A History of China in Modern Times*, Delh-110007, Surjeet Publications.

2) Vinacke, H.M. (1982), *A History of the Far East in Modern Times*, New Delhi, Kalyani Publication.



৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ মধ্য দেশ (Middle Kingdom)।

২ নং প্ৰশ্নৰ উত্তৰঃ ৰেছম, কাগজ।

৩ নং প্ৰশ্নৰ উত্তৰঃ ৰেছম, চীনা মাটি।

৪ নং প্ৰশ্নৰ উত্তৰঃ পৰ্তুগাল।

৫ নং প্ৰশ্নৰ উত্তৰঃ নাৰ্টকিন্স্ক সন্ধি, ১৬৮৯।

৬ নং প্ৰশ্নৰ উত্তৰঃ দক্ষিণ চীন।

৭ নং প্ৰশ্নৰ উত্তৰঃ কেণ্টনস্থ বাণিজ্য শুল্ক বিভাগৰ চীনা আয়ুক্ত।

৮ নং প্ৰশ্নৰ উত্তৰঃ মাকাও।

৯ নং প্ৰশ্নৰ উত্তৰঃ ইংলেণ্ড।

১০ নং প্ৰশ্নৰ উত্তৰঃ ১৭৯২।



৮.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)-

প্ৰশ্ন ১ঃ 'টিয়েন চিয়া' (Tien Hsia) মানে কি?

প্ৰশ্ন ২ঃ স্থলপথেৰে চীনত প্ৰৱেশ কৰা ইউৰোপীয় দেশখনৰ নাম লিখক।

প্ৰশ্ন ৩ঃ কো-হং (Co-hong) কোনে প্ৰতিষ্ঠা কৰিছিল?

প্ৰশ্ন ৪ঃ কো-হঙত থকা মুঠ বণিকৰ সংখ্যা কিমান আছিল।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)-

প্ৰশ্ন ১ঃ বিশ্বৰ বাকী অংশৰ সৈতে চীন কিয় বিচ্ছিনান হৈ আছিল।

প্ৰশ্ন ২ঃ নৱজাগৰণে কেনেদৰে ইউৰোপীয় দেশবোৰক চীনত প্ৰৱেশ কৰাত সহায় কৰিছিল?

প্ৰশ্ন ৩ঃ চাইবেৰিয়াত ৰুছিয়াৰ অগ্ৰগতিক লৈ চীনৰ মনোভাৱ কেনে আছিল?

প্ৰশ্ন ৪ঃ কো-হঙে কেনেকৈ বিদেশী বণিক সকলৰ ওপৰত নিজ নিয়ন্ত্ৰণ সাব্যস্ত কৰিছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ বিদেশীৰ প্ৰতি চীনাসকলৰ মনোভাৱ কেনে আছিল সেয়া সমালোচনামূলক ভাৱে পৰীক্ষা কৰক।

প্ৰশ্ন ২ঃ চীনা ভূমিত ইউৰোপীয় সকলৰ উত্থান সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ঃ মাঞ্চু শাসকসকলৰ বিদেশীৰ প্ৰতি মনোভাৱ বৰ্ণনা কৰক।

প্ৰশ্ন ৪ঃ কেণ্টন বাণিজ্য সম্পৰ্কে এটি টোকা লিখক।

* * * * *

অধ্যায় ৯ ঃ চীনৰ দ্বাৰ মুকলি

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ আফিং যুদ্ধ আৰু সাম্ৰাজ্যবাদী শক্তিৰ সৈতে হোৱা সন্ধি
৯.৩.১ প্ৰথম আফিং যুদ্ধ
৯.৩.২ দ্বিতীয় আফিং যুদ্ধ
৯.৪ পশ্চিমীয়া দেশবোৰৰ বৰ্দ্ধিত অৰ্থনৈতিক আগ্ৰহ
৯.৫ মুক্ত দ্বাৰ নীতি
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্ৰগতিৰ খতিয়ান
৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- আফিং যুদ্ধ আৰু বিভিন্ন সাম্ৰাজ্যবাদী শক্তিৰ সৈতে চীনে কৰা সন্ধিবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- সাম্ৰাজ্যবাদী শক্তিবোৰৰ চীনক লৈ বৃদ্ধি পোৱা অৰ্থনৈতিক আগ্ৰহৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব,
- চীনৰ মুক্ত দ্বাৰ নীতি পৰীক্ষা কৰিব পাৰিব।

৯.২ পৰিচয়

আগৰ অধ্যায়টিৰ পৰা আপোনালোকে গম পালে যে চীনে বাহিৰৰ পৃথিৱীখনৰ সৈতে কোনো সম্পৰ্ক নৰখাকৈ বিচ্ছিন্ন হৈ থাকিব বিচাৰিছিল। দেশখন নিজৰ প্ৰাচীন, উন্নত সভ্যতাক লৈ গৌৰৱান্বিত আছিল আৰু অন্য দেশ তথা সভ্যতাক নিজতকৈ কম উন্নত বুলি বিবেচনা কৰিছিল। চীনৰ মাটিত অপমানজনক পৰিস্থিতিৰ মুখামুখি হোৱা সত্বেও অৰ্থনৈতিক আগ্ৰহ থকা পশ্চিমীয়া সাম্ৰাজ্যবাদী শক্তিসমূহে চীনলৈ আহি বাণিজ্যিক কাৰ্য-কলাপ অব্যাহত ৰাখিছিল। অৱশেষত চীনে নিজৰ বিচ্ছিন্নতাবাদী মনোভাৱ পৰিহাৰ কৰি বিদেশী শক্তিবোৰৰ বাবে দেশৰ দুৱাৰ খুলি দিছিল।

অৱশ্যে চীনা লোকৰ দুৰ্ব্যৱহাৰ আৰু চীনা কৰ্তৃপক্ষৰ বিদেশীৰ প্ৰতি কঠোৰ মনোভাৱে বিদেশী ৰাষ্ট্ৰবোৰ আৰু চীনৰ মাজৰ সম্পৰ্কৰ অৱনতি ঘটাইছিল। চীন আৰু ইংলেণ্ডৰ মাজত

দুখনকৈ যুদ্ধও সংঘটিত হৈছিল। এই যুদ্ধ দুখনক আফিং যুদ্ধও বোলা হয়. এই যুদ্ধত চীনৰ পৰাজয়ে দেশখন অন্য বিদেশী সাম্ৰাজ্যবাদী শক্তিৰ আগত যে সামৰিক দিশত দুৰ্বল সেয়া প্ৰমাণিত হৈছিল। পৰৱৰ্তী সময়ত ইংলেণ্ডকে ধৰি আন বহুতো সাম্ৰাজ্যবাদী শক্তিয়ে চীনৰ সৈতে বিভিন্ন সন্ধিপত্ৰৰ জৰিয়তে ব্যৱসায়িক আৰু ভূ-খণ্ডকেন্দ্ৰিক বাণিজ্যিক ৰেহাইৰ সুবিধা কৰি লৈছিল। এই সন্ধিবোৰে বিদেশী সাম্ৰাজ্যবাদী শক্তিবোৰক শক্তিশালী কৰি তুলিছিল আৰু তেওঁলোকে চীনত অৰ্থনৈতিক তথা অন্য আগ্ৰহ বৃদ্ধি কৰিছিল। চীনে অৱশেষত এক মুক্ত দ্বাৰ নীতি গ্ৰহণ কৰিছিল। এই অধ্যায়ৰ বিভিন্ন শিতানত আমি এই কথাবোৰ বিশদভাৱে আলোচনা কৰিম।

৯.৩ আফিং যুদ্ধ আৰু সাম্ৰাজ্যবাদী শক্তিৰ সৈতে হোৱা সন্ধি (OPIUM WARS AND TREATIES WITH IMPERIALIST POWERS)

১৮৩৯-১৮৪২ আৰু ১৮৫৬-১৮৫৮ চনত চীন আৰু ইংলেণ্ডৰ মাজত চলা যুদ্ধ দুখনক আফিং যুদ্ধ বুলি জনা যায়। অন্য বিবদমান সমস্যাৰ লগতে আফিঙৰ বাণিজ্যও এই যুদ্ধৰ সূচনা হোৱাৰ আঁৰৰ এটা মুখ্য কাৰণ আছিল। আফিং যুদ্ধক এংল'-চীনা যুদ্ধ বুলিও কোৱা হয়। অধ্যয়নৰ সুবিধাৰ কাৰণে আাফিং যুদ্ধক আমি দুটা উপ-শিতানত আলোচনা কৰিম।

৯.৩.১ প্ৰথম আফিং যুদ্ধ

আন সকলোবোৰ পশ্চিমীয়া সাম্ৰাজ্যবাদী দেশৰ দৰে ইংলেণ্ডৰ সুদূৰ প্ৰাচ্যত নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ আৰু চীনৰ সৈতে বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিবলৈ চীনত পদাপৰ্ণ কৰিছিল। ইয়াৰ আগৰ অধ্যায়তে কোৱা হৈছে যে ইংলেণ্ডত হোৱা ঔদ্যোগিক বিপ্লৱে দেশখনক বিভিন্ন বাধ্যবাধকতা থকা সত্বেও চীনৰ প্ৰতিও বাণিজ্যিক ৰেহাইৰ প্ৰস্তাৱ আগবঢ়াবলৈ বাধ্য কৰাইছিল। অধিক বাণিজ্যিক ৰেহাই লাভ কৰিবলৈ চীনৰ মাঞ্চু ৰাজপৰিষদলৈ ইংলেণ্ডে চাৰ্লছ কেথকাৰ্ট আৰু লৰ্ড জ'র্জ মেকাৰ্টনি নামৰ দুগৰাকী বিশেষ দূত প্ৰেৰণ কৰিছিল। অৱশ্যে দুয়োগৰাকী দূতেই চীনৰ পৰা বাণিজ্যিক ৰেহাই লাভ কৰাত ব্যৰ্থ হৈছিল।

দুয়োটা অভিযানৰ ব্যৰ্থতাৰ পাছত ইংৰাজ চৰকাৰে চীনত ব্যৱসায়িক স্থিতি প্ৰসাৰৰ নীতি সাময়িকভাৱে পৰিহাৰ কৰিছিল। কিন্তু ১৮১৫ চনত, ২৩ বছৰৰ বিৰতিৰ পাছত, ইংৰাজ চৰকাৰে লৰ্ড আমৰ্হাষ্টৰ নেতৃত্বত চীনলৈ পুনৰ এটা বাণিজ্যিক অভিযান প্ৰেৰণ কৰিছিল। লৰ্ড আমৰ্হাষ্টক চীনৰ ৰাজসভাত প্ৰচলিত কাও-টাও (Cow-Tow) নামৰ এটা দস্তুৰ পালন কৰিবলৈ কোৱা হৈছিল। কিন্তু অপমানজনক বুলি আখ্যা দি লৰ্ড আমৰ্হাষ্টে এই দস্তুৰ পালন কৰিবলৈ অমান্তি হৈছিল। ফলত ইংলেণ্ডৰ এই শেহতীয়া বাণিজ্যিক অভিযানো অসফল হৈছিল।

কাও-টাও (Cow-Tow) ঃ চীনৰ ৰাজসভাত প্ৰচলিত এটা অপমানজনক প্ৰথা। প্ৰথাটোৰ মতে কোনো বিদেশী লোকে চীনৰ সম্ৰাটক পোন প্ৰথমবাৰৰ বাবে লগ পোৱাৰ সময়ত অথবা লগ ধৰাৰ আগতে সম্ৰাটৰ প্ৰতিচ্ছবিৰ আগত ন বাৰ দণ্ডবৎ প্ৰণিপাত কৰিব লাগে।

চীনে বিদেশী বণিকসকলৰ ওপৰত আৰোপ কৰা সামাজিক বাধা-নিষেধ আৰুকো-হং সদাগৰসকলে কৰা শোষণৰ বাবে ইংলেণ্ডকে ধৰি চীনত বাণিজ্যিক কার্যকলাপ চলাই থকা অন্য বিদেশী সাম্রাজ্যবাদী দেশবোৰৰ মনত বিদ্বেষৰ জন্ম দিছিল। এই সামাজিক বাধা-নিষেধ আৰু শোষণ কেনেকুৱা আছিল সেই বিষয়ে ইয়াৰ আগৰ অধ্যায়ত আলোচনা কৰা হৈছে। বিদেশীৰ ওপৰত আৰোপ কৰা বাধা-নিষেধৰ অংশ হিচাপে মাঞ্চু চৰকাৰে বিদেশীসকলক চীনা ভাষা শিকাতোও নিষেধ কৰিছিল। স্থানীয় চীনা লোকক বিদেশীক চীনা ভাষা শিকাবলৈ বাধা দিয়া হৈছিল। মাঞ্চুসকলে ভাবিছিল যে স্থানীয় ভাষা শিকাৰ পাছত বিদেশীসকলে চীনা লোকৰ সৈতে পোনে পোনে সংযোগ স্থাপন কৰিব আৰু সাধাৰণ চীনা লোকৰ মনত মাঞ্চুসকলৰ বিৰুদ্ধে বিদ্রোহৰ বীজ ৰোপণ কৰিব। এই নিষেধাজ্ঞাৰ পাছত বিদেশী বণিকসকলে বাণিজ্যিক লেন-দেনৰ বাবে চীনা বিষয়াৰ সৈতে কথা পাতিবলৈ দোভাষীৰ ওপৰত সম্পূর্ণৰূপে নির্ভৰ কৰিবলগীয়া হৈছিল।

ইয়াৰ আগৰ অধ্যায়তে কোৱা হৈএছ যে চীনাসকলে তেওঁলোকৰ দেশখনক সৰগীয় সাম্রাজ্য বুলি গণ্য কৰিছিল। তেওঁলোকে চীনক পৃথিৱীৰ আন সকলো দেশতকৈ শ্রেষ্ঠ বুলি ভাবিছিল। তেওঁলোকে নিজ সম্রাটক 'সৰগৰ/ঈশ্বৰৰ সন্তান' (The Son of Heaven) বুলি মানিছিল আৰু বিদেশীসকলেও তেওঁলোকৰ দৰেই চীনা সম্রাটৰ সার্বভৌমত্বক স্বীকৃতি দিয়াটো বিচাৰিছিল। তেওঁলোকৰ মতে চীন আৰু বিদেশী ৰাষ্ট্রবোৰৰ মাজৰ সম্পর্ক শ্রেষ্ঠতম আৰু দুর্বল দেশৰ মাজৰ সম্পর্কৰ দৰে হ'ব লাগে। চীনৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰিবলৈ আৰু সম্রাটৰ সার্বভৌমত্ব মানি লোৱাৰ ৰীতিগত প্রদর্শনৰ বাবে তেওঁলোকে 'কাও-টাও' আৰু 'ট্রিবিউট'ৰ (Tribute) দৰে অপমানজনক প্রথাৰ প্রচলন কৰিছিল। বিদেশীসকলে মানি চলিবলগীয়া এনে অপমানজনক প্রথাৰ বাবে বিদেশীসকলে চীনক অত্যন্ত বেয়া পাইছিল। ইয়াৰ উপৰি চীনলৈ বাণিজ্যিক লেনদেনৰ অভিযান চলাবলৈ অহা বিদেশী দূতবোৰক চীনাসকলে 'ট্রিবিউট বহনকাৰী' (Tribute bearers) বুলি গণ্য কৰিছিল।



ট্রিবিউট (Tribute) /পেচকছ ঃ সম্রাটক লগ ধৰাৰ সময়ত বিদেশীসকলে নিজ দেশত উৎপাদিত/ নিমিত সামগ্রীৰ উপহাৰ আগবঢ়াব লগীয়া প্রথাটোকে 'ট্রিবিউট' বোলা হৈছিল।

চীনাসকলৰ পণ্য দ্রব্যৰ মূল্য নির্ধাৰণ প্রণালীটোও অতি খামখেয়ালিপূর্ণ আছিল। কেন্দ্রীয় চৰকাৰে দ্রব্যৰ যুক্তিসংগত মূল্যই ধার্য কৰি দিছিল। কিন্তু কেন্দ্রীয় চৰকাৰৰ অধীনত নামমাত্র কার্যকলাপ চলাই থকা স্থানীয় কর্তৃপক্ষই এই মূল্যত হেৰফেৰ কৰিছিল। চীনা শুল্ক বিষয়াসকল আৰু তেওঁলোকৰ তলতীয়া কর্মচাৰীবৃন্দ যথেষ্ট কম সময়ৰ বাবে কার্যালয়ত উপস্থিত থাকিছিল। সেইখিনি সময়তে তেওঁলোকে যিমান পাৰে সিমান ধন উপার্জনৰ চেষ্টা কৰিছিল। তেওঁলোকে দ্রব্য মূল্য অযুক্তিকৰভাৱে বৃদ্ধি কৰিছিল আৰু বিদেশী বাণিজ্যৰ ওপৰত অহৰহ হেঁচা দি এই মূল্য আদায় কৰিছিল। ইয়াৰ ফলত বিদেশী বণিকসকলৰ যথেষ্ট লোকচান হৈছিল আৰু তেওঁলোকে ইয়াৰ তীব্র বিৰোধিতা কৰিছিল। ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে এই মূল্য নীতিক চীনৰ আমদানি বাণিজ্যক উৎসাহিত

আৰু ৰপ্তানি বাণিজ্যক নিৰুৎসাহিত কৰাৰ প্ৰয়াস বুলি গণ্য কৰিছিল। ১৮৩৩ চনলৈকে ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চীনৰ বাণিজ্য জগতত আধিপত্য বিস্তাৰ কৰি আছিল। কিন্তু অন্য ইংৰাজ কোম্পানীবোৰকো চীনত বাণিজ্য সম্প্ৰসাৰণ কৰাৰ সমান সুবিধা দিবলৈ ইংৰাজ চৰকাৰে সেই বছৰতে কোম্পানীৰ আধিপত্য নাইকিয়া কৰিছিল। সেইখিনি সময়লৈকে ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতিনিধিসকলে চীনা বিষয়াবৰ্গৰ সৈতে কেৱল বাণিজ্য সংক্ৰান্তীয় কথা-বতৰাহে পাতিছিল। কোম্পানীৰ বাণিজ্যিক স্বাৰ্থৰ খাতিৰত তেওঁলোকে চীনা চৰকাৰৰ উচ্চাত্মিকাবোধ আৰু দমনকাৰী আচাৰ-আচৰণ সহ্য কৰিছিল। কোম্পানীৰ বাণিজ্যিক আধিপত্য শেষ হোৱাৰ পাছত ইংৰাজ চৰকাৰে নিজৰ বাণিজ্যিক স্বাৰ্থ সুৰক্ষিত ৰাখিবলৈ বিশেষভাৱে ভাৰপ্ৰাপ্ত বিষয়াক (Commissioned officers) প্ৰতিনিধি হিচাপে চীনলৈ পঠিয়াবলৈ ল'লে। ইংৰাজ চৰকাৰে প্ৰত্যক্ষভাৱে প্ৰেৰণ কৰা বিষয়া হিচাপে তেওঁলোকে চীনা চৰকাৰী বিষয়াবৰ্গৰ পৰা সম অধিকাৰপূৰ্ণ আচৰণ লাভৰ আশা কৰিছিল। ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতিনিধিসকলৰ দৰে তেওঁলোক চীনাসকলৰ বহতীয়া লোকক কৰাৰ দৰে আচৰণ সহ্য কৰিবলৈ ৰাজী নাছিল। এই কথাৰ বাবে ইংৰাজ আৰু চীনা চৰকাৰৰ মাজত মতানৈক্যৰ সৃষ্টি হৈছিল।

১৮৩৩ চনত ইংৰাজ চৰকাৰে লৰ্ড চাৰ্লছ নেপীয়েৰক (Lord Charles Napier) ইংৰাজ অথবা বৃটিছ বাণিজ্যৰ প্ৰথমগৰাকী অধীক্ষকৰূপে কেণ্টনলৈ প্ৰেৰণ কৰিছিল। ইংলেণ্ড এৰাৰ আগতে তেওঁক ইংলেণ্ডৰ ৰজাৰ ঘৰৰ আদেশ শুনাই কোৱা হৈছিল যে তেওঁ কেণ্টনত উপস্থিত হৈয়েই ভাইছৰয়ক তেওঁৰ উপস্থিতিৰ কথা পত্ৰ প্ৰেৰণ কৰিব, পিকিঙৰ সম্ৰাটৰ ৰাজসভাৰ সৈতে পোনপটীয়া যোগাযোগ স্থাপন কৰিব আৰু অত্যন্ত জৰুৰী অৱস্থাৰ সৃষ্টি নহ'লে সামৰিক সাহায্য বিচাৰিব নোৱাৰিব। লৰ্ড নেপীয়েৰ এই আটাইবোৰ নিৰ্দেশনা মানিবলৈ আগ্ৰহী আছিল। কেণ্টনৰ উপস্থিত হৈ তেওঁ ভাইছৰয়ক এখন পত্ৰ যোগে নিজৰ উপস্থিতিৰ কথা জনালে। কিন্তু নেপীয়েৰে চীনা চৰকাৰৰ তিনিটা মৌলিক নিয়ম ভংগ কৰা বুলি কৈ ভাইছৰয়ে তেওঁৰ পত্ৰখন গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল।

নেপীয়েৰে চীনৰ আনুষ্ঠানিক অনুমতি লাভ নকৰাকৈয়ে মাকাওৰ পৰা কেণ্টন কাৰখানালৈ আহি প্ৰথম নিয়মটো ভংগ কৰিছিল। দ্বিতীয়তে তেওঁ কো-হং সদাগৰসকলৰ মাজৰ কাকোৰেই মাধ্যম হিচাপে ব্যৱহাৰ নকৰি নিজে পোনে পোনে ভাইছৰয়ৰ সৈতে যোগাযোগ স্থাপনৰ চেষ্টা কৰিছিল। তৃতীয় অপৰাধটো আছিল নেপীয়েৰে নিজৰ চিঠিখনক 'আবেদন' (petition) বোলাৰ সলনি 'চিটি' (Letter) বুলি উল্লেখ কৰিছিল। কিন্তু চীনা চৰকাৰে পেচকছ প্ৰদানকাৰী দেশ (tributary) অথবা কৰতলীয়া দেশৰ (Vassal state) পৰা 'চিটি' নহয় 'আৱেদন' গ্ৰহণ কৰাতহে অভ্যস্ত আছিল. চীনে ইংলেণ্ডক পেচকছ প্ৰদানকাৰী অথবা কৰতলীয়া দেশ বুলি গণ্য কৰাটো ইংলেণ্ডৰ বাবে অপমানজনক কথা আছিল। কেণ্টনৰ কাৰাখানা পৰিসৰত লৰ্ড নেপীয়েৰ আৰু তেওঁৰ দেশৰ অন্য নাগৰিকসকলক প্ৰায় বন্দীৰ দৰে আচৰণ কৰা হৈছিল। তেওঁলোকৰ ওপৰত

কঠোৰতম বাণিজ্যিক নিষেধাজ্ঞা কিছুমান বলবৎ কৰা হৈচিল। লর্ড নেপীয়েৰে ইয়াৰ বিৰোধিতা কৰিচিল যদিও সেয়া অথলে গৈছিল। অহৰহ উদ্বিগ্নতা আৰু মানসিক চাপত থাকিবলগীয়া হোৱাত লর্ড নেপীয়েৰৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল। তেওঁ অৱসৰ লৈ মাকাওলৈ গৈছিল আৰু তাতেই ১৮৩৪ চনৰ ১১ অক্টোবৰত তেওঁৰ মৃত্যু হৈছিল। লর্ড নেপীয়েৰৰ মৃত্যুৰ পাছত ১৮৩৬ চনত কেণ্টনত থকা ইংৰাজ বাণিজ্যিৰ অধীক্ষক হিচাপে কেপ্টেইন এলিয়টক চীনলৈ পঠিওৱা হৈছিল। তেৱোঁ লর্ড নেপীয়েৰে মুখামুখি হোৱা সমস্যাবোৰৰ সৈতে যুঁজিবলগীয়া হৈছিল আৰু তেওঁৰ দৰেই কেপ্টেইন এলিয়টেও অৱসৰ লৈ মাকাওলৈ উভতি যাবলৈ বাধ্য হৈছিল।

এংল'- চীনা সম্পর্কৰ ক্রমবর্দ্ধমান তিক্ততা আফিং ব্যৱসায়ক কেন্দ্র কৰি চৰম সীমাত উপনীত হৈছিল। আটাইবোৰ বিদেশী ৰাষ্ট্রই চীনত আফিঙৰ ব্যৱসায় কৰিছিল। চীনাসকলৰ মাজত আফিঙৰ চাহিদা দিনক দিনে বৃদ্ধি পোৱা বাবে ব্যৱসায়টোৱো উত্থান ঘটিছিল। চীনৰ আফিঙৰ চাহিদা কেৱল ভাৰতৰ পৰা আমদানি কৰা আফিঙেহে পূৰাব পাৰিছিল। ইংলেণ্ডৰ বাবে ই এটা লাভজনক কথা আছিল। কাৰণ ভাৰতস্থ ইংৰাজ চৰকাৰৰ ৰাজহ সংগ্রহৰ এটা গুৰুত্বপূর্ণ উৎস আছিল আফিং উৎপাদন। আফিঙৰ আমদানিৰ বর্দ্ধিত চাহিদা আৰু চীনৰ পৰা ৰূপৰ ৰপ্তানিয়ে চীনক ক্রমে আর্থিকভাৱে দুর্বল কৰি তুলিছিল।

নৈতিক আৰু অর্থনৈতিক কাৰণত চীনা চৰকাৰে আফিং ব্যৱসায় বন্ধ কৰি দিয়াৰ আৰু বৈদেশিক বাণিজ্যক কো-হং তথা বিদেশী বণিকসকলৰ মাজৰ কার্য হিচাপে কেণ্টন বন্দৰতে সীমাৱদ্ধ কৰি পেলোৱাৰ সিদ্ধান্ত হৈছিল। ইয়াৰ বাবে ১৮৩৯ চনত চীনা চৰকাৰে লিন চে-চু (Lin Tse-hsu) নামৰ খ্যাতনামা চীনা বিষয়াগৰাকীক কেণ্টনত সম্রাটৰ আয়ুক্ত (Insperial Commissioner at Canton) ৰূপে নিযুক্তি দিছিল। আয়ুক্ত লিন কেণ্টনত আহি উপস্থিত হোৱাৰ পাচত তেওঁৰ সৈতে সফল আলোচনাত মিলিত হোৱাৰ আশা লৈ কেপ্টেইন এলিয়টো মাকাওৰ পৰা কেণ্টনলৈ আহিছিল। কিন্তু কেপ্টেইন এলিয়টৰ সকলো আশাত চেচাপানী পৰিছিল। কেণ্টনত উপস্থিত হোৱাৰ এসপ্তাহ পাছতেই আয়ুক্ত লিনে কেপ্টেইন এলিয়টকে ধৰি সকলো বিদেশী বণিকক কাৰাবন্দী কৰিছিল আৰু তেওঁলোকৰ হাতত থকা সমুদায় আফিং তেওঁৰ কার্যালয়ত জমা দিয়াৰ দাবী জনাইছিল।

কোনো বিকল্প বিচাৰি নাপায় বিদেশী বণিকসকলে কেপ্টেইন এলিয়টৰ জৰিয়তে ২০,২৯১ বাকচ আফিং চীনা চৰকাৰৰ হাতত তুলি দিছিল। সেইবোৰ পাছত নদীত পেলাই দিয়া হৈছিল। এই কথাই বণিকসকলক, বিশেষকৈ ইংৰাজ বণিকসকলক অত্যন্ত অসন্তুষ্ট কৰিছিল। আফিঙৰ বাকচবোৰ জমা দিয়াৰ দাবী বিদেশী বণিকসকলে সহজে মানি লোৱা দেখি চীনা চৰকাৰে আন কিছুমান নীতি-নিয়ম বলবৎ কৰি তেওঁলোকক নিয়ন্ত্রণত ৰাখিব বিচাৰিছিল। এনে এটা নতুন নিয়ম মতে কোনো অপৰাধত দোষী সাব্যস্ত হোৱা বিদেশীক চীনা দণ্ডবিদি পৰিষদৰ ওচৰত গটাব লাগিব। মৃত্যুদণ্ডেৰে

দণ্ডিত হোৱা দোষীৰ ক্ষেত্রতো একে নীতি প্রযোজ্য কৰা হৈছিল। যিটো সময়ত চীনা কর্তৃপক্ষই এই নিয়ন্ত্রণবোৰ বিদেশীৰ ওপৰত জাপি দিয়াৰ চেষ্টা চলাইছিল সেইখিনি সময়তে কাওলুন (Kowloon) নামৰ চীনা গাঁও এখনত ১৮৩৯ চনৰ ৭ জুলাইত এটা দুর্ভাগ্যজনক ঘটনা সংঘটিত হৈছিল। কেইজনমান ইংৰাজ নাবিকে গাঁওখনৰ লিন ৱেই-হিচ (Lin Wei-his) নামৰ গঞ্জাজনক মৰিয়াই/কোবাই হত্যা কৰিছিল।

এই অপৰাধমূলক ঘটনাই চীনা কর্তৃপক্ষক তেওঁলোকৰ নতুনকৈ প্রস্তুত কৰা নিয়ন্ত্রণমূলক নীতিবোৰ বলবৎ কৰাৰ সুযোগ দিলে। স্থানীয় চীনা বিষয়াসকলে দোষীক বিচাৰি উলিয়াবলৈ এক অনুসন্ধান চলোৱাৰ দাবী জনালে। আয়ুক্ত লিনে হত্যাকাৰীক চীনা কর্তৃপক্ষৰ আগত আত্মসমর্পন কৰাৰ দাবী জনালে। কিন্তু কেপ্টেইন এলিয়টে দোষীক চিনাক্ত কৰাত অসমর্থতা প্রকাশ কৰি প্রতিবেদন দাখিল কৰিলে। তথাপিও চীনা কর্তৃপক্ষই দোষীৰ আত্মসমর্পনৰ দাবী জনায়েই থাকিল আৰু ইংৰাজ কর্তৃপক্ষও নিজৰ স্থিতিত আকোঁৰগোজ হৈ ৰ'ল। প্রায় ৬ দিন (nearly six ??) বিষয়টোক লৈ কথা-বতৰা চলিল যদিও কোনো ইতিবাচক সমাধান নোলাল। ইয়াৰ ফলশ্রুতিত আয়ুক্ত লিনে দোষী আৰু দোষীৰ সমর্থকসকলক সমাজচ্যুত কৰাৰ নির্দেশনা জাৰি কৰিলে। তেওঁ সকলো ইংৰাজকে তিনি দিনৰ ভিতৰত চীন এৰি যোৱাৰ নির্দেশ দিলে।

সম্রাটৰ নির্দেশ কার্য ৰূপায়িত কৰিবলৈ চীনা সৈন্য ইংৰাজ আবাসিক অঞ্চলৰ দিশে অগ্রসৰ হ'ল। ১৮৩৯ চনৰ ৩ নৱেম্বৰত ইংৰাজসকলে পোন প্রথমে চীনা সৈন্যৰ ওপৰত গুলীবর্ষণ কৰিলে। এনেকৈয়ে প্রথমখন এংল-চীনা আফিং যুদ্ধৰ সূত্রপাত হ'ল। ছুৱেনপি (Chuenpi) নামৰ ঠাইত আৰম্ভ হোৱা এই সংঘর্ষত ইংৰাজসকল বিজয়ী হৈছিল। এই বিজয়ত উৎসাহিত হৈ পৰা ইংৰাজসকল ছুৱেনপিৰ পৰা আগবাঢ়ি গৈ কেণ্টন নিজৰ নিয়ন্ত্রণাধীন কৰিলে। কিন্তু সোনকালেই তেওঁলোকে কেণ্টন এৰি আৰু চীন উপকূলৰে উজাই গ'ল, চীনা সৈন্যবাহৰত আক্রমণ কৰিলে আৰু য়াংট্ৰে (Yangtze) নদীৰ মোহনা (মুখ) বন্ধ কৰিলে। ইংৰাজসকলৰ অগ্রগতিয়ে চীনা চৰকাৰক শংকিত কৰি তুলিলে। আয়ুক্ত লিনক অতি সোনকালে কার্যালয়ৰ পৰা আঁতৰ কৰা হ'ল।

আয়ুক্ত লিনৰ ঠাইত ছি-শ্বান (Chi-Shan) নামৰ মাঞ্চু এজনক আয়ুক্ত পতা হ'ল। ইংৰাজসকলৰ সৈতে আলোচনাত মিলিত হোৱা আৰু তেওঁলোকৰ অগ্রগতি পৰীক্ষা কৰা আছিল নতুন আয়ুক্তৰ দায়িত্ব। ছি-শ্বানে সেইমতে আলাপ-আলোচনা আৰম্ভ কৰিলে আৰু ইংৰাজসকলক দক্ষিণ প্রান্তৰ ছুনেপিলৈ ওভটাই পঠিওৱাত সফল হ'ল। চুৱেনপিত তেওঁ ১৮৪১ চনৰ জানুৱাৰী মাহত ইংৰাজসকলৰ সৈতে এখন সন্ধিপত্রত চহী কৰিলে। এই সন্ধিমতে হংকঙক ইংৰাজৰ হাতত অর্পণ কৰা হ'ল আৰু চীনা কর্তৃপক্ষই তেওঁলোকক ক্ষতিপূৰণ দিবলৈ সন্মত হ'ল। লগতে চীনা আৰু ইংৰাজ কর্তৃপক্ষই কূটনৈতিক ক্ষমতা বর্তাই ৰাখিবলৈ সন্মত হ'ল তথা চীনে ইংৰাজসকলক ব্যৱসায়-বাণিজ্য চলাই যোৱাৰ অনুমতি প্রদান কৰিলে।

কিন্তু ছুৱেনপিৰ সন্ধি অতি সোনকালেই অৰ্থহীন আলোচনাত পৰিণত হ'ল। ছি-শ্বান আৰু কেপ্টেইন এলিয়টক সন্ধিত চহী কৰাৰ পাছতেই নিজ নিজ দেশৰ চৰকাৰে মাতি পঠিয়ালে। তাৰ পাছত সন্ধিখন অগ্ৰাহ্য কৰা হ'ল আৰু ১৮৪১ চনৰ আগষ্ট মাহৰ পৰা পুনৰ যুদ্ধ আৰম্ভ হ'ল। যুদ্ধ ১৮৪২ চনৰ মাৰ্চ মাহলৈ চলিল। তাৰ পাছত চীনা চৰকাৰ আন এখন সন্ধিপত্ৰত চহী কৰাৰ বাবে আগবাঢ়ি আহিল। এই সন্ধিও আগৰখনৰ দৰেই সোনকালে অৰ্থহীন হৈ পৰিল।

চীনা উপকূলত মুখ্য ইংৰাজ প্ৰতিনিধি হিচাপে ছাৰ হেনৰী পাটিংজাৰ আহি চীনত পদাপৰ্ণ কৰাৰ পাছতেই ১৮৪২ চনৰ আগষ্ট মাহৰ পৰা পুনৰ যুদ্ধ আৰম্ভ হ'ল। চীনাসকলৰ পৰা কোনো ধৰণৰ শক্তিশালী বাধা নোপোৱাকৈয়ে পাটিংজাৰৰ নেতৃত্বাধীন ইংৰাজ নৌসেনা উত্তৰ দিশে অগ্ৰসৰ হ'ল। সোনকালেই ইংৰাজসেনা নানকিং অঞ্চলত প্ৰৱেশ কৰিলে আৰু কেন্দ্ৰীয় ভূ-ভাগলৈ আগুৱাই গ'ল। ইংৰাজ আক্ৰমণৰ আগত তিষ্ঠিব নোৱাৰিব বুলি অনুমান কৰি চহৰখনৰ প্ৰাচীৰত চীনা সৈন্যই আত্মসমৰ্পনৰ পতাকা উৰুৱালে। চীনা সৈন্যৰ এই আত্মসমৰ্পনৰ লগে লগে প্ৰথম আফিং যুদ্ধৰ সামৰণি পৰিল।

- **নানকিং আৰু বগৰ সন্ধি (Treaty of Nanking and Bogue)**

  প্ৰথম এংল-চীনা মতানৈক্যৰ আনুষ্ঠানিক নিষ্পত্তি হিচাপে ১৮৪২ চনৰ ২৯ আগষ্টত নানকিঙত এখন শান্তি সন্ধি ১৮৪৩ চনৰ ৪ অক্টোবৰত বগত এখন পৰিপূৰক সন্ধি স্বাক্ষৰিত হৈছিল। এই দুয়োখন সন্ধিৰ মূল নীতিবিলাকে এশ বছৰৰ বাবে চীনৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ দিগ্‌নিৰ্দেশক হিচাপে কাম কৰিছিল। এই নীতিবিলাক কিছু সাল-সলনি আৰু কিছু নতুনকৈ সংযোজন ঘটাই লোৱা হৈছিল। নানকিং সন্ধিৰ মূল চৰ্তবোৰ আছিল এনেধৰণৰ—

- চীনৰ পাঁচটা বন্দৰ কেণ্টন, এময়, ফুছোও, নিংপ' আৰু শ্বাংহাইক কোনো প্ৰতিবন্ধকতা নথকাকৈ ইংৰাজ বণিকসকলৰ বসতি আৰু বাণিজ্যৰ বাবে 'সন্ধি বন্দৰ' (Treaty ports) হিচাপে মুকলি কৰি দিয়া হ'ব।
- হংকং দ্বীপ চিৰদিনৰ বাবে ইংলেণ্ডক এৰি দিয়া হ'ব। ইয়াৰ লগে লগে হংকং ইংৰাজৰ ব্যৱসায়িক স্বাৰ্থৰ সম্প্ৰসাৰণ ঘটোৱা এটা গুৰুত্বপূৰ্ণ বন্দৰত পৰিণত হৈছিল।
- প্ৰথম আফিং যুদ্ধৰ আৰম্ভণি আৰু যুদ্ধখন চলি থকা সময়ত ইংৰাজ বণিকসকলৰ যি ক্ষতি হৈছিল তাৰ ক্ষতিপূৰণ হিচাপে চীনে ২১ মিলিয়ন ডলাৰৰ সমপৰিমাণৰ ধন পৰিশোধ কৰিবলগীয়া হৈছিল। মুঠ ক্ষতিপূৰণৰ ভিতৰৰ ৬ মিলিয়ন ডলাৰ আছিল আফিং জমা দিয়া আৰু নষ্ট কৰাৰ ক্ষতিপূৰণ, ৩ মিলিয়ন ডলাৰ আছিল কো-হং সদাগৰসকলে ইংৰাজ নাগৰিকক পৰিশোধ কৰিবলগীয়া নিৰাপত্তা ঋণ (cover debt) আৰু ১২ মিলিয়ন ডলাৰ আছিল যুদ্ধত হোৱা লোকচানৰ ক্ষতিপূৰণ।

- চীনা কর্তৃপক্ষই কো-হঙৰ অস্তিত্ব বিলোপ কৰিছিল।
- পণ্যদ্রব্যৰ মূল্য/শুল্ক নির্ধাৰণ প্রণালীৰ অনুকূল নিষ্পত্তি। চীনা শুল্ক বিষয়াৰ মইমতালিপূর্ণ আচৰণ নাইকিয়া কৰিবলৈ আমদানি আৰু ৰপ্তানি দ্রব্যৰ এক যুক্তিপূর্ণ তথা নিয়মীয়া শুল্ক সূচী চীনা চৰকাৰে প্রকাশ কৰিব লাগিব।
- ইংৰাজ বণিকসকলৰ স্বার্থ সুৰক্ষিত কৰিবলৈ চীনা কর্তৃপক্ষই কিছুমান চীনা বণিকক দি থোৱা আধিপত্যৰ অধিকাৰ উঠাই ল'ব লাগিব।
- অন্য বিদেশী শক্তিৰ সৈতে সম্পর্ক স্থাপনৰ ক্ষেত্রত চীনে ইয়াৰ পূর্বৰ মনোভাৱ সলনি কৰিব লাগিব। চীনে পূর্বৰ দৰে বিশ্বৰ অন্য দেশতকৈ নিজকে শ্রেষ্ঠ বুলি প্রতিপন্নি কৰাৰ সলনি সকলো দেশেই যে সমান এই নীতিক স্বীকৃতি দিব লাগিব।
- সমান পদমর্যদাৰ চীনা আৰু ইংৰাজ বিষয়াই ইজনে সিজনক সমব্যৱহাৰ কৰিব। পমানজনক 'কাও-টাও' প্রথা বিলুপ্তি কৰা হ'ব। আনুষ্ঠানিক যোগাযোগবোৰক 'যোগাযোগ' হিচাপেহে গণ্য কৰা হ'ব, 'আবেদন' হিচাপে নহয়।
- যুদ্ধৰ সময়ত ইংৰাজসকলক প্রত্যক্ষ অথবা পৰোক্ষভাৱে সহায় কৰা সকলো চীনা নাগৰিকক চীনৰ সম্রাটে সম্পূর্ণ ৰাজহুৱা ক্ষমাদান কৰিব লাগিব।
- যুদ্ধৰ সময়ত গ্রেপ্তাৰ কৰা অথবা কাৰাগাৰলৈ নিক্ষেপ কৰাসকলো ইংৰাজকে নিঃচর্তভাৱে মুকলি কৰি দিব লাগিব।
- সম্পূর্ণ যুদ্ধ ক্ষতিপূৰণ পোৱাৰ পাছতহে কিছুমান নির্দিষ্ট চীনা এলেকাৰ পৰা ইংৰাজৰ বসতি আঁতৰোৱা হ'ব।

কিন্তু ইংৰাজসকল নানকিং সন্ধিৰ পৰা লাভ কৰা সুযোগ-সুবিধাবোৰক লৈ সিমান সন্তুষ্ট হ'ব নোৱাৰিলে। সেয়েহে তেওঁলোকে পুনৰ চীনৰ ওপৰত পৰিপূৰক বগ সন্ধিখন জাপি দিলে আৰু চীনৰ পৰা কিছুমান মূল ভূ-খণ্ডকেন্দ্রিক বিশেষ অতিৰিক্ত অধিকাৰ লৈ ল'লে নতুন সন্ধি মতে ইংৰাজসকলে চীনত ইংৰাজ বাসিন্দাৰ বিৰুদ্ধে চলা বিচাৰবোৰ নিষ্পত্তি কৰিবলৈ সন্ধি বন্দৰবোৰত নিজাকৈ আদালত স্থাপন কৰিব পৰা হ'ল। চীনৰ বাবে ই এক অপমানজনক কথা আছিল। কাৰণ এই কার্যৰ দ্বাৰা চীনাসকলে নিজৰ মাটিতে ইংৰাজ নাগৰিকৰ বিৰুদ্দে ন্যায়সংগত নিয়ন্ত্রণ হেৰুৱাই পেলাইছিল।

- **প্রথম আফিং যুদ্ধৰ পৰিণাম অথবা প্রভাৱ**

প্রথম আফিং যুদ্ধত ইংৰাজৰ হাতত চীনৰ পৰাজয়ে এই কথা প্রমাণিত কৰিলেযে চীনত অপমানজনক পৰিস্থিতি আৰু বহুতো বাধা-নিষেধৰ মাজত ব্যৱসায়-বাণিজ্য কৰি থকা বিদেশী ৰাষ্ট্রবোৰৰ তুলনাত চীন দুর্বল। এই পৰাজয়ে ইমানদিনে নিজ দেশখনক সৰগীয় সাম্রাজ্য আৰু সবাতোকৈ উন্নত তথা সুসভ্য জাতি বুলি ভাবি থকা চীনাসকলৰ আগতো চৰকাৰক লজ্জানত কৰিলে। কোনো ভয়-শংকা আৰু দ্বিধা নৰখাকৈ অন্য

বিদেশী ৰাষ্ট্ৰবোৰেও ইংলেণ্ডৰ বিজয়ৰ সুযোগ ল'লে। এই দেশবোৰে কোনো বাধাৰ সন্মুখীন নোহোৱাকৈ ইংৰাজ বণিকৰ বসবাস আৰু বাণিজ্যিক সম্প্ৰসাৰণৰ বাবে মুকলি কৰি দিয়া 'সন্ধি বন্দৰ' পাঁচটা ব্যৱহাৰ কৰিবলৈ ল'লে। এই এককেইটা বন্দৰকে আমেৰিকাৰ বাবেও 'সন্ধি বন্দৰ' ৰূপে মুকলি কৰিবলৈ আৰু ইংলেণ্ডৰ দৰে আন কিছুমান ভূমি-অতিৰিক্ত অধিকাৰ বিচাৰি আমেৰিকা যুক্তৰাষ্ট্ৰই কালেব কাশ্বিঙৰ (Caleb Cushing) নেতৃত্বত চীনলৈ এটা কূটনৈতিক অভিযান প্ৰেৰণ কৰিলে। অভিযানৰ সদস্যসকলে নিজ উদ্দেশ্য সাধন কৰাত সফল হ'ল। ১৮৪৪ চনৰ জুলাই মাহত তেওঁলোকে চীনা কৰ্তৃপক্ষৰ সৈতে ৱাংঘিয়া সন্ধিত (Treaty of Wanghia) চহী কৰিলে। ইয়াৰ কেইমাহমান পাছতেই ১৮৪৪ চনৰ ২৪ অক্টোবৰত ফ্ৰান্সে চীনৰ সৈতে হোৱামপ'ৱা সন্ধিত (Treaty of Whampoa) চহী কৰিলে আৰু চীনৰ পৰা একেবোৰ সা-সুবিধাই লাভ কৰিলে। ১৮৪৫ চনৰ পৰা ১৮৪৭ চনলৈ বেলজিয়াম, চুইডেন আৰু নৰৱে'ই চীনৰ সৈতে বাণিজ্যিক অধিকাৰ সম্পৰ্কীয় আন বহুতো সন্ধিত চহী কৰিলে। বিদেশী ৰাষ্ট্ৰবোৰক বাণিজ্যিক ৰেহাই দিয়াৰ উপৰি ১৮৪৪ চনত চীনৰ সম্ৰাটে বন্দৰবোৰত ৰোমান কেথ'লিক গীৰ্জা স্থাপনৰ অনুমতি প্ৰদান কৰি ৰাজকীয় ঘোষণা জাৰি কৰিলে। এই ৰাজঘোষণাত চীনা লোকক ৰোমান কেথ'লিক ধৰ্ম গ্ৰহম কৰাৰ অনুমতিও প্ৰদান কৰা হৈছিল। ইয়াৰ উপৰি চীনা চৰকাৰে ৰোমান কেথ'লিক মতবাদৰ প্ৰতি সহিষ্ণুতা প্ৰদৰ্শনৰ কথাও নিশ্চিত কৰিলে আৰু ১৮৪৬ চনত দ্বিতীয়টো ৰাজঘোষণাৰ যোগেদি কাং চিৰ (K'ang Hsi) অধীনত নিৰ্মিত কেইটামান কেথ'লিক গীৰ্জাৰ পুনৰ নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিলে।

কিন্তু আফিং ব্যৱসায়ক লৈ কোনো নিশ্চিত ফলাফল অথবা প্ৰভাৱ দেখা পোৱা নগ'ল। চীনে যুদ্ধৰ প্ৰধান কাৰণ হিচাপে আফিং ব্যৱসায়কে জগৰীয়া কৰিছিল যদিও নানকিং সন্ধিত আফিঙৰ বাকচবোৰ ধ্বংস কৰাৰ বিনিময়ত ৬ মিলিয়ন ডলাৰ ক্ষতিপূৰণ দিয়াৰ কথা উল্লেখ কৰাৰ বাহিৰে আন একো কথা কোৱা হোৱা নাছিল। ইংৰাজে মতপোষণ কৰিছিল যে চীনে ইচ্ছা কৰিলে আফিং ব্যৱসায়ক বৈধ বুলি স্বীকৃতি দি ব্যৱসায়টো নিয়ন্ত্ৰণ কৰিব পাৰে অথবা ইয়াৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিব পাৰে। নিষেধাজ্ঞা বলবৎকৰণ অথবা নিষেধাজ্ঞা আৰোপকৰণ হ'ব সম্পূৰ্ণ চীনা কৰ্তৃপক্ষৰ দায়িত্ব। যিহেতু চীন আফিং ব্যৱসায়ে বৈধকৰণৰ বিৰোধী আছিল সেয়েহে এই গুৰুত্বপূৰ্ণ বিষয়টো সন্দৰ্ভত নানকিং সন্ধিত একো উল্লেখ কৰা হোৱা নাছিল। অৰ্থাৎ আফিং আছিল যুদ্ধৰ এটা উপৰুৱা কাৰণ।

৯.৩.২ দ্বিতীয় আফিং যুদ্ধ

প্ৰথম আফিং যুদ্ধৰ পাছত ঘটা ঘটনাৰাজিৰ ফলত চীনত দ্বিতীয়খন আফিং যুদ্ধৰ সূত্ৰপাত হৈছিল। ইংলেণ্ডৰ হাতত পৰাজয় আৰু পৰৱৰ্তী সময়ত ইংলেণ্ড আৰু অন্য দেশৰ সৈতে স্বাক্ষৰিত হোৱা সন্ধিবোৰ বিফল হোৱাৰ পাছত চীনৰ বিদেশী-বিৰোধী

মনোভাৱ আগতকৈ গাঢ় হৈছিল। চীনৰ দুৰ্বলতা প্ৰকাশ হোৱাৰ পাছত চীনত বাণিজ্যিক ৰেহাই লাভ কৰিবলৈ বিদেশী শক্তিবোৰৰ লোভ দিনে দিনে বাঢ়ি গৈছিল। কিন্তু চীনা কৰ্তৃপক্ষ বাৰে বাৰে বিদেশী শক্তিৰ ইচ্ছা পূৰণ কৰাৰ পক্ষপাতি নাছিল।

দৰাচলতে ইংৰাজৰ অস্ত্ৰ ব্যৱহাৰৰ ফলতহে বিদেশৰ সৈতে সন্ধি কৰি চীনে বাণিজ্যিক ৰেহাই আগবঢ়াইছিল। কিন্তু ইংৰাজৰ অস্ত্ৰ ব্যৱহাৰৰ সম্ভাৱনা কমি যোৱাৰ লগে লগে চীনা চৰকাৰে কৌশলপূৰ্ণভাৱে তথা মুকলিকৈ আগৰ চৰ্তবোৰ পুনৰ বাহাল কৰিবলৈ ধৰিলে। চীনা কৰ্তৃপক্ষই সন্ধিৰ চৰ্তবোৰ কাৰ্য ৰূপায়িত কৰাত ইচ্ছাকৃতভাৱে পলম কৰিবলৈ ধৰিলে। কেন্দ্ৰীয় চীনা চৰকাৰে এই চৰ্তবোৰ পূৰণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা সত্বেও বাস্তৱত সফল নহ'ল। কাৰণ চৰ্তবোৰ কাৰ্য ৰূপায়িত কৰিবলৈ গৈ কেন্দ্ৰীয় চৰকাৰকন প্ৰাদেশিক চৰকাৰ তথা স্থানীয় প্ৰশাসনিক নিকায়বোৰৰ তীব্ৰ বিৰোধিতাৰ মুখামুখি হ'ল। সেই সময়ত প্ৰাদেশিক চৰকাৰ আৰু স্থানীয় নিকায়সমূহে চীনা পদ্ধতিৰ প্ৰশাসনৰ অধীনত যথেষ্ট স্বায়ত্বশাসন ক্ষমতাৰ অধিকাৰ আছিল। চীনা কৰ্তৃপক্ষৰ সন্ধিৰ চুক্তিবোৰ কাৰ্য ৰূপায়িত কৰাত হোৱা বিলম্বৰ বাবে দেশখনত ইটোৰ পাছত সিটো বাণিজ্যিক ৰেহাই লাভৰ সুযোগ বিচাৰি থকা বিদেশী ৰাষ্ট্ৰবোৰ বিৰক্ত হৈ পৰিছিল।

প্ৰথম আফিং যুদ্ধৰ সামৰণিত স্বাক্ষৰ কৰা শান্তি সন্ধিত আফিং ব্যৱসায়ৰ কথাটো সামৰি লোৱা হোৱা নাছিল। পৰৱৰ্তী সময়ত চীনা চৰকাৰে আফিং ব্যৱসায়ক বৈধ ৰূপ নিদি অবৈধ বুলিহে ঘোষণা কৰিছিল। তথাপিও ১৮৪২ চনৰ পৰা আফিং ব্যৱসায় দিনে দিনে বহল হৈ গৈ আছিল। চীনা লোকৰ আফিং আসক্তি বাঢ়ি যোৱাৰ ফলত আফিঙৰ চাহিদাও বাঢ়ি গৈছিল আৰু বিদেশী বণিকসকলে আফিঙেৰে চীনৰ বজাৰ উপচাই পেলাইছিল। প্ৰায়েই হংকঙত পঞ্জীয়নভুক্ত কৰা জাহাজেৰে আফিং সৰবৰাহ কৰা হৈছিল আৰু এই জাহাজবোৰে ইংৰাজৰ সুৰক্ষা লাভ কৰিছিল।

আফিং ব্যৱসায়ৰ উপৰি বিদেশী বণিকসকল কুলী সৰবৰাহৰ ব্যৱসায়ৰ সৈতেও জড়িত আছিল। তেওঁলোকে দুখীয়া আৰু সহজ-সৰল চীনা শ্ৰমিকসকলক অপহৰণ কৰি নি কিউবা, পেৰু, ছিলে (Chile) আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ পশ্চিম উপকূল অঞ্চলত বিক্ৰী কৰিছিল। চীনা কৰ্তৃপক্ষ বিদেশীসকলৰ এই অনৈতিক কাৰ্যত যথেষ্ট অসন্তুষ্ট হৈছিল। আনকি সাধাৰণ চীনা লোকসকলো তেওঁলোকৰ দেশত লাহে লাহে বৃদ্ধি পোৱা বিদেশী কাৰ্যকলাপক লৈ বিৰক্তি হৈ পৰিছিল।

চীনত বাণিজ্যিক সম্প্ৰসাৰণৰ বাবে অধিক ৰেহাই বিচাৰি থকা বণিকসকলৰ দাবী ক্ৰমে বৃদ্ধি পাবলৈ ধৰিলে আৰু এসময়ত তেওঁলোকে ১৮৪২ চনৰ পৰা ১৮৪৪ চনৰ ভিতৰত চহী কৰা সকলো সন্ধিকে অনুপযুক্ত বুলি বিবেচনা কৰিবলৈ ল'লে। কাৰণ এই সন্ধিবোৰে বিদেশী বণিকসকলক মাত্ৰ পাঁচটা 'সন্ধি বন্দৰ'তহে ব্যৱসায় কৰাৰ অনুমতি দিছিল। ইংৰাজ বণিকসকলে চীনৰদূৰ্গম অঞ্চললৈ নিজ বাণিজ্য সম্প্ৰসাৰণ কৰিব খুজিছিল,

আফিং ব্যৱসায় বৈধ হোৱাতো বিচাৰিছিল তথা ৰপ্তানিৰ বাবে কিনা অথবা আমদানি কৰা সামগ্ৰীৰ ওপৰত লগোৱা আভ্যন্তৰীণ সৰবৰাহ শুল্ক (internal transit duties) উঠাই লোৱাতো বিচাৰিছিল। সকলো বিদেশী ৰাষ্ট্ৰই 'ৰাষ্ট্ৰৰ ন্যায়সংগত সমতা'ৰ (legal equality of nations) আধাৰত পিকিঙত কূটনৈতিক প্ৰতিনিধি ৰখাৰ দাবী উত্থাপন কৰিছিল। আনহাতে বিদেশী ধৰ্মপ্ৰচাৰক মিশ্যনেৰীসকলৰ দাবী আছিল চীনৰ দূৰ্গম অঞ্চললৈ মুক্তভাৱে গমন কৰাৰ আৰু ধৰ্মপ্ৰচাৰ কৰাৰ অধিকাৰ তথা ধৰ্মান্তৰিত হোৱা সকলো লোকৰ প্ৰতি চীনা কৰ্তৃপক্ষৰ সহিষ্ণুতাৰ কাৰ্যকৰী ন্যায়সংগত নিশ্চিতি। বিভিন্ন দাবী পূৰণৰ অৰ্থে বিদেশীসকলে ১৮৪২ চনৰ পৰা ১৮৪৪ চনৰ ভিতৰত স্বাক্ষৰ কৰা আটাইবোৰ সন্ধি পুনৰীক্ষণ কৰিবলৈ চীান কৰ্তৃপক্ষৰ ওপৰত হেঁচা দিবলৈ ধৰিলে। বিদেশীসকলে বিৰক্ত হৈ ভাবিবলৈ ধৰিছিল যে চীনে এই সন্ধিবোৰক কোনো সন্মান জনোৱা নাছিল। কাৰণ চীনে প্ৰায়েই সন্ধিৰ চুক্তিবোৰ উলংঘা কৰি আহিছিল। সন্ধিবোৰৰ তাৎক্ষণিক পুনৰীক্ষমৰ অধিকাৰক স্বীকৃতি দিবলৈ চীনক বাধ্য কৰাবলৈ হেঁচা দিয়া দেশবোৰৰ নেতৃত্ব দিলে ইংলেণ্ডে। ইংলেণ্ডে নিজৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ফ্ৰান্সকো সামৰি ল'লে। এই দেশ দুখনেও নিজ নিজ দেশৰ চীনৰ সৈতে হোৱা সন্ধিৰ পুনৰীক্ষণৰ বাবে হেঁচা দিলে। ১৮৫৬ চনৰ শৰৎ কালত ইংলেণ্ডে বিদেশী শক্তিবোৰৰ চীনৰ মাটিত বাণিজ্যিক সম্প্ৰসাৰণৰ ভেটি আগতকৈ অধিক দৃঢ় কৰিবলৈ সন্ধিবোৰৰ পুনৰীক্ষণৰ বাবে চীনক কূটনৈতিক আৰু সামৰিক দুয়ো ধৰণে হেঁচা দিয়াৰ সিদ্ধান্ত ল'লে। এই দাবী আৰু হেঁচাৰ বাবে চীনৰ বিদেশী ৰাষ্ট্ৰবোৰৰ সৈতে সম্পৰ্ক আগতকৈ অধিক বেয়া হ'ল।

দক্ষিণ চীন সাগৰত চীনা বণিকৰ নাও-জাহাজবোৰৰ ওপৰত ইউৰোপীয় জলদস্যুই আক্ৰমণ চলাবলৈ ধৰিলে। চীনা কৰ্তৃপক্ষই অভিযোগ কৰিছিল যে অন্য দেশৰ দৰে ব্যৱসায়িক সা-সুবিধা লাভ কৰা পৰ্তুগালেও চীনৰ ওপৰত চলা এই অনৈতিক কাৰ্যকলাপত ভাগ লৈছে। জলদস্যুৰ এই আক্ৰমণৰ পাছত চীনা লোকৰ মনত আগৰে পৰাই থকা বিদেশী বিদ্বেষ তীব্ৰতৰ হৈ উঠিছিল। ইয়াৰ পাছতেই দেশখনে এখন বিদেশী বিৰোধী আঁচনিৰ পৃষ্ঠপোষকতা আৰম্ভ কৰিছিল।

এই সময়ছোৱাতে ১৮৫৩-৫৪ চনত কেণ্টন আৰু কাওটাও অঞ্চল দুটা সম্পূৰ্ণৰূপে দক্ষিণ চীনৰ বিদ্ৰোহীসকলৰ দখললৈ গৈছিল। বিদ্ৰোহীসকলে সেই অঞ্চলেৰে পাৰ হোৱা চীনা নাও-জাহাজবোৰক হাৰাশাস্তি কৰিছিল। ইয়াৰ ফলত কেণ্টনৰ নিৰাপত্তা প্ৰদানকাৰী বন্দৰ হোৱাম্পোৱা (Whampoa) আৰু হংকঙৰ মাজত চীনা জাহাজ চলাচল কৰোৱাতো বিপদজনক হৈ পৰিছিল। চীনা জাহাজবোৰক এই অসুবিধাৰ পৰা সকাহ দিবলৈ আৰু হংকং তথা কেণ্টনৰ মাজৰ বাণিজ্য চলাই নিবলৈ ইংৰাজ আৰু আমেৰিকান কৰ্তৃপক্ষই ১৮৫৫ চনত চীনা জাহাজবোৰক ইংলেণ্ড আৰু আমেৰিকাৰ ৰাষ্ট্ৰীয় পতাকা তথা পাৰপত্ৰ ব্যৱহাৰ কৰাৰ প্ৰস্তাৰ আগবঢ়াইছিল। এনে পতাকা আৰু পাৰপত্ৰৰ সহায়ত চীনা

জাহাজবোৰে মাত্ৰ এবাৰকৈ কেণ্টন আৰু হোৱাম্পোৱাৰ মাজত অহা-যোৱা কৰিব পাৰিব বুলি প্ৰস্তাৱত কোৱা হৈছিল।

কিন্তু চীনা কৰ্তৃপক্ষই এই প্ৰস্তাৱ ভাল নাপালে আৰু এখন অধ্যাদেশ জাৰি কৰি প্ৰস্তাৱটো অগ্ৰাহ্য কৰিলে। তাৰ মাজতে কেইখনমান চীনা জাহাজে অবৈধভাৱে ইংলেণ্ড তথা অন্য দেশৰ পতাকা ব্যৱহাৰ কৰিব চোৱাং সামগ্ৰীৰ ব্যৱসায় চলাই থাকিল। এসময়ত বিদেশী পতাকাৰ ন্যায়সংগত আৰু অবৈধ ব্যৱহাৰৰ মাজত পাৰ্থক্য উলিওৱাটো চীনা কৰ্তৃপক্ষৰ বাবে বৰ কঠিন হৈ পৰিল। ইংৰাজ পতাকাৰ সুৰক্ষা লৈ নিষিদ্ধ সামগ্ৰীৰ ব্যৱসায়ত লিপ্ত থকাৰ অভিযোগত ১৮৫৬ চনৰ ৪ অক্টোবৰত চীনা আৰক্ষীয়ে ল'ৰ্চা এৰ' (Lorcha Arrow) নামৰ এখন চীনা জাহাজ আটক কৰিছিল।

ল'ৰ্চা এৰ' নামৰ চীনা জাহাজখন ইংলেণ্ডৰ অধীনস্থ হংকঙত পঞ্জীয়নভুক্ত কৰা হৈছিল. জাহাজখনৰ কেপ্টেইন আছিল এগৰাকী আইৰিছ আৰু জাহাজখনত ১৪জন চীনা কৰ্মচাৰী আছিল। জাহাজখন আটক কৰাৰ পাছত চীনা আৰক্ষীয়ে ইংলেণ্ডৰ পতাকাখন আঁতৰাই পেলাইছিল আৰু ১২জন কৰ্মচাৰীক জলদস্যুগিৰি কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰিছিল। চীনা আৰক্ষীৰ এই কাৰ্যক ইংলেণ্ডে ইয়াৰ সাৰ্বভৌমত্বৰ গুৰুতৰ অপমান বুলি গণ্য কৰিছিল। কেণ্টনত থকা ইংৰাজ বাণিজ্যিক কটকী হেনৰী পাৰ্ক্চে আটক কৰা জাহাজখনক হংকঙৰ পৰা ঔপনিৱেশিক বাণিজ্যক সামগ্ৰী কঢ়িয়াই অনা এখন ইংৰাজ জাহাজ বুলি কৈ গ্ৰেপ্তাৰ কৰা কৰ্মচাৰীকেইজনৰ মুক্তি দাবী কৰিছিল। ইংৰাজ কৰ্তৃপক্ষই আনকি ইংলেণ্ডৰ ৰাষ্ট্ৰীয় সন্মান হানি কৰা বুলি কৈ সম্পূৰ্ণ ক্ষতিপূৰণো দাবী কৰিছিল। কিন্তু কেণ্টনত থকা চীনা ভাইছৰয় য়েহমিন-ছিঙে (Yich Min-Ching) ইংলেণ্ডৰ ক্ষতিপূৰণ বিচৰা দাবী পোনছাটে নাকচ কৰিলে। ইংৰাজ কৰ্তৃপক্ষই চীনা ভাইছৰয়ৰ এই অসংবেদনসীল মনোভাৱত তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰি হিংসাত্মক পন্থাৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। ইয়াৰ ফলতেই দ্বিতীয় আফিং যুদ্ধ অথবা এংলো-চীনা যুদ্ধৰ সূত্ৰপাত হ'ল।

ফ্ৰান্সো চীনৰ ওপৰত অসন্তুষ্ট হৈ আছিল। ১৮৫৬ চনৰ ফেব্ৰুৱাৰী মাহত কোৱাংচিৰ চিনলিনত চীনা কৰ্তৃপক্ষই অ'গাষ্ট ছেপ্ডিলেইন (Auguste Chapdelaine) নামৰ ফৰাছী কেথ'লিক মিশ্যনেৰীজনক হত্যা কৰিছিল। তেওঁক কেইগৰাকীমান ধৰ্মান্তৰিত সহযোগীৰে সৈতে বিদ্ৰোহী বুলি গ্ৰেপ্তাৰ কৰা হৈছিল। এখন চীনা আদালতত তেওঁলোকৰ বিচাৰ হৈছিল আৰু চীনা দণ্ডাধীশ এজনে 'সন্ধি বন্দৰ'ৰ পৰিসীমাৰ বাহিৰৰ এলেকাত বিচৰণ কৰা, সন্ধিৰ অধিকাৰ উলংঘা কৰাৰ অপৰাধত তেওঁক মৃত্যুদণ্ড বিহিছিল। কিন্তু এই মৃত্যুদণ্ড কাৰ্যকৰী কৰি চীনে ফ্ৰান্সৰ সৈতে চহী কৰা ভূমি-অতিৰিক্ত অধিকাৰৰ চৰ্ত ভংগ কৰিছিল। সেই সময়ৰ ফৰাছী সম্ৰাট তৃতীয় নেপ'লিয়নে এই ঘটনাটোক ফ্ৰান্সৰ ৰাষ্ট্ৰীয় মৰ্যাদাক কৰা আঘাত বুলি বিবেচনা কৰিছিল। সেয়েহে ১৮৫৬ চনৰ অক্টোবৰ মাহত ফ্ৰান্সে ইংলেণ্ডৰ সৈতে হাত মিলাই চীনক পৰাস্ত কৰাৰ সিদ্ধান্ত লৈছিল।

১৮৫৬ চনৰ ২৯ অক্টোবৰত যুদ্ধখন আনুষ্ঠানিকভাৱে আৰম্ভ হৈছিল। ইংৰাজ সৈন্যই চীনৰ নগৰ প্ৰাচীৰবোৰ ধ্বংস কৰি যুদ্দৰ সূচনা কৰিছিল। চীনা সৈন্যই প্ৰত্যুত্তৰত কৰা গুলীবৰ্ষণত আমেৰিকান পতাকা ক্ষতিগ্ৰস্ত হোৱাৰ চেলু লৈ আমেৰিকা যুক্তৰাষ্ট্ৰও এই বিবাদত জড়িত হৈ পৰিছিল।

আমেৰিকান নৌবাহিনীয়ে চীনৰ বিৰুদ্ধে সশস্ত্ৰ অভিযান আৰম্ভ কৰিছিল। ১৮৫৭ চনৰ ডিচেম্বৰ মাহত ইংলেণ্ড আৰু ফ্ৰান্সৰ মিত্ৰ বাহিনীয়ে কেণ্টন দখল কৰিছিল। কেণ্টনত থকা চীনা ভাইছৰয় য়েহ মিন-চিঙক আটক কৰি বন্দীৰূপে কলিকতালৈ প্ৰেৰণ কৰা হৈছিল। তাৰ পাছত ইংলেণ্ড, ফ্ৰান্স, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৰুছে চীনা চৰকাৰলৈ এটা যুটীয়া টোকা প্ৰেৰণ কৰিছিল। টোকাটোত চীনা চৰকাৰক আগৰ সন্ধিবোৰ পুনৰীক্ষণ কৰিবলৈ কোৱাৰ লগতে ধৰ্মীয় সহিষ্ণুতা বঢ়াবলৈ আৰু বিদেশী ৰাষ্ট্ৰৰ দাবীবোৰ সম্পৰ্কত আলোচনা কৰিবলৈ শ্বাংহাইত মিলিত হ'বলৈ কোৱা হৈছিল।

কিন্তু চীনে এই যুটীয়া টোকাৰ উত্তৰ দিওঁতে যথেষ্ট পলম কৰিছিল। ফলত বিদেশী শক্তিবোৰৰ হেঁচা বাঢ়ি গৈছিল। তেওঁলোক জলপথেৰে গৈ পিকিঙৰ প্ৰৱেশদ্বাৰ স্বৰূপে পেই-হো নদীৰ মোহনা পাইছিলগৈ। ১৮৫৮ চনৰ মে' মাহত সন্মিলিত সেনাদলে টাকু দুৰ্গৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ আনিছিল। সেই একেটা মাহতে অৱশেষত পিকিঙৰ চীনা চৰকাৰ আলোচনাত বহিবলৈ সৈমান হৈছিল। ইংলেণ্ড, ফ্ৰান্স, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৰুছৰ কটকীয়ে চীনা কৰ্তৃপক্ষৰ সৈতে টিয়েণ্টচিনত (Tientsin) পৃথক পৃথক আলোচনাত মিলিত হৈছিল। সেয়েহে এই আলোচনাবোৰক একেলগে 'চিয়েণ্টচিনৰ সন্ধি' (Treaties of Tientsin) বুলি কোৱা হয়।

- **টিয়েণ্টচিনৰ সন্ধি (Treaties of Tientsin)**

  ১৮৫৮ চনৰ জুন মাহৰ শেষলৈ চিয়েণ্টচিনত চাৰিখন সন্ধিত চহী কৰা হৈছিল। ইংলেণ্ড, ফ্ৰান্স, ৰুছ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই চীনৰ সৈতে পৃথকে পৃথকে এই সন্ধি চাৰিখনত চহী কৰিছিল। লগতে এই সিদ্ধান্তও লোৱা হ'ল যে এই সন্ধিকেইখনক চাৰিওখন দেশৰ প্ৰতিনিধিসকলৰ বসতিস্থল পিকিঙত তেওঁলোকৰ উপস্থিতিত আনুষ্ঠানিক অনুমোদন জনোৱা হ'ব।

  যদিও চাৰিখন পৃথক সন্ধিত চহী কৰা হৈছিল তথাপিও সন্ধিকেইখনৰ দফা আৰু নীতিসমূহ প্ৰায় একেই আছিল। কেৱল সেইবোৰৰ বৰ্ণনা ৰীতিতহে কিছু পাৰ্থক্য আছিল। টিয়েণ্টচিনৰ সন্ধিৰ মূল চৰ্তবোৰ আছিল ঃ

- ইংলেণ্ড আৰু অন্য বিদেশী শক্তিবোৰৰ পিকিং ৰাজসভাত 'আবাসিক মন্ত্ৰী' (Resident Minister) নিয়োগ কৰাৰ অধিকাৰ থাকিব।
- ইতিমধ্যে মুকলি কৰি দিয়া পাঁচটা 'সন্ধি বন্দৰ'ৰ উপৰি চীনে বিদেশী বাণিজ্য সম্প্ৰসাৰণৰ বাবে আৰু দহটা নতুন বন্দৰ মুকলি কৰি দিব। এই বন্দৰকেইটা হ'ল

মাঞ্চুৰিয়াৰ নিউছ্বাং, শ্বানটুঙৰ ছিফু, কিয়াংচুৰ ছিংকিয়াং, হুপেহৰ হানকাউ, কিয়াংচিৰ কিউকিয়াং, হাইনানৰ কিউংছাও, কোৱাংটুঙৰ স্বাটাও, ছেকিয়াঙৰ ৱেনছাও আৰু কিয়াংচুৰ নানকিং। ১৮৬০ চনত এই তালিকাত টিয়েণ্টচিনকো অন্তর্ভুক্ত কৰা হ'ল। ইয়াৰ উপৰি বিদেশী জাহাজবোৰক য়াংটঝে নদীত বাণিজ্য কৰাৰো অধিকাৰ দিয়া হ'ল।

- বিদেশী শক্তিবোৰক চীনৰ সকলো দূৰ্গম অংশতে ভ্ৰমণ কৰাৰ অনুমতি দিয়া হ'ব। ইয়াৰ বাবে তেওঁলোকে নিজ নিজ বাণিজ্যিক দূতাবাসৰ পৰা পাৰপত্ৰ আহৰণ কৰিব লাগিব আৰু সেই পাৰপত্ৰত চীনা কর্তৃপক্ষৰ প্ৰতিস্বাক্ষৰ থাকিব লাগিব।
- চীনা আৰু বিদেশী দুয়োধৰণৰ খৃষ্টান ধর্মাৱলম্বী লোককে চীনত খৃষ্টান ধর্ম প্ৰচাৰ কৰাৰ সুযোগ দিয়া হ'ব। খৃষ্টান মিশ্যনেৰীসকলক চীনা কর্তৃপক্ষই সুৰক্ষাৰ অধিকাৰ প্ৰদান কৰিব। ইয়াৰ উপৰি ফৰাছী মিশ্যনেৰীসকলক 'সন্ধি বন্দৰ'বোৰৰ বাহিৰৰ অঞ্চলত ধর্মীয় উদ্দেশ্যেৰে ভৱন নির্মাণ কৰিবলৈ প্ৰয়োজন হোৱা মাটি কিনাৰ অনুমতি দিয়া হ'ব।
- বিদেশী স্বার্থৰ অনুকূলে নানকিং সন্ধিত ঠিক কৰা পণ্য দ্ৰব্যৰ মূল্য/শুল্ক পুনৰীক্ষণ কৰা হ'ব। আমদানি-ৰপ্তানি দ্ৰব্যত এটা সাধাৰণ পাঁচ শতাংশৰ শুল্ক থাকিব। ইয়াৰ উপৰি মাত্ৰ এবাৰ আঢ়ৈ সতাংশ বাস্তৱমূল্য ভিত্তিক শুল্ক (ad valorem) দি ইংৰাজ নাগৰিকে তেওঁলোকৰ সামগ্ৰী আন কোনো সৰবৰাহ শুল্ক নিদিয়াকৈ য'তে ত'তে নমাব পাৰিব।
- কেণ্টনত বিদেশী শক্তিৰ যি ক্ষতি হচ্ল তাৰ বাবদ চীনা চৰকাৰে ২ মিলিয়ন তিল (Teels) আৰু যুদ্ধ ব্যয় হিচাপে পুনৰ ২ মিলিয়ন তিল (Teels) ক্ষতিপূৰণ ভৰিব লাগিব।
- আমূৰ নদীৰ উত্তৰ দিশৰ ভূভাগ আৰু ১৮৬০ চনলৈ উচুৰিৰ পূব দিশৰ ভূ ভাগৰ সম্পূর্ণ অংশ চীনে ৰুছক অর্পণ কৰিলে। ইয়াৰ ফলত ৰুছে ভলাদিভ'ষ্ট'কত এটা গুৰুত্বপূর্ণ বন্দৰ নির্মাণৰ সুবিধা লাভ কৰিলে।
- চীনত বিদেশী শক্তিৰ ভূমি-অতিৰিক্ত অন্য শক্তিবোৰ বাঢ়িল। বিশেষকৈ অপৰাধমূলক গোচৰৰ ক্ষেত্ৰত বিদেশী শক্তিৰ অধিক হস্তক্ষেপৰ পথ সূচল হ'ল।
- চীনত আফিং ব্যৱয়াক বৈধ বুলি ঘোষণা কৰা হ'ল।

'টিয়েণ্টচিনৰ সন্ধি'ৰ গুৰুত্বপূর্ণ বৈশিষ্ট্যটো হ'ল এই সন্ধিৰ আধাৰতে ১৯৪৩ চনলৈ চীন আৰু বিদেশী শক্তিবোৰৰ মাজত ৰাজনৈতিক আৰু বাণিজ্যিক সম্পর্ক গড় লৈ উঠিছিল। কিন্তু এই সন্ধিত চহী কৰাৰ পাচতো যুদ্ধৰ পুনৰাবৃত্তি ঘটিছিল। আগৰ আলাপ-আলোচনাবোৰত সন্ধিৰ চূড়ান্ত অনুমোদনৰ ঠাই পিকিং হ'ব বুলি কোৱা হৈছিল। কিন্তু চীনে বিদেশী শক্তিবোৰক পিকিঙৰ সলনি কেণ্টন নাইবা শ্বাংহাই নাইবা টিয়েণ্টচিনত

সন্ধিবোৰ চূড়ান্ত কৰিবলৈ কৈছিল। ইয়াৰ উপৰি বিদেশী ৰাষ্ট্রবোৰক তেওঁলোকৰ প্রতিনিধিসকলক টাকুত ৰাখিবলৈ আৰু তাৰ পৰা সৰু নিৰাপত্তাকর্মীৰ দল একোটাৰ সৈতে পিকিং ৰাজসভালৈ আহিবলৈ অনুৰোধ কৰিছিল। হেন সময়তে ইংৰাজ নৌ সেনাৰ কমাণ্ডাৰ এডমিৰেল ছাৰ জেমছ হোপে গম পাইছিল যে পিকিঙে বিদেশী প্রতিনিধিসকলক আদৰিবলৈ কোনো ব্যৱস্থাই কৰা নাই। তদুপৰি চীনা সৈন্যই পেই-হো নদীত বিভিন্ন প্রতিবন্ধক ব্যৱস্থা গঢ়ি তুলি বিদেশী প্রতিনিধিৰ ভ্রমণত বাধাৰ সৃষ্টি কৰাৰ যো-জা কৰি আছে। ইংৰাজ চৰকাৰে চীনা চৰকাৰৰ এই মনোভাৱক 'টিয়েণ্টচিন সন্ধি'ৰ গুৰুতৰ উলংঘন বুলি গণ্য কৰিলে। দুয়োপক্ষৰ মাজৰ বর্দ্ধিত শত্রুতাৰ ফলত দ্বিতীয় আফিং যুদ্ধৰ পুনৰাবৃত্তি ঘটিল। ১৮৫৯ চনৰ ২৪ জুনৰ ৰাতি এংল'-ফৰাছী সৈন্যৰ মিত্রবাহিনীয়ে টাকু দূর্গ আক্রমণ কৰিলে। চীনা সৈন্যই প্রত্যুত্তৰত কৰা গুলীচালনাত দুখন ইংৰাজ গান-বোট ডুব গৈছিল আৰু বহুতো ইংৰাজ তথা ফৰাছী বিষয়া আহত হৈছিল। এংল'-ফৰাছী বাহিনী পিচ হুহকি যাবলৈ বাধ্য হৈছিল।

এনে অৱস্থাতেই ইংলেণ্ড আৰু ফ্রান্সে টাকু দূর্গৰ পৰা মিত্রবাহিনীৰ ওপৰত চলা আক্রমণৰ বাবে ক্ষমা দাবী, টিয়েণ্টচিন সন্ধিৰ পিকিঙত আনুষ্ঠানিক অনুমোদন দাবী, এই সন্ধিৰ চর্তবোৰ সম্পূর্ণৰূপে পালন কৰাৰ দাবী আৰু শেহতীয়া আক্রমণৰ বাবে অতিৰিক্ত ক্ষতিপূৰণ দাবী কৰি চৰমবার্তা প্রেৰণ কৰিলে। কিন্তু চীনা কর্তৃপক্ষই এই আটাইবোৰ দাবী পোনচাটে নাকচ কৰিলে আৰু বিদেশীসকলক সামৰিক সুৰক্ষা নোহোৱাকৈ পিকিঙলৈ আহিবলৈ ক'লে। লগে লগে ইংলেণ্ড আৰু ফ্রান্সে ইয়াৰ প্রতিক্রিয়া প্রকাস কৰিলে। মিত্রবাহিনীয়ে মাঞ্চু সম্রাটৰ গ্রীষ্মকালীন ৰাজপ্রাসাদত আক্রমণ কৰি চীনৰ ৰাজধানী পিকিঙক ভাবুকি প্রদান কৰিলে। এংল'-ফৰাছী সফলতাই চীনক দুর্বল কৰি পেলালে। চীনৰ সম্রাট জেহ'লৈ পলাই গ'ল। তেওঁৰ সৰু ভায়েক যুৱৰাজ কুঙেও পলাবলৈ চেষ্টা কৰিছিল। কিন্তু ৰুছৰ কটকী জেনেৰেল ইগনাটাইনে যুৱৰাজ কুঙৰ মন সলনি কৰি মাঞ্চুৰ অৱশিষ্ট সন্মান ৰক্ষা কৰিবলৈ আহ্বান জনালে। যুৱৰাজে তাৰ পাছত পিকিঙৰ 'হল অৱ চেৰিম'নিজ'ত (Hall of Ceremonies) ১৮৬০ চনৰ ২৪ অক্টোবৰত বিদেশী বিজয়ীসকলক আদৰণি জনালে। বিদেশী শক্তিয়ে আন কিছুমান নতুন সন্ধি চীনৰ ওপৰত জাপি দিলে। এই সন্ধিবোৰক একেলগে 'পিকিঙৰ সন্ধি' (Convention of Peking) বুলি কোৱা হয়।

'টিয়েণ্টচিনৰ সন্ধি'ৰ চূড়ান্ত ৰূপ হিচাপে 'পিকিঙৰ সন্ধি' গ্রহণ কৰা হ'ল. ইংলেণ্ডৰ সৈতে হোৱা সন্ধিৰ চূড়ান্ত অনুমোদন মর্মে ১৮৫৯ চনত টাকুত হোৱা অবাঞ্ছিত ঘটনাৰবাবে চীনা সম্রাটে অনুশোচনা ব্যক্ত কৰিছিল। ইংৰাজ মন্ত্রী স্থায়ীভাৱে পিকিঙত থাকিব বুলি ইংৰাজ চৰকাৰে আগবঢ়োৱা প্রস্তাৱতো চীনা সম্রাটে সন্মতি প্রদান কৰিচিল। টাকুত ইংৰাজ সৈন্যৰ বিৰুদ্ধে চলা আক্রমণৰ বাবে ইংলেণ্ডক অতিৰিক্ত ক্ষতিপূৰণ দিবলৈও সম্রাট ৰাজী হৈছিল। এই সন্ধিৰ অধীনতে টিয়েণ্টচিনকো এটা 'সন্ধি বন্দৰ' হিচাপে

বিদেশী বণিকৰ বাবে মুকলি কৰি দিয়া হৈছিল। কাউলুনক ইংলেণ্ডৰ হাতত গটাই দিয়া হৈছিল আৰু বৃটিছ চৰকাৰে ইয়াক হংকহৰ এটা অংশত পৰিণত কৰিছিল। এইগৰাকী সম্ৰাটেই কুলী সৰবৰাহৰ ব্যৱসায়টোকো বৈধ ৰূপ দিছিল। তেওঁ চীনা প্ৰজাক নিজ ইচ্ছামতে ঠিকাভিত্তিক শ্ৰমিক অথবা অন্যধৰণে আন দেশলৈ যোৱাৰ অনুমতি দিছিল।

ফ্ৰান্সৰ সৈতে থকা সন্ধিক্ষনতো চূড়ান্ত অনুমোদন জনোৱা হৈছিল। অনুমোদিত সন্ধি মতে ফৰাছী মিশ্যনেৰীসকলক ভৱন আৰু অন্য নিৰ্মাণৰ বাবে চীনৰ দূৰ্গম অঞ্চলবোৰতো প্ৰয়োজনীয় মাটি কিনাৰ অনুমতি দিয়া হৈছিল। ১৭২৪ চনৰ পৰা বাজেয়াপ্ত কৰা গীৰ্জাৰ সকলোবোৰ সম্পত্তি ৰোমান কেথ'লিক গীৰ্জাৰ নামত পুনৰ সংস্থাপিত কৰা হৈছিল। ১৮৪৬ চনত জাৰী কৰা ৰাজকীয় ঘোষণাত ৰোমান কেথ'লিকসকলৰ ধৰ্মীয় ভৱনবোৰ পুনৰ নিৰ্মাণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া হৈছিল। ৰুছৰ সৈতে কৰা সন্ধিৰ চূড়ান্ত অনুমোদনৰ দ্বাৰা উচুৰি নদীৰ পূব ফালৰ ভূ-ভাগ চীনে ৰুছক অৰ্পণ কৰিছিল।

এইদৰেই ১৮৬০ চনলৈ চীনৰ বিচ্ছিন্নতাবাদী বৈশিষ্ট্য সম্পূৰ্ণৰূপে সলনি হৈছিল আৰু দেশখন পৃথিৱীৰ আন দেশৰ বাবে সম্পূৰ্ণ উন্মুক্ত হৈ পৰিছিল। দুখনকৈ আফিং যুদ্ধ আৰু বিভিন্ন দেশৰ সৈতে হোৱা বিভিন্ন সন্ধিৰ ফলত চীন পশ্চিমীয়া সাম্ৰাজ্যবাদৰ গৰাহত পৰিছিল। বিদেশী ৰাষ্ট্ৰবোৰক ভূ-খণ্ড অতিৰিক্ত অন্য অধিকাৰবোৰ তথা 'সবাতোকৈ প্ৰিয়পাত্ৰ দেশ'ৰ (Most-favoured nation) নিশ্চিতি প্ৰদান কৰোঁতে কৰোঁতে চীনৰ সাৰ্বভৌমত্ব সংকটত পৰিছিল। নানকিঙৰ সন্ধিয়ে বিদেশী শক্তিৰ বাবে চীনৰ দুৱাৰ মুকলি কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল আৰু টিয়েণ্টচিন তথা পিকিঙৰ সন্ধিয়ে সেই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছিল বুলি কোৱা হয়।

জানি থোৱা ভাল



দ্বিতীয় আফিং যুদ্ধক এৰ' যুদ্ধ (Arrow War) বুলিও জনা যায়। ১৮৫৬ চনৰ ৪ অক্টোবৰত চীনা আৰক্ষীয়ে কেণ্টন বন্দৰত আটক কৰা ইংলেণ্ডৰ অধীনস্থ হংকঙত পঞ্জীয়নভুক্ত কৰা ল'কা এৰ' (Lorcha Arrow) নামৰ চীনা জাহাজখনৰ বাবেই এই যুদ্ধৰ সূত্ৰপাত হৈছিল কাৰণে যুদ্ধখন জাহাজৰ নামটোৰে জনাজাত হৈছিল।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ঃ আফিং যুদ্ধক ..... যুদ্ধ বুলিও কোৱা হয়। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন নং ২ঃ চীনৰ মাঞ্চু ৰাজসভালৈ ইংলেণ্ডে প্ৰেৰণ কৰা বিশেষ দূত দুগৰাকীৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৩ঃ কোন চনলৈ চীনৰ বাণিজ্য জগতত ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আধিপত্য চলিছিল?

.....

প্ৰশ্ন নং ৪ঃ কেণ্টনত ইংৰাজ বাণিজ্যৰ অধীক্ষক হিচাপে লৰ্ড নেপীয়েৰৰ স্থানত কাক নিযুক্তি দিয়া হৈছিল?

.....

প্ৰশ্ন নং ৫ঃ লিন চে-চু কোন আছিল?

.....

প্ৰশ্ন নং ৬ঃ কাউলুন নামৰ চীনা গাঁওখনত কেইজনমান ইংৰাজ নাবিকে কাক মৰিয়াই হত্যা কৰিছিল?

.....

প্ৰশ্ন নং ৭ঃ ছাৰ হেনৰী পাটিংজাৰ কোন আছিল?

.....

প্ৰশ্ন নং ৮ঃ নানকিং সন্ধিৰ জৰিয়তে ..... দ্বীপ চিৰদিনলৈ ইংলেণ্ডৰ অধীনলৈ গৈছিল।

প্ৰশ্ন নং ৯ঃ চীনত ইংলেণ্ডক ভূমিৰ বাহিৰেও আন কিছুমান অধিকাৰ প্ৰদান কৰা পৰিপূৰক সন্ধিখনৰ নাম কি?

.....

প্ৰশ্ন নং ১০ঃ কালেব কাশ্বিং কোন দেশৰ লোক আছিল?

.....

প্ৰশ্ন নং ১১ঃ ফ্ৰান্সে চীনৰ সৈতে .....ত হোৱামপ'ৱা সন্ধিত চহী কৰিছিল।

প্ৰশ্ন নং ১২ঃ প্ৰথম আফিং যুদ্ধৰ পাছত কি কাৰণত কেন্দ্ৰীয় চীনা চৰকাৰে বিদেশী শক্তিৰ সৈতে কৰা সন্ধিৰ চৰ্তবোৰ কাৰ্যৰূপায়িত কৰাত ব্যৰ্থ হৈছিল?

.....

প্ৰশ্ন নং ১৩ঃ আফিঙৰ ব্যৱসায় কৰাৰ উপৰি বিদেশী বণিকসকল ..... ব্যৱসায়তো জড়িত আছিল।

প্ৰশ্ন নং ১৪ঃ প্ৰথম আফিং যুদ্ধৰ পাছত স্বাক্ষৰিত চুক্তিবোৰ পুনৰীক্ষণৰ বাবে চীনক হেঁচা দিয়াত কোনখন ৰাষ্ট্ৰই নেতৃত্ব লৈছিল?

.....

প্ৰশ্ন নং ১৫ঃ ১৮৫৫ চনত চীনা জাহাজক ৰাষ্ট্ৰীয় পতাকা আৰু পাৰপত্ৰ ব্যৱহাৰৰ সুযোগ দিবলৈ কোন দুখন ৰাষ্ট্ৰই প্ৰস্তাৱ আগবঢ়াইছিল?

.....

প্ৰশ্ন নং ১৬ঃ চীনা জাহাজ ..... হংকঙত পঞ্জীয়নভুক্ত হৈছিল।

প্ৰশ্ন নং ১৭ঃ বন্দীৰূপে য়েহ মিন-ছিঙক ক'লৈ প্ৰেৰণ কৰা হৈছিল? (খালী ঠাই পূৰ কৰক)

.....

প্ৰশ্ন নং ১৮ঃ 'টিয়েণ্টচিনৰ সন্ধি'ৰ ক'ত চূড়ান্ত অনুমোদন জনোৱাৰ কথা আছিল?

.....

প্ৰশ্ন নং ১৯ঃ 'টিয়েণ্টচিনৰ সন্ধি'ৰ দ্বাৰা আৰু কিমানটা চীনা বন্দৰ নতুনকৈ বিদেশী বণিকসকলৰ বাবে মুকলি কৰি দিয়া হৈছিল?

.....

প্ৰশ্ন নং ২০ঃ এডমিৰেল ছাৰ জেমছ্ হোপ কোন আছিল?

.....

প্ৰশ্ন নং ২১ঃ চীনা সম্ৰাট ..... লৈ পলাই গৈছিল। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন নং ২২ঃ 'টিয়েণ্টচিনৰ সন্ধি'ত আন কোনখন সন্ধিৰ দ্বাৰা অনুমোদন জনোৱা হৈছিল?

.....

প্ৰশ্ন নং ২৩ঃ ..... চনলৈ চীনৰ বিচ্ছিন্নতাবাদী বৈশিষ্ট্য সম্পূৰ্ণৰূপে লোপ পাইছিল। (খালী ঠাই পূৰ কৰক)

৯.৪ পশ্চিমীয়া দেশবোৰৰ বৰ্দ্ধিত অৰ্থনৈতিক আগ্ৰহ (INCREASING WESTERN ECONOMIC INTEREST)

আৰম্ভণিতে পশ্চিমীয়াদেশবোৰৰ চীনত প্ৰৱেশ কৰাৰ মুখ্য কাৰণ আছিল কেৱল বাণিজ্যিক সম্প্ৰসাৰণ। ১৮৬০ চনলৈ বিভিন্ন পশ্চিমীয়া দেশে চীনা চৰকাৰৰ সৈতে বিভিন্ন সন্ধিত চহী কৰি সমান ব্যৱসায়িক সা-সুবিধা উপভোগ কৰিবলৈ ল'লে। চীনত ব্যৱসায় কৰাৰ পৰিৱেশটো সকলো আগ্ৰহী বিদেশী শক্তিৰ বাবে অনুকূল হৈ পৰাত ইংলেণ্ড আৰু আমেৰিকা পৰিৱেশটোৰ পৃষ্ঠপোষক হিচাপে আগবাঢ়ি আহিল। কিন্তু ৰুছ, ফ্ৰান্স আৰু জাৰ্মানীয়ে নিজৰ বিশেষ ব্যৱহাৰৰ বাবে কিছুমান সুবিধা গঢ়ি ল'বলৈ চীনৰ ওপৰত বিশেষ প্ৰভাৱ ক্ষেত্ৰ সৃষ্টিৰ প্ৰচেষ্টা চলালে।

১৮৯৫ চনলৈকে পাশ্চাত্য শক্তিবোৰে চীনত কেৱল ব্যৱসায়িক স্বাৰ্থ পূৰণৰহে প্ৰয়াস কৰিছিল আৰু এই প্ৰয়াস 'সন্ধি বন্দৰ' বোৰৰ চৌপাশে কেন্দ্ৰীভূত হৈ আছিল। পশ্চিমীয়া বণিকসকলে চীনৰ পৰা ৰেছম, চাহপাত আৰু চীনা মাটিৰ বাচন-বৰ্তন কিনিছিল। তাৰ বিনিময়ত তেওঁলোকে ৰূপ, আফিং, জিনচেং, চন্দন, জন্তুৰ নোম, পোচাক, আটা আৰু কেৰ'চিন বিক্ৰী কৰিছিল। কিন্তু ১৮৯৫ চনত চীনে জাপানৰ সৈতে শ্বিম'ন'চেকি সন্ধিত চহী কৰিলে। এই সন্ধিখনে বিদেশী শক্তিৰ সৈতে চীনৰ সম্পৰ্কলৈ অভূতপূৰ্ব পৰিৱৰ্তন কঢ়িয়াই আনিলে।



জানি থোৱা ভাল

এক প্ৰাচ্যৰ শক্তি বুলি মান্যতা পোৱা চীনৰ চুবুৰীয়া দেশ জাপানেও সাম্ৰাজ্যবাদী নীতি গ্ৰহণ কৰিছিল। জাপানেও পাশ্চাত্য দেশবোৰৰ দৰে চীনৰ ভিতৰত আৰু চৌপাশে তথা কোৰিয়াত বিশেষভাৱে নিজ স্বাৰ্থ পূৰণৰ চেষ্টা কৰিছিল। জাপানৰ আগ্ৰাসী নীতি আৰু বিভিন্ন কথাত হোৱা মতানৈক্যৰ বাবে অৱশেষত চীন আৰু জাপানৰ মাজত সশস্ত্ৰ যুদ্ধ আৰম্ভ হৈছিল। ১৮৯৪ চনৰ এই যুদ্ধখনক প্ৰথম চীনো জাপানী যুদ্ধ বুলি কোৱা হয়। এই যুদ্ধত চীনৰ পৰাজয় হৈছিল। যুদ্ধ আনুষ্ঠানিকভাৱে শেষ কৰি ১৮৯৫ চনত দুয়োখন দেশে শ্বিম'ন'চেকি সন্ধিত চহী কৰিছিল। সন্ধিৰ চৰ্তমতে চীনে জাপানক কেইটামান নিৰ্দিষ্ট এলেকা এৰি দিছিল আৰু বৃহৎ পৰিমাণৰ যুদ্ধ ক্ষতিপূৰণ পৰিশোধ কৰিছিল।

কিন্তু জাপানক চীনৰ বিৰুদ্ধে জয়লাভ কৰাৰ ফল পাশ্চাত্য দেশবোৰে উপভোগ কৰিবলৈ নিদিলে। ৰুছ, ফ্ৰান্স আৰু জাৰ্মানী আছিল এই গোটৰ সদস্য। তিনিওখন দেশে মিলি চীনৰ পক্ষলৈ যুটীয়াভাৱে (ত্ৰিপাক্ষিক/triple intervention) কৰিছিল। তেওঁলোকৰ এই হস্তক্ষেপৰ আঁৰত কোনো মানৱতাবাদী কাৰণ নাছিল। এই হস্তক্ষেপৰ কাৰণ আছিল সম্পূৰ্ণ ন্যস্ত স্বাৰ্থ জড়িত। ৰুছ ইয়াত জড়িত হোৱাৰ কাৰণ আছিল দেশখনৰ কোৰিয়া আৰু লিয়াওটুং উপদ্বীপৰ প্ৰতি থকা আগ্ৰহ। ১৮৯৫ চনৰ চুক্তি অনুসৰি চীনে এই উপদ্বীপ অঞ্চল জাপানক এৰি দিছিল। ফ্ৰান্সে ৰুছক সমৰ্থন কৰাৰ কাৰম আছিল দুয়োখন দেশৰ বিশ্ব ৰাজনীতি জগতত থকা বন্ধুত্ব। জাৰ্মানীয়ে ৰুচ আৰু ফ্ৰান্সক সমৰ্থন কৰাৰ কাৰণ আছিল দেশখনৰ সুদূৰ প্ৰাচ্যৰ বিভিন্ন এলেকাৰ ওপৰত থকা আগ্ৰহ আৰু সেই এলেকাবোৰ সামৰি এটা নৌবাহিনীৰ ঘাটি স্থাপনৰ ইচ্ছা।

জাপানক বিজয়ৰ সোৱাদ লোৱাৰ পৰা বঞ্চিত কৰি ৰুছ, ফ্ৰান্স আৰু জাৰ্মানীয়ে নিজে যি পাৰে সেয়া চীনা চৰকাৰৰ পৰা আহৰণ কৰাৰ চেষ্টা কৰিলে। পশ্চিমীয়া দেশবোৰ চীনত দীৰ্ঘদিনৰ বাবে 'সন্ধি বন্দৰ'বোৰৰ চৌপাশে ব্যৱসায়িক কাম-কাজ চলাই থকা বণিক সম্প্ৰদায় হৈ ৰৈ যাব খোজা নাছিল। সেয়েহে চীনৰ পৰা বিশেষ অৰ্থনৈতিক ৰেহাই বিচাৰিবলৈ আৰু নিজৰ ৰাজনৈতিক আগ্ৰহৰ ক্ষেত্ৰ সৃষ্টি কৰিবলৈ পশ্চিমীয়া দেশবোৰৰ মাজত প্ৰতিযোগিতা আৰম্ভ হ'ল। দেশবোৰে চীনক খণ্ড খণ্ড কৰি নিৰ্দিষ্ট এলেকাত নিজৰ বিশেষ নিয়ন্ত্ৰণ সাব্যস্ত কৰিবলৈ চেষ্টা কৰিলে। নিজ নিজ দেশৰ বিশেষ ব্যৱহাৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ প্ৰত্যেকেও চীনৰ ওপৰত 'প্ৰভাৱ ক্ষেত্ৰ' সৃষ্টিৰ প্ৰয়াস কৰিছিল। চীনৰ মাঞ্চু শাসক পাশ্চাত্যৰ সাম্ৰাজ্যবাদী শক্তিবোৰৰ আগ্ৰাসী নীতি পৰীক্ষা কৰি চাব পৰা অৱস্থাত নাছিল। ইয়াৰ সলনি বিদেশী শক্তিবোৰৰ পৰা ঋণ বিচাৰি চীন তেওঁলোকৰ ন্যস্ত স্বাৰ্থ জড়িত আগ্ৰহৰ চেপাত পিষ্ট হৈ পৰিছিল। এনে সময়ত বিদেশী বণিকসকলক ৰেহাইৰ সুবিধা দিয়াৰ বাহিৰে চীনৰ হাতত অন্য উপায় নাছিল। ৰুছ, ফ্ৰান্স আৰু জাৰ্মানীয়ে লাহে লাহে বিচৰাধৰণৰ ৰেহাইবোৰ

লাভ কৰিলে। তেওঁলোকে চীনত নিজাকৈ বিত্তীয় আৰু ৰাজনৈতিক সাম্ৰাজ্যবাদ প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস আৰম্ভ কৰিলে। কিন্তু বহুবছৰ ধৰি চীনা বাণিজ্য জগতত সৰ্ববৃহৎ অংশ দখল কৰি থকা ইংলেণ্ডে নিজৰ বাণিজ্যিক স্বাৰ্থত হানি হোৱাৰ আশংকতা চীনক খণ্ডিত কৰাৰ ধাৰণাটোক লৈ সন্তুষ্ট হ'ব পৰা নাছিল।

সমতাৰ ভিত্তিত বাণিজ্য চলাই থকা চীনৰ মুক্ত বজাৰৰ পৰা সবাতোকৈ অধিক লাভৱান হৈছিল ইংলেণ্ড। পশ্চিমীয়া দেশবোৰে চীনৰ পৰা ৰেহাই বিচাৰি চলোৱা প্ৰতিযোগিতাক ইংলেণ্ডে অনৈতিক কাৰ্য বুলি গণ্য কৰিছিল। তেওঁলোকে চীনত কেৱল এখন সুস্থিৰ চৰকাৰ বিচাৰিছিল যিখনে ইংৰাজৰ বাণিজ্যিক স্বাৰ্থক সুৰক্ষা প্ৰদান কৰিব। কিন্তু আনবোৰ দেশেও নিজৰ অংশ বৃদ্ধিৰ প্ৰতিযোগিতাত নমাত ইংলেণ্ডো নিজৰ স্থিতি সবল কৰি ৰখাৰ স্বাৰ্থত প্ৰতিযোগিতাত নামিবলৈ বাধ্য হ'ল। এই প্ৰলোভনৰ বাবে ১৮৯৮ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা ১৮৯৮ চনৰ জুলাই মাহলৈ চীনৰ সৈতে ইংলেণ্ডে কেইবাখনো চুক্তিত চহী কৰিলে।

এনেবোৰ কাৰ্যৰ ফলত চীনৰ সম্বন্ধয় আৰু সংহতি সংকটৰ গৰাহত পৰিল। দেশখনৰ বিভিন্ন অঞ্চল বিদেশী শক্তিবোৰক বিশেষ অধিকাৰ ক্ষেত্ৰ হিচাপে ভগাই দিবলগীয়া হ'ল। চীনে আনকি তেওঁলোকৰ সৈতে অ-বিচ্ছিন্নতাবাদী চুক্তিতো চহী কৰিবলগীয়া হ'ল। বিদেশী শক্তিয়ে এনে চুক্তিৰ আধাৰত চীনৰ পৰা বহুতো অঞ্চলৰ বিশেষ অধিকাৰ দীৰ্ঘদিনৰ বাবে ভাৰাত ল'লে. চীনে নিজ ইচ্ছামতে ভাৰাতীয়া দেশৰ পৰানিজ দেশৰ কোনো অঞ্চলেই আজুৰি আনিব নোৱৰা হ'ল। ফ্ৰান্সে হাইনান দ্বীপ আৰু ভাৰত-চীন সীমান্তৱৰ্তী প্ৰদেশবোৰৰ অধিকাৰ লাভ কৰিছিল, ইংলেমেড য়াংটঝে উপত্যকা সংলগ্ন প্ৰদেশবোৰ, ৰুছে মাঞ্চুৰীয়া, মংগোলীয়া আৰু চীনা তুকে;স্তান তথা জার্মানীয়ে শ্বানটাং অঞ্চলৰ অধিকাৰ লাভ কৰিছিল।

যদিও পশ্চিমীয়া দেশবোৰে চীনৰ পৰা ৰেহাই লাভ আৰু সেইবোৰ সুৰক্ষিত ৰখাৰ প্ৰতিযোগিতাত নামিছিল তথাপিও 'প্ৰভাৱ ক্ষেত্ৰ'ৰ সৈতে জড়িত বিভিন্ন বিষয়ত একপ্ৰকাৰৰ মিত্ৰতাৰ নীতি মানি চলিছিল। তেওঁলোকে অইন দেশৰ 'প্ৰভাৱ ক্ষেত্ৰ'ত অনধিকাৰ প্ৰৱেশ অথবা তেনে ক্ষেত্ৰত লাভ কৰাৰ প্ৰতিযোগিতাত ননমাৰ সিদ্ধান্ত লৈছিল। তেওঁলোকে ইয়াৰ পৰিৱৰ্তে চীনত নিজৰ নিজ স্বাৰ্থৰ সুৰক্ষিত ৰখাৰ বাবে পৰস্পৰে পৰস্পৰলৈ সহযোগিতা আগবঢ়াইছিল। ইয়াৰ ফলত ফ্ৰান্স আৰু ইংলেণ্ডে চেইছুৱান প্ৰদেশ আৰু য়ুনানত যুটীয়াভাৱে কাম কৰিছিল। ইংলেণ্ডে একে নীতি অৱলম্বন কৰি য়াংটঝে উপত্যকা, শ্বানটাং আৰু মাঞ্চুৰিয়াত ৰুচ আৰু জার্মানীৰ সৈতে মিলি কাম কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ২৪ঃ চীনত সুস্থ বাণিজ্যিক বাতাৱৰণ বৰ্তাই ৰখাৰ পৃষ্ঠপোষকতা কৰা পশ্চিমীয়া দেশ দুখনৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ২৫ঃ পশ্চিমীয়া বণিকসকলে চীনৰ পৰা কিনা সামগ্ৰীবোৰৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ২৬ঃ ১৮৯৫ চনত চীনে জাপানৰ সৈতে ..... সন্ধিত চহী কৰিছিল। (খালী ঠাই পূৰ কৰক)

.....

.....

প্ৰশ্ন নং ২৭ঃ কোনকেইখন পশ্চিমীয়া দেশে লাহে লাহে চীনৰ পৰা নিজে বিচৰা ধৰণে ৰেহাই আদায় কৰিছিল?

.....

.....

প্ৰশ্ন নং ২৮ঃ কোনখন দেশে বিদেশী ৰাষ্ট্ৰৰ সৈতে অবিচ্ছিন্নতাবাদী চুক্তিত চহী কৰিছিল?

.....

.....

৯.৫ মুক্ত দ্বাৰ নীতি (OPEN DOOR POLICY)

পাশ্চাত্য দেশবোৰৰ চীনক লৈ বৃদ্ধি পোৱা অৰ্থনৈতিক আগ্ৰহেই হ'ল 'মুক্ত দ্বাৰ নীতি' সৃষ্টিৰ উৎস। জন হে'ক (John Hay) এই নীতিৰ জনক বুলি কোৱা হয়। তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী আছিল। এই নীতিৰ জৰিয়তে অস্থায়ীভাৱে হ'লেও বিদেশী শক্তিৰ হাতত চীনৰ সংহতিত ভাঙোন ধৰা প্ৰক্ৰিয়াটো পৰীক্ষা কৰি চোৱা হৈছিল। এই নীতিক হে'ৰ নীতি (Hay's Doctrine) বোলা হৈছিল।

চীনে দেশৰ দুৱাৰ ১৮৪০ৰ দশকতে ইংলেণ্ডক আদৰণি জনাই খুলি দিছিল তাৰ পাছত আন বিদেশী ৰাষ্ট্ৰবোৰেও চীনা চৰকাৰৰ পৰা কোনো বিশেষ বাধা নোপোৱাকৈ নিজ ইচ্ছামতে চীনত প্ৰৱেশ কৰাৰ সুযোগ পাইছিল। কিন্তু এই বিদেশী ৰাষ্ট্ৰবোৰে কিছুমান অঞ্চলক বিশেষভাৱে ব্যৱহাৰ কৰাৰ সুবিধা বিচাৰি 'প্ৰভাৱ ক্ষেত্ৰ' সৃষ্টিৰ প্ৰয়াস কৰিছিল। এই বিষয়ে আগৰ শিতানত আলোচনা কৰা হৈছে।

বিদেশী শক্তিবোৰে বিশেষ নিয়ন্ত্ৰণ অধিকাৰৰ অধীনত চীনক কেইবাটাও ভাগত ভাগ কৰিছিল। নিজ নিজ 'প্ৰভাৱ ক্ষেত্ৰৰ অধীনস্থ ভাগবোৰ সুৰক্ষিত ৰাখিবলৈ তেওঁলোক সদা সষ্টম আছিল। নিজৰ ভাগত অন্য শক্তিক সোমাবলৈ দিয়া নাছিল। আগতেই কোৱা হৈছে যে নিজৰ স্বাৰ্থ সুৰক্ষিত ৰখাৰ বাবে প্ৰয়োজন সাপেক্ষে তেওঁলোকে যুটীয়াভাৱে চেষ্টা কৰিছিল।

'চীনৰ মুক্ত প্ৰকাশ'ৰ আগতেই দেশখনক বিদেশী শক্তিবোৰে সম্পূৰ্ণ বন্ধ কৰি দিছিল। 'প্ৰভাৱ ক্ষেত্ৰ' সৃষ্টি কৰি বিদেশী শক্তিবোৰে নিজ নিজ বিশেষ অধিকাৰ থকা অঞ্চলত বেলেগৰ

প্ৰৱেশ নিষেধ কৰিছিল। এনে পটভূমিত 'মুক্ত দ্বাৰ নীতি'ৰ অৰ্থ আছিল 'প্ৰভাৱ ক্ষেত্ৰ'ৰ অধীনস্থ অঞ্চলবোৰ চীনত প্ৰৱেশ কৰিবলৈ আগ্ৰহী নতুন শক্তিক সুযোগ দিয়া আৰু দেশখনৰ সকলো অঞ্চলতে আগ্ৰহী শক্তিবোৰক ব্যৱসায়-বাণিজ্যৰ সমান সুবিধা আগবঢ়োৱা।

আমেৰিকা যুক্তৰাষ্ট্ৰ নিজৰ সমস্যাৰ সৈতে ব্যস্ত হৈ আছিল। কিন্তু ৰুছ, ফ্ৰান্স আৰু জাৰ্মানীয়ে চীনত বাণিজ্যিক ৰেহাই আদায় কৰাৰ প্ৰতিযোগিতাত নামিছিল। ইংলেণ্ড আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই এই ৰেহাই আদায়ৰ প্ৰতিযোগিতা বেয়া পাইছিল আৰু চীনা চৰকাৰৰ সকলো বিদেশী ৰাষ্ট্ৰকে সমান ব্যৱসায়িক সা-সুবিধা আগবঢ়োৱাৰ নীতিক সমৰ্থন কৰিছিল। কিন্তু আমেৰিকা নিজৰ সমস্যাৰ সৈতে যুঁজি থকাৰ সময়ত ইংলেণ্ড অকলশৰীয়া হৈ পৰিল আৰু এটা সময়ত এই প্ৰতিযোগিতাত ভাগ লৈছিল। কিন্তু এইখিনি সময়তো ইংলেণ্ডে দুবাৰ আমেৰিকাক যুটীয়া কাৰ্যপন্থা গ্ৰহণৰ বাবে গোহাৰি জনাইছিল যাতে মূল চীনা ভূখণ্ডত অৰ্থনৈতিক আৰু ৰাজনৈতিক সমতা বৰ্তাই ৰাখিব পৰা যায়। আমেৰিকা যুক্তৰাষ্ট্ৰই সেইখিনি সময়তে ফিলিপাইনছ অধিকাৰ কৰিছিল বাবে চীনত নিজৰ 'প্ৰভাৱ ক্ষেত্ৰ' সৃষ্টিত সিমান আগ্ৰহী নাছিল। সেয়েহে আৰম্ভণিতে ইংলেণ্ডৰ আহ্বানৰ প্ৰতি ইতিবাচক সঁহাৰি জনোৱা নাছিল। কিন্তু আমেৰিকাৰো চীনত কিছু বাণিজ্যিক লেন-দেন চলি আছিল আৰু সেইবোৰ সুৰক্ষিত ৰাখিবলৈ দেশখন আগ্ৰহী আছিল। সেয়েহে চীনৰ ভূ-ভাগৰ সংহতি সুৰক্ষিত কৰাৰ বাবে যথাসম্ভৱ প্ৰয়াস কৰাৰ মনোভাৱেৰে আমেৰিকা আগবাঢ়ি আহিছিল। চীনক বিদেশী শক্তিৰ হাতত খণ্ডিত হৈ পৰাত বাধা দিয়াই আছিল আমেৰিকাৰ উদ্দেশ্য। এই উদ্দেশ্য পূৰণৰ অৰ্থে জন হে'ই 'মুক্ত দ্বাৰ নীতি' বিকশাই তুলিছিল। নীতিৰ বাহ্যিক লক্ষ্য আছিল চীনৰ ভূ-খণ্ডগত সংহতি ৰক্ষা কৰা আৰু আভ্যন্তৰীণ লক্ষ্য আছিল চীনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৰ্দ্ধিত বাণিজ্যিক স্বাৰ্থক সুৰক্ষা প্ৰদান কৰা।

জন হে'ই তেওঁৰ 'মুক্ত দ্বাৰ নীতি'ৰ জৰিয়তে চীনত থকা বিদেশী শক্তিবোৰৰ পৰা কেইটামান নিশ্চিত আদায়ৰ চেষ্টা কৰিছিল। সেইবোৰ হ'ল— (ক) তথাকথিত প্ৰভাৱ ক্ষেত্ৰ অথবা চীনৰ যিকোনো অংশ ভাৰালৈ লোৱাৰ পাছত অহা ক্ষমতাৰে কোনেও 'সন্ধি বন্দৰ'বোৰৰ প্ৰশাসনত হস্তক্ষেপ কৰিব নোৱাৰিব। অথবা এনে প্ৰশাসনত ন্যস্ত স্বাৰ্থ জড়িত কৰিব নোৱাৰিব, (খ) কোনেও চীনা শুল্ক বিভাগৰ সম সুযোগ প্ৰদানকাৰী প্ৰশাসনক বাধাগ্ৰস্ত কৰিব নোৱাৰিব, আৰু (গ) নিজ নিজ 'প্ৰভাৱ ক্ষেত্ৰ'ত কোনেও বন্দৰ শুল্ক অথবা ৰে'লপথ শুল্ক দিয়াৰ সময়ত অন্য দেশতকৈ পৃথক হ'ব নোৱাৰিব। এই নীতি সকলোবোৰ বিদেশী ৰাষ্ট্ৰই একেধৰণে মানি নল'লে। তেওঁলোকে কিছুমান চৰ্তসাপেক্ষেহে এই নীতিবোৰ মানি লৈছিল। তথাপিও আমি এই কথা স্বীকাৰ কৰিব লাগিব যে 'মুক্ত দ্বাৰ নীতি'ৰ যোগেদি আমেৰিকা যুক্তৰাষ্ট্ৰই সাম্ৰাজ্যবাদী বিদেশী শক্তিৰ দ্বাৰা চলি থকা অৰ্থনৈতিক শোষণ আৰু ভূখণ্ডকেন্দ্ৰিক বিভাজনৰ পৰা চীনক ৰক্ষা কৰাৰ চেষ্টা চলাইছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২৯ঃ 'মুক্ত দ্বাৰ নীতি' কোনে যুগুত কৰিছিল?

.....

প্রশ্ন নং ৩০ঃ ১৮৪০ ৰ দশকতে চীনে .....

ৰ জৰিয়তে নিজ দেশৰ দুৱাৰ অন্য দেশৰ বাবে খুলি দিছিল। (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ৩১ঃ ফিলিপাইনছ অধিকাৰ কৰা পশ্চিমীয়া দেশখনৰ নাম কি?

.....

প্রশ্ন নং ৩২ঃ 'মুক্ত দ্বাৰ নীতি'ৰ বাহ্যিক উদ্দেশ্যটো কি আছিল?

.....



৯.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে,

- দুখনকৈ আফিং যুদ্ধ আৰু দুয়োখনতে পৰাজিত হোৱাৰ পাছত চীনে বিভিন্ন সাম্রাজ্যবাদী শক্তিৰ সৈতে বিভিন্ন সন্ধিপত্রত চহী কৰিবলৈ বাধ্য হৈছিল। নানকিং সন্ধি, ব'গ সন্ধি, ৰাংহিয়া সন্ধি, হোৱামপ'ৰা সন্ধি, টিয়েণ্টচিন সন্ধি আৰু পিকিং সন্ধিয়ে চীনৰ বিচ্ছিন্নতাকামী মনোভাৱ সম্পূর্ণ নাইকিয়া কৰি দেশখনৰ দুৱাৰ সকলোৰে বাবে মুকলি কৰি দিছিল।
- দুয়োখন আফিং যুদ্ধৰে কাৰণ আফিং ব্যৱসায়ৰ সলনি আন কিছুমান বিবদমান বিষয় আছিল বুলিহে ধৰা হয়। চীনা বিষয়াসকলে আৰু কো-হঙে বিদেশীৰ ওপৰত জাপি দিয়া সামাজিক নিষেধাজ্ঞা, বিদেশী বণিকৰ ওপৰত চলোৱা শোষণ, কাও-টাওও আৰু পেচকছ দিয়াৰ দৰে অপমানজনক প্রথা, সঘন পৰিৱর্তনশীল মূল্য/শুল্ক নির্ধাৰণ প্রথা, ইংৰাজ চৰকাৰৰ বিষয়াক কৰা দুর্ব্যৱহাৰ, আফিং ব্যৱসায় আৰু কাওলুন ঘটনাৰ ফলত প্রথম আফিং যুদ্ধৰ সূত্রপাত হৈছিল।
- বিদেশী শক্তিৰ সৈতে ইতিমধ্যে স্বাক্ষৰ কৰা সন্ধিৰ চর্তবোৰ বাস্তৱ ৰূপায়ণ কৰাত চীনা কর্তৃপক্ষই দেখুওৱা আওকণীয়া মনোভাৱ, আফিং ব্যৱসায়ৰ ধাৰাবাহিকতা, অবৈধ কুলী সৰবৰাহৰ ব্যৱসায়, আগতে সম্পন্ন কৰা সন্ধিবোৰৰ পুনৰীক্ষণ বিচাৰি বিদেশী শক্তিবোৰে তোলা দাবী, দক্ষিণ চীন সাগৰত জলদস্যুৰ উৎপাত, বিদেশী পতাকা ব্যৱহাৰৰ বিষয়, ফৰাছী কেথ'লিক মিশ্যনেৰীৰ হত্যা আৰু ল'কা এৰ' জাহাজৰ ঘটনাটোৰ বাবে দ্বিতীয় আফিং যুদ্ধৰ সূচনা হৈছিল।

- চীনৰ দুৱাৰ পৃথিৱীৰ অন্য দেশৰ বাবে খোল খোৱাৰ পাচত পশ্চিমীয়া শক্তিবোৰৰ চীনৰ প্ৰতি আগ্ৰহ বাঢ়িল। এই আগ্ৰহে ব্যৱসায়িক আগ্ৰহৰ সীমা পাৰ হৈ গৈ 'প্ৰভাৱ ক্ষেত্ৰ' সৃষ্টিৰ তাগিদাৰ ৰূপ ল'লে। ৰুছ, ফ্ৰান্স আৰু জাৰ্মানীয়ে চীনৰ পৰা বাণিজ্যিক ৰেহাই বিচৰাৰ প্ৰতিযোগিতাত নামিল। এই প্ৰতিযোগিতাত পৰৱৰ্তী সময়ত ইংলেণ্ডো চামিল হ'ল। ১৮৯৫ চনত চীনে জাপানৰ সৈতে শ্বিম'ন'চেকি সন্ধিত চহী কৰাৰ লগে লগে পাশ্চাত্যৰ দেশবোৰৰ চীনৰ প্ৰতি অৰ্থনৈতিক আগ্ৰহ বাঢ়িল। বিদেশী শক্তিবোৰৰ সৈতে চীনে অ-বিচ্ছিন্নতাবাদী চুক্তিও চহী কৰিবলগীয়া হ'ল। চীনৰ সংহতি এনেকৈয়ে সংকটৰ গৰাহত পৰিল।
- পশ্চিমীয়া দেশবোৰৰ চীনক লৈ বৃদ্ধি পোৱা অৰ্থনৈতিক আগ্ৰহেই হ'ল 'মুক্ত দ্বাৰ নীতি' সৃষ্টিৰ আঁৰৰ কথা। এই নীতি প্ৰস্তুতকাৰীগৰাকীৰ নাম হ'ল জন হে'। তেওঁ আমেৰিকাৰ বিদেশ মন্ত্ৰী আছিল। এই নীতিটোক 'হে'ৰ নীতি' বুলিও জনা যায়।
- 'মুক্ত দ্বাৰ নীতি'ৰ বাহ্যিক উদ্দেশ্য আছিল চীনৰ ভূখণ্ড জনিত সংহতি সুৰক্ষিত ৰখা। নীতিটোৰ আভ্যন্তৰীণ উদ্দেশ্য আছিল চীনত আমেৰিকাৰ বাণিজ্যিক স্বাৰ্থ সুৰক্ষিত ৰখা। কিন্তু আটাইবোৰ বিদেশী শক্তিয়ে এই নীতি এনেধৰণে মানি লোৱা নাছিল। তেওঁলোকে নীতিটোলৈ চৰ্তসাপেক্ষ সমৰ্থন আগবঢ়াইছিল।



৯.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1) Singh, A. K., (1984), *History of Far East in Modern Times*, Delhi – 110007, Surjeet Publications.

2) Vinacke, H.M., (1982), *A History of The Far East In Modern Times*, New Delhi, Kalyani Publications.



৯.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ এংলো-চীনা।

২ নং প্ৰশ্নৰ উত্তৰঃ চাৰ্লছ কেথকাৰ্ট আৰু লৰ্ড জ'র্জ মেকাৰ্টনি।

৩ নং প্ৰশ্নৰ উত্তৰঃ ১৮৩৩ চনলৈ।

৪ নং প্ৰশ্নৰ উত্তৰঃ কেপ্টেইন এলিয়ট।

৫ নং প্ৰশ্নৰ উত্তৰঃ কেণ্টনত সম্ৰাটৰ আয়ুক্ত।

৬ নং প্ৰশ্নৰ উত্তৰঃ লিন ৰেই-হিচ।

৭ নং প্ৰশ্নৰ উত্তৰঃ চীনা ৰাজসভাত প্ৰধান ইংৰাজ প্ৰতিনিধি।

৮ নং প্ৰশ্নৰ উত্তৰঃ হংকং।

৯ নং প্ৰশ্নৰ উত্তৰঃ ব'গৰ সন্ধি।

১০ নং প্ৰশ্নৰ উত্তৰঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ।

১১ নং প্ৰশ্নৰ উত্তৰঃ ২৪ অক্টোবৰ, ১৮৪৪।

১২ নং প্ৰশ্নৰ উত্তৰঃ কাৰণ চৰ্তবোৰ ৰূপায়িত কৰিবলৈ গৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰাদেশিক চৰকাৰ তথা স্থানীয় প্ৰশাসনিক নিকায়বোৰৰ তীব্ৰ বিৰোধিতাৰ মুখামুখি হৈছিল। সেই সময়ত প্ৰাদেশিক চৰকাৰ আৰু স্থানীয় নিকায়সমূহে চীনা পদ্ধতিৰ প্ৰশাসনৰ অধীনত যথেষ্ট স্বায়ত্বশাসন ক্ষমতাৰ অধিকাৰী আছিল।

১৩ নং প্ৰশ্নৰ উত্তৰঃ কুলি সৰবৰাহ।

১৪ নং প্ৰশ্নৰ উত্তৰঃ ইংলেণ্ড।

১৫ নং প্ৰশ্নৰ উত্তৰঃ ইংলেণ্ড আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ।

১৬ নং প্ৰশ্নৰ উত্তৰঃ ল'র্কা এৰ'।

১৭ নং প্ৰশ্নৰ উত্তৰঃ কলিকতা।

১৮ নং প্ৰশ্নৰ উত্তৰঃ পিকিঙত।

১৯ নং প্ৰশ্নৰ উত্তৰঃ দহ।

২০ নং প্ৰশ্নৰ উত্তৰঃ চীনত ইংৰাজ নৌ সেনাৰ কমাণ্ডাৰ।

২১ নং প্ৰশ্নৰ উত্তৰঃ জেহ'ল।

২২ নং প্ৰশ্নৰ উত্তৰঃ পিকিঙৰ সন্ধি।

২৩ নং প্ৰশ্নৰ উত্তৰঃ ১৮৬০ চন।

২৪ নং প্ৰশ্নৰ উত্তৰঃ ইংলেণ্ড আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ।

২৫ নং প্ৰশ্নৰ উত্তৰঃ ৰেচম, চাহপাত, চীনামাটিৰ বাচন-বৰ্তন।

২৬ নং প্ৰশ্নৰ উত্তৰঃ শ্বিম'ন'চেকি।

২৭ নং প্ৰশ্নৰ উত্তৰঃ ৰুছ, ফ্ৰান্স আৰু জার্মানী।

২৮ নং প্ৰশ্নৰ উত্তৰঃ চীন।

২৯ নং প্ৰশ্নৰ উত্তৰঃ জন হে'।

৩০ নং প্ৰশ্নৰ উত্তৰঃ ইংলেণ্ড।

৩১ নং প্ৰশ্নৰ উত্তৰঃ আমেৰিকা যুক্তৰাষ্ট্ৰ।

৩২ নং প্ৰশ্নৰ উত্তৰঃ চীনৰ ভূ-খমডগত সমন্বয় ৰক্ষা কৰিবলৈ।



৯.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কাও-টাও কি?

প্ৰশ্ন ২ঃ লৰ্ড নেপীয়েৰৰ কেতিয়া আৰু কত মৃত্যু হৈছিল?

প্ৰশ্ন ৩ঃ দাস হিচাপে চীনৰ শ্ৰমিকবোৰক ক'ত বিক্ৰী কৰা হৈছিল?

প্ৰশ্ন ৪ঃ ল'কা এৰ' নামৰ জাহাজখনত কিমানজন চীনা কৰ্মচাৰী আছিল?

প্ৰশ্ন ৫ঃ ১৮৯৫ চনৰ সন্ধিৰ পাছত চীনা পক্ষৰ হৈ ত্ৰিপাক্ষিক হস্তক্ষেপ কৰা দলটোৰ নেতৃত্ব কোনে বহন কৰিছিল?

প্ৰশ্ন ৬ঃ হে'ৰ নীতি মানে কি?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ছুৱেনপিৰ মতানৈক্যৰ বিষয়ে কি জানে?

প্ৰশ্ন ২ঃ নানকিং সন্ধিত উল্লেখ থকা 'সন্ধি বন্দৰ' পাঁচটাৰ নাম কিয়?

প্ৰশ্ন ৩ঃ চীনে কেনেকৈ দেশৰ দুৱাৰ অন্যৰ বাবে সম্পূৰ্ণৰূপে মুকলি কৰি দিছিল?

প্ৰশ্ন ৪ঃ 'চিয়েণ্টচিনৰ সন্ধি'ত চীনে কোন কোন বিদেশী ৰাষ্ট্ৰৰ সৈতে চহী কৰিছিল?

প্ৰশ্ন ৫ঃ কিয় বিদেশী শক্তিবোৰে চীনৰ ওপৰত নিজ নিজ 'প্ৰভাৱ ক্ষেত্ৰ' সৃষ্টি কৰিছিল?

প্ৰশ্ন ৬ঃ কিয় আমেৰিকা যুক্তৰাষ্ট্ৰই চীনত 'মুক্ত দ্বাৰ নীতি' সূচনা হোৱা বুলি ঘোষণা কৰিছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ প্ৰথম আফিং যুদ্ধৰ কাৰণ আৰু প্ৰভাৱবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ দ্বিতীয় আফিং যুদ্ধৰ কাৰণ আৰু পৰিণামবোৰৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ৩ঃ চীনত পশ্চিমীয়া দেশবোৰৰ অৰ্থনৈতিক আগ্ৰহ বৃদ্ধি পোৱাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ঃ চীনৰ 'মুক্ত দ্বাৰ নীতি'টো সমালোচনাত্মকভাৱে পৰীক্ষা কৰক।

* * * * *

অধ্যায় ১০ঃ সংস্কাৰ আন্দোলনসমূহ -১

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ টাই-পিং আন্দোলন
১০.৩.১ বিদ্রোহৰ কাৰণ
১০.৩.২ বিদ্রোহৰ ব্যর্থতা
১০.৩.৩ বিদ্রোহৰ প্রভাৱ
১০.৪ স্ব-শক্তিশালীকৰণৰ আন্দোলন
১০.৫ ১৯০১-০৮ৰ সংস্কাৰ অথবা চীনৰ দ্বিতীয় সংস্কাৰ
১০.৫.১ আন্দোলনৰ পৃষ্ঠভূমি
১০.৫.২ ১৯০২ চনৰ সম্রাজ্ঞী দাওগাৱৰ সংস্কাৰ কার্যসূচী
১০.৫.৩ সাংবিধানিক আন্দোলন
১০.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলো
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্রগতিৰ নিৰীক্ষণৰ উত্তৰ
১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি-

- টায়-পিং আন্দোলনৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- আদিম সমাজৰ লোকসকলৰ মাজত যাদু আৰু ধর্মৰ কার্যৰ বিষয়ে মালিন'ৱস্কিয়ে প্রদান কৰা দৃষ্টিভংগী ব্যখ্যা কৰিব পাৰিব।
- চীনৰ স্ব-শক্তিশালীকৰণ আন্দোলন বিশ্লেষণ কৰিব পাৰিব।
- এশ দিনৰ সংস্কাৰ কার্যসূচী আলোচনা কৰিব পাৰিব।
- ১৯০১-০৮ৰ সংস্কাৰ আন্দোলন অথবা চীনৰ দ্বিতীয় সংস্কাৰ আন্দোলন বর্ণনা কৰিব পাৰিব।

১০.২পৰিচয়

আগৰ অধ্যায়ত আমি ইতিমধ্যেই চীনত পশ্চিমীয় শক্তিৰ বর্ধিত আগ্রহৰ বিষয়ে আলোচনা কৰিছিলো, ইয়াৰ ফলত পশ্চিমীয়া দেশৰ কাৰণে চীনৰ দুৱাৰ মুকলি হৈছিল। কিন্তু চীনসকলে সদায় বহিৰাগত শক্তিৰ সৈতে অসহজ অনুভৱ কৰিছিল আৰু নিজৰ দেশখন বিশ্বৰ ভিতৰতে

শ্রেষ্ঠ বুলি বিবেচনা কৰিছিল। অপিয়াম যুদ্ধই পশ্চিমীয়া শক্তিৰ সন্মুখত চীনৰ দুৰ্বাৰ মুকলি কৰিছিল আৰু শাসকীয় মানছু বংশৰ দুৰ্বলতা উদঙাই দিছিল। ক্রমাৎ চীনত এক মানছু বিৰোধী ভাবৰ লগতে পশ্চিম বিৰোধী ভাৱ গঢ়ি উঠি বিদেশী আগ্রাসনৰ বিৰুদ্ধে এক প্রতিৰোধমূলক মনোভাৱৰ সৃষ্টি হৈছিল আৰু ইয়ে সময়ত এক আন্দোলনৰ ৰূপ লয় যাৰ উদ্দেশ্য আছিল অসমর্থ চৰকাৰ ওফৰাই পশ্চিমক বাধা প্রদান কৰা। এই অধ্যায়ত আমি এই আন্দোলনসমূহৰ বিষয়ে আলোচনা কৰিম যিসমূহে চীনৰ আভ্যন্তৰীণ সংস্কাৰক উদগনি জনাইছিল, চীনত যুগ যুগ ধৰি প্রচলিত কুসংস্কাৰৰ অন্ত পেলাইছিল আৰু পৰৱর্তী সময়ত চীনা ৰাষ্ট্রীয়তাবাদৰ বিকাশ ঘটাইছিল। এইসমূহ আছিল টায়-পিং আন্দোলন, স্ব-শক্তিশালীকৰণ আন্দোলন, এশ দিনৰ সংস্কাৰ আৰু ১৯০১-১৯০৮ চনৰ সংস্কাৰ অথবা চীনৰ দ্বিতীয় সংস্কাৰ আন্দোলন। আহক এই সকলো আন্দোলন আমি এটা এটাকৈ আলোচনা কৰো।

১০.৩ টায়-পিং আন্দোলন (T'AI P'ING REBELLION)

চীনাসকলে যিহেতুকে এক অকলশৰীয়াকৈ থকাৰ নীতি গ্রহণ কৰিছিল সেইবাবে বিশ্বৰ আন ৰাষ্ট্রৰ বিষয়ে তেওঁলোকৰ কোনো ধাৰণা নাছিল আৰু ইয়াৰ ফলত নিজৰ দেশকে আটাইতকৈ শ্রেষ্ঠ বিবেচনা কৰিছিল। কিন্তু অপিয়াম যুদ্ধৰ ফলত চীন পশ্চিমীয়া ৰাষ্ট্রৰ সন্মুখত উন্মুক্ত হৈ পৰে। চীনাভূমিত বিদেশীসকলৰ আগ্রাসনত চীনে সহজভাৱে গ্রহণ কৰা নাছিল। মানছু শাসকে পশ্চিমক বাধা দিব নোৱাৰাৰ বাবে তেওঁলোকে এক মাঞ্চু-বিৰোধী মনোভাৱ গঢ়ি তুলিছিল আৰু এই মনোভাৱে সময়ত আন্দালনৰ ৰূপ লয়। মাঞ্চু-বিৰোধী আটাইতকৈ বিস্তৃত আৰু প্রৱল আন্দোলন যিটো ১৮৫১ ৰ পৰা ১৮৬৪ চনলৈ অব্যাহত আছিল সেয়া হৈছে টাই-পিং আন্দোলন। আমি এতিয়া ইয়াৰ বিষয়ে আলোচনা কৰিম।

১০.৩.১ বিদ্রোহৰ কাৰণ

এই আন্দোলনৰ বহুকেইটা কাৰণ আছিল। সেইকেইটা হৈছে-

- **পৰৱর্তী মানছু শাসকৰ দুৰ্বলতা**- চীনৰ বাসিন্দাৰ মাজত স্বতঃস্ফূর্তভাৱে মানছুসকলৰ প্রতি এক ঘৃণাৰ ভাৱৰ সৃষ্টি হৈছিল আৰু মাঞ্চুসকলক তেওঁলোকে বিদেশী বুলি গণ্য কৰিবলৈ লৈছিল। প্রথম অৱস্থাৰ মানছু শাসকসকলৰ ভাল প্রশাসক হোৱাৰ লগতে তেওঁলোকৰ শক্তিশালী স্থিতিৰ বাবে জনসাধাৰণে তেওঁলোকৰ বিৰুদ্ধে মাত মতাৰ সাহস কৰিব পৰা নাছিল। কিন্তু পৰৱর্তী সময়ৰ মানছু শাসকসকলে নিজৰ দক্ষতা হেৰুৱোৰ লগতে অসমর্থতাৰ পৰিচয় দিছিল। যাৰ ফলস্বৰূপে সকলো প্রান্ততে শাসনহীনতা আৰু বেমোজলিয়ে দেখা দিছিল আৰু ইয়াৰ দ্বাৰা পৰিস্থিতি বিদ্রোহাত্মাক হৈ পৰিছিল।
- **সমাজত দৰিদ্রৰ পুতৌলগা অৱস্থা**-মানছু শাসকৰ দিনত কৃষক, শিল্পী আৰু সমাজৰ দৰিদ্র শ্রেণীৰ সামাজিক অৱস্থা অতি পুতৌজনক হৈ পৰিছিল। তেওঁলোকক ৰাজকীয়

বিষয়াসমূহৰ লগতে সমাজৰ উচ্চ শ্ৰেণীয়ে নিৰ্যাতন কৰিছিল। তেওঁলোকৰ এই অৱেহেলিত মনোভাৱে দৰিদ্ৰ শ্ৰেণীক সৰৱ কৰি তুলিছিল আৰু অৱশেষত নতুন সামাজিক শৃংখলা প্ৰতিষ্ঠাৰ লক্ষ্যৰে এয়াই এক আন্দোলনৰ ৰূপ লৈছিল।

- **অৰ্থনৈতিক অসমানতা**-মানুহৰ মাজত ভূমিৰ বিতৰণ অসমান প্ৰকৃতিৰ আছিল। দৰিদ্ৰ কৃষক-হালোৱাসকলে ভূমিৰ গৰাকীৰ দয়াৰ ওপৰত নিৰ্ভৰ কৰি জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছিল। জনসংখ্যাৰ বৃদ্ধিৰ লগে লগে উৰ্বৰ ভূমিৰ বৃদ্ধি নোহোৱাৰ বাবে এই পৰিস্থিতি অধিক শোচনীয় হৈ পৰিছিল, যাৰ ফলস্বৰূপে খাদ্যৰ অভাৱ ঘটি সমাজৰ দৰিদ্ৰ শ্ৰেণী আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছিল। বিদেশী সামগ্ৰীৰ বৃহৎ হাৰত আমদানিৰ দ্বাৰাও চীনৰ গ্ৰাম্য কুটিৰ শিল্পৰ মৃত্যুঘণ্টা বাজিছিল। গতিকে চীনা অৰ্থনীতিৰ অৰ্থনৈতিক অসমানতাই সমাজৰ অৱহেলিত লোকসকলক এই আন্দোলনত যোগদান কৰিবলৈ উৎসাহ দিছিল।
- **বান আৰু দুৰ্ভিক্ষ**-দেশৰ বান আৰু দুৰ্ভিক্ষই চীনৰ অৱনমিত অৰ্থনীতিক অধিক মাধমাৰ শোধাইছিল। লাখ লাখ লোক আক্ৰান্ত হোৱা পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত চৰকাৰী প্ৰশাসন ব্যৰ্থ হৈছিল।
- **সামৰিক কাৰণ**-সম্ৰাট আৰু ৰাজকীয় সেনাৰ প্ৰতি চীনৰ সাধাৰণ লোকৰ কিছু পৰিমাণৰ সন্মানৰ ভাৱ আছিল। কিন্তু প্ৰথম এংলো-চীন যুদ্ধত ইংলেণ্ডৰ হাতত চীনৰ পৰাস্তৰ ফলত চীনৰ ৰাজকীয় সেনাই সাধাৰণ ৰাইজৰ মাজত নিজৰ সন্মান হেৰুৱাবলগীয়া হৈছিল। তেওঁলোকৰ পৰা অস্ত্ৰ-শস্ত্ৰ কাঢ়ি লোৱা হৈছিল আৰু তেওঁলোক নিবনুৱা হৈ পৰিছিল। ইয়াৰ পৰিণতিত তেওঁলোকেও বিদ্ৰোহীসকলৰ সৈতে যোগদান কৰিছিল।
- **ৰাজনৈতিক কাৰণ**- মাঞ্চুসকলৰ প্ৰতি চীনাসকলৰ মাজত এক জন্মগত ঘৃণাৰ ভাৱ আছিল আৰু তেওঁলোকক ৰাইজে বিদেশী গণ্য কৰিছিল। এই মানছু-বিৰোধী মনোভাৱ বিশেষকৈ দক্ষিণ চীনৰ নৃগোষ্ঠীয় গোট 'হাক্কা'সকলৰ মাজত অধিক গভীৰ আছিল। তেওঁলোকে বিভিন্ন গোপন সমাজৰ গঠন কৰিছিল। অৱশ্যে মানছু শাসকে ইয়াৰ অধিকাংশ সমাজক দয়া-মায়াহীন ভাৱে মযিমূৰ কৰিছিল যদিও ইয়ে টায়-পিং বিদ্ৰোহীৰ অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছিল।
- **নেতাসকলৰ ক্ষমতা**-বিদ্ৰোহৰ পৃষ্ঠভূমিৰ ক্ষেত্ৰত চীনত সমাজৰ প্ৰতিটো দিশ প্ৰায় সাজু হৈ উঠিছিল, কেৱল ইয়াক সংগঠিত কৰিবলৈ এজন নেতাৰ প্ৰয়োজন আছিল। এই অভাৱ পূৰণ কৰিছিল হাং ছিউ চুৱানে। তেওঁ আছিল এক উচ্চাকাংক্ষী ব্যক্তি আৰু দক্ষ নেতা। খ্ৰীষ্টান ধৰ্মৰ পৰা প্ৰভাৱিত হৈ সমসাময়িক সমাজৰ সমস্যা তেওঁ অনুধাৱন কৰিবলৈ সক্ষম হৈছিল আৰু অসহায় লোকসকলক সহায় কৰিবলৈ আগবাঢ়ি আহিছিল।



অনুশীলনী ১০.১

টায়-পিং বিদ্রোহৰ প্ৰকৃতিৰ ওপৰত এটা টোকা লিখা

.....

.....

চীনৰ ইতিহাসক টাই-পিং আন্দোলন এক মাইলৰ খুঁটি আছিল যদিও ইয়াৰ লক্ষ্য পূৰণ হোৱা নাছিল। এই আন্দোলনৰ ব্যৰ্থতাৰ বহুকেইটা কাৰণ আছিল আৰু এইসমূহ হৈছে-

- **গোড়া চীনা সমাজৰ বিৰোধিতা**-পৰম্পৰাগত কনফুচিয়ান ধাৰণাক মষিমূৰ কৰি সমাজত সংস্কাৰকামী পৰিৱৰ্তন আনিবলৈ আন্দোলনৰ নেতাসকলে কৰা প্ৰয়াসক চীনৰ গোড়া লোকসকলে তীব্ৰ বিৰোধিতা কৰিছিল। আন্দোলন দমন কৰিবলৈ তেওঁলোকে ৰাজকীয় পক্ষক সম্পূৰ্ণ সমৰ্থন প্ৰদান কৰিছিল।
- **খ্ৰীষ্টান ধৰ্মৰ দুৰ্বল প্ৰভাৱ**- আন্দোলনৰ নেতা হাং খ্ৰীষ্টান ধৰ্মৰ পৰা বিশেষভাৱে প্ৰভাৱিত আছিল আৰু খ্ৰীষ্টান ধৰ্মৰ জৰিয়তে সমাজত শান্তি প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। কিন্তু সামাজিক শৃংখলাৰ ক্ষেত্ৰত পৰম্পৰাগত কনফুচিয়ান সূত্ৰ চীনা সমাজত ইমানেই দ'কৈ সোমাই আছিল যে খ্ৰীষ্টান ধৰ্মই সমাজৰ আৰ্থ-সামাজিক দিশক স্পৰ্শ কৰিব পৰা নাছিল।
- **বিদেশী শক্তিৰ হস্তক্ষেপ**-প্ৰথম অৱস্থাত অধিকাংশ বিদেশী শক্তিয়ে বিদ্রোহীসকলক সমৰ্থন দিয়া দেখা গৈছিল যদিও বিদ্রোহীসকলৰ বিজয়ৰ পিছত চীনৰ স্বাধীনতাক লৈ তেওঁলোক আশংকাত ভুগিছিল। সেইবাবে ১৮৬৯ চনত বিদ্রোহী নেতা চিঙৰ সৈতে শান্তিচুক্তি কৰি বিদ্রোহীসকলৰ পৰাজয় নোহোৱা পৰ্যন্ত তেওঁলোকে ৰাজকীয় পক্ষক সহায় কৰিবলৈ লয়। বিদেশী সেনাৰ সহযোগিতাই টাই-পিং আন্দোলনৰ ব্যৰ্থতাৰ কাৰণ হৈছিল।
- **নেতৃত্বৰ অভাৱ**-বিদ্রোহত দক্ষ নেতৃত্বৰ অভাৱ হৈছিল। মূল নেতাসকলে নিজৰ ইচ্ছামতে কাম কৰিবলৈ লৈছিল। নতুন সামাজিক ব্যৱস্থাৰ পৰিৱৰ্তনত খাপ খুৱাই ল'বলৈ সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক সৈমান কৰোৱাত তেওঁলোক অক্ষম হৈছিল। বাস্তৱিকতে নতুন ব্যৱস্থাত যুৱ নেতাক নিয়োগ কৰিবলৈ তেওঁলোকে চেষ্টা কৰা নাছিল।

  এই সকলোবোৰৰ লগতে সেনাৰ দুৰ্বলতাৰ ফলতো এই বিদ্রোহ ব্যৰ্থ হৈছিল। কিন্তু টাই-পিং আন্দোলন ব্যৰ্থ হ'লেও চীনত এই বিদ্রোহৰ প্ৰভাৱ কোনেও নুই কৰিব নোৱাৰে। চীনা ইতিহাসৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত এই বিদ্রোহ এই অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছিল-

- **চীনৰ পৰৱর্তী বিদ্রোহত উদগনি যোগাইছিল**- এই বিদ্রোহে চীনাসকলক পৰৱর্তী সময়ত বিভিন্ন বিদ্রোহ সংগঠন কৰিবলৈ অনুপ্রেৰণা যোগাইছিল। চীনৰ কনফুচিয়ান সূত্রই শাসকসকলৰ অদক্ষতাৰ বাবে কর্তৃপক্ষৰ বিৰুদ্ধে প্রজাৰ বিদ্রোহৰ দায়িত্বক সমর্থন জনাইছিল। চীনত সেইসময়ত মানছু কর্তৃপক্ষ অদক্ষ বিবেচিত হৈছিল আৰু টাই-পিং বিদ্রোহে চীনৰ শাসনৰ গাদীৰ পৰা মানছুসকলক দলিয়াই পেলোৱাৰ বাট মুকলি কৰিছিল।
- **ৰাজহৰ লোকচান**- বিদ্রোহৰ ফলত চীনে এক বৃহৎ পৰিমাণৰ ৰাজহ হেৰুৱাবলগীয়া হৈছিল। চীনৰ বাৰখন চহকী প্রদেশ ধ্বংস হৈছিল আৰু ইয়াৰ ৰাইজে দাৰিদ্রত জর্জৰ হৈ পৰিছিল। এই প্রদেশসমূহৰ পৰা ৰাজহ সংগ্রহ বন্ধ হৈ পৰিছিল। এনেদৰে বিদ্রোহে চীনৰ ৰাজকোষ ক্ষতিগ্রস্ত কৰিছিল।
- **জনসংখ্যাৰ নিয়ন্ত্রণ**- এই বিদ্রোহ আছিল বিশ্বৰ ভিতৰতে অন্যতম এক ধ্বংসাত্মক আন্দোলন কাৰণ ইয়াত দুইলাখৰো অধিক লোকে প্রাণ হেৰুৱাবলগীয়া হৈছিল। এই দিশৰ পৰা চীনৰ জনসংখ্যাৰ আধিক্যৰ সমস্যা সমাধান হৈছিল।
- **সেনাৰ বিকেন্দ্রীকৰণ**- টাই-পিঙৰ পৰা নিজৰ গৃহ সম্প্রদায়ৰ প্রতিৰক্ষাৰ বাবে স্থানীয় কর্তৃপক্ষৰ দ্বাৰা আঞ্চলিক সেনাৰ প্রতিষ্ঠাৰে সেনাৰ বিকেন্দ্রীকৰণ হৈছিল। ৰাজকীয় সেনাৰ বিফলতাৰ বাবে এনে বিকেন্দ্রীকৰণক কর্তৃপক্ষইও উদগনি যোগাইছিল।
- **ভূ-স্বামীৰ উত্থান**- সেনাৰ বিকেন্দ্রীকৰণ আৰু স্থানীয় সেনাক জনোৱা উদগনিৰ ফলত স্থানীয় কর্তৃপক্ষ আৰু প্রাদেশিক শাসকসকলৰ ক্ষমতা আৰু সন্মান বাঢ়ি গৈছিল কাৰণ তেওঁলোকে এতিয়া ব্যক্তিগতভাৱে সেনা ৰাখিবলৈ সক্ষম হৈছিল।

টাই-পিং আন্দোলন আছিল মূলতঃ মানছু-বিৰোধী আন্দোলন। সমসাময়িক সমাজত মাঞ্চু চৰকাৰ অতি অপ্রিয় হৈ পৰিছিল নিজৰ অদক্ষ শাসনৰ বাবে। এই বিদ্রোহ আছিল পৰম্পৰাগত সামাজিক শৃংখলাৰ বিৰুদ্ধে আৰু ইয়াৰ প্রধান ভিত্তি আছিল পুৰণি কনফুচিয়ান দর্শন। এই আন্দোলনে আধুনিক চীনৰ বাট মুকলি কৰিছিল।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন১- টায়-পিং আন্দোলনৰ প্রকৃতি কি আছিল?

.....

প্রশ্ন২- চীনৰ কোন অঞ্চলত মাঞ্চু-বিৰোধী ভাৱ সকলোতকৈ সৱল আছিল?

.....

প্ৰশ্ন৩-চীনৰ আৰ্থ-সামাজিক শৃংখলা নিয়ন্ত্ৰণ কৰা পৰম্পৰাগত সূত্ৰ উল্লেখ কৰক।

.....

প্ৰশ্ন৪- টায়-পিং আন্দোলনৰ নেতাৰ বিষয়ে উল্লেখ কৰক।

.....

প্ৰশ্ন৫-টায়-পিং বিদ্ৰোহৰ দুটা প্ৰভাৱ উল্লেখ কৰক।

.....

১০.৪ স্ব-শক্তিশালীকৰণৰ আন্দোলন (SELF STRENGTHENING MOVEMENT)

আগৰ অধ্যায়সমূহৰ লগতে এই অধ্যায়ৰ প্ৰথমভাগত আমি আলোচনা কৰিছিলো যে চীনাসকলৰ মাজত এক ধৰনৰ মানছু বিৰোধী প্ৰতিক্ৰিয়া আৰু বিদেশী-বিৰোধী মনোভাৱ গঢ়ি উঠিছিল। এহাতে তেওঁলোকে চীনৰ আওপুৰণি মধ্যযুগীয় সামাজিক-ৰাজনৈতিক আৰু সাংস্কৃতিক ব্যৱস্থা দলিয়াই পেলাব বিচাৰিছিল কিন্তু আনফালে তেওঁলোকে পশ্চিমৰ আগত চীনক মুকলি কৰিবলৈ আশংকাগ্ৰস্ত আছিল। সেইবাবে ১৮৯৫চনৰ চিমন'ছেকী চুক্তিৰ পৰৱৰ্তী বৰ্ষসমূহত চীনৰ মূলভূমিত পশ্চিমীয়া শক্তিসমূহে নিজৰ স্বাৰ্থ অনুসৰি প্ৰভাৱ বিস্তাৰ কৰিবলৈ বিচৰাৰ ফলত চীন অপ্ৰস্তুত হ'বলগীয়া হৈছিল। বিভিন্ন বিদেশী শক্তিসমূহে চীনৰ ওপৰত আৰোপ কৰা দাবী বাধা দিয়াত চীন ব্যৰ্থ হৈছিল। যাৰ ফলস্বৰূপে আগ্ৰাসনৰ নীতি সেইসময়ৰ আইন হৈ পৰিছিল। চীনাসকলে চীনৰ সংহতিৰ গুৰুত্ব অনুধাৱন কৰিছিল।

বিদেশী শোষণৰ পৰা চীনক ৰক্ষা কৰাৰ ক্ষেত্ৰত চীনত মতবিৰোধ আছিল। একাংশই পশ্চিমীয়া সভ্যতাৰ কিছুমান বৈশিষ্ট্য মুক্তভাৱে গ্ৰহণ কৰি চীনৰ সংস্কাৰ কামনা কৰিছিল। আনহাতে আন একাংশই যিকোনো মূল্যৰ বিনিময়ত বিদেশী শক্তিক বহিষ্কাৰ কৰি চীনে অকলশৰীয়াকৈ থকাৰ নিজৰ প্ৰাচীন পুৰণি ৰাজকীয় নীতি বৰ্তাই ৰখাটো বিচাৰিছিল।

চীন-জাপান যুদ্ধৰ পিছত চীনত বহুসংখ্যক সমাজ গঢ়ি উঠিছিল আৰু সাম্ৰাজ্যৰ সংস্কাৰ কৰিবলৈ চেষ্টা আৰম্ভ কৰিছিল। চীনৰ সংস্কাৰ কাৰ্যসূচীসমূহ প্ৰথম আৰম্ভ কৰিছিল সমাজৰ নিম্ন শ্ৰেণীৰ লোকে। এই সমাজৰ নেতৃত্বৰ দায়িত্ব লৈছিল কাং য়ুয়েইয়ে। চীনা পৰম্পৰাত গভীৰভাৱে শিপাই থকাৰ পিছতো তেওঁক আধুনিক সংস্কাৰকামী চিন্তাবিদ বুলি গ্ৰহণ কৰা হয়। তেওঁ বিশ্বাস কৰিছিল যে প্ৰকৃত কনফুচিয়াচ চুক্তি ঘুৰাই আনিবলৈ হ'লে সংস্কাৰ আন্দোলনৰ প্ৰয়োজনীয়তা আছে। ১৮৯৩ চনত তেওঁ পেকিঙত তেওঁ এখন সংস্কাৰ সমাজ গঢ়িছিল আৰু ইয়াৰ দ্বাৰা তেওঁ নিজৰ অনুগামীসকলক প্ৰশিক্ষিত কৰি তুলিব বিচাৰিছিল আৰু চীনৰ জনসাধাৰণৰ মাজত সংস্কাৰৰ বাৰ্তা প্ৰচাৰৰ লক্ষ্যৰে এখন বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। নিজৰ ধাৰণাৰ বিষয়ে তেওঁ নিজৰ গ্ৰন্থ 'Grand Union' ত বহলভাৱে ব্যাখ্যা কৰিছে।

সম্ৰাট চিয়েন ফেঙৰ মৃত্যুৰ পিছত নাবালক শাসক কুৱাং ছুক সিংহাসনত অধিষ্ঠিত কৰি কাৰ্যত শাসনৰ বাঘজৰী চম্ভালিছিল সম্ৰাজ্ঞী দাওগাৰ জু চিয়ে। দুৰ্যোগত আতংকিত আৰু সংস্কাৰকামী আন্দোলনত উৎসাহিত হৈ সম্ৰাট কুৱাং ছুৱে সংস্কাৰমূলক কাৰ্যসূচীৰ গুৰুত্ব বুজিব পাৰি ১৮৯৮ চনৰ ১১ জুনত তেওঁ এক ৰাজকীয় অধিসূচনা জাৰী কৰে। সংস্কাৰৰ ক্ষেত্ৰত সম্ৰাটক উপদেশ দিবলৈ ক'য়াং আৰু য়ু-য়েই আৰু তেওঁৰ আন অনুগামীসকলক নিয়োগ কৰা হৈছিল। এনেদৰে ১৮৯৮ চনত সম্ৰাটে যথেষ্টসংখ্যক সংস্কাৰৰ নীতি ঘোষণা কৰে আৰু এই সমূহক 'এশ দিনৰ সংস্কাৰ' বুলি জনা যায়। এই সংস্কাৰ কাৰ্যসূচীসমূহৰ দ্বাৰা চীনত নতুন ব্যৱস্থা প্ৰৱৰ্তনৰ চেষ্টা কৰা হৈছিল।

সংস্কাৰৰ কেতবোৰ সাধাৰণ ক্ষেত্ৰ আছিল। প্ৰথমে ইউৰোপৰ উন্নত ব্যৱস্থাৰ আৰ্হিত সকলো সংস্কাৰকসকলে চীনৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন কৰিবলৈ বিচাৰিছিল। ডাঙৰ চহৰসমূহত আধুনিক বিদ্যালয় আৰু মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ স্থিৰ কৰা হৈছিল। ৰাজকীয় অধিসূচনাই পেকিঙত পশ্চিমীয়া বিশ্ববিদ্যালয়ৰ আৰ্হিত এক কেন্দ্ৰীয় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ নিৰ্দেশ প্ৰদান কৰিছিল। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ বাবে পশ্চিমৰ কাৰিকৰী প্ৰতিষ্ঠানৰ দৰে কাৰিকৰী বিদ্যালয় প্ৰতিষ্ঠাৰ লক্ষ্য লোৱা হৈছিল। পুৰণি শিক্ষা ব্যৱস্থাৰ স্থানত শিক্ষাৰ অধিক বাস্তৱিক ব্যৱস্থা প্ৰৱৰ্তনত গুৰুত্ব প্ৰদান কৰা হৈছিল। চীনাবাসীৰ মাজত পশ্চিমীয়া ধাৰণা প্ৰচাৰৰ বাবে পশ্চিমীয়া গ্ৰন্থসমূহৰ স্থানীয় ভাষাত ভাষান্তৰত উদগনি দিয়া হৈছিল।



অনুশীলনী ১০.২

চীনৰ আধুনিকীকৰণৰ ক্ষেত্ৰত ক'য়াং আৰু য়ুৱেইৰ অৱদানৰ এক টোকা প্ৰস্তুত কৰা।

.....

.....

চৰকাৰী প্ৰশাসনীয় ব্যৱস্থাৰ এক সম্পূৰ্ণ পুনৰ সংগঠন কামনা কৰা হৈছিল। দক্ষ প্ৰশাসনীয় যন্ত্ৰৰ সুচল প্ৰচলনৰ বাবে বিভিন্ন বৰ্ড প্ৰতিষ্ঠাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। অদৰকাৰী চৰকাৰী পদসমূহ নিৰ্মূল কৰা হৈছিল। চৰকাৰী ৰাজপত্ৰ প্ৰকাশৰ ব্যৱস্থা লোৱা হৈছিল আৰু অজ্ঞ সাধাৰণ লোকসকলক সজাগ কৰি তুলিবলৈ এইসমূহ সমগ্ৰ দেশত বিতৰণ কৰা হৈছিল। কেন্দ্ৰ আৰু প্ৰদেশসমূহৰ দূৰত্ব হ্ৰাসৰ চেষ্টা কৰা হৈছিল। পশ্চিমীয়া আৰ্হিত সেনাক পুনৰ সংগঠিত কৰিবলৈ বিচৰা হৈছিল। উৎপাদন বৃদ্ধি কৰিবলৈ নতুন কৃষি পদ্ধতি প্ৰৱৰ্তনৰ চেষ্টা কৰা হৈছিল। পশ্চিমীয়া আৰ্হিত এই সংস্কাৰসমূহ সাধন কৰিলেহে চীনৰ উন্নতি হ'ব বুলি বিশ্বাস কৰা হৈছিল।

ৰাজনৈতিক ক্ষেত্ৰত ক'য়াঙে সাংবিধানিক ৰাজতন্ত্ৰৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁ আছিল এজন সাংবিধানিক ৰাজতন্ত্ৰবিদ আৰু তেওঁ ৰাজতন্ত্ৰবিৰোধী আৰু মানছু বিৰোধী আন্দোলনৰ

বিৰোধী আছিল। তেওঁ বিশ্বাস কৰিছিল যে কেৱল পশ্চিমীয়া আইন আৰু সংস্কাৰ গ্ৰহণ কৰিহে চীনা প্ৰশাসনৰ সংস্কাৰ সম্ভৱ।

এই সংস্কাৰৰ ফলত প্ৰশাসনীয় ক্ষেত্ৰত নতুন বিকাশৰ ফলত এক বিৰোধী শিবিৰৰ সৃষ্টি হৈছিল আৰু এই শিবিৰ গঠন কৰিছিল বিশেষকৈ প্ৰশাসনৰ পৰা বাদ পৰা মানছু বিষয়াসমূহে। তেওঁলোকে বাৰম্বাৰ বিগত দশকজুৰি অৱসৰত থকা সম্ৰাজ্ঞী দাওগাৰক অনুনয় বিনয় কৰিছিল। অদৰকাৰী বুলি বিবেচনা কৰি মানছুসকলৰ ছটা লাভজনক পদ খাৰিজ কৰা কাৰ্যই মানছু প্ৰশাসনীয় বিষয়াসকলক ক্ষুব্ধ কৰি তোলাৰ লগতে এই কাৰ্যক তেওঁলোকে পোনপটীয়া আক্ৰমণ বিবেচনা কৰিছিল। সংস্কাৰৰ সকলো গতি-বিধি সম্ৰাজ্ঞীয়েও লক্ষ্য কৰি আছিল আৰু সুবিধা বুজি কমবয়সীয়া সম্ৰাটে জাৰী কৰা সংস্কাৰমূলক নীতি প্ৰত্যাহাৰ কৰিবলৈ সুযোগৰ সন্ধান কৰিছিল। গতিকে ১৮৯৮ চনলৈকে সম্ৰাজ্ঞী দাওগাৰে পুনৰ চৰকাৰৰ শাসন নিজৰ হাতলৈ আনিছিল সংস্কাৰ নীতিসমূহ প্ৰত্যাহাৰ কৰি সম্ৰাট কুৱাং জুৰ অস্তিত্ব শূণ্য কৰি পেলাইছিল। টান জু-টাং সহ বহু সংস্কাৰকামী নেতাক বন্দী কৰি পেকিঙলৈ নিৰ্বাসন দিয়া হৈছিল। আন্দোলনৰ দুই কেন্দ্ৰীয় ব্যক্তি ক'য়াং আৰু লিয়াং চিক'ই ব্ৰিটিশৰ অধীনস্থ হংকঙলৈ পলায়ন কৰি পৰৱৰ্তী সময়ত জাপানলৈ গুছি গৈছিল। এনেদৰে চীনে আধুনিকতাৰ দিশে ধাৱমান হোৱাৰ আন এক সুযোগ হেৰাই গৈছিল।

আন্দোলনৰ বৈশিষ্ট্য- চীনৰ ইতিহাসত এই আন্দোলন গুৰুত্বপূৰ্ণ আছিল কাৰণ ই সংস্কাৰৰ এক ধাৰা মুকলি কৰি তুলিছিল। পশ্চিমীয়া শক্তিক উত্তৰ দিবলৈ পশ্চিমীয়া আৰ্হিত চীনৰ সংস্কাৰ কৰিবলৈ এয়া আছিল প্ৰথম প্ৰয়াস। এই আন্দোলন পৰোক্ষভাৱে দুৰ্নীতিগ্ৰস্ত আৰু অদক্ষ মানছু নেতাৰ বিৰুদ্ধে আছিল। আন্দোলনৰ অন্যতম নেতা লিয়াং ছপা মাধ্যমৰ অৱদানৰ বাবে আধুনিক চীনা উদাৰকামী পৰম্পৰাৰ অন্যতম প্ৰতিষ্ঠাপক হৈ পৰিছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক

প্ৰশ্ন নং ৬ ঃ সম্ৰাট ছিয়েন ফেঙৰ মৃত্যুৰ পিছত ৰাজসিংহাসনত অধিষ্ঠিত হোৱা নাবালক শাসকজনৰ নাম উল্লেখ কৰা।

.....

.....

প্ৰশ্ন নং ৭ঃ চীনত সংস্কাৰ নীতি সমূহ কেতিয়া ঘোষণা কৰা হৈছিল?

.....

.....

প্ৰশ্ন নং ৮ঃ এশ দিনৰ সংস্কাৰ আন্দোলনৰ নেতা কোন আছিল?

.....

.....

প্ৰশ্ন নং ৯ঃ চীনা সমাজৰ কোনটো ভাগে স্ব-শক্তিশালীকৰণৰ আন্দোলনত আগভাগ লৈছিল?

.....

.....

প্ৰশ্ন নম্বৰ ১০ঃ সংস্কাৰবাদী নেতা ক' য়াঙে কোন প্ৰকাৰৰ চৰকাৰত বিশ্বাস কৰিছিল?

.....

.....

১০.৫ ১৯০১-০৮ৰ সংস্কাৰ অথবা চীনৰ দ্বিতীয় সংস্কাৰ (REFORM OF 1901-1908 OR SECOND REFORM MOVEMENT IN CHINA)

১০.৫.১ আন্দোলনৰ পৃষ্ঠভূমি

এইপৰ্যন্ত আলোচনাৰ পৰা আপোনালোকৰ মনত নিশ্চয় ১৯ শতিকাৰ দ্বিতীয়ভাগত চীনৰ পৰিস্থিতি সন্দৰ্ভত এক ধাৰণা গঢ়ি উঠিছে। ১৮৯৪-৯৫ ৰ প্ৰথম চীন-জাপান যুদ্ধৰ পৰা ১৯০৫ চনৰ ৰাছিয়া-জাপান যুদ্ধলৈকে চীনে এক দীঘলীয়া মুখ ঠেকেছা খাবলগীয়া হৈছিল। চীনৰ ৰাজনৈতিক ইতিহাসত চিম'ন'ছেকিৰ চুক্তি এক বাটকটীয়া ৰূপে বিবেচিত হয়। সেইসময় পৰ্যন্ত বিদেশী শক্তিৰ স্বাৰ্থ কেৱল বাণিজ্যিক ক্ষেত্ৰতহে সীমাৱদ্ধ আছিল কিন্তু পৰৱৰ্তী বৰ্ষসমূহত চিম'ন'ছেকিৰ চুক্তিৰ ফলত বিদেশী শক্তিসমূহৰ মনোভাৱত এক বৃহৎ পৰিৱৰ্তন আহিছিল আৰু তেওঁলোকৰ কেৱল বাণিজ্যিক লাভালাভত আৱদ্ধ হৈ থাকিব খোজা নাছিল। বৃহৎ লাভৰ বাবে চীনত তেওঁলোকে ঘাটি প্ৰতিষ্ঠা কৰিবলৈ ধৰিছিল। গতিকে বিশেষ অৰ্থনৈতিক লাভৰ পৰা চীনত ৰাজনৈতিক স্বাৰ্থ আহৰণলৈ পশ্চিমীয়া শক্তিসমূহৰ উদ্দেশ্যৰ পৰিৱৰ্তন হ'বলৈ ধৰিছিল। এইবিষয়ে আগৰ ষান্মাসিকত আপোনালোকে জানি আহিছে। ৰাছিয়া-জাপান যুদ্ধ চীনৰ বাবে অধিক লজ্জাজনক হৈ পৰিছিল কাৰণ এসময়ত চীনৰ নিয়ন্ত্ৰণত থকা ভূমিৰ বাবে চীনৰ মাটিতে এই দুইখন ৰাষ্ট্ৰ যুদ্ধত লিপ্ত হৈছিল। প্ৰগতিশীল চীনাসকলে অনুধাৱন কৰিছিল যে আগ্ৰাসী পশ্চিমীয়া শক্তিক ভেঁটা দিবলৈ হ'লে চীনে পশ্চিমীয়া পদ্ধতি আৰু প্ৰশাসনৰ নীতি গ্ৰহণ কৰি মধ্যযুগীয় গোড়ামী ত্যাগ কৰিবই লাগিব। ইয়াৰ বাবে কাঙৰ নেতৃত্বত এক সংস্কাৰকামী আন্দোলন গঢ়ি উঠিছিল যাৰ বিষয়ে আমি আগতে আলোচনা কৰি আহিছো। কিন্তু এই সংস্কাৰ আছিল অপৰিপক্ক ধৰনৰ। নিজৰ সমৰ্থকৰ সহায়ত সম্ৰাজ্ঞী দাওগাৱে অতি সহজে ইয়াক মষিমূৰ কৰিছিল। বিদেশী শক্তিৰ আগ্ৰাসন আৰু শোষণৰ বিৰুদ্ধে চীনৰ ভূমিত আন এক আন্দোলনৰ সৃষ্টি হয় যাৰ জনপ্ৰিয় নাম আছিল 'বকসাৰ উত্থান'। (আমি এইবিষয়ে পৰৱৰ্তী সময়ত আলোচনা কৰিম।) কিন্তু এই আন্দোলনেও নিজৰ লক্ষ্যত উপনীত হ'ব পৰা নাছিল।

বক্সাৰ আন্দোলনৰ পৰৱৰ্তী সময়ত চীনা বিদ্বানসকলে মানছু শাসকসকলৰ অদক্ষতাক অহৰহ সমালোচনা কৰাৰ বিপৰীতে প্রশাসনৰ বিদেশী পদ্ধতিৰ প্রশংসাত পঞ্চমুখ হৈ পৰিছিল। ইয়াৰ ফলত চীনত সংস্কাৰকামী আন্দোলনৰ সপক্ষে জনমত গঢ়ি উঠিছিল।

সংস্কাৰকৰ দুটা শ্রেণী আছিল-মূলপন্থী আৰু মধ্যমপন্থী। মূলপন্থী সংস্কাৰকসকলে মানছুসকলক সম্পূর্ণ গাদীচ্যুত কৰি প্রশাসনৰ সম্পূর্ণ পৰিৱর্তন কৰিবলৈ বিচাৰিছিল। ডঃ চান য়াট-চেন আছিল মূলপন্থী সংস্কাৰকসকলৰ নেতা। আনহাতে মধ্যমপন্থীসকলে সংবিধানস্বীকৃত ৰাজতন্ত্রৰ প্রৱর্তনৰ দ্বাৰা মানছুসকলৰ ক্ষমতা হ্রাস কৰোৱাৰ পক্ষপাতী আছিল। তেওঁলোকৰ নেতা আছিল এশদিনৰ সংস্কাৰ আন্দোলনৰ নেতা কাং য়ু-ৱেই। আন্দোলনৰ প্রতি মানছু প্রশাসনৰ প্রতিক্রিয়া অতি মন্থৰ আছিল কাৰণ শীর্ষ বিষয়াসকলে প্রশাসনত যিকোনো ধৰনৰ সংস্কাৰে তেওঁলোকৰ সা-সুবিধা কর্তন কৰাৰ আশংকাত ভুগিছিল। সেইদৰে বিদেশী শক্তিসমূহেও প্রশাসনত কোনো পৰিৱর্তন বিচৰা নাছিল কাৰণ মানছু চৰকাৰৰ সৈতে কথা-বতৰা পতাত তেওঁলোকে সহজ অনুভৱ কৰিছিল আৰু নতুন ব্যৱস্থাত তেওঁলোকক খাপ খুৱাই ল'বলৈ কিছু সময় লগাৰ দিশত চিন্তা কৰিছিল।

চীনত ইমানদিনে যিকোনোধৰনৰ সংস্কাৰ কার্যসূচীৰ বিৰোধিতা কৰি অহা সম্রাজ্ঞী দাওগাৰে ইতিমধ্যে নিজৰ ভুল ধৰিব পাৰিছিল। তেওঁ পৰিস্থিতিৰ গুৰুত্ব অনুধাৱন কৰিব পাৰি নিজৰ সাম্রাজ্য ৰক্ষা কৰাৰ আন কোনো বিকল্পৰ সন্ধান কৰিব পৰা নাছিল। সেইবাবে ১৯০১ চনত তেওঁ এক সংস্কাৰ নীতি ঘোষণা কৰে। এইবিষয়ে আমি পৰৱর্তী শিতানত আলোচনা কৰিম।

১০.৫.২ ১৯০২ চনৰ সম্রাজ্ঞী দাওগাৰৰ সংস্কাৰ কার্যসূচী

পলম হ'লেও অৱশেষত সম্রাজ্ঞীয়ে চীনত সংস্কাৰ কার্যসূচীৰ ক্ষেত্রত সেউজ সংকেত প্রদান কৰিছিল। কিন্তু তেওঁৰ সংস্কাৰ কার্যসূচী ১৮৯৮ চনৰ কার্যসূচীতকৈ পৃথক আছিল। তেওঁৰ একমাত্র লক্ষ্য আছিল সাম্রাজ্যখন ৰক্ষা কৰা। মাঞ্চু বিষয়াসকলক সম্রাজ্ঞীয়ে আশ্বাস দিছিল ব্যৱস্থাত কোনো বিপ্লৱ অনা নহয় বৰং ব্যৱস্থাত থকা পুৰণি প্রথাৰ কুসংস্কাৰ সমূহ আতৰাই পেলোৱা হ'ব। ১৯০২ চনত য়ুয়ান চিহ-কাইৰ অধীনত সম্রাজ্ঞীয়ে এক সংস্কাৰ কার্যসূচী ঘোষণা কৰে। সংস্কাৰৰ মূল দিশ কেন্দ্রীয় প্রশাসন, সেনাৰ পুনৰ সংগঠন আৰু শিক্ষাৰ লগতে আন বহুতো সৰু-সুৰা সংস্কাৰৰ লক্ষ্য ইয়াত গ্রহণ কৰা হৈছিল। এই সংস্কাৰ কার্যসূচী বিস্তৃতভাৱে আলোচনা কৰো আহক-

- **শিক্ষাগত সংস্কাৰ-** সংস্কাৰ কার্যসূচীসমূহৰ দ্বাৰা শিক্ষাৰ নতুন মন্ত্রালয় গঠন কৰিব বিচৰা হৈছিল। সেইবাবে চীনত ১৯০৩ চনত শিক্ষা মন্ত্রালয় প্রতিষ্ঠা কৰা হৈছিল। চীনা আৰু পশ্চিমীয়া উভয় বিষয়ৰে শিক্ষা প্রদান কৰিবলৈ চীনত বিভিন্ন মানৰ চৰকাৰী বিদ্যালয় প্রতিষ্ঠা কৰা হৈছিল। চীনা শিক্ষার্থীসকলক বিদেশলৈ বিশেষকৈ জাপানলৈ পঠোৱাৰ নীতি গ্রহণ কৰা হৈছিল। জাপানী আর্হিত এক ধৰনৰ প্রাথমিক শিক্ষাৰো প্রচলন কৰা হৈছিল। উচ্চ শিক্ষাৰ বাবে চীনৰ বিভিন্ন অংশত মহাবিদ্যালয়

প্ৰতিষ্ঠা কৰা হৈছিল। পেকিঙত এক ৰাজকীয় বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। গতিকে চীনে আধুনিক ক্ষেত্ৰত যুৱ প্ৰজন্মক প্ৰস্তুত কৰি তুলিবলৈ চেষ্টা কৰা হৈছিল। পশ্চিমীয় দেশলৈ যোৱা শিক্ষাৰ্থীসকলে উদাৰবাদী পশ্চিমীয়া সংস্কৃতি নিজৰ সৈতে লৈ আহিছিল।

- **ৰাজকীয় সেনাৰ সংস্কাৰ-**নতুন সংস্কাৰ কাৰ্যসূচীৰ এক উল্লেখযোগ্য দিশ আছিল পশ্চিমীয়া আৰ্হিত চীনা সেনাৰ পুনৰ সংগঠন কৰা। ১৯০১ চন পৰ্যন্ত চীনৰ কোনো ৰাষ্ট্ৰীয় সেনা নাছিল। জেনেৰেল য়ুয়ান চি-কাই আছিল যুদ্ধৰ নতুন কলা-কৌশলৰ সপক্ষে মত প্ৰদানকাৰী আৰু সেইবাবে তেওঁক ৰাজকীয় সেনাৰ পুনৰ সংগঠনৰ দায়িত্ব প্ৰদান কৰা হৈছিল। সক্ৰিয় আৰু দক্ষ নেতৃত্বৰ অধীনত চীনা সেনাই অতি কম সময়ত চীনৰ ইতিহাসত নিজৰ নাম তুলি ধৰিবলৈ সক্ষম হয়। সেনাৰ সহায়ত য়ুয়ানে চীনৰ সম্ৰাট হোৱাৰো সপোন পালন কৰিছিল।
- **বিবাহ আইনৰ সংস্কাৰ**- চীনা আৰু মানছুসকলৰ মাজত দূৰত্ব হ্ৰাস কৰিবলৈ ১৯০২ চনত মানছু আৰু চীনাসকলৰ মাজত আন্তঃবিবাহৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হৈছিল। চীনা সকলে মানছুসকলক সদায়ে নিম্নখাপৰ বিবেচনা কৰিছিল আৰু সেইবাবে এই দুটা গোটৰ মাজৰ বৈবাহিক সম্পৰ্ক নিষিদ্ধ আছিল। গতিকে এই নতুন আইনৰ দ্বাৰা তেওঁলোকৰ মাজক বৈবাহিক মৈত্ৰী স্থাপনৰ চেষ্টা কৰা হৈছিল।

এইসমূহৰ লগতে আন সৰু-সুৰা কেতবোৰ সংস্কাৰ যেনে আফিংৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰী আদিক স্থান প্ৰদান কৰা হৈছিল। চীনা ন্যায়ালয়ৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগৰ পুনৰ সংগঠনৰ বাবে কেতবোৰ কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা হৈছিল। প্ৰশাসনীয় ব্যৱস্থা অধিক কাৰ্যক্ষম কৰি তুলিবলৈ বিভিন্ন গুৰুত্বহীন কাৰ্যালয়ৰ বিলোপ ঘটোৱা হৈছিল। ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নতিৰ বাবে ৰেল পথৰ নিৰ্মানৰ ব্যৱস্থাও গ্ৰহণ কৰা হৈছিল। সংস্কাৰ কাৰ্যসূচীৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশ আছিল এক সাংবিধানিক প্ৰকৃতিৰ চৰকাৰৰ প্ৰতিষ্ঠা। গতিকে সাংবিধানিক প্ৰকাৰৰ চৰকাৰৰ দিশে এই আন্দোলনৰ বিষয়ে আমি এক পৃথক অংশত আলোচনা কৰিম যিহেতুকে চীনৰ পৰৱৰ্তী ৰাজনৈতিক বিকাশত এই আন্দোলনৰ যথেষ্ট গুৰুত্ব আছিল।

১০.৫.৩ সাংবিধানিক আন্দোলন

১৯০৪-০৫ চনৰ ৰাছিয়া-জাপান যুদ্ধৰ পিছৰে পৰা চীনত এক সংবিধানস্বীকৃত চৰকাৰৰ গুণা-গঁঠা চলিছিল। এইক্ষেত্ৰত বিশ্বাস কৰা হৈছিল যে পশ্চিমীয়া আৰ্হিত এক নতুন সাংবিধানিক চৰকাৰ গঠন কৰিলেহে সুদূৰ পূৰত চীন এখন শক্তিশালী ৰাষ্ট্ৰৰূপে পৰিগণিত হ'ব। গতিকে ১৯০৫ চনৰ বিজয়ৰ পিছতে সাংবিধানিক প্ৰকাৰৰ চৰকাৰ গঠনৰ এক সাধাৰণ ধাৰণা চীনত অনুভৱ কৰা হৈছিল। চীনত সাংবিধানিক আন্দোলনে লিয়াং চি-কাওৰ দৰে চীনা সংস্কাৰকৰ পৰা বিশেষ অনুপ্ৰেৰণা লাভ কৰিছিল। কাং য়ু-ৱেই ৰ

অনুগামী লিয়াং চি-কাও আছিল নিজে '*এশ দিনৰ সংস্কাৰ আন্দোলন*'ৰ এজন নেতা। ৰুছো আৰু মণ্টেস্কিউৰ দৰে পশ্চিমীয়া দার্শনিকৰ অনুৰূপ ৰাজনৈতিক ধাৰণা তেওঁ গ্ৰহণ কৰিছিল। তেওঁৰ দৃঢ় বিশ্বাস আছিল যে দেশৰ সন্মান আৰু গৰিমা কেৱল ৰাজনৈতিক সংস্থাৰ পুনৰ সংগঠনৰ দ্বাৰাহে সম্ভৱ।

১৯০৫ চনত পশ্চিমীয়া আৰ্হিত প্ৰয়োজনীয় খচৰা প্ৰস্তুত কৰিবলৈ এক 'সাংবিধানিক নির্দেশক ব্যুৰো' গঠন কৰা হৈছিল। ১৯০৬ চনত সম্ৰাজ্ঞী দাওগাৰে এখন সংবিধানৰ প্ৰতিশ্ৰুতিৰে চৰকাৰৰ মন্ত্ৰীসকলৰ পুনৰ সংগঠন কৰি এক কেবিনেট ব্যৱস্থা গঠন কৰিবলৈ এক নীতি ঘোষণা কৰিছিল। সেইমতে মন্ত্ৰীসকলৰ সংখ্যা আৰু মন্ত্ৰালয়ৰ নাম সলনি হৈছিল কিন্তু তেওঁলোকৰ ক্ষমতা একেদৰে ৰৈছিল। ১৯০৭ চনত প্ৰাদেশিক চৰকাৰকো স্বীকৃতি প্ৰদান কৰা হয়।

১৯০৮ চনত এখন প্ৰাদেশিক সংবিধান গ্ৰহণ কৰা হৈছিল আৰু ইয়াত সম্ৰাটৰ ক্ষমতাক বিশেষ ৰক্ষণা-বেক্ষণ দিয়া হৈছিল। ইয়াৰ দ্বাৰা সম্ৰাটে যুদ্ধ ঘোষণাৰ লগতে শান্তি প্ৰতিষ্ঠা, আইন প্ৰৱর্তন, চমন জাৰী কৰা আৰু সংসদ স্থগিত কৰা আদি ক্ষমতা লাভ কৰিছিল। নতুন সংবিধানত সীমিত ক্ষমতাৰে দুই সদনযুক্ত সংসদৰ প্ৰস্তাৱ দিছিল। সংবিধানে চীনৰ প্ৰতিজন নাগৰিকক বাক স্বাধীনতা আৰু সহযোগিতা, আইনৰ কায চপাৰ অধিকাৰ আৰু বৈষম্যহীন ভাৱে সম্পত্তিৰ প্ৰতিশ্ৰুতি দিছিল। এই বিকাশৰ বিষয়ে আলোচনা কৰোতে আপোনাৰ মনত নিশ্চয় প্ৰশ্নৰ উদ্ভৱ হ'ব পাৰে যে সম্ৰাজ্ঞী দাওগাৰে প্ৰকৃততে এই সংস্কাৰসমূহ হৃদয়েৰে বিশ্বাস কৰিছিল নে? কাৰণ চীনত পূর্বৰ সকলো সংস্কাৰ কার্যসূচীৰ তেওঁ বিৰোধিতা কৰিছিল। প্ৰকৃততে তেওঁ নিজে এনেধৰনৰ তাৎক্ষণিক পৰিৱর্তনৰ ক্ষেত্ৰত প্ৰস্তুত নাছিল কাৰণ ই মানছু বিষয়াসকলক প্ৰভাৱিত কৰাৰ সম্ভাৱনা আছিল। গতিকে তেওঁ এই সংস্কাৰ কার্যসূচীসমূহ বলৱৎ কৰিবলৈ ৯ বছৰৰ সময়সীমা নির্ধাৰণ কৰে।

সম্ৰাজ্ঞীৰ এই সাংবিধানিক প্ৰস্তাৱ চীনৰ উগ্ৰ সংস্কাৰবাদী আৰু উদাৰবাদী গণৰাজ্য পন্থীসকলৰ তীক্ষ্ণ সমালোচনাৰ বলি হৈছিল দুটা কাৰণত -প্ৰক্ৰিয়াৰ লেহেমীয়া গতি আৰু সম্ৰাটৰ হাতত ক্ষমতা কেন্দ্ৰীভূত কৰাৰ বাবে। তেওঁলোকে যুক্তি প্ৰদর্শন কৰিছিল যে প্ৰস্তাৱিত সংবিধানৰ নীতি অনুসৰি ৰাইজৰ পৰিৱর্তে সম্ৰাটৰ হাততহে সার্বভৌম ক্ষমতা অর্পণ কৰা হ'ব। যিহেতুকে ন্যায়িক, প্ৰশাসনীয় আৰু বিধানসভাৰ ক্ষমতা সম্ৰাটৰ হাতত ন্যস্ত কৰা হৈছিল সেইবাবে উদাৰবাদী গণৰাজ্যপন্থীসকলে সন্দেহ প্ৰকাশ কৰিছিল যে ইয়াৰ দ্বাৰা কেৱল মানছু একনায়কত্ববাদকহে শক্তিশালী কৰিব বিচৰা হৈছে।

আনহাতে ইয়াৰ মাজতে ১৯০৮ চনত সম্ৰাজ্ঞী দাওগাৰৰ দেহাৱসান ঘটে আৰু ইয়াৰ ফলত পৰিস্থিতি অধিক প্ৰৱল হৈ পৰে। মানছু বংশৰ বাবে তেওঁৰ মৃত্যু এক বৃহৎ ক্ষতিৰূপে বিবেচিত হয় কাৰণ সম্ৰাজ্ঞীয়েহে মানছু বংশক প্ৰকৃত ৰক্ষণা-বেক্ষণ প্ৰদান

কৰিছিল। সম্ৰাজ্ঞীৰ মৃত্যুৰ লগে লগে উগ্ৰ সংস্কাৰবাদী আৰু উদাৰবাদী গণৰাজ্যপন্থীসকলে সংস্কাৰ আন্দোলনত উচ্চ স্থান দখল কৰে। তেওঁলোকে সংস্কাৰৰ বাবে নির্ধাৰণ কৰা সময়সীমা ৯ বছৰৰ পৰা হ্ৰাস কৰি ৫ বছৰ কৰাৰ দাবী উত্থাপন কৰে। চৰকাৰৰ হাতত তেওঁলোকৰ দাবী মানি লোৱাৰ বাবে আন কোনো বিকল্প বাকী ৰোৱা নাছিল। বিদ্ৰোহী মাঞ্চু বিৰোধী শক্তিসমূহে লাহে লাহে নিজৰ স্থিতি সৱল কৰি মানছু সম্ৰাজ্যক ওফৰাই ৰাজনৈতিক সংস্থাত বিপ্লৱ অনাৰ প্ৰয়াস কৰে। ইয়াৰ ফলত ১৯১২ চনত চীনত প্ৰৱল গৃহযুদ্ধৰ সূচনা হয়। গতিকে পৰৱৰ্তী বৰ্ষসমূহত চীনত সাংবিধানিক ব্যৱস্থাৰ প্ৰৱৰ্তন সম্ভৱ নাছিল। ইয়াৰ কাৰণস্বৰূপে ক'ব পৰা যায় যে এনে পৰিৱৰ্তনৰ বাবে চীন প্ৰকৃত অৰ্থত প্ৰস্তুত নাছিল আৰু পেকিং তেতিয়াও আভ্যন্তৰীণ ঈৰ্ষা-বিদ্বেষৰ কেন্দ্ৰ আছিল।

গতিকে সম্ৰাজ্ঞীৰ সংস্কাৰ কাৰ্যসূচীসমূহে এক সাংবিধানিক ব্যৱস্থাৰ প্ৰৱৰ্তনৰ লক্ষ্য পূৰণ কৰিব পৰা নাছিল যদিও ইয়াৰ ফলত অনাগত সময়ত এনে ধৰনৰ বিকাশৰ বাবে গাঁথনি প্ৰস্তুত কৰা হৈছিল। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰীয়তাবাদী ভাৱ সৃষ্টিতো ইয়াৰ ফলত অনুপ্ৰেৰণা লাভ কৰা হৈছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক

প্ৰশ্ন নং ১১ঃ চীনত সংস্কাৰকামী আন্দোলনৰ নেতা কোন আছিল?

.....

.....

প্ৰশ্ন নং ১২ঃ ১৯০২ চনৰ সংস্কাৰ কাৰ্যসূচীৰ পৰিচালক কোন আছিল?

.....

.....

প্ৰশ্ন নং ১৩ঃ চীনত জাতীয় সেনা কেতিয়া গঠন কৰা হৈছিল?

.....

.....

প্ৰশ্ন নং ১৪ঃ চীনত কেতিয়া এক 'সাংবিধানিক নির্দেশক ব্যুৰো প্ৰতিষ্ঠা কৰা হৈছিল?

.....

.....

প্ৰশ্ন নং ১৫ঃ কোন চনত সম্ৰাজ্ঞী দাওগাৰৰ মৃত্যু ঘটিছিল?

.....

.....



১০.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়টিৰ অধ্যয়ন কৰি আপুনি, জানিব পাৰিলে যে,

- ১৯ শতিকাৰ ফালে চীনত সংস্কাৰবাদী আন্দোলনৰ ধাৰাৰ সৃষ্টি কৰিছিল ক্ৰমাৎ দেশখনত গঢ়ি উঠা মানছু বিৰোধী আৰু বিদেশী বিৰোধী মনোভাৱৰ ফলত।
- মানছু শাসকৰ ক্ৰমাৎ অৱনতি, অৰ্থনৈতিক দুৰৱস্থা, সাধাৰণ ৰাইজৰ দাৰিদ্ৰ আদিৰ ফলত টাই পিং আন্দোলনৰ সৃষ্টি হৈছিল আৰু ইয়াৰ দ্বাৰা চীনৰ কৌটিকলীয়া ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিবলৈ বিচৰা হৈছিল। এই বিদ্ৰোহ বিফল হ'লেও চীনৰ ইতিহাসত ইয়াৰ গুৰুত্ব অপৰিসীম।
- চীন-জাপান যুদ্ধৰ পিছত চীনত বহুসংখ্যক সমাজ গঢ়ি উঠিছিল আৰু সাম্ৰাজ্যৰ সংস্কাৰ কৰিবলৈ চেষ্টা আৰম্ভ কৰিছিল। চীনৰ সংস্কাৰ কাৰ্যসূচীসমূহ প্ৰথম আৰম্ভ কৰিছিল সমাজৰ নিম্ন শ্ৰেণীৰ লোকে। এই সমাজৰ নেতৃত্বৰ দায়িত্ব লৈছিল কাং য়ুয়েইয়ে। চীনা পৰম্পৰাত গভীৰভাৱে শিপাই থকাৰ পিছতো তেওঁক আধুনিক সংস্কাৰকামী চিন্তাবিদ বুলি গ্ৰহণ কৰা হয়। তেওঁ বিশ্বাস কৰিছিল যে প্ৰকৃত কনফুচিয়াচ চুক্তি ঘুৰাই আনিবলৈ হ'লে সংস্কাৰ আন্দোলনৰ প্ৰয়োজনীয়তা আছে। তেওঁৰ পৰা অনুপ্ৰাণিত হৈয়ে ১৮৯৮ চনত সম্ৰাটে যথেষ্টসংখ্যক সংস্কাৰৰ নীতি ঘোষণা কৰে আৰু এই সমূহক 'এশ দিনৰ সংস্কাৰ' বুলি জনা যায়। কিন্তু এই সংস্কাৰ নীতি সম্ৰাজ্ঞী দাওগাৰে কঠোৰ হাতেৰে দমন কৰে।
- ইয়াৰ পিছতে সম্ৰাজ্ঞীয়ে চীনত সংস্কাৰ কাৰ্যসূচীৰ ক্ষেত্ৰত সেউজ সংকেত প্ৰদান কৰিছিল। কিন্তু তেওঁৰ সংস্কাৰ কাৰ্যসূচী ১৮৯৮ চনৰ কাৰ্যসূচীতকৈ পৃথক আছিল। তেওঁৰ একমাত্ৰ লক্ষ্য আছিল সাম্ৰাজ্যখন ৰক্ষা কৰা। মাঞ্চু বিষয়াসকলক সম্ৰাজ্ঞীয়ে আশ্বাস দিছিল ব্যৱস্থাত কোনো বিপ্লৱ অনা নহয় বৰং ব্যৱস্থাত থকা পুৰণি প্ৰথাৰ কুসংস্কাৰ সমূহ আতৰাই পেলোৱা হ'ব। ১৯০২ চনত য়ুয়ান চি-কাইৰ অধীনত সম্ৰাজ্ঞীয়ে এক সংস্কাৰ কাৰ্যসূচী ঘোষণা কৰে। সংস্কাৰৰ মূল ক্ষেত্ৰসমূহ আছিল কেন্দ্ৰীয় প্ৰশাসন, সেনাৰ পুনৰ সংগঠন আৰু শিক্ষাৰ লগতে আন বহুতো সৰু-সুৰা সংস্কাৰৰ লক্ষ্য ইয়াত গ্ৰহণ কৰা হৈছিল। তেওঁৰ মৃত্যুৰ পিচত উদাৰপন্থী আৰু উগ্ৰ সংস্কাৰবাদীসকলে আন্দোলনৰ গুৰি ধৰে আৰু ইয়াৰ পিছতে চীনত বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈ ১৯১২ চনত গৃহযুদ্ধৰ সূত্ৰপাত হয়।
- এই সংস্কাৰ আন্দোলনসমূহে আধুনিক চীনৰ ভেঁটি প্ৰতিষ্ঠা কৰিছিল।



১০.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

1) Singh, A.K.,(1984), *History Of Far East In Modern Times*, Delhi-110007,Surjeet Publications.

2) Vinacke, H.M., (1982), *History Of The Far East In Modern Times*, New Delhi, Kalyani Publications.



১০.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মাঞ্চু বিৰোধী।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দক্ষিণ চীন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কনফুছিয়াছ সূত্ৰ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ হাং ছিউ-ছুৱান।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ক) ভূ-স্বামীৰ উত্থান। খ) সেনাৰ বিকেন্দ্ৰীকৰণ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ কুৱাং ছু।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ১৮৯৮।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ক'য়াং, য়ুয়েই।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ নিম্ন শ্ৰেণী।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ সাংবিধানিক ৰাজতন্ত্ৰ।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ডাঃ চান য়াট-চেন।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ য়ুয়ান চি-কাই।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯০১।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯০৫।

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯০৮।



১০.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক ৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ টাই পিং আন্দোলনৰ দুটা কাৰণ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ১৯০১-০৮ ৰ সংস্কাৰকামী আন্দোলনত অন্তৰ্ভুক্ত কৰা দুটা শিক্ষা সংস্কাৰ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ ডঃ চান য়েট-চেন কোন আছিল?

প্ৰশ্ন ৪ ঃ 'গ্ৰেণ্ড ইউনিয়ন' গ্ৰন্থৰ লিখক কোন আছিল?

প্ৰশ্ন ৫ ঃ টাই পিং আন্দোলনৰ ব্যৰ্থতাৰ দুটা কাৰণ উল্লেখ কৰক।

খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ চীনৰ সাংবিধানিক আন্দোলনৰ বিষয়ে এক চমু টোকা লিখক।

প্ৰশ্ন ২ ঃ চীনত 'এশ দিনৰ সংস্কাৰ'ৰ বিষয়ে এক চমু টোকা লিখক।

প্ৰশ্ন ৩ ঃ য়ুয়ান চিহ-কাই কোন আছিল?

খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ চীনৰ টায়-পিং বিদ্ৰোহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ চীনাসকলে কিয় নিজৰ প্ৰাচীন ব্যৱস্থাৰ পৰিৱৰ্তন বিচাৰিছিল? চীনৰ স্ব-শক্তিশালীকৰণ আন্দোলনৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সম্ৰাজ্ঞী দাওগাৰৰ অধীনত চীনৰ সংস্কাৰ আন্দোলনৰ বিষয়ে বিশ্লেষণ কৰা। ইয়ে কেনেকৈ পৰৱৰ্তী সময়ৰ চীনৰ ইতিহাসত প্ৰভাৱ পেলাইছিল?

* * * * *

অধ্যায় ১১ ঃ সংস্কাৰ আন্দোলনসমূহ -২

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ বক্সাৰ বিদ্রোহ
১১.৩.১ বিদ্রোহৰ উদ্দেশ্য
১১.৩.২ মাঞ্চু প্রশাসনৰ ভূমিকা
১১.৩.৩ বিদ্রোহটো
১১.৩.৪ বক্সাৰ প্ৰ'ট'কল
১১.৩.৫ বিদ্রোহৰ ফলাফল
১১.৪ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্রগতিৰ খতিয়ান
১১.১০ আৰ্হি প্রশ্ন

১১.১ শৈক্ষিক উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ণ কৰি আপুনি —

- বক্সাৰ বিদ্রোহৰ উদ্দেশ্য, প্রকৃতি আৰু ফলাফলৰ বিষয়ে বহলাই ক'ব পাৰিব,
- বক্সাৰ বিদ্রোহৰ আৰম্ভণিত মাঞ্চু প্রশাসনৰ ভূমিকাৰ বিষয়ে বর্ণনা কৰিব পাৰিব।

১১.২ পৰিচয়

১৯ শতিকাৰ মধ্যভাগৰে পৰা বিভিন্ন পশ্চিমীয়া দেশৰ বণিকসকল চীনলৈ আহিছিল। আফিং যুদ্ধৰ পিছৰেপৰা পশ্চিমীয়া দেশসমূহক চীনদেশত বিভিন্ন বাণিজ্যিক সা-সুবিধা প্রদান কৰিবলৈ চীনদেশৰ চৰকাৰ বাধ্য হৈছিল। উল্লেখযোগ্য আছিল আৰু অতি সোনকালে এই পশ্চিমীয়া দেশসমূহৰ মাজত চীনদেশত অধিক সা-সুবিধা লাভ কৰিবৰ বাবে প্রতিযোগিতা আৰম্ভ হৈছিল। এই কথাই চীনৰ দেশপ্রেমী লোকসকলক অসন্তুষ্ট কৰিছিল যাৰ ফলস্বৰূপে মঞ্চু ৰাজবংশৰ উচ্ছেদ কৰি চীনত প্রজাতন্ত্র প্রতিষ্ঠাৰ পথ প্রশস্ত হৈছিল। বর্তমান সময়ত চীনদেশ পৃথিৱীৰ এখন অতি আগবঢ়া দেশ।

১১.৩ বক্সাৰ বিদ্রোহ (BOXER REBELLION)

বক্সাৰ বিদ্রোহে চীনৰ ইতিহাসত এক অতি গুৰুত্বপূর্ণ আসন অধিকাৰ কৰি আছে। এই বিদ্রোহক চীনৰ প্রথম বিদেশী- বিৰোধী বিদ্রোহ বুলি ক'ব পাৰি। ইতিমধ্যে আলোচনা

কৰা হৈছে যে আফিং যুদ্ধৰ পিছত পশ্চিমীয়া দেশসমূহে চীনদেশত বহুতো বাণিজ্যিক সা-সুবিধা লাভ কৰিছিল। চীনত বিদেশী সকলৰ দিনে দিনে বাঢ়ি অহা বাণিজ্যিক কার্য্যকলাপসমূহক চীনৰ দেশ প্ৰেমী লোকসকলে একেবাৰে আদৰি লোৱা নাছিলে, কাৰণ তেওঁলোকে বিদেশীসকলক 'বৰ্বৰ, হিচাপে অভিহিত কৰিছিল তথা চীনৰ ৰাজনৈতিক আৰু সাংস্কৃতিক স্বাধীনতা ৰক্ষা কৰিবৰ কাৰণে এক অকলশৰীয়া নীতি পালন কৰিবলৈ যত্ন কৰিছিল। গতিকে বিদেশীসকলক দেশৰপৰা বহিষ্কাৰ কৰিবৰ বাবে ১৮৯৯ চনত চীনত এক হিংসাত্মক বিদেশী-বিৰোধী বিদ্রোহৰ সূত্রপাত হৈছিল। এই বিদ্রোহ বক্সাৰ বিদ্রোহ নামেৰে জনাজাত। উত্তৰ চীনৰ "আই-হ-চুৱান" নামৰ এটা গোপণ সংগঠনে এই বিদ্রোহৰ গুৰি ধৰিছিল। এই সংগঠনৰ সদস্যসকল বক্সাৰ নামেৰে জনাজাত কাৰণ তেওঁলোকে নিয়মীত ধৰণে শৰীৰ চর্চা কৰিছিল।

১১.৩.১ বিদ্রোহৰ উদ্দেশ্য

বক্সাৰ বিদ্রোহ এক বিদেশী- বিৰোধী বিদ্রোহ। এই বিদ্রোহৰ মুখ্য উদ্দেশ্য আছিল বিদেশীসকলক চীনৰপৰা বহিষ্কাৰ কৰা আৰু পশ্চিমীয়া দেশসমূহৰ লুণ্ঠনৰপৰা চীনক ৰক্ষা কৰা। একে সময়তে বিদ্রোহীসকলে চীনত খ্ৰীষ্টান মিছনাৰীসকলৰ বাঢ়ি অহা কার্যাকলাপসমূহ বন্ধ কৰিবলৈ চেষ্টা কৰিছিল। লগতে চীনৰ লোকসকলৰ খ্ৰীষ্টান ধর্মান্তকৰণক বক্সাৰ বিদ্রোহীসকলে বন্ধ কৰিবলৈ যত্ন কৰিছিল। এনেদৰেই বিদেশীসকলক দেশৰপৰা বহিষ্কাৰ কৰি চীনৰ ৰাজনৈতিক আৰু সাংস্কৃতিক ঐক্যতা ৰক্ষা কৰাৰ উদ্দেশ্যেই বক্সাৰসকলে এই বিদ্রোহটো আৰম্ভ কৰিছিল।

১১.৩.২ মাঞ্চু প্রশাসনৰ ভূমিকা

বক্সাৰ বিদ্রোহৰ সূত্রপাত হোৱাত চীনৰ মাঞ্চু প্রশাসনে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। চীনৰ সাম্রাজ্ঞী ডুৱেজাৰ-জু-চি আৰু অন্য কিছুমান বিদেশী- বিৰোধী মাঞ্চু বিষয়াই গোপনে বিদ্রোহীসকলৰ বিদেশীসকলৰ বিৰুদ্ধে সহায় কৰিছিল তথা উচটনি যোগাইছিল। সাম্রাজ্ঞীয়ে মুখত সহায়ে বিদেশী সকলৰ লগত এক বন্ধুত্বপূর্ণ সম্বন্ধ ৰক্ষা কৰি আহিছিল কাৰণ তেওঁ বিদেশী শক্তিসমূহক অসন্তুষ্ট কৰিব বিচৰা নাছিল। কিন্তু সেই একে সময়তে তেঁও পৰোক্ষভাৱে বিদ্রোহীসকলক টকা -পইচা, অস্ত্র-শস্তৰ যোগান ধৰি বিদেশী সকলৰ বিৰুদ্ধে সহায় কৰিছিল। মাঞ্চু প্রশাসনৰ এনে সহায়- সহযোগিতাই বক্সাৰ বিদ্রোহীসকলক যথেষ্ট উৎসাহিত কৰিছিল। অতি কম সময়ৰ ভিতৰতে বক্সাৰ সকলে এক বৃহৎ সৈন্যদল গঠন কৰি বিদেশীসকলৰ বিৰুদ্ধে মুকলিকৈ 'চীনক বচোৱা আৰু বিদেশীক নিমূর্ল কৰা" নামৰ শ্লগান আৰম্ভ কৰিছিল। এনেদৰেই আংশিকভাৱে বক্সাৰ বিদ্রোহৰ সূত্রপাত হোৱাত মাঞ্চু প্রশাসনও জগৰীয়া আছিল।

১১.৩.৩ বিদ্রোহটো

- **বিদ্রোহৰ আৰম্ভণি**

১৮৯৯ চনত চানটুং প্রদেশত থকা স্থানীয় খ্রীষ্টানসকলৰ ঘৰবোৰ জ্বলাই তথা আক্রমণ কৰি বক্সাৰ বিদ্রোহীসকলে তেওঁলোকৰ বিদেশী- বিৰোধী অভিযান আৰম্ভ কৰিছিল। অতি সোনকালে বিদ্রোহীসকলৰ এনে বিদেশী-বিৰোধী কার্য্যকলাপ টিয়েনচিন, পিকিং আদি ঠাইলৈও বিয়পি পৰিছিল। এনেবোৰ কথাই পশ্চিমীয়া দেশ সমূহক প্রতিৰক্ষা দিবৰ বাবে ১৮৯৯ চনৰ ১০ জুন তাৰিখে এক সম্মিলিত আন্তঃৰাষ্ট্রীয় সৈন্যবাহিনী পিকিঙলৈ প্রেৰণ কৰিছিল। কিন্তু পিকিঙলৈ অহাৰ পথত এই বিদেশী সৈন্যবাহিনীক বক্সাৰ বিদ্রোহীসকলে আক্রমণ কৰি পৰাস্ত কৰিছিল তথা তেওঁলোকক উভটি যাবলৈ বাধ্য কৰিছিল। কিন্তু বিদেশী সৈন্যবাহিনীয়ে চীনৰ বিখ্যাত টুকু দুর্গ আক্রমণ কৰি দখল কৰিছিল।

বিদেশী সকলৰ এনে কার্য্যই চীনৰ মাঞ্চু প্রশাসনক ক্ষোভিত কৰিছিল তথা বিদেশী শক্তিয়ে টুকু দুর্গত কৰা আক্রমণক মাঞ্চু প্রশাসনে বিদেশী শক্তিসমূহৰ চীনৰ বিপক্ষে মুকলি যুদ্ধৰ ঘোষণা বুলি গণ্য কৰিছিল। সেয়েহে চীনৰ চুংলি য়েমেনৰ জৰিয়তে বিদেশী দেশসমূহলৈ এক নির্দেশনা প্রেৰণ কৰি চীনৰ সাম্রাজ্ঞীয়ে বিদেশী শক্তিসমূহৰ লগত মুকলি সংঘর্ষত লিপ্ত হৈছিল। এই নির্দেশনাৰ জৰিয়তে বিদেশীসকলক চৌব্বিশ ঘণটাৰ ভিতৰত পিকিং এৰি যাবলৈ নির্দেশ দিয়া হৈছিল। ১৮৯৯ চনৰ ২০ জুন তাৰিখে সাম্রাজ্ঞী ডুৰেজাক জু-চিয়ে এক গোপন নির্দেশ জাৰি কৰি সকলো বিদেশীকে চীনৰপৰা বহিষ্কাৰ কৰিবলৈ আদেশ দিছিল। এই পৰিস্থিতিৰ সুযোগ গ্রহণ কৰি মাঞ্চু দৰবাৰৰ কিছুমান অতি গোড়া বিষয়াই চীনৰ সাম্রাজ্ঞীক চীনত থকা বিদেশীসকলৰ বিৰুদ্ধে এক মুকলি যুদ্ধৰ ঘোষণা কৰিবলৈ উটেনি দিছিল। অৱশেষত ১৮৯৯ চনৰ ২১ জনু তাৰিখে চীনৰ সাম্রাজ্ঞীয়ে বিদেশীসকলৰ বিৰুদ্ধে আনুষ্ঠানিকভাৱে যুদ্ধৰ ঘোষণা কৰিছিল। উক্ত দিনাই বক্সাৰ বিদ্রোহীসকলে চীনত থকা জার্মানীৰ মন্ত্রী বেৰণ ভন কেট্লাৰক হত্যা কৰিছিল আৰু সেই একে দিনাই বিদ্রোহীসকলে বহুতো স্থানীয় আৰু বিদেশী খ্রীষ্টান লোককো বন্দী তথা হত্যা কৰিছিল। ৩০ জনু আৰু ৯ জুলাই তাৰিখে চানচি প্রদেশত প্রায় পঞ্চল্লিছ জন মিছনাৰীক বক্সাৰ বিদ্রোহীসকলে নৃশংসভাৱে হত্যা কৰিছিল।

জানি থোৱা ভাল



বিদেশী শক্তিসমূহৰ সামৰিক অভিযানসমূহ কেৱলমাত্র উত্তৰ চীনতে সীমাবদ্ধ আছিল কাৰণ দক্ষিণ চীনৰ প্রায়ভাগ প্রদেশেই বিদেশী বিষয়াসকলৰ লগত গোপণ চুক্তি কৰিছিল যাতে যুদ্ধৰ পৰিসীমা কেৱলমাত্র উত্তৰ চীনতে সীমাবদ্ধ ৰখা হয়।

- **বিদ্রোহ দমন**

বক্সাৰ বিদ্রোহীসকলৰ বাঢ়ি অহা ক্ষমতাই বিদেশী শক্তিসমূহক অতি শংকিত কৰি তুলিছিল। সেইবাবে বিদ্রাহীসকলক দমন কৰা তথা বিদেশীসকলৰ প্রতিৰক্ষাৰ বাবে ১৯০০ চনৰ আগষ্ট মাহৰ প্রথম সপ্তাহতে ইংলেণ্ড, জাপান, ৰাছিয়া জার্মানী আৰু আমেৰিকাৰ এক মিলিত সৈন্যবাহিনী পিকিঙলৈ প্রেৰণ কৰা হৈছেল। বিদেশী শক্তিসমূহে মাঞ্চু প্রশাসনক ভালদৰে জনাই দিছিল যে তেওঁলোকৰ এই মিলিত সৈন্যবাহিনী মাঞ্চু চৰকাৰৰ বিৰুদ্ধে নহয় বৰঞ্চ কেৱল মাত্র বিদ্রোহীসকলৰ বিৰুদ্ধেহে প্রেৰণ কৰা হৈছে। ইয়াৰ পৰিৱর্তে বক্সাৰ বিদ্রোহ দমন কৰিবল বাবে মাঞ্চু চৰকাৰক সহায় কৰিবৰ বাবেহে এই মিলিত বিদেশী সৈন্যবাহিনী চীনলৈ প্রেৰণ কৰা হৈছে। অতি সোনকালে এই বিদেশী সৈন্যবাহিনীয়ে পিকিং অধিকাৰ কৰিছিল। বিদেশী তথা খ্রীষ্টান মিছনাৰীসকলৰ হত্যাৰ প্রতিশোধ ল'বলৈ বিদেশী সৈন্যবাহিনীয়ে বক্সাৰ বিদ্রোহী সকলৰ ঘৰবোৰ লুণ্ঠন কৰিছিল আৰু এই কথাই চীনত এক বিশৃংখল পৰিৱেশৰ সৃষ্টি কৰিছিল। এনে পৰিস্থিতিৰ সুযোগ গ্রহণ কৰি ৰাছিয়াই মাঞ্চুৰিয়ালৈ নিজৰ সৈন্যবাহিনী প্রেৰণ কৰিছিল আৰু সেই অঞ্চলৰ ওপৰত নিজৰ নিয়ন্ত্রণ প্রতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। অন্য পশ্চিমীয়া শক্তিসমূহে চীনৰ বিশৃংখল পৰিস্থিতিৰ সুযোগ লৈ নিজৰ নিজৰ উদ্দেশ্য পূৰণৰ বাবে যত্ন কৰিছিল। এনেদৰেই বিদেশী সৈন্যবাহিনীয়ে অতি সফলতাৰে বক্সাৰ বিদ্রোহটো দমন কৰিছিল। এনে পৰিস্থিতিত চীনৰ সাম্রাজ্ঞী ডুৰেজাৰ-জু-চিয়ে উপলদ্ধি কৰিছিল যে বিদেশী শক্তিৰ বিৰুদ্ধে মুকলি যুদ্ধ ঘোষণা কৰি তেওঁ মাৰাত্মক ভূল কৰিছে আৰু সেইবাবে তেওঁ চীনৰ নাবালক সম্রাট কুৱাং-চু আৰু মাঞ্চু প্রশাসনৰ কিছুমান বিষয়াক লগত লৈ পিকিঙৰ পৰা পলায়ন কৰিছিল। গতিকে সম্পূর্ণৰূপে বক্সাৰ বিদ্রোহ দমন কৰাৰ পিছত বিদেশী ৰাষ্ট্রসমূহৰ লগত শান্তি চুক্তিৰ দফাসমূহ আলোচনা কৰিবলৈ পিকিঙত কোনো চীনা বিষয়া উপস্থিত নাছিল। অৱশেষত কেণ্টনৰ ভাইচ্ৰয় লি- হুং-চাং আৰু যুৱৰাজ চিঙক বিদেশী শক্তিসমূহৰ লগত শান্তি চুক্তিৰ দফাসমূহ আলোচনা কৰিবলৈ নিয়োগ কৰা হৈছিল। সেই উদ্দেশ্যে লি আৰু চিং পিকিঙলৈ আহিছিল আৰু এক চমু আলোচনাৰ অন্তত ১৯০১ চনৰ ৭ চেপ্তেম্বৰত চীনৰ চৰকাৰ আৰু বিদেশী শক্তিসমূহৰ মাজত এক শান্তি-চুক্তি স্বাক্ষৰিত হৈছিল। এই চুক্তি বক্সাৰ প্র'ট'কল নামেৰে জনাজাত। এনেদৰেই বক্সাৰ বিদ্রোহ দমন কৰিবলৈ বিদেশী শক্তিসমূহ সফল হৈছিল।



আগ্রগতিৰ নিৰীক্ষণ

শুদ্ধ উত্তৰটো বাচি উলিয়াৱক

প্রশ্ন ১ঃ বক্সাৰ এটা জাতীয়তাবাদ বিৰোধ / বিদেশী বিৰোধ / মুছলমান বিৰোধ আন্দোলন আছিল।

.....

প্ৰশ্ন ২ঃ বক্সাৰসকলে বিদেশীসকলৰ বিৰোদ্ধে ১৮৯৯/ ১৮৬৭/১৭৭৬/ চনত প্ৰচাৰ আৰম্ভ কৰিছিল।

.....

প্ৰশ্ন ৩ঃ বক্সাৰ প্ৰট'ক'ল ১৯০৬/ ১৮৯৯/১৯০১ চনত স্বাক্ষৰ হৈছিল।

.....

১১.৩.৪ বক্সাৰ প্ৰ'ট'কল

আমি ইতিমধ্যে অধ্যয়ন কৰি আহিছো যে বক্সাৰ বিদ্ৰোহ দমন কৰাৰ পিছত ১৯০১ চনৰ ৭ চেপ্তেম্বৰত চীনৰ মাঞ্চু প্ৰশাসন আৰু বিদেশী শক্তিসমূহৰ মাজত এখন শান্তি-চুক্তি স্বাক্ষৰ কৰা হৈছিল। এই চুক্তি বক্সাৰ প্ৰ'টকল নামেৰে জনাজাত। এই চুক্তিৰ কিছুমান গুৰুত্বপূৰ্ণ চৰ্ত আছিল-

জার্মান মন্ত্ৰী বেৰন ভন কেট্লাৰক হত্যা কৰাৰ বাবে চীনে নিজৰ দোষ স্বীকাৰ কৰি জার্মান ওচৰত আনুষ্ঠানিকভাৱে ক্ষমা প্ৰাৰ্থনা খুজিব লাগিব। লগতে চীনে কেট্লাৰৰ স্মৃতিত স্মৃতিসোধ নিৰ্মাণ কৰি লেটিন, জার্মান আৰু চীন ভাষাত এই হত্যাৰ বাবে চীনৰ সম্ৰাটক জগৰীয়া কৰি লিপি খোদিত কৰিব লাগিব।

বিদেশীক আক্ৰমণৰ লগত জড়িত চীনৰ যুৱৰাজকে ধৰি সৰ্বমুধ এঘাৰজন বিষয়াক চীনৰ চৰকাৰে মৃত্যুদণ্ড দিব লাগিব। উল্লেখযোগ্য যে এই এঘাৰজন চীনা বিষয়াৰ নাম বিদেশী বিষয়াসকলে নিৰ্বাচন কৰি দিছিল।

চীনৰ যিবোৰ প্ৰদেশত বিদেশীসকলক হত্যা বা বেয়া ব্যৱহাৰ কৰা হৈছিল, সেই প্ৰদেশবোৰত পাঁচবছৰলৈ প্ৰাদেশিক অসামৰিক পৰীক্ষা বাতিল কৰা হ'ব।

চীনে দুবছৰ বা তাতকৈ অধিক সময়ৰ বাবে অন্য দেশৰপৰা যুদ্ধৰ সামগ্ৰী আৰু অস্ত্ৰ- শস্ত্ৰ আমদানি কৰিব নোৱাৰিব।

ভৱিষ্যতে যদি চীনৰ কোনো বিষয়াই তেওঁলোকৰ অধীনত থকা অঞ্চলত বিদেশী-বিৰোধী কাৰ্য্যকলাপ ৰোধ কৰিব নোৱাৰে, তেনেহ'লে তেওঁলোকক কামৰপৰা বৰ্খাস্ত কৰাৰ লগতে শাস্তি বিহা হ'ব।

বক্সাৰ বিদ্ৰোহৰ ফলত ক্ষতিগ্ৰস্ত হোৱা চৰকাৰসমূহ, অনুষ্ঠানসমূহ তথা ব্যক্তিসমূহক চীনৰ চৰকাৰে এক বৃহৎ অংকৰ ক্ষতিপূৰণ দিব লাগিব। বক্সাৰ প্ৰ'টকলৰ এক গুৰুত্বপূৰ্ণ চৰ্ত আছিল যে এই চুক্তিৰ জৰিয়তে পিকিং আৰু সাগৰৰ মাজত যোগাযোগ সুচল কৰিবৰ উদ্দেশ্যে চীনৰ বিখ্যাত টুকু দুৰ্গটো ধবংস কৰা হৈছিল। লগতে পিকিং আৰু সাগৰৰ মাজত মুক্ত যোগাযোগ ৰাখিবৰৰ বাবে টিয়েনচিনকে আদি কৰি চীনৰ অন্যান্য স্পৰ্শকাতৰ অঞ্চলত নিজৰ সৈন্যবাহিনী ৰাখিবৰ বাবে বিদেশী শক্তিসমূহক চীনৰ চৰকাৰে অনুমতি দিব লাগিব।

চীনৰ কেন্দ্রীয় চৰকাৰে বিদেশী-বিৰোধী কার্য্যকলাপ বন্ধ কৰিবৰ বাবে দেশৰ সকলো ঠাইতে আদেশ জাৰি কৰিব লাগিব। লগতে চীনৰ সম্রাটে সাম্রাজ্যৰ সকলো অঞ্চলত বক্সাৰ বিদ্রোহ দমন কৰাৰ বাবে আদেশ দি দুবছৰৰ বাবে ৰাজআজ্ঞা জাৰি কৰিব লাগিব। এনেদৰেই বক্সাৰ প্ৰ'ট'কলে চীনক বিদেশী ৰাষ্ট্রসমূহৰ ওপৰত এক কৰতলীয়া দেশ হিচাপে পৰিগনিত কৰিছিল। সেই একে সময়তে বিদেশী শক্তিসমূহে চীনৰ ওপৰত নিজৰ নিয়ন্ত্রণ প্রতিষ্ঠা কৰি চীনৰপৰা অধিক সা-সুবিধা আদায় কৰিবৰ বাবে এক সুবর্ণ সুযোগ লাভ কৰিছিল।

১১.৩.৫ বিদ্রোহৰ ফলাফল

বক্সাৰ বিদ্রোহ বিদেশী-বিৰোধী প্রকৃতিৰ আছিল আৰু চীনৰ মাঞ্চু প্রশাসনে বিদেশীসকলৰ বিৰুদ্ধে বিদ্রোহীসকলক সহায় কৰিছিল। গতিকে এই বিদ্রোহৰ বিফলতাৰ লোকচান মাঞ্চু চৰকাৰে বহন কৰিবলগীয়ে হৈছিল। এই বিদ্রোহৰ প্রধান ফলাফলসমূহ আছিল এনেধৰণৰ-

- বক্সাৰ বিদ্রোহ বিফল হৈছিল। বিদেশী মিলিত সৈন্যবাহিনীয়ে অতি নৃশংগতাৰে এই বিদ্রোহটো দমন কৰিছিল।
- এই বিদ্রোহে বিদেশী সামৰিক বাহিনীৰ সন্মুখত চীনৰ ৰাজকীয় সৈন্যবাহিনীৰ দুর্বলতা প্রকাশ কৰিছিল।
- এই বিদ্রোহটো দমন কৰাৰ পিছত স্বাক্ষৰিত বক্সাৰপ্ৰ'ট'কলৰ জৰিয়তে চীনৰ মাঞ্চু প্রশাসনে এক বৃহৎ অংকৰ ক্ষতি পূৰণ দিবলৈ বাধ্য হৈছিল আৰু ই চীনৰ অর্থনৈতিক বোজা যথেষ্ট বৃদ্ধি কৰিছিল।
- বক্সাৰ প্ৰ'ট'কলৰ চর্তসমূহ চীনৰ বাবে যথেষ্ট লর্জ্জাজনক আছিল আৰু সেইবাবে চীনদেশ বিদেশী শক্তিসমূহৰ ওচৰত এক কৰতলীয়া দেশত পৰিণত হৈছিল।
- বক্সাৰ বিদ্রোহৰ বিফলতাই বিদেশী শক্তিসমূহক চীনৰপৰা অধিক সা-সুবিধা আদায় কৰিবৰ বাবে এক সুবর্ণ সুযোগ প্রদান কৰিছিল। পৰিস্থিতিৰ সুযোগ গ্রহণ কৰি ৰাছিয়াই মাঞ্চুৰিয়া অঞ্চলৰ ওপৰত নিজৰ নিয়ন্ত্রণ প্রতিষ্ঠান কৰিবৰ বাবে তালৈ নিজৰ সৈন্যবাহিনী প্রেৰণ কৰিছিল।

জানি থোৱা ভাল



ৰাছিয়াৰ যুদ্ধ মন্ত্রী কুৰ্পাতকি ৰ ঘোষণাৰ জৰিয়তে মাঞ্চুৰিয়াত ৰাছিয়াৰ আক্রমণাত্মক নীতিৰ কথা প্রকাশ পাইছিল। তেওঁ কৈছিল যে বক্সাৰ বিদ্রোহে ৰাছিয়াক মাঞ্চুৰিয়া অধিগ্রহণ কৰিবৰ বাবে এটা অজুহাত দিছিল।

বক্সাৰ বিদ্রোহৰ বিফলতাই চীনৰ ভৱিষ্যত ৰাজনৈতিক ইতিহাসৰ গতি নির্ধাৰণ কৰিছিল। আমি ইতিমধ্যে অধ্যয়ণ কৰি আহিছো যে এই বিদ্রোহৰ বিফলতাই ৰাছিয়াক মাঞ্চুৰিয়া অঞ্চলত অধিক লুণ্ঠন কৰিবৰ বাবে এক সুন্দৰ সুযোগ প্রদান কৰিছিল। কিন্তু এই কার্য্য অন্য ৰাষ্ট্রসমূহে ভাল পোৱা নাছিল। গতিকে মাঞ্চুৰিয়া তথা চীনৰ অন্য অঞ্চলত ৰাছিয়াৰ অগ্রগতিক বাধা দিবৰ বাবে ইংলেণ্ড আৰু জাপান এক লগ হৈছিল। এই 'ইংগ' জাপান মিত্রতাই ১৯০৪-০৫ চনত ৰাছিয়া আৰু জাপানৰ মাজত যুদ্ধ সংঘটিত হোৱাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। উল্লেখযোগ্য যে এই যুদ্ধত জাপানৰ হাতত ৰাছিয়া পৰাস্ত হৈছিল। বক্সাৰ বিদ্রোহে পৰোক্ষভাৱে এই ঘটনাসমূহ সংঘটিত হোৱাত অৱিহণা যোগাইছিল যি সুদূৰ প্রাচ্যৰ ভৱিষ্যত ইতিহাস নির্ণয় কৰিছিল।

যদিও বক্সাৰ বিদ্রোহ সফল হোৱা নাছিল, তথাপি ই বিদেশী ৰাষ্ট্রসমূহক সচকিত কৰি তুলিছিল। গতিকে বিদ্রোহৰ পিছত চীনৰ ঐক্যতা ৰক্ষা কৰিবৰ বাবে কিছুমান বিদেশী ৰাষ্ট্র আগবাঢ়ি আহিছিল।

বক্সাৰ বিদ্রোহে চীনৰ পৰৱর্তী বিদ্রোহসমূহক অনুপ্রেৰণা যোগাইছিল যি পৰোক্ষভাৱে মাঞ্চু ৰাজবংশৰ উচ্ছেদ ঘটাই চীনত প্রজাতন্ত্র প্রতিষ্ঠাৰ পথ প্রশস্ত কৰিছিল।

এনেদৰেই বিদেশী মিলিত শক্তিয়ে বক্সাৰ বিদ্রোহটো দমন কৰিছিল। বিদ্রোহটো সফল হোৱা নাছিল কাৰণ বিদ্রোহীসকলৰ মাজত কোনো সৃষ্টিমূলক সংস্কাৰ পৰিকল্পনা নাছিল। উল্লেখযোগ্য যে চীনৰ মাঞ্চু প্রশাসনৰ বিৰুদ্ধে বিদ্রোহীসকলৰ কোনো অভিযোগ নাছিল। বিদ্রোহটো আছিল বিদেশী বিৰোধী। তেঁওলোকে স্থানীয় তথা খ্রীষ্টান মিছনাৰীসকলক ভাল নাপাই ছিল। গতিকে কোনো নিদির্ষ্ট পৰিকল্পনা অবিহনেই বক্সাৰ বিদ্রোহীসকলে বিদেশী তথা মিছনাৰীসকলক হত্যা কৰিবলৈ আৰম্ভ কৰিছিল। এনেদৰেই নির্দিষ্ট পৰিকল্পনা তথা লক্ষ্যৰ অভাৱৰ বাবেই বক্সাৰ বিদ্রোহটো বিফল হৈছিল। কিন্তু চীনৰ ভৱিষ্যত ইতিহাস তথা আন্তঃৰাষ্ট্রীয় ইতিহাসত এই বক্সাৰ বিদ্রোহে এক সুদুৰ প্রসাৰী প্রভাৱ পেলাইছিল।

অগ্রগতিৰ নীৰিক্ষণ



প্রশ্ন ৪ঃ বক্সাৰ প্র'ট'ক'লৰ যিকোনো এটা দফাৰ উল্লেখ কৰক।

.....

প্রশ্ন ৫ঃ চীনৰ মাঞ্চু চৰকাৰে বিদেশী বিৰোধী প্রতিবাদীসকলক সহায় কৰিছিলনে?

.....

প্রশ্ন ৬ঃ বক্সাৰ আন্দোলনৰ এটা ফলাফল উল্লেখ কৰক।

.....



১১.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে,

- বক্সাৰ বিদ্রোহৰ কাৰণ প্রকৃতি আৰু ফলাফলৰ বিষয়ে। আই-হ-চুৱান নামৰ চীনৰ এটা গোপন সংগঠনে ১৮৯৯ চনত এই বিদ্রোহটো সংগঠিত কৰিছিল। এইটো এটা বিদেশী বিৰুধী, খ্রীষ্ট্রান- বিৰোধী তথা মিছনাৰী- বিৰোধী আন্দোলন আছিল। বিদেশীসকলক চীনদেশৰ পৰা বহিষ্কাৰ কৰা তথা চীনৰ ৰাজনৈতিক আৰু সাংস্কৃতিক ঐক্যতা ৰক্ষা কৰাই বক্সাৰ বিদ্রোহৰ মুখ্য উদ্দেশ্য আছিল। চীনৰ লোকসকলৰ খ্রীষ্টান ধর্মলৈ ধর্মান্তকৰণৰ প্রক্রিয়াক বক্সাৰ বিদ্রোহীসকলে বন্ধ কৰিবলৈ যত্ন কৰিছিল।
- মাঞ্চু সাম্রাজ্ঞী ডুৱেজাৰ -জু- চি আৰু কিছুমান বিদেশী- বিৰোধী মাঞ্চু বিষয়াই অস্ত্র-শস্ত্র, টকা -পইচাৰ যোগান ধৰি গোপনে বক্সাৰ বিদ্রোহী সকলক সহায় কৰিছিল তথা উচটনি যোগাইছিল বিদেশীসকলৰ বিৰুদ্ধে। কিন্তু সুখৰ সাম্রাজ্ঞীয়ে সদায়েই বিদেশীসকলৰ লগত এটা বন্ধুত্বপূর্ণ সম্বন্ধ ৰক্ষা কৰি আহিছিল কাৰণ তেঁও বিদেশী শক্তিসমূহক অসন্তুষ্ট কৰিব বিচৰা নাছিল। এনেদৰেই মাঞ্চু প্রশাসনৰ পৰোক্ষ সহায় -সহযোগিতাই বিদ্রোহীসকলক উৎসাহিত কৰিছিল। গতিকে আংশিকভাৱে বক্সাৰ বিদ্রোহৰ সূত্রপাত হোৱাত মাঞ্চু প্রশাসন জগৰীয়া আছিল।
- ১৮৯৯ চনত চানটুং প্রদেশত থকা স্থানীয় খ্রীষ্টানসকলৰ ঘৰবোৰ জ্বলাই তথা আক্রমণ কৰি বক্সাৰ বিদ্রোহীসকলে তেওঁলোকৰ বিদেশী- বিৰোধী অভিযান আৰম্ভ কৰিছিল আৰু অনতিপলমে বিদ্রোহীসকলৰ এনে বিদেশী-বিৰোধী কার্য্যকলাপ টিয়েনচিন,নিকিং আদি ঠাইলৈও বিয়পি পৰিছিল। এনেবোৰ কথাই পশ্চিমীয়া দেশসমূহক অসন্তুই কৰিছিল আৰু সেইবাবে তেঁওলোকে চীনত থকা বিদেশীলোক সকলক প্রতিৰক্ষা দিবৰ বাবে ১৮৯৯ চনত ১০ জন তাৰিখে এক সন্মিলিত আন্তঃৰাষ্ট্রীয় সৈন্যবাহিনী পিকিঙলৈ প্রেৰণ কৰিছিল আৰু সেই সৈন্যবাহিনীয়ে অনতিপলমে চীনৰ বিখ্যাত টুকু দূর্গ আক্রমণ কৰি দখল কৰিছিল। বিদেশীসকলৰ এনে কার্য্যই চীনৰ মাঞ্চু প্রশাসনক ক্ষোভিত কৰিছিল কাৰণ বিদেশী শক্তিয়ে টুকু দূর্গত কৰা আক্রমণক মাঞ্চু প্রশাসনে বিদেশী শক্তি সমূহৰ চীনৰ বিপক্ষে মুকলি যুদ্ধৰ ঘোষণা বুলি গণ্য কৰিছিল।
- বক্সাৰ বিদ্রোহীসকলক দমন কৰা তথা বিদেশীসকলক প্রতিৰক্ষা দিবৰ বাবে ১৯০০ চনৰ আগষ্ট মাহৰ প্রথম সপ্তাহতে ইংলেণ্ড, জাপান, ৰাছিয়া, জার্মানী আৰু আমেৰিকাৰ এক মিলিত সৈন্যবাহিনী পিকিঙলৈ প্রেৰণ কৰা হৈছিল। বিদেশী শক্তিসমূহে মাঞ্চু প্রশাসনক ভালদৰে জনাই দিছিল যে তেওঁলোকৰ এই মিলিত সৈন্যবাহিনী মাঞ্চু চৰকাৰ বিৰুদ্ধে নহয় বৰঞ্চ কেৱল মাত্র বিদ্রোহীসকলৰ বিৰুদ্ধেহে প্রেৰণ কৰা হৈছে তথা তেঁওলোকে

বিদ্রোহ দমন কৰিবলৈ মাঞ্চু প্রশাসনক সহায় কৰিব বিচাৰিছে। অতি সোনকালে এই বিদেশী সৈন্যবাহিনীয়ে পিকিং অধিকাৰ কৰিছিল। বিদেশী সৈন্যবাহিনীয়ে বক্সাৰ বিদ্রোহী সকলৰ ঘৰবোৰ লুণ্ঠন কৰিছিল আৰু চীনত এক বিশৃংখল পৰিৱেশৰ সৃষ্টি কৰিছিল। বিদেশী সৈন্যবাহিনীয়ে অতি সফলতাৰে বক্সাৰ বিদ্রোহটো দমন কৰিছিল। চীনৰ সাম্রাজ্ঞী ডুৱেজাৰ -জু-চিয়ে চীনৰ নাবালক সম্রাট কুৱাং-চু আৰু মাঞ্চু প্রশাসনৰ কিছুমান বিষয়াক লগত লৈ পিকিঙৰ পৰা পলায়ন কৰিছিল। গতিকে কেণ্টনৰ ভাইচ্ৰয় লি-হুং- চাং আৰু যুৱৰাজ চিঙক বিদেশী শক্তিসমূহৰ লগত শান্তিচুক্তিৰ দফাসমূহ আলোচনা কৰিবলৈ নিয়োগ কৰা হৈছিল। অনতিপলমে লি আৰু চিং পিকিঙলৈ আহিছিল আৰু এক চমু আলোচনাৰ অন্তত ১৯০১ চনৰ ৭ চেপ্তেম্বৰত চীনৰ চৰকাৰ আৰু বিদেশী শক্তিসমূহৰ মাজত এক শান্তি-চুক্তি স্বাক্ষৰিত হৈছিল আৰু এই চুক্তি বক্সাৰ প্ৰ'ট'কল নামেৰে জনাজাত, এই বিদ্রোহে বিদেশী সৈন্যবাহিনীৰ সন্মুখত চীনৰ ৰাজকীয় সৈন্যবাহিনীৰ দুর্বলতা প্রকাশ কৰিছিল।

- বক্সাৰ প্ৰ'ট'কলৰ বিভিন্ন চর্তসমূহৰ জৰিয়তে চীনদেশ বিদেশী শক্তিসমূহৰ ওচৰত এক কৰতলীয়া দেশত পৰিণত হৈছিল। বক্সাৰ প্ৰ'ট'কলে বিদেশী শক্তিসমূহক চীনৰ ওপৰত নিজৰ নিয়ন্ত্রণ প্রতিষ্ঠা কৰিবলৈ তথা চীনদেশৰ পৰা অধিক সা-সুবিধা আদায় কৰিবৰ বাবে এক সুবর্ণ সুযোগ প্রদান কৰিছিল। বক্সাৰ প্ৰ'ট'কলৰ জৰিয়তে চীনৰ মাঞ্চু প্রশাসনে বিদেশী শক্তি সমূহক এক বৃহৎ পৰিমাণৰ ক্ষতিপুৰণ দিবলৈ বাধ্য হৈছিল আৰু ই চীনদেশৰ অর্থনৈতিক বোজা যথেষ্ট বৃদ্ধি কৰিছিল। পৰিস্থিতিৰ সুযোগ গ্রহণ কৰি ৰাছিয়াই মাঞ্চুৰিয়াৰ ওপৰত নিজৰ নিয়ন্ত্রণ প্রতিষ্ঠা কৰিবৰ বাবে তাঁলৈ নিজৰ সৈন্যবাহিনী প্রেৰণ কৰিছিল।
- বক্সাৰ বিদ্রোহৰ বিফলতাই চীনৰ ভৰিষ্যত ৰাজনৈতিক ইতিহাসৰ গতি নির্ধাৰণ কৰিছিল। এই বিদ্রোহৰ পিছত চীনৰ ঐক্যতা ৰক্ষা কৰিবৰ বাবে কিছুমান বিদেশী ৰাষ্ট্র আগবাঢ়ি আহিছিল। বক্সাৰ বিদ্রোহে চীনৰ পৰৱর্তী বিদ্রোহসমূহক অনুপ্রেৰণা যোগাইছিল যি পৰোক্ষভাৱে মাঞ্চু ৰাজবংশৰ উচ্ছেদ ঘটাই চীনত প্রজাতন্ত্র প্রতিষ্ঠাৰ পথ প্রশস্ত কৰিছিল।



১১.৮ অধিক জানিবলৈ

1) Singh, A.K., (1984), *History of Far East In Modern Times*, Delhi-110007, Surject Publications.

2) Vinacke, H.M., (1982), *A History of The Far East In Modern Times*, New Delhi, Kalyani Publications.

১১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ বিদেশী বিৰোধ

২ নং প্রশ্নৰ উত্তৰঃ ১৮৯৯

৩ নং প্রশ্নৰ উত্তৰঃ ১৯০১

৪ নং প্রশ্নৰ উত্তৰঃ চীনৰ যিবোৰ প্রদেশত বিদেশীসকলক হত্যা বা বেয়া ব্যৱহাৰ কৰা হৈছিল, সেই প্রদেশবোৰত পাঁচবছৰলৈ প্রাদেশিক অসামৰিক পৰীক্ষা বাতিল কৰা হ'ব।

৫ নং প্রশ্নৰ উত্তৰঃ

৬ নং প্রশ্নৰ উত্তৰঃ এই বিদ্রোহে বিদেশী সামৰিক বাহিনীৰ সন্মুখত চীনৰ ৰাজকীয় সৈন্যবাহিনীৰ দুর্বলতা প্রকাশ কৰিছিল।

১১.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ চীনৰ লোকসকলে নিজৰ দেশখনক কি নামেৰে মাতিছিল?

প্রশ্ন ২ঃ কুৱাং-চু কোন আছিল?

প্রশ্ন ৩ঃ বেৰণ ভন কেট্‌লাৰ কোন আছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ বক্সাৰ বিদ্রোহৰ দুটা বৈশিষ্ট লিখক।

প্রশ্ন ২ঃ বক্সাৰ প্র'ট'কলৰ বিষয়ে এক চমু টোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ বক্সাৰ আন্দোলনৰ প্রকৃতি আৰু বৈশিষ্টসমূহ আলোচনা কৰক।

প্রশ্ন ২ঃ বক্সাৰ আন্দোলনৰ ফলাফলসমূহ পুনৰীক্ষণ কৰক।

* * * * *

অধ্যায় ১২ ঃ চীনত জাতীয়তাবাদৰ উত্থান

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৪ ১৯১১ চনৰ চীনৰ বিপ্লৱ

১২.৪.১ বিপ্লৱৰ কাৰণ

১২.৪.২ বিপ্লৱৰ ফলাফল

১২.৫ ডাঁ চান-য়েৎ-চেন

১২.৫.১ চীনত প্রজাতন্ত্রৰ উত্থান

১২.৫.২ য়াং-চি-কাই

১২.৫.৩ ডাঁ চান-য়েৎ-চেনৰ ৰাজনৈতিক ধাৰণাসমূহ

১২.৬ মে' -ফ'ৰ্থ আন্দোলন

১২.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১২.৮ অধিক জানিবলৈ

১২.৯ অগ্রগতিৰ খতিয়ান

১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ণ কৰি আপুনি —

- ১৯১১ চনৰ চীনৰ বিদ্রোহৰ বিষয়ে জানিব পাৰিব
- ডাঁ চান-য়েৎ-চেন আৰু তেওঁৰ ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- চীনত প্রজাতন্ত্রৰ উত্থানৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- য়াং-চি কেইৰ বিষয়ে জানিব পাৰিব
- মে'- ফ'ৰ্থ আন্দোলনৰ বিষয়ে বহলাই ক'ব পাৰিব।

১২.২ পৰিচয়

চীনৰ লোকসকলে নিজৰ দেশখনক " চুংকুআ" বা মধৰাজ্য হিচাপে অভিহিত কৰিছিল। দীঘলীয়া সময়ৰ বাবে চীনে এক অকলশৰীয়া নীতি গ্রহণ কৰিছিল আৰু ১৮ শতিকাৰ শেষলৈকে পশ্চিমীয়া সভ্যতাৰ পৰা নিজকে সম্পূর্ণ আঁতৰাই ৰাখিছিল। কিন্তু আৰম্ভণিৰে পৰা পশ্চিমীয়া দেশসমূহে চীনৰ লগত প্রত্যক্ষ বাণিজ্যিক সম্বন্ধ স্থাপন কৰিবলৈ চেষ্টা কৰিছিল।¯ ১৯ শতিকাৰ

মধ্যভাগৰে পৰা বিভিন্ন পশ্চিমীয়া দেশৰ বণিকসকল চীনলৈ আহিছিল। আফিং যুদ্ধৰ পিছৰেপৰা পশ্চিমীয়া দেশসমূহক চীনদেশত বিভিন্ন বাণিজ্যিক সা-সুবিধা প্রদান কৰিবলৈ চীনদেশৰ চৰকাৰ বাধ্য হৈছিল। সেই পশ্চিমীয়া দেশসমূহৰ ভিতৰত ইংলেণ্ড, ফ্রান্স, বাছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ উল্লেখযোগ্য আছিল আৰু অতি সোনকালে এই পশ্চিমীয়া দেশসমূহৰ মাজত চীনদেশত অধিক সা-সুবিধা লাভ কৰিবৰ বাবে প্রতিযোগিতা আৰম্ভ হৈছিল। এই কথাই চীনৰ দেশপ্রেমী লোকসকলক অসন্তুষ্ট কৰিছিল যাৰ ফলস্বৰূপে মঞ্চু ৰাজবংশৰ উচ্ছেদ কৰি চীনত প্রজাতন্ত্র প্রতিষ্ঠাৰ পথ প্রশস্ত হৈছিল। বর্তমান সময়ত চীনদেশ পৃথিৰীৰ এখন অতি আগবঢ়া দেশ। এই অধ্যায়ত আমি এখন গোড়া ৰাজতান্ত্রিক দেশ ৰ পৰা এখন শক্তিশালী প্রজাতন্ত্র হিচাপে চীনৰ উত্থানৰ বিষয়ে আলোচনা কৰিম।

১২.৪ ১৯১১ চনৰ চীনৰ বিপ্লৱ (CHINESE REVOLUTION OF 1911)

১৯১১ চনৰ বিপ্লৱ চীনৰ ইতিহাসৰ এক পথ-পৰিৱর্তনকাৰী ঘটনা। এই বিপ্লৱৰ ফলস্বৰূপে অৱশেষত চীনত মাঞ্চু ৰাজবংশৰ শাসনৰ অৱসান ঘটিছিল আৰু দেশত এক প্রজাতন্ত্র প্রতিষ্ঠা হৈছিল। যদিও ১৯১১ চনত এই বিপ্লৱৰ সূত্রপাত হৈছিল তথাপি এই বিপ্লৱৰ ভেটি বহু আগতেই গঢ়ি উঠিছিল। পশ্চিমীয়া শক্তিসমূহৰ লুণ্ঠনৰ পৰা চীনৰ ৰাজনৈতিক আৰু সাংস্কৃতিক ঐক্যতাক প্রতিৰক্ষা দিবলৈ চীনৰ মাঞ্চু প্রশাসন ব্যর্থ হৈছিল আৰু এই কথাই চীনৰ মাঞ্চ প্রশাসনৰ দিনে দিনে বাঢ়ি অহা দূর্বলতাৰ কথাই স্পষ্টকৈ প্রকাশ কৰিছিল। এই কথা অতি গুৰুত্বপূর্ণ যে আফিং যুদ্ধত চীনৰ পৰাজয়ৰ পিছত আৰু টাইপিং আৰু বক্সাৰ বিদ্রোহৰ বিফলতাৰ পিছত চীনৰ মাঞ্চু প্রশাসনে পশ্চিমীয়া শক্তি সমূহক চীনদেশত বহুতো সা-সুবিধা প্রদান কৰিবলৈ বাধ্য হৈছিল। এই কথা চীনৰ দেশভক্ত লোকসকলে সহজভাৱে ল'ব পৰা নাছিল আৰু সেইবাবে নিজৰ দেশখনক এনে পৰিস্থিতিৰ পৰা ৰক্ষা কৰিবৰ বাবে তেওঁলোকে মাঞ্চু প্রশাসনৰ পৰিৱর্তে চীনত এক অধিক কার্য্যকৰী সাংবিধানিক চৰকাৰ প্রতিষ্ঠাৰ কথা বিবেচনা কৰিছিল আৰু তাৎক্ষণিক পৰিৱর্তন কেৱল বিপ্লৱৰ জৰিয়তেহে সম্ভৱপৰ আছিল। ১৯১১ চনৰ চীনৰ বিপ্লৱ ড° চান-য়েৎ-চেনৰ নেতৃত্বত সংঘটিত হৈছিল আৰু তেওঁৰ বিষয়ে আমি পিছত বহলাই আলোচনা কৰিম। এই বিপ্লৱ কেৱল মাঞ্চু-বিৰোধীয়েই নহয় বৰঞ্চ ৰাজতন্ত্র-বিৰোধী আৰু বিদেশী-বিৰোধী প্রকৃতিৰো আছিল।

১২.৪.১ বিপ্লৱৰ কাৰণ

১৯১১ চনৰ চীনৰ বিপ্লৱ কেৱলমাত্র এটা কাৰণৰে ফল নহয় বৰঞ্চ বহুতো কাৰণে একগোট হৈ এই বিপ্লৱৰ ভেটি প্রস্তুত কৰিছিল। এই বিপ্লৱৰ কিছুমান গুৰুত্বপূর্ণ কাৰণ তলত উল্লেখ কৰা হ'ল-

১৯০৮ চনত চীনৰ সম্রাট কুৱাং-চু আৰু সাম্রাজ্ঞী ডুৱেজাৰ-জু-চিৰ মৃত্যুয়ে বিপ্লৱীসকলক মাঞ্চু প্রশাসনৰ বিৰুদ্ধে বিপ্লৱ কৰিবৰ বাবে এক সুৱর্ণ সুযোগ প্রদান

কৰিছিল। উল্লেখযোগ্য যে চীনৰ সাম্ৰাজ্ঞী জু-চি এগৰাকী ভাল কূটনীতিবিদ আছিল আৰু তেঁও নিজৰ দক্ষ কূটনীতিৰে মাঞ্চু ৰাজবংশক সম্পূৰ্ণৰূপে পতন হোৱাৰপৰা ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। তেঁওলোকৰ মৃত্যুৰ পাছত দেশৰ নেতৃত্ব এজন নাবালক সম্ৰাটৰ হাতলৈ গৈছিল। এনেপৰিস্থিতিত দেশৰ জনসাধাৰণে মাঞ্চু ৰাজবংশৰ অন্ত পেলাই চীনত এক প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠাৰ দাবী তুলিছিল।

১৯১১ চনৰ বিপ্লৱৰ এক উল্লেখযোগ্য কাৰণ আছিল চীনৰ বৰ্দ্ধিত জনসংখ্যা তথা দেশত সঘনাই হৈ থকা বানপানী, খৰাং ইত্যাদি প্ৰাকৃতিক দুৰ্যোগ। এইবোৰ সমস্যাই চীনৰ জনসাধাৰণৰ যথেষ্ট ক্ষতি সাধন কৰিছিল কিন্তু দেশৰ মাঞ্চু প্ৰশাসনে এইবোৰ সমস্যাৰ সমাধান কৰিবলৈ ব্যৰ্থ হৈছিল। গতিকে চীনৰ জনসাধাৰণে দেশত এক বৈপ্লৱিক পৰিৱৰ্তন আনিবৰ বাবে বিপ্লৱৰ পথ বাচি লৈছিল।

প্ৰশাসনৰ বাঢ়ি অহা খৰচবোৰ পূৰণ কৰিবৰ বাবে মাঞ্চু প্ৰশাসনে চীনৰ জনসাধাৰণৰ ওপৰত অধিক কৰৰ বোজা জাপি দিছিল। উল্লেখযোগ্য যে ১৮৯৪-৯৫ চনৰ চীন-জাপানৰ যুদ্ধত চীনৰ পৰাজয়ৰ পিছত জাপানক আৰু বক্সাৰ বিদ্ৰোহৰ বিফলতাৰ পিছত বিদেশী শক্তিসমূহক চীনৰ মঞ্চু প্ৰশাসনে এক বৃহৎ পৰিমাণৰ ক্ষতিপূৰণ দিবলগীয়া হৈছিল। একে সময়তে চীনৰ বিভিন্ন আভ্যন্তৰীণ সংস্কাৰসমূহত মাঞ্চু চৰকাৰে যথেষ্ট টকা খৰচ কৰিছিল। গতিকে দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতিৰ বাবে, চীনৰ মাঞ্চু প্ৰশাসনে দেশৰ জনসাধাৰণৰ ওপৰত অধিক কৰ আৰোপ কৰিছিল। এই অধিক কৰা বোজা ১৯১১ চনৰ চীনৰ বিপ্লৱৰ বাবে আংশিকভাৱে জগৰীয়া আছিল।

এই বিপ্লৱৰ অন্য এক কাৰণ আছিল চীনৰ স্থানীয় প্ৰশাসনৰ অসন্তুষ্টি। চীনৰ সাম্ৰাজ্ঞী ডুৱেজাৰ-জু-চিয়ে দেশত এক কেন্দ্ৰীভূত শাসন ব্যৱস্থাৰ প্ৰচলন কৰিছিল আৰু এই কথাই দেশৰ স্থানীয় প্ৰশাসনক অসন্তুষ্ট কৰিছিল। গতিকে তেঁওলোকে মাঞ্চু প্ৰশাসনক উচ্ছেদ কৰিবৰ বাবে ১৯১১ চনৰ চীনৰ বিপ্লৱক সমৰ্থন কৰিছিল।

চীনৰ ভিন্ন প্ৰান্তৰ এচাম ছাত্ৰ জীৱিকাৰ সন্ধানত বিদেশলৈ গৈছিল, য'ত তেঁওলোক পশ্চিমৰ উদাৰ আদৰ্শসমূহৰ সংস্পৰ্শলৈ আহিছিল। এই প্ৰবাসী চীনালোকসকলে উদাৰ চিন্তধাৰাৰে গঠিত পশ্চিমৰ ৰাজনৈতিক অনুষ্ঠানসমূহ ভাল পাইছিল। তেঁওলোকে অকৰ্মান্য মাঞ্চু শাসনৰ পৰা চীনক ৰক্ষা কৰিবলৈ পশ্চিমৰ দৰে একেধৰণৰ ৰাজনৈতিক অনুষ্ঠান চীনদেশটো গঠন কৰিবলৈ বিচাৰিছিল। গতিকে তেওঁলোকে চানৰ বিপ্লৱীসকলক বিভিন্ন সহায়-সহযোগিতা কৰিছিল আৰু লগতে অনুপ্ৰেৰণাও যোগাইছিল। এইটো ১৯১১ চনৰ চীনৰ বিপ্লৱৰ অন্য এক প্ৰধান কাৰণ আছিল।

১৯১১ চনৰ বিপ্লৱৰ এক উল্লেখযোগ্য কাৰণ আছিল পশ্চিমীয়া শিক্ষাৰ প্ৰভাৱ। উল্লেখযোগ্য যে চীনৰ সাম্ৰাজ্ঞী ডুৱেজাৰ-জু-চিয়ে চীনৰ মেধাৱী ছাত্ৰসকলক চৰকাৰী খৰচত আধুনিক শিক্ষা ল'বৰ বাবে বিদেশলৈ পঠিয়াইছিল আৰু অতি সোনকালে চীনৰ

এই ছাত্রসকলৰ পশ্চিমৰ উদাৰ আদর্শৰ সংস্পশলৈ আহিছিল। চীনলৈ ঘুৰি আহি এই ছাত্রসকলে দেশৰ পৰম্পৰাগত সমাজখনত এক তাৎক্ষণিক পৰিৱর্তন সাধন কৰিবলৈ বিচাৰিছিল। সমাজত এক বৈপ্লৱিক পৰিৱর্তন সাধন কৰিবৰ বাবে চীনৰ জনসাধাৰণৰ মনত বিপ্লৱৰ ধাৰণা সৃষ্টি কৰিবলৈ এই ছাত্রসকল সফল হৈছিল। এনেদৰেই বিদেশত শিক্ষা লাভ কৰা চীনৰ ছাত্রসকলে ১৯১১ চনৰ বিপ্লৱৰ ভেটি নিমার্ণ কৰাত এক সক্রিয় অংশ গ্রহণ কৰিছিল।

চীনৰ ছাত্রসকলেও এই বিপ্লৱত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ১৯০৫ চনৰ পিছত চীনৰ বহুতো ছাত্রই উচ্চশিক্ষাৰ বাবে বিদেশলৈ গৈছিল। এনে বহুতো চীনা ছাত্র জাপানলৈ গৈছিল আৰু জাপনৰ চৰকাৰে এই চীনা ছাত্রসকলত অতি কম সময়ৰ ভিতৰতে পশ্চিমীয়া শিক্ষাৰ প্রশিক্ষণ দিয়াৰ প্রতিশ্রুতি দিছিল। অনতিপলমে পশ্চিমীয়া শিক্ষাৰ প্রমাণপত্র ল'বলৈ বহুতো চীনা ছাত্র জাপানলৈ গৈছিল যাতে নিজৰ দেশলৈ (চীনদেশ) ঘূৰি অহাৰ পিছত এই ছাত্রসকলে মাঞ্চু প্রশাসনৰ অধীনত এটা ভাল চাকৰি লাভ কৰিব পাৰে। জাপানলৈ শিক্ষা লাভ কৰিবলৈ যোৱা চীনা ছাত্রৰ সংখ্যা যথেষ্ট বেছি আছিল গতিকে সকলো চীনা ছাত্রকে জাপানৰ চৰকাৰী শিক্ষানুষ্ঠানসমূহত আসন দিবলৈ অসুবিধা হৈছিল। সেইবাবে এই ছাত্রসকলক আসন দিবৰ বাবে জাপানত বহুতো ব্যক্তিগত শিক্ষানষ্ঠান গঢ় লৈ উঠিছিল। তাতেই চীনৰ ছাত্রসকল জাপানত আশ্রয় লৈ থকা বিদ্রোহী নেতাসকলৰ সংস্পশলৈ আহিছিল। যথা সময়ত শিক্ষা সমাপ্ত কৰি জাপানৰ পৰা চীনলৈ উভটি অহা এই ছাত্রসকলক উপযুক্ত চাকৰি দিবলৈ মাঞ্চু প্রসাসন ব্যর্থ হৈছিল আৰু এই কথাই ১৯১১ চনৰ চীনৰ বিপ্লৱৰ বাবে স্থানীয় নেতাৰ উত্থানত অৰিহণা যোগাইছিল। ১৯১১ চনৰ চীনৰ বিপ্লৱৰ সূত্রপাত হোৱাত চীনৰ মিছনাৰী স্কুল সমূহেও অৰিহণা যোগাইছিল। এই মিছনাৰী স্কুলসমূহৰ চীনা ছাত্রসকল আৰম্ভণিৰে পৰাই পশ্চিমীয়া উদাৰনৈতিক আদর্শসমূহৰ সংস্পর্শলৈ আহিছিল। এই মিছনাৰী স্কুলসমূহৰ পৰা শিক্ষা সমাপ্ত কৰি ওলাই অহা বহু ছাত্রই মাঞ্চু প্রশাসনৰ অধীনত চাকৰি নাপাই মাঞ্চু-বিৰোধী হৈ পৰিছিল। গতিকে এই ছাত্রসকলে মিচনাৰী স্কুলসমূহৰ শিক্ষক হিচাপে যোগদান কৰিছিল আৰু চীনৰ সমাজত এক সংস্কাৰমূলক পৰিৱর্তনৰ বাবে দেশৰ নতুন প্রজন্মক বিপ্লৱৰ আদি পাঠ শিকাইছিল।

দেশৰ যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতিয়ে চীনৰ ১৯১১ চনৰ বিপ্লৱ সংঘটিত হোৱাত যথেষ্ট অৰিহণা যোগাইছিল। এই বিপ্লৱ সংঘটিত হোৱাৰ আগতেই চীনত ডাকবিভাগ, টেলিগ্রাফ আৰু ৰেলপথ আদি স্থাপন হৈছিল আৰু ইয়াৰ ফলত চীনৰ বিভিন্ন অঞ্চলৰ বিপ্লৱীসকলৰ নিজৰ মাজত সংযোগ স্থাপন কৰিবলৈ সুবিধা হৈছিল। ইয়াৰ উপৰিও চীনত স্থানীয় ভাষাৰ ছপাশালসমূহ স্থাপন হোৱাৰ পিছত বৈপ্লৱিক আদর্শৰে লিখা বিভিন্ন প্রৱন্ধপাতি ছপা কৰি চীনৰ বিভিন্ন অঞ্চলত বসবাস কৰা লোকসকলৰ মাজত বিতৰণ কৰিবলৈ সুবিধা হৈছিল। চীনৰ যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতিয়েও এই কাকতসমূহ তথা প্রৱন্ধসমূহৰ বিতং বিতৰণত সহায় কৰিছিল।

চীনৰ সামৰিক বাহিনীৰ দুৰ্বলতাও ১৯১১ চনৰ চীনৰ বিপ্লৱ সংঘটিত হোৱাৰ বাবে জগৰীয়া আছিল। উল্লেখযোগ্য যে আফিং যুদ্ধৰ সময়ত সাময়িকভাৱে চীনৰ বহুতো লোকক সৈন্যবাহিনীত নিয়োগ কৰা হৈছিল। কিন্তু এই যুদ্ধৰ শেষত তেঁওলোকৰ বহুতকে অস্ত্ৰ-শস্ত্ৰ সহিতে সৈন্যবাহিনীৰ পৰা আঁতৰাই দিয়া হৈছিল। গতিকে এই লোকসকলে নিজৰ জীৱিকাৰ পৰা বঞ্চিত হৈ বিভিন্ন সংগঠন খুলি তেঁওলোকৰ লগত থকা অস্ত্ৰ-শস্ত্ৰবে বিপ্লৱীসকলক সহায় কৰিছিল।

চীনত গোপন সংগঠনৰ উত্থানেও ১৯১১ চনৰ চীনৰ বিপ্লৱত অৱিহণা যোগাইছিল। ইয়াৰে ভিতৰত উল্লেখযোগ্য আছিল ১৯০৫ চনত ডা° চান-য়েৎ-চেনে গঠন কৰা টুং-মেং হুই সংগঠন। পিছৰ অংশত আমি এই সংগঠনৰ বিষয়ে বিতংভাৱে আলোচনা কৰিম।

১৯১১ চনৰ চীনৰ বিপ্লৱৰ তৎকালীন কাৰণ আছিল চীনত ৰেলপথ ৰাষ্ট্ৰীয়কৰণ কৰা বিষয়টো। চীনৰ জনসাধাৰণে দেশত প্ৰাদেশিক ভিত্তিত ৰেলপথ প্ৰতিষ্ঠা কৰা তথা ৰেলপথ স্থাপনৰ বাবে প্ৰয়োজনীয় অৰ্থ বিদেশী লোকৰ পৰিৱৰ্তে চীনৰ লোকৰপৰা ল'বৰ বাবে দাবী জনাইছিল। কিন্তু চীনৰ প্ৰশাসনে দেশৰ জনসাধাৰণৰ এই দাবীসমূহ পূৰণ কৰিবপৰা অৱস্থাত নাছিল কাৰণ ৰেলপথ স্থাপনৰ বাবে যথেষ্ট অৰ্থৰ প্ৰয়োজন আছিল আৰু এই অৰ্থ চীনৰ প্ৰদেশসমূহৰ পৰা সংগ্ৰহ কৰাটো সম্ভৱ নাছিল। গতিকে চীনৰ প্ৰশাসনে ৰেলপথ ৰাষ্ট্ৰীয়কৰণৰ নীতি গ্ৰহণ কৰিছিল। ১৯১১ চনৰ আগলৈকে মধ্য, দক্ষিণ আৰু দক্ষিণ-পশ্চিম চীনত ৰেলপথ স্থাপনৰ বাবে প্ৰয়োজনীয় অৰ্থ ব্যক্তিগত অনুষ্ঠান আৰু নিগমসমূহৰ পৰা লোৱা হৈছিল। কিন্তু ১৯১১ চনৰ আৰম্ভণিৰে পৰা, চীনৰ প্ৰশাসনে উক্ত অঞ্চলসমূহত ৰেলপথ ৰাষ্ট্ৰীয়কৰণ কৰিছিল তথা ৰেলপথ স্থাপনৰ দায়িত্ব ৰেলপথ নিৰ্মাণ ব্যয় ছয় মিলিয়ন পাউণ্ড বেংক ঋণৰ বিনিময়ত আমেৰিকা, ইংলেণ্ড, ফ্ৰান্স আৰু জাৰ্মানীৰ হাতত অৰ্পণ কৰা হৈছিল। এই কথাই চীনৰ জনসাধাৰণক অসন্তুষ্ট কৰিছিল কাৰণ ৰেলপথ ৰাষ্ট্ৰীয়কৰণ ৰু বৈদেশিক বিনিয়োগে চীনৰ প্ৰাদেশিক প্ৰশাসনৰ স্বাৰ্থ ক্ষুণ্ণ কৰিছিল। গতিকে চীনৰ কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তৰ প্ৰতিবাদ কৰিবৰ বাবে ১৯১১ চনত চীনৰ জিচুৱান প্ৰদেশত এক মুকলি বিদ্ৰোহ সংঘটিত কৰা হৈছিল।

জিচুৱান প্ৰদেশৰ বিদ্ৰোহ দমন কৰিবৰ বাবে মাঞ্চু চৰকাৰে বহুতো কঠিন ব্যৱস্থা হাতত লৈছিল। জিচুৱান প্ৰদেশৰ ভাইচৰয় জনৰ নিৰ্দেশত এই বিপ্লৱীসকলৰ বহুতকে বৰ বেয়াকৈ মাৰধৰ কৰাৰ লগতে আটক কৰা হৈছিল তথা তেঁওলোকৰ ওপৰত গুলীবৰ্ষণো কৰা হৈছিল। ইয়াৰ উত্তৰ হিচাপে বিপ্লৱীসকলে চেংটু নামৰ ঠাইত জিচুৱান প্ৰদেশৰ ভাইচৰয়জনক হত্যা কৰিছিল। ইয়াৰ পিছত বিপ্লৱীসকলে ১৯১১ চনৰ অক্টোৱৰ মাহত য়ুচাং প্ৰদেশত এক বিদ্ৰোহ কৰাৰ পৰিকল্পনা কৰিছিল। কিন্তু দুৰ্ভাগ্যৱশত ১৯১১ চনৰ ৯ অক্টোৱৰত বিপ্লৱী সকলে নিজে নিৰ্মাণ কৰা এটা বোমাৰ বিস্ফোৰণ ঘটিছিল যাৰ ফলত বিপ্লৱীসকলৰ বহুতো গোপন তথ্য পোহৰলৈ আহিছিল। মাঞ্চু প্ৰশাসনে তৎক্ষণাত এই

বোমা বিস্ফোৰণ হোৱা অঞ্চল ঘেৰাও কৰিছিল তথা কিছুমান বিপ্লৱীক আটক কৰি হত্যা কৰিছিল। ইয়াৰ পিছ দিনা অর্থাৎ ১০ অক্টোবৰত কসাত্তাৰ লি- য়ুবান -হুঙৰ নেতৃত্বত বিপ্লৱীসকলে য়ুচাং প্রদেশ আক্রমণ কৰিছিল। এই বিপ্লৱীসকলে সৈন্যবাহিনী তথা চীনৰ সর্বসাধাৰণ ৰাইজৰও সমর্থন লাভ কৰিছিল। অতি কম সময়ৰ ভিতৰতে বিপ্লৱীসকলে চীনৰ ভাইচৰয়ৰ ঘৰ অধিগ্রহণ কৰাৰ লগতে হানকাও, হেনয়াং আৰু মুচাং অঞ্চলও দখল কৰিছিল। ১৯১১ চনৰ ১০ অক্টোবৰৰ এই বিদ্রোহকে ১৯১১ চনৰ চীনৰ বিপ্লৱৰ প্রকৃত আৰম্ভণি হিচাপে গণ্য কৰা হয়। অতি কম সময়ৰ ভিতৰতে দক্ষিণ আৰু মধ্য চীনৰ প্রদেশবোৰে মাঞ্চু প্রশাসনৰ অধীনতা দলিয়াই পেলাই নিজকে স্বাধীন হিচাপে ঘোষণা কৰিছিল. অৱশেষত চিলি আৰু হোনান প্রদেশৰ বাহিৰে চীনৰ অন্য সকলোবোৰ প্রদেশেই বিপ্লৱীসকলৰ পক্ষত যোগ দিছিল। চীনৰ বিপ্লৱী সামৰিক বাহিনীৰ নেতা লি- য়ুৱান-হুঙে নানকিং দখল কৰিছিল আৰু নানকিঙক ৰাজধানী হিচাপে লৈ মাঞ্চু ৰাজবংশক উচ্ছেদ কৰি চীনত এখন প্রজাতান্ত্রিক চৰকাৰ গঠন কৰিবলৈ বিপ্লৱীসকলে দৃঢ়সংকল্প লৈছিল। অতি সোনকালে চীনৰ নতুন চৰকাৰৰ ভৱিষ্যতৰ বিষয়ে আলোচনা কৰিবলৈ লি-য়ুৱান- হুঙে সকলোবোৰ প্রদেশৰ প্রতিনিধিক নানকিঙলৈ আমন্ত্রণ কৰিছিল। এই প্রতিনিধি সকলে সর্বসম্মতভাৱে ১৯১২ চনৰ এক জানুৱাৰীত ডাক্ত্ব চান-য়েৎ-চেনক চীনৰ নতুন প্রজাতন্ত্রৰ প্রথম ৰাষ্ট্রপতি হিচাপে মনোনীত কৰিছিল। ১৯১২ চনৰ ১ জানুৱাৰীত নানকিঙক চীনৰ নতুন প্রজাতন্ত্রৰ ৰাজধানী হিচাপে ঘোষণা কৰা হৈছিল।

এনে পৰিস্থিতিত মাঞ্চু চৰকাৰে য়ুৱান-চি-কাইৰ সহযোগত মাঞ্চু সাম্রাজ্য ৰক্ষাৰ বাবে শেষৰটো প্রচেষ্টা কৰিছিল, কিন্তু সোনকালেই তেঁও ডাঃ চান-য়েৎ-চেনৰ লগত এক চুক্তি কৰিছিল। এই বিষয়ে আমি পৰৱর্তী অংশত বিতংভাৱে আলোচনা কৰিম। মাঞ্চু ৰাজবংশৰ অন্তিমজন ৰক্ষাকর্তা য়ুৱান-চি-কাইৰ সমর্থনৰপৰা বঞ্চিত হোৱাৰ পিছত মাঞ্চু প্রশাসন উপায়ন্তৰ হৈ পৰিছিল। অৱশেষত ১৯১২ চনৰ ১২ ফেব্রুৱাৰীত ছয় বছৰীয়া নাবালক মাঞ্চু সম্রাট সিংহাসন ত্যাগ কৰিছিল। লগে লগেই ১৯১২ চনৰ চীনৰ বিপ্লৱৰ সফল সমাপ্তি ঘটিছিল।

১৯১১ চনৰ চীনৰ বিপ্লৱৰ সফলতাৰ এক প্রধান কাৰণ আছিল যে যদিও বিপ্লৱীসকল বিদেশী বিৰোধী আছিল তথাপি তেওঁলোকে নিজৰ আন্দোলনৰ পৰা বিদেশী-বিৰোধী দিশটো আঁতৰাই ৰাখিবলৈ যত্ন কৰিছিল কাৰণ তেওঁলোকে বিদেশী ৰাষ্ট্রসমূহক অসন্তুষ্ট কৰিব বিচৰা নাছিল। একে সময়তে বিপ্লৱীসকলে মাঞ্চু চৰকাৰৰ সমর্থনত বিপ্লৱত অংশগ্রহণ কৰিবৰ বাবে বিদেশী ৰাষ্ট্রসমূহক কোনো অযুহাত প্রদান কৰিবলৈ বিচৰা নাছিল। ইয়াৰ উপৰিও সীমিত মূলধনৰ বাবে বিপ্লৱীসকলে তীক্ষ্ণ তথা ক্ষন্তেকীয়া অভিযানৰ জৰিয়তে তেওঁলোকৰ উদ্দেশ্য পূৰণ কৰিবৰ বাবে আপ্রাণ চেষ্টা কৰিছিল।

৪.৪.২ বিপ্লৱৰ ফলাফল

চীনৰ ইতিহাসত ১৯১১ চনৰ বিপ্লৱে এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছিল। মাঞ্চু ৰাজবংশৰ উচ্ছেদ ঘটাই এই বিপ্লৱে চীনৰ ইতিহাসত এক নতুন যুগৰ পাতনি মেলিছিল। একে সময়তে এই বিপ্লৱৰ ফলত চীনত প্ৰজাতন্ত্ৰৰ উত্থান হৈছিল যি পৰোক্ষভাৱে চীনৰ ৰাজনৈতিক অক্ষুণ্ণতা ৰক্ষা কৰিছিল তথা বিদেশী নিয়ন্ত্ৰণৰ পৰা চীনক ৰক্ষা কৰাত সহায় কৰিছিল। উল্লেখযোগ্য যে ১৯১১ চনৰ চীনৰ বিপ্লৱ মাঞ্চু- বিৰোধী, বিদেশী বিৰোধী আৰু পৰম্পৰা-বিৰোধী প্ৰকৃতিৰ আছিল। মাঞ্চু প্ৰশাসনক উচ্ছেদ কৰিবৰ বাবে জাতীয়তাবাদীসকলে এই বিপ্লৱ সংগঠিত কৰিছিল কাৰণ বিদেশী শক্তিৰ হাতত জাতীয় অপমান আৰু অৰ্থনৈতিক শোষণৰ পৰা চীনদেশক ৰক্ষা কৰিবলৈ মাঞ্চু চৰকাৰ অসমৰ্থ হৈছিল। একে সময়তে বিপ্লৱী সকলে অনুভৱ কৰিছিল যে চীন দেশ দুৰ্বল আছিল কাৰণ তেওঁলোক পিছ পৰি আছিল। চীনৰ এই অনগ্ৰসৰতাৰ প্ৰধান কাৰণ আছিল যে চীনাসকল পু�ৰণিকলীয়া তথা পৰম্পৰাগত জীৱনধাৰাৰ প্ৰতি বেছিকৈ আকৰ্ষিত আছিল। গতিকে বিপ্লৱীসকলে পুৰণা পৰম্পৰাসমূহৰ পৰিৱৰ্তে প্ৰগতিশীল পশ্চিমীয়া আদৰ্শসমূহ চীনৰ সমাজত প্ৰৱৰ্তন কৰিব বিচাৰিছিল। এনেদৰেই ১৯১১ চনৰ চীনৰ বিপ্লৱে মাঞ্চু ৰাজবংশৰ উচ্ছেদ কৰি চীনত এক প্ৰজাতন্ত্ৰৰ গঠন কৰাই নাছিল, লগতে চীনক এক আধুনিক যুগৰ দিশে আগবঢ়াইও নিছিল।



অগ্ৰগতিৰ খতিয়ান

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখকঃ

প্ৰশ্ন ১ঃ ১৯১১ চনৰ চীনৰ বিপ্লৱৰ নেতা কোন আছিল?

.....

প্ৰশ্ন ২ঃ ১৯১১ চনৰ চীনৰ বিপ্লৱৰ এটা কাৰণ দৰ্শাৱক।

.....

.....

প্ৰশ্ন ৩ঃ ১৯১১ চনৰ চীনৰ বিপ্লৱৰ এটা ফলাফল লিখক।

.....

১২.৫ ডাঁ চান-য়েৎ-চেন (Dr. SUN- YAT- SEN)

ডাঁ চান-য়েৎ-চেনক "আধুনিক চীনৰ নিমাৰ্তা" আৰু "চীনপ্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠাপক পিতৃ" হিচাপে অভিহিত কৰা হয়। আমি ইতিমধ্যে অধ্যয়ণ কৰি আহিছো যে তেঁও ১৯১১ চনৰ চীনৰ বিপ্লৱত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল, যিটো বিপ্লৱৰ ফলত চীনত মাঞ্চু ৰাজবংশৰ উচ্ছেদ ঘটিছিল আৰু এখন প্ৰজাতান্ত্ৰিক চৰকাৰ গঠন হৈছিল।

১৮৬৬ চনৰ ১২ নৱেম্বৰত মাকাওৰ কাষৰ কুয়াং-টুং প্ৰদেশৰ এটা দৰিদ্ৰ কৃষক পৰিয়ালত চান-য়েৎ চেনৰ জন্ম হৈছিল। তেওঁৰ পিতৃ চান-তাও চুৱান এজন কৃষক আছিল আৰু চান-য়েৎ-চেনৰ জন্মৰ আগতেই তেঁও খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছিল। অতি কম বয়সৰে পৰাই চান-য়েৎ-চেন চীনৰ ৰাজনীতিৰ প্ৰতি আকৰ্ষিত আছিল। কুয়াং-টুং প্ৰদেশৰ টাইপিং বিদ্ৰোহত অংশগ্ৰহণ কৰা লোকসকলৰ পৰা তেওঁ বহুতো অনুপ্ৰেৰণা লাভ কৰিছিল আৰু টাইপিং বিদ্ৰোহৰ নেতাসকলৰ দৰেই শোষণৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ তেঁও দৃঢ়সংকল্প লৈছিল। তেঁও হাৱাইত স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল, য'ত তেঁও প্ৰথমবাৰৰ বাবে ইংৰাজী শিকিছিল তথা উদাৰপন্থী আৰু প্ৰজাতান্ত্ৰিক আদৰ্শৰ লগত তেওঁৰ ঘনিষ্ঠ সম্পৰ্ক স্থাপন হৈছিল। তাৰ পিছত ১৮৮২ চনত তেওঁ নিজৰ গাঁৱলৈ উভটি আহিছিল, কিন্তু ১৮৮৪ চনত তেঁও বৃটিছ হংকঙত থকা কুইন কলেজত নামভৰ্ত্তি কৰিছিল। সেই সময়তে ফ্ৰান্সে চীনৰ পৰা ইন্দো-চীন অঞ্চলটো দখল কৰিছিল। এনে পৰিস্থিতিত নিজৰ দেশৰ সন্মান ৰক্ষাৰ অৰ্থে চান-য়েৎ- চেন চীনৰ এটা নিষিদ্ধ সংগঠন ''ট্ৰাইড চ'চাইটি''ৰ সংস্পৰ্শলৈ আহিছিল। কুইন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত চেনে চিকিৎসাবিজ্ঞান পঢ়িবলৈ মন মেলিছিল। সেই অনুসৰি ১৮৮৭ চনৰ পৰা ১৮৯২ চনলৈ তেঁও বৃটিছ মিছনাৰী চিকিৎসক চাৰ জেমচ্ কেনটাইলৰ ওচৰত ঔষধ আৰু শৈল্যচিকিৎসাৰ জ্ঞান লাভ কৰাৰ লগতে চেনে তেঁওৰ শিক্ষা গুৰুক মিছনাৰী কাৰ্য্যকলাপতও সহায় কৰিছিল। ১৮৯২ চনত, ডা° চান-য়েৎ-চেনে পৰ্টুগীজ অধিকৃত মাকাতে চিকিৎসক হিচাপে নিজৰ কৰ্মজীৱনৰ পাতনি মেলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিন্তু ১৮৯৩ চনত চেনৰ কৰ্মজীৱনত এক ব্যাপক পৰিৱৰ্তন হৈছিল, যেতিয়া তেঁওৰ পৰ্টুগীছ ভাষাৰ ওপৰত কোনো আনুষ্ঠানিক ডিপ্লমা নথকাৰ অজুহাতত মাকাওৰ পৰ্টুগীজ প্ৰশাসনে তেওঁক মাকাওত চিকিৎসক হিচাপে কাম কৰিবলৈ অনুমতি নিদিলে। তাৰ পিছত চেনে চিৰদিনৰ বাবে চিকিৎসকৰ বৃত্তি ত্যাগ কৰিছিল আৰু এজন বিপ্লৱী ৰাজনীতিবিদ হ'বলৈ দৃঢ়সংকল্প লৈছিল। তাৰ পিছত তেওঁ উত্তৰ চীনৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি জনসাধাৰণক বিভিন্ন সংস্কাৰৰ প্ৰতি আকৰ্ষিত কৰিবলৈ যত্ন কৰিছিল। ১৮৯৪ চনত চেনে 'চিং-চিং-হুই' (ৰিভাইভ চাইনা চ'চাইটি) নামৰ এটা গোপন সংগঠন গঠন কৰিছিল, যাৰ উদ্দেশ্য আছিল শিক্ষা আৰু আধুনিক প্ৰযুক্তি তথা কৃষিত নতুন প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ কৰি চীনৰ লোকসকলৰ জীৱিকাৰ উন্নতি কৰা যাতে চীনক ৰক্ষা কৰিব পৰা যায়।

১৮৯৫ চনত চেনে প্ৰথমটো বৈপ্লৱিক কাৰ্য্যসূচী আৰম্ভ কৰিছিল। উল্লেখযোগ্য যে ১৮৯৪-৯৫ চনৰ প্ৰথম চীন-জাপানৰ যুদ্ধত চীনৰ পৰাজয়ে মাঞ্চু শাসনৰ দিনে দিনে বাঢ়ি অহা দুৰ্বলতাক উদঙাই দিছিল। এনে পৰিস্থিতিত চীনৰ ঐক্যতা ৰক্ষাৰ অৰ্থে চীনৰ শাসন ব্যৱস্থাত এক বৈপ্লৱিক পৰিৱৰ্তনৰ অতি প্ৰয়োজন বুলি ডাক্তৰ চান-য়েৎ-চেনে অনুভৱ কৰিছিল। গতিকে হংকঙক অভিযানৰ কেন্দ্ৰ হিচাপে লৈ চেনৰ সমৰ্থকসকলে কেণ্টনত থকা প্ৰাদেশিক শাসনকৰ্তাৰ কাৰ্য্যলয়সমূহ অধিগ্ৰহণ কৰিবলৈ যত্ন কৰিছিল। কিন্তু তেঁওলোকৰ প্ৰচেষ্টা বিফল

হৈছিল আৰু চেনৰ সাতজন সমর্থকক হত্যা কৰা হৈছিল। এনে পৰিস্থিতিত চেনে নিজৰ জীৱন ৰক্ষাৰ বাবে "নাকায়ামা" নামলৈ জাপানলৈ পলায়ন কৰিছিল আৰু ১৮৯৬ চনত তেঁও এজন জাপানী লোকৰ ভাও ধৰি লণ্ডনলৈ গুচি গৈছিল। কিন্তু লণ্ডনত থকা চীনৰ বিষয়াসকলে তাতে চেনক চিনি পাইছিল তথা আটক কৰিছিল। লগতে তেওঁলোকে চেনক চীনলৈ উভটাই পঠিয়াবলৈ বিচাৰিছিল। কিন্তু চেনৰ চিকিৎসাবিষয়ক শিক্ষা গুৰু চাৰ জেমচ্ কেনটাইলে চেনক সেই পৰিস্থিতিৰ পৰা ৰক্ষা কৰিছিল। এই ঘটনাই ৰাতিৰ ভিতৰতে ডা° চান-য়েৎ-চেনক জনপ্রিয় কৰি তুলিছিল। ৰাজনীতি আৰু সমাজনীতৰ অধ্যয়ণ কৰিবৰ বাবে চেনে আৰু দুবছৰ লণ্ডনতে বাস কৰিছিল।

যেতিয়া ডা° চান-য়েৎ-চেন লণ্ডনত আছিল তেতিয়া চীনত বক্সাৰ বিদ্রোহ আৰম্ভ হৈছিল। মাঞ্চু ৰাজবংশক আক্রমণ কৰিবৰ বাবে চেনে চীনৰ পৰিস্থিতিৰ সুবিধা গ্রহণ কৰাৰ সিদ্ধান্ত লৈছিল। তেওঁৰ এই উদ্দেশ্যত সমর্থন পাবৰ বাবে চেনে ১৯০০ চনৰ পৰা ১৯০৫ চনলৈ সুদূৰ প্রাচ্যৰ বিভিন্ন দেশ ভ্রমণ কৰিছিল। বিপ্লৱী কার্য্যকলাপসমূহক অধিক সক্রিয় কৰিবৰ বাবে চেনে তেওঁৰ নিজৰ বিপ্লৱী সংগঠন চিং-চুং-হুইক অন্য বিপ্লৱী সংগঠনসমূহৰ লগত একত্রিত কৰি ১৯০৫ চনত টুং-মিং-হুই বা "এলায়েন্স চ'চাইটি" নামৰ এটা দল গঠন কৰিছিল। 'টুং-মিং-হুই'ৰ জৰিয়তে চেনে তেঁওৰ বিপ্লৱী আদর্শসমূহক চীনৰ চোকে-কোনে প্রচাৰ কৰিছিল।



জানি থোৱা ভাল

টুং-মিং-হুই দলৰ প্রধান উদ্দেশ্যবোৰ আছিল-

- মাঞ্চু ৰাজবংশৰ উচ্ছেদ কৰা তথা চীনত এখন প্রজাতন্ত্র গঠন কৰা।
- বিশ্বশান্তি ৰক্ষা কৰা।
- চীনৰ ভূমিসমূহ ৰাষ্ট্রীয়কৰণ কৰা।
- জাপানৰ লগত সহযোগিতা কৰা।
- চীনৰ বিপ্লৱক সমর্থন কৰিবৰ বাবে অন্যান্য ৰাষ্ট্রসমূহক আহ্বান জনোৱা।

১৯১১ চনৰ চীনৰ বিপ্লৱে ডা° চান-য়েৎ-চেনকক্ষমতালৈ আহিবৰ বাবে এক সুৱর্ণ সুযোগ প্রদান কৰিছিল। আমি ইতিমধ্যে অধ্যয়ণ কৰি আহিছো যে ১৯১১ চনৰ চীনৰ বিপ্লৱে চীনত মাঞ্চু ৰাজবংশৰ পৰম্পৰাগত শাসনৰ অন্ত পেলায় নানকিং প্রদেশক ৰাজধানী হিচাপে লৈ চীনত এখন প্রজাতান্ত্রিক চৰকাৰ গঠনৰ পথ প্রশস্ত কৰিছিল। এই বিপ্লৱৰ অন্তিম পর্য্যয়ত প্রবাসী চীনালোকসকলৰ সমর্থন ল'বৰ বাবে চেন আমেৰিকাত আছিল। ইতিমধ্যে ১৯১১ চনৰ ২৯ ডিচেম্বৰত বিপ্লৱীসকলে সর্বসন্মতিক্রমে ডা° চান-য়েৎ-চেনক চীন প্রজাতন্ত্রৰ প্রথম ৰাষ্ট্রপতি হিচাপে মনোনীত কৰিছিল। কিন্তু য়াং-চি-কাইৰ সমর্থনত চেনে নিজৰ নতুন পদ ত্যাগ কৰিবলগীয়া হৈছিল আৰু এই বিষয়ে আমি পৰৱর্তী অংশত আলোচনা কৰিম।

য়াং-চি-কাহক ৰাষ্ট্রপতি নিয়োগ কৰি ডাঃ চান-য়েৎ-চেনে এক ভুল কৰিছিল কাৰণ প্রজাতান্ত্রিক চৰকাৰৰ প্রতি য়াং-চিং-কাইৰ কোনো আনুগত্য নাছিল, বৰঞ্চ তেওঁ চীনক প্রজন সম্রাটৰ দৰে শাসন কৰিবলৈ যত্ন কৰিছিল। গতিকে চেনে কাইৰ বিৰুদ্ধে এক বিদ্রোহ কৰিছিল, কিন্তু চেনৰ এই বিদ্রোহ বিফল হৈছিল আৰু তাৰ পিছত তেঁও জাপানলৈ পলাই যাবলগীয়া হৈছিল।

ইতিমধ্যে ১৯১১ চনৰ চীনৰ বিপ্লৱ অন্ত হোৱাৰ পিছত চেনে টুং-মিং-হুই আৰু অন্যান্য বিপ্লৱী সংগঠনৰ সকলো সদস্যকে একত্রিত কৰি ''কুও-মিন-টাং'' নামৰ এটা শক্তিশালী দল গঠন কৰিছিল। এই দলে চীনৰ সংসদৰ দুয়োটা সদনতে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। চীনৰ একতা স্থাপন কৰাৰ ক্ষেত্রত এই দলে অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

১৯১৬ চনত য়াং-চি- কাইৰ মৃত্যু হোৱাৰ পিছত ডাঃ চান-য়েৎ-চেনে কেণ্টনক মুখ্য কার্য্যালয় হিচাপে লৈ দক্ষিণ চীনত এখন স্বাধীন সামৰিক চৰকাৰ গঠন কৰিবলৈ যত্ন কৰিছিল। গতিকে তেঁওৰ এই কার্য্যৰ বিৰোধীতা কৰিছিল কাৰণ সামৰিক শাসন চীনৰ কুওমিনটাং আদর্শৰ সম্পূর্ণ বিপৰীত আছিল। গতিকে ১৯২০ চনত কেণ্টন ত্যাগ কৰিবলৈ চেন বাধ্য হৈছিল। কিন্তু চনৰ এজন সমর্থক, চেন- চিউন-মিন এ চেনৰ বিৰোধীসকলক দমন কৰিছিল। তাৰ পিছত ১৯২১ চনত পুনৰবাৰ ডাঃ চান-য়েৎ-চেনেক চীনৰ কেণ্টন চৰকাৰৰ ৰাষ্ট্রপতি হিচাপে ঘোষণা কৰা হৈছিল। কেণ্টন চৰকাৰক চীনৰ প্রকৃত চৰকাৰ হিচাপে স্বীকৃতি দিবলৈ চেনে পশ্চিমীয়া দেশসমূহক অনুৰোধ জনাইছিল। কিন্তু চেন যথেষ্ট অসন্তুষ্ট হৈছিল যেতিয়া পশ্চিমীয়া দেশসমূহে কৈছিল যে ৰাজতন্ত্রহে চীনৰ বাবে উৎকৃষ্ট চৰকাৰ। তাৰে মাজতে ডাঃ চান-য়েৎ-চেন আৰু তেঁওৰ সমর্থক চেন-চিউন- মিনৰ মাজত এক বিবাদৰ সূত্রপাত হৈছিল যাৰ ফলস্বৰূপে নিজৰ জীৱন ৰক্ষাৰ বাবে ডাঃ চান-য়েৎ-চেনে কেণ্টনৰ পৰা চাংঘাই লৈ পিছহোকি যাবলগীয়া হৈছিল। অৱশেষত ৰাছিয়াৰ সহায় সহযোগত ডাঃ চান-য়েৎ-চেনে চেন-চিউন-সিনক পৰাস্ত কৰি কেণ্টনৰ পৰা বহিষ্কৃত কৰিছিল তথা ডাঃ চান-য়েৎ-চেনে পুনৰবাৰ কেণ্টনত এক কেন্দ্রীয় চৰকাৰ প্রতিষ্ঠা কৰিছিল।

প্রথম বিশ্বযুদ্ধৰ পিছৰেপৰাই চীনদেশ আৰু ৰাছিয়াৰ মাজৰ সম্বন্ধ অধিক বন্ধুত্বপূর্ণ হৈ পৰিছিল। যেতিয়া পশ্চিমীয়া দেশসমূহে ডাঃ চান-য়েৎ-চেনৰ কেণ্টন চৰকাৰখনক সহায় কৰিবলৈ অমান্তি অমান্তি হৈছিল, তেতিয়া চেনক সহায় কৰিবৰ বাবে ৰাছিয়া আগবাঢ়ি আহিছিল। ১৯১৯ চনৰ ২৫ জুলাই তাৰিখৰ এক ঘোষণাপত্রৰ জৰিয়তে ৰাছিয়াৰ বলশ্লেভিক চৰকাৰে পূর্বতে জাৰৰ অধীনত ৰাছিয়াই চীনত লাভ কৰা বিশেষ অধিকাৰসমূহ ত্যাগ কৰিছিল। পিকিং চৰকাৰৰ লগত এক চুক্তি স্বাক্ষৰ কৰিবৰ বাবে ৰাছিয়াই এডলফ-এডোফ্ জোফীক ৰাছিয়াৰ প্রতিনিধি হিচাপে চীনলৈ প্রেৰণ কৰিছিল। ১৯২৩ চনৰ ২৫ জানুৱাৰীত চাংঘাইত ডাঃ চান-য়েৎ-চেনে জোফীৰ লগত এখন চুক্তি স্বাক্ষৰ কৰিছিল, যিখন চুক্তি চান-জোফি ঘোষণাপত্র নামেৰে জনাজাত। এই চুক্তিপত্র জৰিয়তে ঘোষণা কৰা হৈছিল যে সাম্যবাদী তথা ছোভিয়েট পদ্ধতি চীনৰ বাবে সুবিধাজনক

নহয়। চীনৰ ৰাষ্ট্ৰীয় ঐক্য স্থাপন তথা সম্পূৰ্ণ স্বাধীনতা লাভ কৰাত কুওমিনটাং দলক ৰাছিয়াই সম্পূৰ্ণ সমৰ্থন দিবলৈ ৰাছিয়া মান্তি হৈছিল। চীনৰ নৱ-প্ৰতিষ্ঠিত চৰকাৰখনক দেশৰ শাসনব্যস্থা সুকলমে লোৱাত সহায় কৰিবৰ বাবে ৰাছিয়াই চীনলৈ উপদেষ্টা প্ৰেৰণ কৰিব। সেই অনুসাৰে মাইকেল ব'ৰদিনৰ নেতৃত্বত ৰাছিয়াৰ এটা উপদেষ্টাৰ দল চীনলৈ প্ৰেৰণ কৰা হৈছিল। ৰজ্মাচ্ব চনৰ ছ অক্টোবৰত ব'ৰ'দিন আহি কেণ্টনত উপস্থিত হৈছিল। ডা° চান-য়েৎ-চেনে মাইকেল ব'ৰ' দিনৰ মুখ্য উদ্দেশ্য আছিল ৰাছিয়াৰ সাম্যবাদী দলৰ আদৰ্শত চীনৰ কুওমিনটাং দলৰ পুনৰ গঠন কৰা। কুওমিনটাং দলৰ সদস্যসকলক প্ৰশিক্ষণ দিবৰ বাবে চীনত এক অনুষ্ঠান গঠন কৰা হৈছিল। ৰাছিয়াৰ আৰ্হিত চীনত কুওমিনটাং দলৰ বহুতো স্থানীয় গোট গঠন কৰা হৈছিল। মাইকেল ব'ৰ'দিন আৰু ভি. কে. ব্লুচাৰ ৰ সহযোগত ১৯২৪ চনত ৰামপেৰাত এখন সামৰিক অনুষ্ঠান স্থাপন কৰা হৈছিল। চিংয়া-কাই-চেকক এই সামৰিক অনুষ্ঠানৰ অধীক্ষক তথা টৌ-এন-লাইক ৰাজনীতি বিভাগৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছিল। উল্লেখযোগ্য যে ডা° চান-য়েৎ-চেনৰ এক মুখ্য লক্ষ্য আছিল দক্ষিণ আৰু উত্তৰ চীনক একত্ৰিত কৰা। চেনে উত্তৰ চীনৰ তিনিজন গুৰুত্বপূৰ্ণ সামৰিক নেতাৰ সমৰ্থন লাভ কৰিছিল। কিন্তু উত্তৰ চীনৰ অধিকসংখ্যক নেতাই জাতীয়তাবাদী চৰকাৰৰ প্ৰতি আকৰ্ষিত নাছিল। তেওঁলোকে কেৱল নিজৰ ব্যক্তিগত স্বাৰ্থ তথা লাভালাভতহে গুৰুত্ব দিছিল। এই কথাই চেনক যথেষ্ট আঘাত দিছিল। অন্য এক ঘটনাই ডা° চান-য়েৎ-চেনক মৰ্মাহত কৰিছিল যেতিয়া উত্তৰ চীনৰ এজন সামৰিক নেতাই নিজৰ বিৰুদ্ধে প্ৰতিবাদ কৰা এদল ছাত্ৰৰ ওপৰত গুলীচালনা কৰিছিল। এনেদেৰে এক ভগ্ন হৃদয়ৰে ১৯২৫ চনৰ ১২ মাৰ্চত পিকিঙত ডা° চান-য়েৎ-চেনৰ মৃত্যু হৈছিল। এনেদৰেই চীনৰ প্ৰজাতন্ত্ৰৰ পিতৃ এ নিজৰ জীৱন হেৰুৱাব লগীয়া হৈছিল।

১২.৫.১ চীনত প্ৰজাতন্ত্ৰৰ উত্থান

চীনত প্ৰজাতন্ত্ৰৰ উত্থানে চীনৰ ইতিহাসত এক নতুন অধ্যায়ৰ শুভাৰম্ভ কৰিছিল। আমি ইতিমধ্যে অধ্যয়ণ কৰি আহিছো যে ১৯১১ চনৰ চীনৰ বিপ্লৱৰ পিছত চীনত মাঞ্চু ৰাজবংশৰ শাসনৰ অন্ত পৰিছিল আৰু তাৰ পিছত চীনত এখন প্ৰজাতন্ত্ৰ গঠন কৰা হৈছিল। বহুতো কাৰণে চীনত প্ৰজাতন্ত্ৰৰ উত্থানত অৰিহণা যোগাইছিল। চীনত পশ্চিমীয়া দেশসমূহৰ বাঢ়ি অহা ক্ষমতা তথা মাঞ্চু প্ৰশাসনৰ দিনক দিনে বাঢ়ি অহা দুৰ্বলতাই চীনত এক বিপ্লৱৰ সূত্ৰপাত হোৱাটো অতি প্ৰয়োজনীয় কৰি তুলিছিল যাতে চীনৰ পৰম্পৰাগত সমাজখনত এক বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিব পৰা যায়। আৰু সেই বৈপ্লৱিক পৰিৱৰ্তন আছিল ডা° চান-য়েৎ-চেনৰ নেতৃত্বত ১৯১২ চনত চীনত প্ৰজাতন্ত্ৰৰ উত্থান। চীনত প্ৰজাতন্ত্ৰৰ উত্থানৰ কিছুমান গুৰুত্বপূৰ্ণ কাৰণ আছিল এনেধৰণৰ-

- চীনত পশ্চিমীয়া দেশসমূহৰ আগমণ তথা শোষণ,
- মাঞ্চু প্ৰশাসনৰ বাঢ়ি অহা দুৰ্বলতা,

- মাঞ্চু প্রশাসনৰ দুনীতি,
- বক্সাৰ বিদ্রোহৰ বিফলতা,
- চীনৰ গোপন সংগঠনসমূহৰ ভূমিকা,
- চীনৰ সংস্কাৰমূলক কার্য্যসূচীসমূহ,
- মাঞ্চু সামৰিক বাহিনীৰ দুর্বলতা,
- পশ্চিমীয়া শিক্ষা আৰু সভ্যতাৰ প্রভাৱ,
- চীনত গণতান্ত্রিক চৰকাৰ গঠনৰ বাবে বাঢ়ি অহা দাবীসমূহ
- ডাঁ চান-য়েৎ-চেনৰ দলে নেতাৰ শক্তিশালী নেতৃত্ব,
- খ্রীষ্টান মিছনাৰী সকলৰ অৱদান ইত্যাদি

উপৰোক্ত কাৰণসূহ তথা অন্যান্য বহুতো কাৰণে চীনত প্রজাতন্ত্রৰ উত্থানৰ বাবে ভেটি নির্মাণ কৰিছিল। ১৯১১ চনৰ ২৯ ডিচেম্বৰত ডাঁ চান-য়েৎ-চেনক চীনৰ প্রজাতন্ত্রৰ প্রথম ৰাষ্ট্রপতি হিচাপে নির্বাচিত কৰা হৈছিল। কিন্তু য়াং-চি-কাইৰ সমর্থনত চেনে তেঁওৰ নৱনির্বাচিত ৰাষ্ট্রপতিৰ পদ ত্যাগ কৰিবলগীয়া হৈছিল। এনেদৰেই ১৯১২ চনৰ ১২ ফেব্রুৱাৰীত চীনৰ মাঞ্চু সম্রাটে সিংহাসন ত্যাগ কৰাৰ পিছত য়াং-চি-কাইয়ে চীনৰ প্রজাতন্ত্রৰ ৰাষ্ট্রপতিৰ পদত অধিষ্ঠিত হৈছিল। পিছলৈ ডাঁ চান-য়েৎ-চেনক চীনৰ দ্বাৰা গঠিত কুওমিনটাং দলে চীনত এখন জাতীয়তাবাদী চৰকাৰ গঠন কৰাত এক অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। চীনত এই প্রজাতান্ত্রিক চৰকাৰখন ১৯৪৯ চনৰ ১ অক্টোবৰলৈকে বর্তি আছিল। এনেদৰেই চীনত প্রজাতন্ত্রৰ উত্থানে চীনৰ ইতিহাসত এক অতি গুৰুত্বপূর্ণ স্থান দখল কৰিছে।

১২.৫.২ য়াং-চি-কাই

আমি ইতিমধ্যে অধ্যয়ণ কৰি আহিছো যে ১৯১১ চনৰ চীনৰ বিপ্লৱৰ শেষ পর্য্যায়ত বিপ্লৱীসকলৰ বাঢ়ি অহা ক্ষমতাৰ তথা শক্তিৰ সন্মুখত মাঞ্চু প্রশাসনে নিজকে বহুত সহায়হীন অনুভৱ কৰিছিল। গতিকে মাঞ্চু প্রশাসনে য়াং-চি- কাইক বিপ্লৱীসকলৰ বিৰুদ্ধে মাঞ্চু সেনাবাহিনীৰ নেতৃত্ব ল'বলৈ অনুৰোধ কৰিছিল। উল্লেখযোগ্য যে য়াং-চি-কাই চীনৰ পূর্বৰ সাম্রাজ্ঞী ডুৱেজাৰ-জু- চিৰ এজন ঘনিষ্ঠ বিশ্বাসী আছিল তথা তেঁও চীনৰ আটাইতকৈ উৎকৃষ্ট সেনাবাহিনীৰ নেতৃত্বত আছিল। সাম্রাজ্ঞীৰ মৃত্যুৰ পিছত য়া-চি-কাই মাঞ্চু দৰবাৰৰ পৰা বহিষ্কৃত কৰা হৈছিল। সেয়েহে মাঞ্চু প্রশাসনৰ অনুৰোধ মানি মাঞ্চু সৈন্যবাহিনীৰ নেতৃত্ব ল'বলৈ প্রথম অৱস্থাত তেঁও কিছু কুণ্ঠাবোধ কৰিছিল আৰু সেয়েহে এক সঠিক সিদ্ধান্তত উপনীত হ'বলৈ তেঁও কিছু সময় লৈছিল। গতিকে নিজকে অধিক শক্তিশালী কৰিবৰ বাবে বিপ্লৱীসকলে যথেষ্ট সময় পাইছিল। এনে পৰিস্থিতিত নিজকে বিপদৰ পৰা ৰক্ষা কৰিবৰ বাবে মাঞ্চু প্রশাসনে য়াং-চিং-

কাইক ৰক্ষাকর্তা হিচাপে গণ্য কৰিছিল। য়াং এজন অতি উচ্চাকাংক্ষী, সুবিধাবাদী তথা ক্ষমতালোভী প্রকৃতিৰ লোক আছিল। গতিকে পৰিস্থিতিৰ সুযোগ লৈ তেঁও মাঞ্চু প্রশাসনৰ সন্মুখত বহুতো দাবী উত্থাপন কৰিছিল আৰু উপায়হীন হৈ মাঞ্চু প্রশাসনে য়াং-চি- কাইৰ সেই দাবীসমূহ বিনাচর্তে মানি লৈছিল। অতি সোনকালে কাইক মাঞ্চু সৈন্যবাহিনী তথা নৌ-বাহিনীৰ নেতৃত্বত অধিস্থিত কৰা হৈছিল। তেঁওক প্রধানমন্ত্রীৰ পদবীও প্রদান কৰা হৈছিল। অতি সোনকালে য়াঙে বিপ্লৱীসকলৰ পৰা হংকং আৰু হানয়াং পুনৰুদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। কিন্তু য়াঙৰ প্রকৃত উদ্দেশ্য আছিল বিপ্লৱটো চীনত বাহাল ৰখা যাতে তেওঁ মাঞ্চু প্রশাসনৰ পৰা আৰু অধিক সা-সুবিধা লাভ কৰিব পাৰে। ইতিমধ্যে ১৯১২ চনৰ ১ জানুৱাৰীত ডা° চান-য়েৎ-চেনেক চীনৰ নতুন প্রজাতন্ত্রৰ ৰাষ্ট্রপতি হিচাপে মনোনীত কৰা হৈছিল। চেনে এই কথা ভালদৰেই জানিছিল যে কাইৰ নেতৃত্বাধীন সৈন্যবাহিনী বিপ্লৱীসকলৰ সৈন্যবাহিনীতকৈ যথেষ্ট শক্তিশালী। লগতে কাইৰ ক্ষমতালোভী স্বভাৱটোৰ বিষয়েও চেন জ্ঞাত আছিল। গতিকে মাঞ্চু ৰাজবংশক উচ্ছেদ কৰিবৰ বাবে ডা° চান-য়েৎ-চেনে ১৯১২ চনৰ ১৫ জানুৱাৰীত য়াং-চি কাইৰ লগত এক চুক্তি কৰিছিল যাৰ জৰিয়তে চেনে কাইৰ সমর্থনত ৰাষ্ট্রপতিৰ পদবীটো ত্যাগ কৰিব আৰু বিনিময়ত সিংহাসন ত্যাগ কৰিবলৈ য়াঙে মাঞ্চু সম্রাটক বাধ্য কৰিব বুলি চেন আৰু কাই দুয়োজনে প্রতিশ্রুতি দিছিল। অৱশেষত ১৯১২ চনৰ ১২ ফেব্রুৱাৰীত মাঞ্চু সম্রাটে সিংহাসন ত্যাগ কৰিছিল আৰু তাৰ পিছত ১৩ ফেব্রুৱাৰীত ডা° চান-য়েৎ-চেনে ৰাষ্ট্রপতিৰ পদৰপৰা ইস্তাফা দিছিল। ১৯১২ চনৰ ১৫ ফেব্রুৱাৰীত য়াং-চি-কাই চীনৰ প্রজাতন্ত্রৰ ৰাষ্ট্রপতি হিচাপে নির্বাচিত হৈছিল।

তাৰ পিছত য়াঙে চীনত প্রজাতান্ত্রিক শাসনৰ পৰিৱর্তে সামৰিক শাসনৰ প্রৱর্তন কৰিছিল। তেঁও চীনদেশক এজন সম্রাটৰ দৰে শাসন কৰিবলৈ যত্ন কৰিছিল আৰু জীনৰ ৰাজধানী নানকিঙৰ পৰা পিকিঙলৈ স্থানান্তৰিত কৰিছিল। কুওমিনটাং দলৰ বিৰোধীতা সত্বেও য়াঙে জার্মানী তথা জাপানৰপৰা বৈদেশিক ঋণ ল'বলৈ আৰম্ভ কৰিছিল। এনে পৰিস্থিতিত চেনে নিজৰ ভূল বুজি পাইছিল, গতিকে তেঁও ১৯১৩ চনত য়াঙৰ বিৰুদ্ধে এক বিদ্রোহ কৰিছিল। কিন্তু চেনৰ বিদ্রোহ বিফল হৈছিল আৰু নিজৰ জীৱন ৰক্ষাৰ বাবে চেনে জাপানলৈ পলায়ন কৰিছিল। তাৰ পিছত য়াঙে চীনৰ সামাজিক তথা ৰাজনৈতিক দিশত বহুতো পৰিৱর্তন সাধন কৰিছিল আৰু ১৯১৬ চনত য়াঙে নিজৰ বংশটোক 'হুং-চিয়েন' নামেৰে নামাকৰণ কৰিছিল তথা চীনক এজন সম্রাট হিচাপে শাসন কৰিছিল। কিন্তু জাপন, ইংলেণ্ড, ফ্রান্স, ইটালি আৰু ৰাছিয়াই য়াঙৰ ৰাজতন্ত্রৰ বিৰোধীতা কৰিছিল আৰু য়াঙৰ ৰাজতন্ত্রৰ বিৰুদ্ধে জাপানৰ প্রভাৱত চীনত এটা বিদ্রেহ সংঘটিত কৰা হৈছিল। ১৯১৬ চনত ২২ মার্চত য়াঙে তেওঁৰ ৰাজতান্ত্রিক চৰকাৰখন বাতিল কৰিবলৈ বাধ্য হৈছিল আৰু তাৰ পিছত তেওঁ চীনদেশত

প্ৰজাতান্ত্ৰিক চৰকাৰখন বাহাল থকা বুলি ঘোষণা কৰিছিল। ১৯১৬ চনৰ ৬ জুনত মানসিক অস্থিৰতাৰ ফলত য়াং-চি- কাইৰ মৃত্যু হৈছিল।

১২.৫.৩ ডাঁ চান-য়েৎ-চেনৰ ৰাজনৈতিক ধাৰণাসমূহ

ডাঁ চান-য়েৎ-চেন অকল এজন ৰাজনৈতিক সংস্কাৰকেই নাছিল, বৰঞ্চ তেঁও এজন এনে ব্যক্তি আছিল যি চীনৰ সমাজখনৰ পুনৰ গঠনো কৰিছিল। ১৯২৪ চনত তেওঁ কেণ্টনত তেওঁৰ সমৰ্থকসকলৰ সন্মুখত ছয়টা ভাষণ দিছিল আৰু পিছত এই ভাষণ সমূহ "চান-মিন-চু- আই" বা "জনসাধাৰণৰ ত্ৰি-সূত্ৰ" নামেৰে কিতাপ আকাৰত প্ৰকাশিত হৈছিল। তেঁওৰ ধাৰণাসমূহ এই কিতাপখনত প্ৰতিফলিত হৈছিল। ডাঁ চান-য়েৎ-চেনেৰ এই ত্ৰি সুত্ৰ কেইটা হৈছে- জাতীয়তাবাদ' বা "মিন-চু-চু-আই'; 'গণতন্ত্ৰ বা 'মিন-চুৱান-চু আই' আৰু 'জনসাধাৰণৰ জীৱিকা' বা "মিন-চিং-চু- আই'।

ডাঁ চান-য়েৎ-চেনৰ প্ৰথম সূত্ৰটো আছিল জাতীয়তাবাদ। এই সূত্ৰৰ মূল কথা আছিল মাঞ্চুসকল, যাক চীনৰ লোকসকলে সদায়েই বহিৰাগত হিচাপে গণ্য কৰিছিল; সহিতে বিদেশীসকলক চীনৰ পৰা বহিষ্কাৰ কৰা। এই সূত্ৰৰ অন্য এক দিশ আছিল চীনত জাতীয় অক্ষণ্ণতা তথা একতা প্ৰতিষ্ঠা কৰা। চীনত মাঞ্চু, মোগল, চীনা, তিব্বতী ইত্যাদি বিভিন্ন জাতি আৰু গোষ্ঠীৰ লোকে বসবাস কৰিছিল। এই সূত্ৰৰ জৰিয়তে ডাঁ চান-য়েৎ-চেনে এই সকলোবোৰ জাতি আৰু গোষ্ঠীক একত্ৰিত কৰি চীনত জাতীয়তাবাদৰ বিকাশ কৰিবলৈ বিচাৰিছিল। তেওঁ চীনৰ বাবে যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাৰ সমৰ্থন কৰা নাছিল, কাৰণ তেঁওৰ মতে এনে ধৰণৰ শাসন ব্যৱস্থাই চীনা জাতীয়তাবাদৰ বিকাশত বাধাৰ সৃষ্টি কৰিব পাৰে। বৰঞ্চ তেনে ধৰণৰ শাসন ব্যৱস্থাই চীনৰ দুৰ্বলতা প্ৰকাশ কৰি ভৱিষ্যতে বিদেশী আক্ৰমণৰ পথ মুকলি কৰিব পাৰে। গতিকে বহল অৰ্থত ডাঁ চান-য়েৎ-চেনৰ জাতীয়তাবাদৰ সূত্ৰৰ অৰ্থ চীনৰ সাম্ৰাজ্যবাদ তথা উপনিৱেশ বিস্তাৰ কৰা নাছিল, বৰঞ্চ চীনা জাতীয়তাবাদৰ অধীনত দেশৰ সকলো জাতিকে একত্ৰিত কৰা আছিল। চেনে পাঁচটা গুণৰ কথা কৈছিল যি দেশত প্ৰগতি সাধন কৰাৰ লগতে তেঁওৰ জাতীয়তাবাদৰ সূত্ৰটোকও আগবঢ়াই নিব পাৰিব। সেই গুণসমূহ হৈছে- অনুগত্যতা, কৰ্তব্য পৰায়ণ, পৰোপকাৰীতা, সততা আৰু শান্তিপ্ৰেমী।

ডাঁ চান-য়েৎ-চেনৰ দ্বিতীয় সূত্ৰটো আছিল গণতন্ত্ৰ। আৰম্ভণিৰে পৰাই তেঁও নৰমপন্থী সংস্কাৰকসকলে সমৰ্থন কৰা চীনত সাংবিধানিক ৰাজতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰৱৰ্তনৰ বিৰুধীতা কৰিছিল। তেঁও সদায় গণতন্ত্ৰৰ সমৰ্থন কৰিছিল যাৰ জৰিয়তে নিৰ্বাচনী প্ৰক্ৰিয়াৰ মাজেৰে জনসাধাৰণৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰা হয়। তেঁওৰ মতে গণতন্ত্ৰই জনসাধাৰণক কিছুমান ৰাজনৈতিক অধিকাৰ প্ৰদান কৰে যিবোৰ এখন লিখিত সংবিধানত লিপিবদ্ধ কৰিব লাগে। লগতে সংবিধানে প্ৰশাসনৰ বিভিন্ন অংগৰ মাজত

স্পষ্টভাৱে ক্ষমতাৰ বিভাজন কৰি দিব লাগে। কেৱল চহকী শ্ৰেণীক ভোটাধিকাৰ প্ৰদান কৰা নীতিৰ তেঁও বিৰোধীতা কৰিছিল। তেঁওৰ মতে এখন প্ৰকৃত গণতন্ত্ৰত ধনী-দুখীয়া প্ৰমুখ্যে সমাজৰ সকলো শ্ৰেণীৰ লোকেই ভোটাধিকাৰ লাভ কৰা উচিত। যিসকল লোক গণতন্ত্ৰৰ প্ৰতি আনুগত্যশীল, কেৱল তেনে লোকসকলকহে গণতন্ত্ৰত অংশ গ্ৰহণ কৰিবলৈ ডা° চান-য়েৎ-চেনে নিয়ন্ত্ৰণ কৰিছিল। তেঁও সংসদীয় শাসন ব্যৱস্থাৰ বিৰোধীতা কৰিছিল। তাৰ পৰিৱৰ্তে তেঁও ছুইজাৰলেণ্ডৰ শাসন ব্যৱস্থাৰ সমৰ্থন কৰিছিল য'ত জনসাধাৰণক প্ৰত্যক্ষভাৱে পদক্ষেপ, গণভোট তথা পদচ্যুতৰ অধিকাৰ প্ৰদান কৰা হৈছিল। কনফুচিয়াচৰ আদৰ্শত ডা° চান-য়েৎ-চেনে চীনৰ জনসাধাৰণক তিনিটা ভাগত ভাগ কৰিছিল, তাৰে এটা ভাগ হৈছে সেইসকল নেতা যি দেশৰ শাসনযন্ত্ৰ নিয়ন্ত্ৰণ কৰে, অন্য এটা ভাগ হৈছে সেইসকল ব্যক্তি যি নেতাসকলৰ আদৰ্শসমূহ সাধাৰণ জনতাৰ ওচৰত ব্যাখ্যা কৰে তথা শেষৰটো ভাগ হৈছে সেইসকল লোক যিসকলে একো নাজানে বা বুজি নাপায় কিন্তু নেতাসকলে কোৱা কথাসমূহ যিসকলে একো নাজানে বা বুজি নাপায় কিন্তু নেতাসকলে কোৱা কথাসমূহ মানি চলে। চেনৰ মতে কিছুদিন সামৰিক শাসন তথা ৰাজনৈতিক অস্থিৰতাৰ পিছতহে দেশত গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱা উচিত।

ডা° চান-য়েৎ-চেনৰ তৃতীয়টো সূত্ৰ আছিল জনসাধাৰণৰ জীৱিকা যাৰ জৰিয়তে তেঁও ভূমি তথা পুঁজি নিয়ন্ত্ৰণৰ সমবিতৰণ হোৱাটে বিচাৰিছিল। তেঁও বিশ্বাস কৰিছিল যে এখন কৃষিপ্ৰধান দেশ হিচাপে ভূমিৰ সমবিতৰণ হোৱাটো চীনদেশৰ প্ৰধান লক্ষ্য হোৱা উচিত যাতে সীমিত সংখ্যক লোকৰ অধিপত্যৰ অন্ত পেলাব পৰা যায়। এই সূত্ৰৰ জৰিয়তে চেনে ভূমিৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি কৃষকৰ ওপৰত কৰ নিৰ্ধাৰণ কৰিব বিচাৰিছিল। তেওঁ চৰকাৰে পুঁজি আৰু উদ্যোগসমূহ নিয়ন্ত্ৰণ কৰাটো বিচাৰিছিল, যাতে ব্যক্তিগত উদ্যোগৰ বিকাশ হ'ব নোৱাৰে। কিন্তু মাৰ্ক্সৰ সমৰ্থক চেন নাছিল। তেঁও চীনত ক্ষুদ্ৰ ব্যক্তিগত প্ৰতিষ্ঠান স্থাপনৰ সমৰ্থক চেন নাছিল। তেওঁ চীনত ক্ষুদ্ৰ ব্যক্তিগত প্ৰতিষ্ঠান স্থাপনৰ সমৰ্থন কৰিছিল তথা পুঁজি বৃদ্ধিৰ বাবে বৈদেশিক বিনিয়োগক তেওঁ উৎসাহ জনাইছিল। লগতে পশ্চিমীয়া প্ৰযুক্তিবিদ্যাৰ সহায়ত চীনত কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবেও তেঁও উৎসাহ জনাইছিল।

বহুতো সমালোচকে ডা° চান-য়েৎ-চেনৰ উপৰুক্ত তিনিটা সূত্ৰক অযুক্তিকৰ তথা অবাস্তাৰিক বুলি সমালোচনা কৰিছিল। জাতীয়তাবাদৰ সূত্ৰটোৰ জৰিয়তে চেনে চীনত এক কেন্দ্ৰীভূত শাসন ব্যৱস্থাৰ সমৰ্থন কৰিছিল, কিন্তু চীনদেশৰ বিভিন্ন গোষ্ঠীয়ে স্বাধীনতাৰ দাবীহে তুলিছিল। এনেদৰেই তেঁওৰ অন্য সূত্ৰ কেইটাও বিভিন্ন অজুহাতত সমালোচিত হৈছিল।

এইবোৰ সমালোচনা সত্বেও কোনোও এই কথা অস্বীকাৰ কৰিব নোৱাৰে যে ডা° চান-য়েৎ-চেনৰ নেতৃত্বত চীনত এক বৈপ্লৱিক পৰিৱৰ্তন হৈছিল। তেঁওৰ জৰিয়তে

চীনদেশত উদাৰতাবাদ আৰু গণতন্ত্ৰৰ এটা নতুন যুগৰ উত্থান হৈছিল। চীনত প্ৰজাতন্ত্ৰ স্থাপনৰ ক্ষেত্ৰত ডা° চান-য়েৎ-চেনে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেঁও সদায় জনসাধাৰণৰ উন্নতিৰ হকে কাম কৰিছিল। এই সকলোবোৰ অৱদানৰ বাবে ডা° চান-য়েৎ-চেনক 'আধুনিক চীনৰ পিতৃ' হিচাপে গণ্য কৰা হয়।

১২.৬ মে'-ফ' ৰ্থ আন্দোলন (MAY FOURTH MOVEMENT)

চীনৰ ইতিহাসত মে'- ফ'ৰ্থ আন্দোলনে এক অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। পিকিং বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে ১৯১৯ চনৰ ৪ মে' ত কৰা বিক্ষোভ প্ৰদৰ্শনৰ ফলস্বৰূপে সূত্ৰপাত হোৱা এইটো এটা সাম্ৰাজ্যবাদ বিৰোধী সাংস্কৃতিক থকা ৰাজনৈতিক আন্দোলন আছিল। প্ৰথম বিশ্বযুদ্ধৰ অন্তত স্বাক্ষৰিত ভাৰ্চাই সন্ধিতে এই আন্দোলনৰ বীজ নিহিত হৈ আছিল।

উল্লেখযোগ্য যে ১৯১৭ চনত মিত্ৰপক্ষৰ সমৰ্থনত চীনদেশে প্ৰথম বিশ্বযুদ্ধত অংশগ্ৰহণ কৰিছিল এইটো চুক্তিতে যে চানটুং প্ৰদেশকে আৰম্ভ কৰি সমগ্ৰ জাৰ্মানীৰ অধিকৃত অঞ্চল চীনক ঘুৰাই দিয়া হ'ব। কিন্তু ১৯১৯ চনৰ পেৰিছ শান্তি-চুক্তিত চানটুং অঞ্চলকে আদি কৰি কেইটামান জাৰ্মানীৰ অধিকৃত দ্বীপ জাপানে লাভ কৰিছিল। গতিকে ইয়াৰ প্ৰতিবাদস্বৰূপে চীনৰ প্ৰতিনিধি সকলে ভাৰ্চাই সন্ধি স্বাক্ষৰ কৰিবলৈ অমান্তি হৈছিল আৰু ১৯১৯ চনৰ চেপ্তেম্বৰ মাহত চীনে পৃথকৈ জাৰ্মানীৰ লগত এক চুক্তি আৰু অষ্ট্ৰিয়াৰ লগত চেইণ্ট জাৰ্মাইন সন্ধি স্বাক্ষৰ কৰিছিল। তাৰ জৰিয়তে জাপানৰ অনিস্থ সত্বেও চীনদেশ জাতিসংঘৰ সদস্য ৰাষ্ট্ৰ হৈছিল। পেৰিছ শান্তিচুক্তিত চীনৰ কূটনৈতিক পৰাজয়ে ১৯১৯ চনৰ মে মাহত চীনত মে' ফ'ৰ্থ আন্দোলনৰ সূত্ৰপাত হোৱাৰ পথ প্ৰশস্ত কৰিছিল। ১৯১৯ চনৰ ৪ মে'ত পিকিঙত চীনা ছাত্ৰসকলে চানদেশক মিত্ৰশক্তিয়ে কৰা বিশ্বাসঘাটকতা তথা পেৰিছ শান্তি চুক্তিত চীনৰ স্বাৰ্থক ৰক্ষা কৰাত চীনৰ চৰকাৰৰ বিফলতাৰ প্ৰতিবাদ স্বৰূপে এক বিক্ষোভ প্ৰদৰ্শন কৰিছিল। একেসময়তে এহাতে জাপানৰ ব্যৱসায়-বাণিজ্যৰ ক্ষতিসাধন কৰিবৰ বাবে আৰু অন্যহাতে চীনৰ ঘৰুৱা উদ্যোগসমূহৰ বিকাশৰ বাবে চীনত জাপানৰ বস্তু বৰ্জন কৰাৰো উকালতি কৰা হৈছিল। পিকেং বিশ্ববিদ্যালয়ৰ এই ছাত্ৰসকল তেঁওলোকৰ বিশ্ববিদ্যালয়ৰ অধ্যক্ষ তথা সেইসময়ৰ চীনৰ গণ্যমান্য নেতাসকলৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। এই নেতাসকলে চীনৰ বিজ্ঞান, প্ৰযুক্তিবিদ্যা তথা ৰাজনৈতিক দিশত আধুনিক ধাৰাৰ সূচনা হোৱাটো বিচাৰিছিল। এই বুদ্ধিজীৱি সকলে চীনৰ জনসাধাৰণৰ সাংস্কৃতিক তথা বৌদ্ধিক দিশত এক বৈপ্লৱিক পৰিৱৰ্তন চীনৰ জনসাধাৰণৰ সাংস্কৃতিক তথা বৌদ্ধিক দিশত এক বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিবৰ বাবে 'নতুন সোঁত' নামৰ এক আন্দোলন আৰম্ভ কৰিছিল যাতে বাহিৰা বিশ্বৰ বিকাশৰ লগত চীনদেশে খোজ মিলাই চলিব পাৰে। এই আন্দোলন 'নতুন সাংস্কৃতিক আন্দোলন' নামেৰেও জনাজাত।

১৯১৯ চনৰ ৫ মে' পিকিঙত ছাত্ৰসকলে হৰতাল কৰিছিল আৰু অনতিপলমে শ্ৰমিক আৰু ব্যৱসায়ীসকলে ছাত্ৰসকলক সমৰ্থন কৰিছিল তথা তেঁওলোকেও হৰতাল আৰম্ভ কৰিছিল। অতি সোনকালে এই আন্দোলনটো সমগ্ৰ চীনতে বিয়পি পৰিছিল আৰু ইয়াৰ কেন্দ্ৰ পিকিঙৰপৰা

চাংহাইলৈ স্থানান্তৰিত হৈছিল। অতি কম সময়ৰ ভিতৰত চীনৰ সমাজৰ বিভিন্ন শ্ৰেণীৰ লোক এই ছাত্ৰসকলৰ সমৰ্থনত আগবাঢ়ি আহিছিল।

এনেদৰেই মে'- ফ'ৰ্থ আন্দোলনে প্ৰাৰম্ভিক বিজয় লাভ কৰিছিল। এই আন্দোলন চীনৰ প্ৰায় ২০ খন প্ৰদেশ তথা ১০০ খন চহৰ জুৰি বিয়পি পৰিছিল। এই আন্দোলনে জনসাধাৰণৰ সজাগতা বৃদ্ধিত সহায় কৰিছিল। কৃষক তথা ব্যৱসায়িক গোষ্ঠীসমূহেও এই আন্দোলনক সমৰ্থন কৰিছিল তথা ইয়াত অংশগ্ৰহণ কৰিছিল। এই আন্দোলনে চীনত মাৰ্ক্সবাদৰ প্ৰসাৰত সহায় কৰিছিল আৰু এনেদৰেই চীনৰ সাম্যবাদী দল গঠনৰ বাবে আদৰ্শগত ভেটি নিমাৰ্ণ কৰিছিল। মে- ফ'ৰ্থ আন্দোলনে কুও মিনটাং দলৰ পুনৰ গঠনতে আৰিহণা যোগাইছিল।

এনেদৰেই মে'ফ'ৰ্থ আন্দোলন কেৱল চীনক মিত্ৰশক্তিয়ে কৰা বিশ্বাসঘাটকতা তথা ভাৰ্চাই শান্তি চুক্তিত চীনৰ স্বাৰ্থক ৰক্ষা কৰাত চীনৰ চৰকাৰৰ ব্যৰ্থতাৰ প্ৰতিবাদত কৰা এটা ৰাজনৈতিক আন্দোলনেই নহয় ৰৱঞ্চ পৃথিৰীৰ আধুনিক ৰাষ্ট্ৰসমূহৰ লগত খোজত খোজ মিলাই চীনদেশ আগবাঢ়ি যাবৰ বাবে আৰু চীনক আধুনিক কৰিবৰ বাবে কৰা এটা সাংস্কৃতিক আন্দোলনো আছিল। এই আন্দোলনে চীনৰ ইতিহাসত এটা নতুন যুগৰ আৰম্ভণি কৰিছিল।



অগ্ৰগতিৰ খতিয়ান

৪ 'চীন প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠাপক পিতৃ" হিচাপে কাক অভিহিত কৰা হয়?

.....

৫ কোনজন বৃটিছ মিছনাৰী চিকিৎসকৰ অধীনত চান-য়েৎ -চেনে চিকিৎসাশাস্ত্ৰ অধ্যয়ণ কৰিছিল?

.....

৬ কোন চনত "টুং-মিং- হুই" গঠন কৰা হৈছিল?

.....

৭ কোন চনত য়ুৱান-চি-কাইৰ মৃত্যু হৈছিল?

.....

৮ মে' ফ'ৰ্থ আন্দোলন কোনে সংগঠিত কৰিছিল?

.....



১২.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে,

- ১৯১১ চনৰ চীনৰ বিপ্লৱৰ ফলস্বৰূপে চীনদেশত মাঞ্চু ৰাজবংশৰ শাসনৰ অৱসান ঘটিছিল আৰু দেশত এখন প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা হৈছিল। ১৯১১ চনৰ চীনৰ বিপ্লৱৰ ডাং চান-য়েৎ-

চেনৰ নেতৃত্বত সংঘটিত হৈছিল। এই বিপ্লৱ কেৱল মাকু-বিৰোধীয়েই নাছিল বৰঞ্চ ৰাজতন্ত্ৰ বিৰোধী তথা বিদেশী -বিৰোধী প্ৰকৃতিৰো আছিল।

- ১৯১১ চনৰ চীনৰ বিপ্লৱ তৎকালীন কাৰণ আছিল চীনত ৰেলপথ ৰাষ্ট্ৰীয়কৰণ কৰা বিষয়টো।
- ডা° চান-য়েৎ-চেনক "আধুনিক চীনৰ নিৰ্মাতা" আৰু "চীন প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠানক পিতৃ" হিচাপে অভিহিত কৰা হয়।ৰজ্বৰৰ চনৰ চীনৰ বিপ্লৱ সংগঠিত কৰাত তেঁও এক অগ্ৰণী ভূমিকা পালন কৰিছিল।
- ১৯১১ চনৰ চীনৰ বিপ্লৱ অন্ত হোৱাৰ পিচত চেনে টুং- সিং- হুই আৰু অন্যান্য বিপ্লৱী সংগঠনৰ সকলো সদস্যকে একত্ৰিত কৰি 'কুও-মিন-টাং' নামৰ এটা শক্তি শালী দল গঠন কৰিছিল। চীনৰ একতা স্থাপন কৰাৰ ক্ষেত্ৰত এই দলে অতি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল।
- ১৯২১ চনৰ ডা° চান-য়েৎ-চেনক চীনৰ কেণ্টন চৰকাৰৰ ৰাষ্ট্ৰপতি হিচাপে ঘোষণা কৰা হৈছিল আৰু এই কেণ্টন চৰকাৰক চীনৰ প্ৰকৃত চৰকাৰ হিচাপে স্বীকৃতি দিবলৈ চেনে পশ্চিমীয়া দেশসমূহক অনুৰোধ জনাইছিল। কিন্তু পশ্চিমীয়া দেশসমূহে কৈছিল যে ৰাজতন্ত্ৰহে চানৰ বাবে উৎকৃষ্ট চৰকাৰ। সেই সময়ত চেনৰ চৰকাৰক সমৰ্থন কৰিবৰ বাবে কেৱল ৰাছিয়া আগবাঢ়ি আহিছিল।
- ১৯১১ চনৰ চীনৰ বিপ্লৱৰ শেষ পৰ্য্যায়ত মাঞ্চু প্ৰশাসনে য়া-চি কাইক বিপ্লৱীসকলৰ বিৰুদ্ধে মাঞ্চু সৈন্যবাহিনীৰ নেতৃত্ব ল'বলৈ অনুৰোধ কৰিছিল আৰু তেঁও এই অনুৰোধ মানি লৈছিল। কিন্তু অনতিপলমে মাঞ্চু ৰাজবংশক উচ্ছেদ কৰিবৰ বাবে ডা° চান-য়েৎ-চেনে ১৯১২ চনৰ ১৫ জানুৱাৰীত য়াং-চি- কাইৰ লগত এক চুক্তি কৰিছিল যাৰ জৰিয়তে চেনে জানুৱাৰীত য়াং-চি- কাইৰ লগত এক চুক্তি কৰিছিল যাৰ জৰিয়তে চেনে কাইৰ সমৰ্থনত ৰাষ্ট্ৰপতিৰ পদবীটো ত্যাগ কৰিব আৰু তাৰ বিনিময়ত সিংহাসন ত্যাগ কৰিবলৈ য়াঙে মাৰু সম্ৰাটক বাধ্য কৰিব বুলি চেন আৰু কাই দুয়োজনে দুয়োজনক প্ৰতিশ্ৰুতি দিছিল।
- পিকিং বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে ১৯১৯ চনৰ ৪ মে'ত সংগঠিত কৰা বিক্ষোভ প্ৰদৰ্শনৰ ফলস্বৰূপে সূত্ৰপাত হোৱা মে' -ফ'ৰ্থ আন্দোলন এটা সাম্ৰাজ্যবাদ- বিৰোধী সাংস্কৃতিক আৰু ৰাজনৈতিক আন্দোলন আছিল। চীনদেশক মিত্ৰশক্তিয়ে কৰা বিশ্বাসঘাটকতা তথা ভাচাই শান্তিচুক্তিত চীনৰ স্বাৰ্থক ৰক্ষা কৰাত চীনৰ চৰকাৰৰ বিফলতাৰ প্ৰতিবাদস্বৰূপে এই আন্দোলনৰ সূত্ৰপাত হৈছিল।
- মে' -ফ'ৰ্থ আন্দোলন চীনক আধুনিক কৰিবৰ বাবে কৰা এটা সাংস্কৃতিক আন্দোলনো যাতে পৃথিৱীৰ আধুনিক ৰাষ্ট্ৰসমূহৰ লগত খোজত খোজ মিলাই চীনদেশ আগবাঢ়ি যাব

পাৰে, এই আন্দোলনে কুওমিনটাং দলৰ পুনৰ গঠনত অৰিহণা যোগাইছিল তথা চীনত মার্ক্সবাদৰ প্ৰসাৰত সহায় কৰিছিল আৰু এনেদৰেই চীনৰ সাম্যবাদী দল গঠনৰ বাবে আদৰ্শগত ভেটি নিমাৰ্ণ কৰিছিল।



১২.৮ অধিক জানিবলৈ

1) Singh, A.K., (1984), *History of Far East In Modern Times*, Delhi-110007, Surject Publications.

2) Vinacke, H.M., (1982), *A History of The Far East In Modern Times*, New Delhi, Kalyani Publications.



১২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ডা° চান-য়েৎ- চেন।

২ নং প্ৰশ্নৰ উত্তৰঃ চীনৰ স্থানীয় প্ৰশাসনৰ অসন্তুষ্টি

৩ নং প্ৰশ্নৰ উত্তৰঃ মাঞ্চু ৰাজবংশৰ উচ্ছেদ ঘটাই এই বিপ্লৱে চীনৰ ইতিহাসত এক নতুন যুগৰ পাতনি মেলিছিল

৪ নং প্ৰশ্নৰ উত্তৰঃ ডা° চান-য়েৎ- চেন।

৫ নং প্ৰশ্নৰ উত্তৰঃ চাৰ জেমচ্ কেনটাইল।

৬ নং প্ৰশ্নৰ উত্তৰঃ ১৯০৫ চনত।

৭ নং প্ৰশ্নৰ উত্তৰঃ ১৯১৬ চনত।

৮ নং প্ৰশ্নৰ উত্তৰঃ পিকিং বিশ্বদ্যিালয়ৰ ছাত্ৰসকলে।



১২.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ চীনৰ লোকসকলে নিজৰ দেশখনক কি নামেৰে মাতিছিল?

প্ৰশ্ন ২ঃ কুৱাং-চু কোন আছিল?

প্ৰশ্ন ৩ঃ 'টুং-মিং-হুই' ৰ প্ৰতিষ্ঠাপক কোন আছিল?

প্ৰশ্ন ৪ঃ এডলফ- এডোলফ- জোফী কোন আছিল?

প্ৰশ্ন ৫ঃ কোন চনত চীনত মে'ফ'ৰ্থ আন্দোলনৰ সূত্ৰপাত হৈছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ১৯১১ চনৰ চীনৰ বিপ্লৱৰ দুটা কাৰণ লিখক।

প্ৰশ্ন ২ঃ 'ৰিভাইভ চাইনা চ'চাইটি'ৰ দুটা লক্ষ্য বা উদ্দেশ্য লিখক।

প্ৰশ্ন ৩ঃ ডা° চান-য়েৎ-চেনৰ ত্ৰি-সূত্ৰ কেইটা কি কি আছিল?

প্ৰশ্ন ৪ঃ চীনত মে' ফ'ৰ্থ আন্দোলন সংগঠিত হোৱাৰ দুটা কাৰণ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ বক্সাৰ প্ৰ'ট'কলৰ মুখ্য চৰ্তসমূহ কি কি আছিল?

প্ৰশ্ন ২ঃ ১৯১১ চনৰ চীনৰ বিপ্লৱৰ কাৰণ আৰু ফলাফলসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ চীনৰ প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠাপক পিতৃ হিচাপে ডা° চান-য়েৎ-চেনৰ এক মূল্যাংকন কৰক।

প্ৰশ্ন ৪ঃ ডা° চান-য়েৎ-চেনৰ সূত্ৰসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৫ঃ য়াং-চি- কাইৰ বিষয়ে এক চমু টোকা লিখক।

প্ৰশ্ন ৬ঃ চীনত প্ৰজাতন্ত্ৰৰ উত্থানৰ কাৰণসূহ আলোচনা কৰক।

* * * * *

অধ্যায় ১৩ ঃ চীনত ৰাজনৈতিক আন্দোলন

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ১৯২০ চনৰ পৰা হোৱা ৰাজনৈতিক অস্থিৰতা

১৩.৪ কুওমিনটাং আৰু চিয়াং-কাই-চেক

১৩.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১৩.৬ অধিক জানিবলৈ

১৩.৭ অগ্রগতিৰ খতিয়ান

১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ণ কৰি আপুনি —

- চীনদেশত ১৯২০ চনৰ পৰা হোৱা ৰাজনৈতিক অস্থিৰতাৰ বিষয়ে বহলাই ক'ব পাৰিব
- চিয়াং-কাই-চেকৰ বিষয়ে জানিব পাৰিব
- মাও-চে-তুং আৰু চীনৰ সাম্যবাদী দলৰ বিকাশৰ বিষয়ে বর্ণনা কৰিব পাৰিব

১৩.২ পৰিচয়

আগৰ অধ্যায়ত আমি ইতিমধ্যে অধ্যয়ন কৰি আহিছো যে মাঞ্চু সকলৰ শাসনৰ অন্ত পেলোৱাৰ পিছত নানকিঙক ৰাজধানী হিচাপে লৈ ১৯১২ চনত চীনদেশত এখন প্রজাতন্ত্র প্রতিষ্ঠা কৰা হৈছিল। লগতে আমি অধ্যয়ণ কৰি আহিছো যে ১৯১৬ চনত য়ুৱান-চি-কাইৰ মৃত্যু হোৱাৰ পিছত ডা°- চান-য়েৎ-চেনে কেণ্টনত এখন স্বাধীন সামৰিক চৰকাৰ প্রতিষ্ঠা কৰিছিল, যিখন চৰকাৰক চীনদেশৰ প্রকৃত চৰকাৰ হিচাপে ঘোষণা কৰা হৈছিল। কিন্তু ৰাছিয়াৰ বাহিৰে অন্য সকলোবোৰ বিদেশী দেশেই এই কেণ্টন চৰকাৰখনক চীনৰ প্রকৃত চৰকাৰ হিচাপে স্বীকৃতি দিবলৈ অস্বীকাৰ কৰিছিল। এই কথাই ডা°- চান-য়েৎ-চেনক যথেষ্ট অসন্তুষ্ট কৰিছিল। ডা°- চান-য়েৎ-চেনৰ এক মুখ্য উদ্দেশ্য আছিল চীনৰ উত্তৰ আৰু দক্ষিণ অঞ্চলক একত্রিত কৰি চীনদেশত বিৰোধীতাৰ বাবে চেনে তেওঁৰ উদ্দেশ্য পূৰণ কৰিব নোৱাৰিলে। গতিকে এখন ভগ্ন হৃদয়ৰে পিকিঙৰ এখন চিকিৎসালয়ত ১৯২৫ চনৰ ১২ মার্চত ডা°- চান-য়েৎ-চেনৰ মৃত্যু হৈছিল।

এই অধ্যায়ত আমি ১৯২০ চনৰ পৰা চীনদেশত হোৱা ৰাজনৈতিক অস্থিৰতাৰ বিষয়ে আলোচনা কৰিম যি অস্থিৰতাৰ ১৯৪৯ চনত চীনদেশত সাম্যবাদী চৰকাৰ প্রতিষ্ঠা হোৱাৰ পিছত অন্ত হৈছিল।

১৩.৩ ১৯২০ চনৰ পৰা হোৱা ৰাজনৈতিক অস্থিৰতা (POLITICAL CRISIS IN THE 1920'S)

ডা°- চান-য়েৎ-চেনৰ নেতৃত্বত চীনৰ কুওমিনটাং দল বা জাতীয়তাবাদী দলে প্ৰতিষ্ঠান কৰা চীনদেশৰ প্ৰজাতান্ত্ৰিক চৰকাৰে দেশত ৰাজনৈতিক সুস্থিৰতা প্ৰদান কৰাত ব্যৰ্থ হৈছিল। তাৰ পৰিৱৰ্তে প্ৰতিষ্ঠাৰ সময়ৰে পৰাই চীনৰ প্ৰজাতান্ত্ৰিক চৰকাৰে বহুতো প্ৰত্যাহ্বান সন্মুখিন হ'বলগীয়া হৈছিল যাৰ ফলস্বৰূপে এই প্ৰজাতন্ত্ৰ বেছিদিন বাৰ্তি থাকিব নোৱাৰিলে। অকল সেয়াই নহয়, এই প্ৰজাতন্ত্ৰই চীনৰ ৰাজনৈতিক দৃশ্যপটত এক অস্থিৰতাৰ সৃষ্টি কৰিছিল। যি অস্থিৰতাই চীনদেশত এখন সাম্যবাদী চৰকাৰ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত কৰিছিল।

১৯২০ চনৰপৰা চীনদেশত হোৱা ৰাজনৈতিক অস্থিৰতাৰ উত্থান তথা বিকাশত বহুতো কাৰণে অৰিহণা যোগাইছিল। তাৰে ভিতৰত কেইটামান মুখ্য কাৰণ আছিল যুৱান-চি-কাইৰ উচ্চকাংক্ষা মনোভাৱ, উত্তৰ চীনৰ যুদ্ধবাদী নেতাসকলৰ বিৰোধীতা আৰু কেণ্টন চৰকাৰক স্বীকৃতি দিবলৈ বিদেশী দেশসমূহে কৰা অস্বীকাৰ ইত্যাদি। ইতিমধ্যে আমি আগৰ অধ্যায়ত এইসকলোবোৰ কাৰণৰ বিষয়ে আলোচনা কৰি আহিছো।

ইয়াৰ উপৰিও চীনদেশত হোৱা এই ৰাজনৈতিক অস্থিৰতাৰ বিকাশ বহুতো অন্য কাৰণে প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে অৰিহণা যোগাইছিল আৰু তাৰে ভিতৰত কিছুমান গুৰুত্বপূৰ্ণ কাৰণ আছিল চীনৰ সাম্যবাদী দলৰ প্ৰতিষ্ঠা, চীনদেশত সাম্যবাদী আন্দোলনৰ বিকাশ আৰু কুওমিনটাং আৰু সম্যবাদীসকলৰ মাজত বাঢ়ি অহা সংঘৰ্ষ ইত্যাদি। এই সংঘৰ্ষই চীনৰ ৰাজনৈতিক সুস্থিৰতা ভংগ কৰিছিল তথা সমগ্ৰ চীনতে এক বিশ্বংখন পৰিস্থিতিৰ সৃষ্টি কৰিছিল যি চীনৰ ভৱিষ্যত ইতিহাসত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল।

উল্লেখযোগ্য যে ১৯১৮ চনত পিকিং বিশ্বদ্যিালয়ৰ বুদ্ধিজীৱি সকলে মাৰ্ক্সবাদৰ অধ্যয়ন আৰম্ভ কৰাৰ পৰাই চীনদেশত সাম্যবাদী আন্দোলনৰ সূচনা হৈছিল বুলি কচ পাৰি। মাৰ্ক্সবাদৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ ১৯২১ চনত চীনৰ প্ৰথম সাম্যবাদী দল প্ৰতিষ্ঠা কৰা হৈছিল আৰু চাংঘাইত ইয়াৰ মুখ্য কাৰ্য্যলয় স্থাপন কৰা হৈছিল। আমি ইতিমধ্যে অধ্যয়ণ কৰিছো যে ডা°- চান-য়েৎ-চেনৰ সময়ত প্ৰথম বিশ্বযুদ্ধৰ পিছত চীনদেশ আৰু ৰাছিয়াৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ় লৈ উঠিছিল। তাৰপিছত ৰাছিয়াৰ পৰা চীনদেশলৈ অহা প্ৰতিনিধি তথা আদৰ্শসমূহে চীনদেশত নতুনকৈ গঢ় লৈ উঠা সাম্যবাদী আদৰ্শক অধিক শক্তি শালী কৰি গঢ়ি তুলিছিল। চীনৰ সাম্যবাদী দল ৰাছিয়াৰ সাম্যবাদী দলৰদ্বাৰা অনুপ্ৰাণিত হৈছিল আৰু আৰ্ন্তৰাষ্ট্ৰীয় সাম্যবাদী সংস্থা বা কমিনটাৰ্ণে এই চীনৰ সাম্যবাদী দলক স্বীকৃতি দিছিল। ১৯২১ চনৰ ১ জুলাইত চাংঘাইত চীনৰ সাম্যবাদী দলৰ প্ৰথম বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল। এই অধিৱেশনখনত প্ৰায় পঞ্চাচজন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছিল যাৰ ভিতৰত মাও-চে-তুং, পি-য়ু, চেন-টু-চিন ইত্যাদি বিশেষভাৱে উল্লেখযোগ্য আছিল। এই আধিৱেশনত প্ৰথমবাৰৰ বাবে চীনৰ সাম্যবাদী দলৰ সংবিধানখন গ্ৰহণ কৰা হৈছিল আৰু চেন-টু-চিনক ইয়াৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হৈছিল। চীনৰ সাম্যবাদী দলৰ মুখ্য উদ্দেশ্য আছিল

যুদ্ধবাদী নেতাসকলক বহিষ্কাৰ কৰা, বিদেশী সাম্ৰাজ্যবাদৰ প্ৰতিৰোধ কৰা আৰু চীনদেশত ঐক্যতা স্থাপন কৰা । চীনৰ সাম্যবাদী দলৰ গঠনে চীনদেশৰ ইতিহাসত এটা নতুন অধ্যায়ৰ সূচনা কৰিছিল।

১৯২২ চনত এক চুক্তি অনুসৰি চীনৰ সাম্যবাদী দলৰ সদস্য সকলে কুওমিনটাং দলত যোগদান কৰিছিল। একে সময়তে চীনৰ সাম্যবাদী দলে নিজৰ সুকীয়া অৱস্থিতিও বৰ্তাই ৰাখিছিল। এই একত্ৰিকৰণৰ মুখ্য উদ্দেশ্য আছিল চীনৰ জাতীয়তাবাদী আন্দোলনক সহায় কৰা তথা কুওমিনটাং দলত ভিতৰত থাকি চীনৰ সাম্যবাদী দলৰ বিকাশ কৰা। অনতিপলমে চীনত থকা ৰাছিয়াৰ প্ৰতিনিৰ্ধি মাইকেল ব'ৰ'দিনৰ নেতৃত্বত ৰাছিয়াৰ সাম্যবাদী দলৰ আৰ্হিত চীনৰ কুওমিনটাং দলৰ পুনৰগঠন কৰা হৈছিল। কিন্তু এই কথা কুওমিনটাং দলৰ সোঁপন্থী সদস্যসকলে ভালপোৱা নাছিল আৰু তেঁওলোকে চীনৰ কুওটাং দলত ৰাছিয়াৰ বাঢ়ি অহা প্ৰভাৱৰ অন্ত পেলাব বিচাৰিছিল। একেসময়তে এটা দলত দুটা ভিন্ন আদৰ্শৰ সহাৱস্থান যথেষ্ট বিপদজনক আছিল আৰু অনতিপলমে ইয়াৰ ফলস্বৰূপে চীনৰ জাতীয়তাবাদী দল বা কুওমিনটাং দলৰ সোঁপন্থী আৰু বাঁওপন্থী সদস্যসকলৰ মাজত মুকলি সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। ডা°- চান-য়েৎ-চেনে কুওমিনটাং দলৰ দুটা ভিন্ন আদৰ্শত বিশ্বাসী এই দুটা পন্থী সদস্যক একত্ৰিত কৰি ৰাখিবলৈ সক্ষম হৈছিল। কিন্তু ডা°- চান-য়েৎ-চেনৰ মৃত্যুৰ পিছত চিয়াং- কাই-চেকে কুওমিনটাং দলৰ নেতৃত্ব গ্ৰহণ কৰিছিল তথা তেঁও এক সাম্যবাদ-বিৰোধী মত পোষণ কৰিছিল। চিয়াং-কাই-চেকে কুওমিনটা দলৰ সাম্যবাদী সকলৰ বিৰুদ্ধে এক বৈষম্যমূলক আচৰণ আৰম্ভ কৰিছিল তথা তেঁওলোকক কুওমিনটাং দলৰ গুৰুত্বপূৰ্ণ পদবীসমূহৰ পৰা বহিষ্কাৰ কৰিছিল। ইয়াৰ উপৰিও কুওমিনটাং দলৰ সদস্যসকলক সাম্যবাদী দলত যোগদান কৰাত তেঁও বাধা আৰোপ কৰিছিল। এনেদৰেই চিয়াং-বাই-চেকে চীনত সাম্যবাদীৰ শক্তি বৃদ্ধিত যথেষ্ট বাধাৰ সৃষ্টি কৰিছিল যি সাম্যবাদী সকলক যথেষ্ট অসন্তুষ্ট কৰিছিল।

অন্য এক ঘটনাই চীনত কুওমিনটাং আৰু সাম্যবাদীৰ মাজৰ সম্বন্ধ অধিক বেয়াৰ ফালে ঢাল খোৱাইছিল। ১৯২৭ চনত সাম্যবাদী সকলক কুওমিনটাং দলৰ পৰা বহিষ্কাৰ কৰা হৈছিল। এই ঘটনা "হানকাও নিকাকৰণ" নামেৰে জনাজাত। ইয়াৰ পিছত আৰু কিছুমান অ প্ৰীতিকৰ ঘটনাৰ সূত্ৰপাত হৈছিল। এনেদৰেই বিংশ শতিকাৰ দ্বিতীয় দশকত চীনৰ জাতীয়তাবাদী দলৰ কুওমিনটাং আৰু সাম্যবাদী সদস্যসকলৰ মাজত এক নিৰবিচ্ছিন্ন সংঘৰ্ষ লাগিছিল যে চীনদেশত ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি কৰিছিল। কুওমিনটাং শক্তিৰ পৰাজয় তথা ১৯৪৯ চনত চীনত সাম্যবাদী চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ লগে লগেই চীনদেশত এই ৰাজনৈতিক অস্থিৰতাৰ অন্ত পৰিছিল।

১৩.৪ কুওমিনটাং আৰু চিয়াং-কাই-চেক (KUOMINTANG AND CHIANG- KAI-SHEK)

ডা°- চান-য়েৎ-চেনৰ আকস্মিক মৃত্যুৰ পিছত চীনদেশৰ ৰাজনৈতিক ক্ষেত্ৰত এক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হৈছিল। চেনৰ মৃত্যুৰ পিচত তেওঁৰ এজন ঘনিষ্ঠ সমৰ্থক চিয়াং-কাই-চেকৰ হাতত কুওমিনটাং দল তথা চীনৰ নৱপ্ৰতিষ্ঠিত জাতীয়তাবাদী চৰকাৰৰ নেতৃত্ব অৰ্পন কৰা হৈছিল।

১৮৮৭ চনৰ ৩১ অক্টোবৰত চেকিয়াং প্ৰদেশত চিয়াং-আই- চেকে জন্ম গ্ৰহণ কৰিছিল। তেঁও প্ৰথমে চীনদেশত আৰু তাৰ পিছত জাপানত সামৰিক শিক্ষা গ্ৰহণ কৰিছিল। ১৯১১ চনৰ চীনৰ বিপ্লৱৰ এক সংকটপূৰ্ণ সময়ত তেঁও এটা বিপ্লৱী সৈন্যবাহিনীৰ দলৰ নেতৃত্বও বহন কৰিছিল। তাৰ পিছত তেঁও ডাং চান-য়েৎ-চেনৰ সচিব হিচাপে নিযুক্তি লাভ কৰিছিল আৰু সেই পদত চেকে ১৯২০ চনলৈ অধিস্থিত আছিল। তাৰ পিছত আধুনিক সামৰিক প্ৰশিক্ষণ ল'ৰৰ বাবে চিয়াং-কাই-চেক ৰাছিয়ালৈ গৈছিল। ৰাছিয়াৰ পৰা চীনদেশলৈ ঘূৰি অহাৰ পিছত চেকক ১৯২৪ চনত ৰামপুৱা সামৰিক অনুষ্ঠানৰ অধীক্ষক পদত নিযুক্তি দিয়া হৈছিল।

ইতিমধ্যে ডাং- চান-য়েৎ-চেনৰ মৃত্যুৰ পিছত এখন সমিতিয়ে কেণ্টন চৰকাৰখন পৰিচালনা কৰিছিল আৰু এই সমিতিৰ অধ্যক্ষ আছিল ৰাং-চিং-ৰেই। এই কেণ্টন চৰকাৰখনকেই আনুষ্ঠানিক ভাৱে চীনৰ জাতীয়তাবাদী চৰকাৰ হিচাপে ঘোষণা কৰা হৈছিল। ৰাং এজন বাঁওপন্থী সংস্কাৰক আছিল, গতিকে কুওমিনটাং দলৰ সোঁপন্থী সদস্যসকলে তেঁওৰ নেতৃত্বাধীন চৰকাৰখনৰ বিৰোধিতা কৰিছিল। ইতিমধ্যে চিয়াং-কাই-চেক ক্ষমতালৈ অহাৰ পিছত কুওমিনটাং দলে এটা সাম্যবাদ- বিৰোধী মত পোষণ কৰিছিল কাৰণ চীনদেশৰ আভ্যন্তৰীণ ৰাজনীতিত ৰাছিয়াৰ দিনে দিনে বাঢ়ি অহা হস্তক্ষেপক চিয়াং-কাই-চেকে অকনো ভাল পোৱা নাছিল। গতিকে ১৯২৫ চনৰ নৱেম্বৰ মাহত কুওমিনটাং দলৰ সোঁপন্থী সদস্যসকলে এক 'সংকল্প' প্ৰকাশ কৰি প্ৰকাশ্যভাৱে দলৰ বাঁও পন্থী সদস্যসকলক নিন্দা তথা দোষাৰোপ কৰিছিল আৰু লগতে সাম্যবাদীসকলক কুওমিনটাং দলৰপৰা বহিষ্কাৰ কৰা হৈছিল। কিন্তু সাম্যবাদী সকলে পৰাজন স্বীকাৰ কৰা নাছিল আৰু ৰজ্জাচ্ছ চনৰ জানুৱাৰী মাহত অনুষ্ঠিত কুওমিনটাং দলৰ দ্বিতীয় বাৰ্ষিক অধিৱেষনত কুওমিনটাং দলৰ সাম্যবাদী সদস্যসকলে দলৰ সাম্যবাদ-বিৰোধী সদস্য সকলতকৈ সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। এনেদৰেই কুওসিনটাং দলৰ সাম্যবাদী আৰু কুওমিনটাং সদস্য সকলৰ মাজত এক আভ্যন্তৰীণ সংঘৰ্ষৰ সূত্ৰপাত হৈছিল।

সেই একে সময়তে চিয়াং-কাই-চেকে উত্তৰ চীন অঞ্চল জয় কৰি সমগ্ৰ চীনদেশখনক একত্ৰিত কৰিবৰ বাবে যত্ন কৰিছিল। উল্লেখযোগ্য যে মাঞ্চুৰিয়াকে আদি কৰি উত্তৰ চীন অঞ্চল কিছুমান যুদ্ধবাদী নেতাই শাসন কৰিছিল আৰু ডাং চান-য়েৎ-চেনৰ ভ্ৰক সপোন আছিল চীনৰ এই উত্তৰ অংশক জাতীয়তাবাদী চৰকাৰৰ অধীনলৈ আনি চীনদেশখনক একত্ৰিত কৰা। গতিকে চেনৰ এই সপোনক বাস্তৱত ৰূপায়িত কৰাটো চিয়াং-কাই-চেকৰ ভ্ৰক মুখ্য উদ্দেশ্য আছিল। সেই উদ্দেশেই ১৯২৬ চনত চিয়াং-কাই-চেকে কুওমিনটাং সৈন্যবাহিনী লৈ তেওঁৰ উত্তৰ চীন অভিযান আৰম্ভ কৰিছিল। অতি কম সময়ৰ ভিতৰতে এক সু-সগঠিত আঁচনিৰে কুওমিনটাং সৈন্য বাহিনীয়ে দক্ষিণ চীনৰপৰা হানকাও আৰু তাৰ পিছত য়ানজেৎ উপত্যকাৰ পৰা নান কিং তথা চাংঘাইলৈ অগ্ৰগতি লাভ কৰিছিল। চাংঘাই চহৰ ব্যৱসায়-বাণিজ্য তথা উদ্যোগৰ প্ৰধান কেন্দ্ৰ স্বৰূপ আছিল। গতিকে চাংঘাইৰ বিজয়ে চিয়াং- কাই-চেকৰ শক্তি তথা সন্মান বৃদ্ধি কৰিছিল।

কুওমিনটাং দলৰ সাম্যবাদী আৰু কুওমিনটাং সদস্যসকলৰ মাজত বাঢ়ি অহা সংঘৰ্ষই কিছু সময়ৰ বাবে কুওমিনটাং সৈন্যবাহিনীৰ অগ্ৰগতিত বাধাৰ সৃষ্টি কৰিছিল। ১৯২৭ চনৰ ৰ জানুৱাৰীত মে ডাম চান-য়েৎ-চেন,ৱাং-চিং- ৱেই, মাইকেল ৱ'ৰ'দিন আদি সাম্যবাদী নেতাই চীনৰ উদ্যোগিক

চহৰ য়ুহানত য়ুহান প্ৰশাসন প্ৰতিষ্ঠা কৰিছিল আৰু এই কথাই কুওমিনটাং দলৰ সাম্যবাদী আৰু কুওমিনটাং সদস্যসকলৰ মাজৰ বিভাজনক আধিক স্পষ্ট কৰি তুলিছিল। হানকাও, হানয়াং, য়ুচাং ইত্যাদি চহৰ য়ুহান প্ৰশাসনৰ অন্তৰ্গত আছিল। য়ুহান প্ৰশাসনৰ সমৰ্থক সকলে (অৰ্থাৎ বাঁওপন্থী কুওমিনটাং আৰু সাম্যবাদীসকলে) চীনৰ এক সমাজবাদী বিপ্লৱৰ বাবে দাবী তুলিছিল। অনতি পলমে চিয়াং-কাই- চেকৰ নেতৃত্বত কুওমিনটাং দলৰ গোড়া সোঁপন্থী সদস্যসকলে ১৯২৭ চনৰ এপ্ৰিল মাহত নানকিং চহৰত পৃথককৈ এক জাতীয়তাবাদী চৰকাৰ প্ৰতিষ্ঠা কৰিছিল আৰু নানকিঙৰ পৰাই তেওঁলোকে সাম্যবাদী সকলৰ বিৰুদ্ধে আক্ৰমণ আৰম্ভ কৰিছিল। ১৯২৭ চনত সাম্যবাদী সকলক কুওমিনটাং দলৰ পৰা বহিষ্কাৰ কৰা হৈছিল। এই ঘটনা "হানকাও নিকাকৰণ" ঘটনা নামেৰে জনাজাত। অপয্যাপ্ত সামৰিক শক্তিৰ বাবেই য়ুহান প্ৰশাসন বেছিদিন বৰ্তি থাকিব নোৱাৰিলে। অৱশেষত য়ুহান প্ৰশাসনৰ পৰা ৰাছিয়াৰ পৰামৰ্শদাতাসকলক বহিষ্কাৰ কৰা হৈছিল আৰু তাৰ পিছত এই প্ৰশাসন ভংগ কৰা হৈছিল তথা পুনৰবাৰ নানকিং চৰকাৰৰ লগত য়ুহান প্ৰশাসনক একত্ৰিত কৰা হৈছিল। তাৰ পিছত মেডাম চান-য়েৎ চেনে মস্কো লৈ পলায়ন কৰিছিল, মাইকেল ব'ৰ'দিন ৰাছিয়ালৈ উভটি গৈছিল তথা ৰাঙে জাতীয়তাবাদী চৰকাৰৰ লগত মিত্ৰতা কৰিছিল। কিন্তু পিছলৈ ৰাং-চিং-ৱেই ও ফ্ৰান্সলৈ পলাই যাবলৈ বাধ্য হৈছিল। য়ুহান প্ৰশাসন ভংগ হোৱাৰ পিছত নানকিঙৰ জাতীয়তাবাদী চৰকাৰ চীনৰ আটাইতকৈ কাৰ্য্যক্ষম আৰু একমাত্ৰ স্বীকৃত বৈধ চৰকাৰ আছিল। অতি সোনকালেই জাপান তথা আমেৰিকা, ইংলেণ্ড, ফ্ৰন্স আদি পশ্চিমীয়া দেশে নানকিঙৰ জাতীয়তাবাদী চৰকাৰখনক স্বীকৃতি দিছিল।



জানি থোৱা ভাল

"হানকাও নিকাকৰণ"ৰ পিছত কিছুমান সাম্যবাদী নেতা তথা তেওঁলোকৰ সমৰ্থক সামৰিক শ্ৰেণীৰ লোকে ১৯২৭ চনৰ ডিচেম্বৰ মাহত কুওমিনটাং শক্তিৰ বিৰুদ্ধে এক বিদ্ৰোহ কৰিছিল তথা চীনদেশত তেওঁলোকে এক ছোভিয়েট চৰকাৰ ঘোষণা কৰিছিল। এই সাম্যবাদী নেতাসকল কেণ্টন কমিউনি নামেৰে জনাজাত আৰু চিয়াং-কাই-চেকৰ নেতৃত্বত জাতীয় সৈন্যবাহিনীয়ে তেওঁলোকক অতি সহজতেই পৰাজিত কৰিছিল। তাৰ পিছত পৰাজিত সাম্যবাদী নেতাসকল তথা তেওঁলোকৰ সমৰ্থকসকল চীনৰ কেন্দ্ৰীয় প্ৰদেশৰ পাহাৰীয়া অঞ্চলৈ পিছ হুহুকি আহিছিল আৰু দক্ষিণ কিয়াংচি প্ৰদেশৰ জুইকিনত ১৯২৭ চনত তেওঁলোকৰ ৰাজধানী স্থাপন কৰিছিল।

কুওমিনটাং দলৰ আভ্যন্তৰীণ বিবাদৰ অন্ত পৰাৰ পিছত চিয়াং-কাই-চেকে তেওঁৰ উত্তৰ চীনৰ অভিযান ১৯২৮ চনত পুনৰ আৰম্ভ কৰিছিল। ইতিধ্যে উত্তৰ চীনৰ কিছুমান যুদ্ধবাদী নেতাই জাতীয়তাবাদীসকলৰ লগত যোগদান কৰিছিল। ১৯২৮ চনত জাতীয়তাবাদী সকলে পিকিং দখল কৰিছিল আৰু ইয়াক পেইপিং নামেৰে নতুনকৈ নামাকৰণ কৰা হৈছিল। মাঞ্চুৰিয়াৰ শাসনকৰ্তা চাং-চো-লিনক বোমা বৰ্ষনৰদ্বাৰা হত্যা কৰা হৈছিল। তাৰ পিছত তেওঁৰ পুত্ৰ চাং-চুচ- লিয়াং মাঞ্চুৰিয়াৰ শাসনকৰ্তা হৈছিল কিন্তু অতি কম সময়ৰ ভিতৰতে তেঁও নানকিঙৰ জাতীয়তাবাদী

চৰকাৰৰ বৈশ্যতা মানি লৈছিল। এনেদৰেই জাতীয়তাবাদী চৰকাৰৰ অধীনত চীনদেশত একত্রিত কৰা হৈছিল আৰু এই একত্রিত চীনদেশৰ ৰাজধানী পিকিঙৰ পৰা নানকিঙলৈ স্থানান্তৰিত কৰা হৈছিল। এনেদৰেই অতি কম সময়ৰ ভিতৰতে চিয়াং-কাই-চেকে ডা° চান-য়েৎ-চেনৰ বহু প্রত্যাশিত সপোনটো বাস্তৱত পৰিণত কৰিবলৈ সফল হৈছিল।



জানি থোৱা ভাল

"পিকিং' নামৰ অর্থ "উত্তৰীয় ৰাজধানী" আৰু 'পেইপিঙ'ৰ অর্থ " শান্ত উত্তৰ"। পেইপিং নামটো ১৯৪৯ চনলৈ প্রচলিত আছিল।

চীনদেশক একত্রিত কৰাৰ পিছত চিয়াং-কাই -চেকে নৱপ্রতিষ্ঠিত জাতীয়তাবাদী চৰকাৰখনক সুদৃঢ় কৰাত মনোযোগ দিছিল। উল্লেখযোগ্য যে চীনদেশত জাতীয়তাবাদী চৰকাৰ প্রতিষ্ঠা হোৱাৰ লগে লগে ডা° চান-য়েৎ-চেনে প্রতিষ্ঠা কৰা সামৰিক চৰকাৰখনৰ অন্ত পৰিছিল। তাৰ পিছত ১৯২৪ চনত কুওমিনটাং দলৰ কেন্দ্রীয় সমিতিয়ে জাতীয়তাবাদী চৰকাৰখনৰ বাবে এখন "জৈৰিক আইন" জাৰি কৰিছিল যাৰ জৰিয়তে ১৯৩৫ চনলৈকে চীন দেশত কুওমিনটাং দলৰ একনায়কত্ববাদ প্রতিষ্ঠা কৰা হৈছিল। এই সময়খিনি ৰাজনৈতিক ৰক্ষাণাবেক্ষণৰ সময় নামেৰে জনাজাত। নতুন চৰকাৰখনৰ সর্বোচ্চ প্রশাসনিক অংগ আছিল ৰাজ্যিক পৰিষদ এখন আৰু এই পৰিষদৰ অধ্যক্ষ জন ৰাজ্যৰ মুৰব্বী আছিল। ৰাজ্যিক পৰিষদৰ প্রথমজন অধ্যক্ষ হিচাপে চিয়াং-কাই চেক নির্বাচিত হৈছিল। চৰকাৰৰ আৰু পাঁচটা অংগ প্রতিষ্ঠা কৰা হৈছিল আৰু সেইকেইটা আছিল কার্য্যপালিকা, বিধানমণ্ডল, ন্যায়পালিকা, পৰীক্ষণ সমিতি আৰু নিয়ন্ত্রণ সমিতি। এই প্রত্যেকটো অংগকেই য়ুৱান নামৰ একোজন চৰকাৰী বিষয়াই প্রতিনিধিত্ব কৰিছিল আৰু এই বিষয়াসকলক ৰাজ্যিক পৰিষদে সহযোগিতা তথা নিয়ন্ত্রণ কৰিছিল। চাং-চুয়েহ-লিয়াঙক স্থল সেনা, নৌবাহিনী তথা বায়ুসেনাৰ উপ সেনাধক্ষ্য হিচাপে নিযুক্তি দিয়া হৈছিল। যথাসময়ত চিয়াঙৰ বিৰোধীসকলে তেঁওৰ বিৰুদ্ধে এটা মিত্রজোঁত গঠন কৰিছিল কিন্তু চাং-চুয়েহ-লিয়াঙৰ সহযোগত চিয়াং-কাই-চেকে তেঁওলোকক পৰাস্ত কৰিছিল। অৱশেষত চিয়াং-কাই-চেকৰ নেতৃত্বত চীনৰ জাতীয়তাবাদী চৰকাৰে ইয়াৰ ১৯৪৯ চনৰ জানুৱাৰী মাহত সম্পূর্ণ পতন হোৱালৈকে আন্তৰাষ্ট্রীয় স্বীকৃতি লাভ কৰিছিল।

নিজৰ সকলোবোৰ শত্রুকে দমন কৰাৰ পিছত চিয়াং-কাই-চেকে চীন দেশত বহুতো আভ্যন্তৰীণ আৰু বাহ্যিক সংস্কাৰ সাধন কৰিছিল। চীনৰ নৱপ্রতিষ্ঠিত জাতীয়তাবাদী চৰকাৰে আগৰ পিকিং চৰকাৰৰ ঋণসমূহ পৰিশোধ কৰিছিল; যাতায়ত আৰু যোগাযোগ মন্ত্রানালয়ৰ অধীনত চীনদেশৰ ৰেলপথ ব্যৱস্থাৰ ৰাষ্ট্রীয়কৰণ কৰিছিল; যাতায়ত ব্যৱস্থাৰ উন্নতি কৰিবৰ বাবে দেশত নতুন ৰেলপথ তথা ঘাইপথ নির্মাণ কৰিছিল; দেশত আভ্যন্তৰীণ বিমান সংযোগ প্রতিষ্ঠা কৰিছিল; উন্নতশিক্ষা প্রদান কৰিবলৈ তথা উচ্চ শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ বাবে চীন দেশত প্রশিক্ষণ বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় প্রতিষ্ঠা কৰিছিল; দেশত নতুন আইন প্রণয়ন কৰিছিল আৰু জনসাধাৰণক সম্পূর্ণ ন্যায়প্রদান কৰিবৰ বাবে চীনদেশত

আইনী আদালত স্থাপন কৰিছিল। ইয়াৰ উপৰিও নিম্ন আৰু মধ্য য়ানজেৎ অঞ্চলত উদ্যোগীকৰণ কৰিবৰ বাবে চীনৰ নতুন চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছিল। চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছিল যে দেশৰ সকলো শিশুৱেই নুন্যতম ছয় বছৰৰ বাবে বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰিব লাগিব। চৰকাৰে লগতে সিদ্ধান্তগ্ৰহণ কৰিছিল যে দেশৰ সকলো ধৰণৰ যাতায়ত আৰু যোগাযোগ ব্যৱস্থাক চৰকাৰে নিয়ন্ত্ৰণ তথা বিনিয়োগ কৰিব। তথাপিও চিয়াং-কাই-চেকৰ আভ্যন্তৰীম সংস্কাৰসমূহে দেশৰ দৰিদ্ৰ সাধাৰণ জনতাৰ প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ ব্যৰ্থ হৈছিল। চিয়াং এজন গোড়া সংস্কাৰক আছিল যি পুঁজিবাদী শ্ৰেণীৰ সহযোগত চীনদেশত এখন নৰমপন্থী চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল।

বৈদেশিক নীতিৰ ক্ষেত্ৰত চিয়াং-কাই-চেক আটাইতকৈ বেছি সফল হৈছিল। উল্লেখযোগ্য যে বিভিন্ন বিদেশী ৰাষ্ট্ৰই চীনদেশৰ ওপৰত আৰোপ কৰা "অসমান চুক্তিসমূহ"ৰ বিৰুদ্ধে চীনদেশৰ জাতীয়তাবাদী লোকসকলৰ বহুতো ক্ষোভ আছিল। এই সমস্যাৰ সমাধান কৰিবলৈ চিয়াং কাই-চেকে যথেষ্ট যত্ন কৰিছিল আৰু এই ক্ষেত্ৰত তেওঁ সফল হৈছিল যেতিয়া ১৯২৬ চনত কিছুমান চৰ্তসাপেক্ষে চীনক শুল্কৰ স্বায়ত্ত্ব অধিকাৰ প্ৰদান কৰিবলৈ ইংলেণ্ড মান্তি হৈছিল। ১৯২৬ চনৰ ভিতৰত চীনত থকা সকলো বিদেশী শক্তিয়ে চীনৰ জাতীয়তাবাদী চৰকাৰখনক শুল্ক ক্ষেত্ৰত সম্পূৰ্ণ স্বায়ত্ব অধিকাৰ প্ৰদান কৰিছিল। ইয়াৰ লগতে প্ৰথম বিশ্বযুদ্ধত চীনৰ অংশগ্ৰহণ তথা ৰাছিয়াত আৰম্ভ হোৱা দৰিদ্ৰ শ্ৰেণীৰ বিপ্লৱৰ ফলস্বৰূপে জাৰ্মানী আৰু ৰাছিয়াই চীনদেশত লাভ কৰা বহি ৰাজ্যৰ আইনগত অধিকাৰৰ অন্ত পৰিছিল। ১৯২৯ চনৰ আগষ্ট মাহত চীনৰ জাতীয়তাবাদী চৰকাৰে ইংলেণ্ড, ফ্ৰান্স আৰু আমেৰিকাক চীনত তেওঁলোকে লাভ কৰা বহিৰাজ্যৰ আইনগত অধিকাৰৰ অন্ত পেলাবলৈ অনুৰোধ জনাইছিল। এই বিদেশী শক্তিসমূহে উক্ত অনুৰোধ ৰক্ষা কৰিবলৈ মান্তি হৈছিল যদিহে চীনত নতুন আইন প্ৰণয়ন কৰা হয় তথা আধুনিক আদালত আৰু কাৰাগাৰ স্থাপন কৰা হয়। গতিকে এনে পৰিস্থিতিত চীনৰ চৰকাৰে এখন আদেশৰ জৰিয়তে উক্ত সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰিছিল, যিখন আদেশৰ জৰিয়তে ১৯৩০ চনৰ ১ জানুৱাৰীৰ পৰা চীনত সকলো বিদেশী ৰাষ্ট্ৰৰ বহিৰাজ্যৰ আইনগত অধিকাৰৰ অন্ত পেলোৱা হ'ব। কিন্তু ১৯৩১ চনৰ চেপ্তেম্বৰ মাহত জাপানে মাঞ্চুৰিয়া আক্ৰমণ কৰাৰ ফলত চীনে উক্ত আদেশ কার্য্যকৰী কৰিব নোৱাৰিলে। কিন্তু ইতিমধ্যে প্ৰায় নখন বিদেশী ৰাষ্ট্ৰই চীনদেশত তেওঁলোকৰ বহিঃৰাজ্যৰ আইনগত অধিকাৰ ত্যাগ কৰিছিল।

আভ্যন্তৰীপ আৰু বৈদেশিক ক্ষেত্ৰত বৃহৎ সফলতা লাভ কৰা সত্বেও চিয়াং-কাই-চেকে তেওঁৰ জীৱনৰ এক দীঘলীয়া সময় কুওমিনটাং আৰু সাম্যবাদীসকলৰ সংঘর্ষত অপচয় কৰিবলগীয়া হৈছিল আৰু এই সংঘর্ষই চীনৰ ইতিহাসত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল। ইয়াৰ পৰৱর্তি অংশত আমি কুওমিনটাং-সাম্যবাদী সংঘর্ষৰ বিষয়ে বিতংভাৱে আলোচনা কৰিম। এই সংঘর্ষক চীনৰ গৃহযুদ্ধ বুলিও ক'ব পাৰি। এই গৃহযুদ্ধই পৰোক্ষ ভাৱে মাও-চে-তুঙৰ নেতৃত্বত ১৯৪৯ চনত চীনত সাম্যবাদী চৰকাৰ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ডা° চান-য়েৎ-চেনৰ মৃত্যুৰ পিছত কোনে কুওমিনটাং দলৰ নেতৃত্ব গ্রহণ কৰিছিল?

.....

প্রশ্ন নং ২ঃ কোন চনত চীনৰ সাম্যবাদী দল গঠন কৰা হৈছিল?

.....

প্রশ্ন নং ৩ঃ কোন চনত সাম্যবাদীসকলক কুওমিনটাঙৰ লগত প্রথমবাৰৰ বাবে একত্রিকৰণ কৰা হৈছিল?

.....

প্রশ্ন নং ৪ঃ "পিকিং" ৰ অর্থ কি?

.....

প্রশ্ন নং ৫ঃ কোন চনত "হানকাও নিকাকৰণ" ঘটনা সংঘটিত হৈছিল?

.....

প্রশ্ন নং ৬ঃ কোনে চীনৰ 'ৰঙা সৈন্যদল' গঠন কৰিছিল?

.....

প্রশ্ন নং ৭ঃ কোন চনত "সাম্যবাদীসকলৰ লং মার্চ " আৰম্ভ হৈছিল?

.....

প্রশ্ন নং ৮ঃ কোন চনত 'ঐক্যতাৰ ঘোষণাপত্র জাৰি কৰা হৈছিল?

.....

প্রশ্ন নং ৯ঃ 'লং মার্চৰ পিছত সাম্যবাদীসকলে ক'ত তেঁওলোকৰ ৰাজধানী স্থাপন কৰিছিল?

.....

প্রশ্ন নং ১০ঃ কোন চনত চীনত সাম্যবাদী চৰকাৰ প্রতিষ্ঠা কৰা হৈছিল?

.....



১৩.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে,

- ১৯২০ চনৰ পিছত চীনত হোৱা ৰাজনৈতিক অস্থিৰতাৰ বিষয়ে ডা° চান-য়েৎ-চেনে প্রতিষ্ঠা কৰা চীনৰ প্রজাতান্ত্রিক চৰকাৰে বহুতো প্রত্যাহ্বানৰ সন্মুখিন হ'বলগীয়া হৈছিল যাৰ ফলস্বৰূপে চীনত এক ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি হৈছিল। এই সমস্যাসমূহৰ ভিতৰত য়ুৱান-চি-কাইৰ উচ্চাকাংক্ষী মনোভাৱ, উত্তৰ চীনৰ যুদ্ধবাদী নেতা সকলৰ বিৰোধীতা,

ডাঃ চান-য়েৎ-চেনৰ দ্বাৰা প্ৰতিষ্ঠিত কেণ্টন চৰকাৰক স্বীকৃতি দিবলৈ বিদেশী দেশসমূহে কৰা অস্বীকাৰ ইত্যাদিয়ে বিশেষভাৱে উল্লেখযোগ্য আছিল।

- ১৯২১ চনত চীনৰ সাম্যবাদী দলৰ প্ৰতিষ্ঠান তথা ১৯২২ চনত কুওমিনটাং দলৰ লগত ইয়াৰ একত্ৰিতকৰণে পৰিস্থিতি অধিক জটিল কৰি তুলিছিল। অনতিপলমে কুওমিনটাং দলৰ কুওমিনটাং আৰু সাম্যবাদীসকলৰ মাজত মুকলি সংঘৰ্ষৰ সুত্ৰপাত হৈছিল আৰু ১৯২০ চনৰ পিছত চীনত হোৱা ৰাজনৈতিক অস্থিৰতাৰ ই এটা মুখ্য কাৰণ আছিল।
- ডাঃ চান-য়েৎ-চেনৰ মৃত্যুৰ পিছত চিয়াং-কাই-চেকে কুওমিনটাং দলৰ নেতৃত্ব গ্ৰহণ কৰিছিল। কুওমিনটাং দল চীনদেশৰ জাতীয়তাবাদী দল আছিল। চিয়াং-কাই-চেকে উত্তৰ চীনৰ অভিযান আৰম্ভ কৰিছিল আৰু ১৯২৮ চনত চীদেশক একত্ৰিত কৰিছিল। তাৰ পিছত তেঁও চীনত জাতীয়তাবাদী চৰকাৰ প্ৰতিষ্ঠা কৰিছিল তথা চীনদেশত কুওমিনটাং দলৰ একনায়কত্ববাদৰ প্ৰতিষ্ঠা কৰিছিল।
- জাতীয়তাবাদী চৰকাৰে আভ্যন্তৰীণ আৰু বৈদেশিক ক্ষেত্ৰত কিছুমান কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছিল। ১৯২৭ চনত চিয়াং-কাই-চেকে শুল্কৰ ক্ষেত্ৰত চীনদেশৰ বাবে সম্পূৰ্ণ স্বায়ত্ব অধিকাৰ লাভ কৰিছিল আৰু ১৯৩১ চনৰ ভিতৰত প্ৰায় নখন বিদেশী ৰাষ্ট্ৰই চীনদেশত তেওঁলোকৰ বাহিৰাজ্যৰ আইনগত অধিকাৰ ত্যাগ কৰিছিল।
- তাৰ পিছত সাম্যবাদী সকলে কেন্দ্ৰীয় প্ৰদেশৰ পাহাৰীয়া অঞ্চলত এখন নতুন চৰকাৰ প্ৰতিষ্ঠা কৰিছিল আৰু এই চৰকাৰখনৰ ৰাজধানী আছিল জুইকিনত। চিয়াং-কাই-চেকৰ নেতৃত্বত ১৯২৭ চনৰ এপ্ৰিল মাহত নানকিঙত জাতীয়তাবাদীসকলেও এক পৃথক চৰকাৰ গঠন কৰিছিল। তাৰ পিছত কুওমিনটাং আৰু সাম্যবাদীসকলৰ মাজত গৃহযুদ্ধ আৰম্ভ হৈছিল আৰু সাম্যবাদীসকলক পৰাস্ত কৰিবৰ বাবে চিয়াং-কাই-চেকে প্ৰায় ছয়টা সাম্যবাদী-বিৰোধী অভিযান প্ৰেৰণ কৰিছিল। এক অৰ্থনৈতিক প্ৰতিবন্ধকতা আৰোপ কৰি চিয়াং-কাই-চেকে সাম্যবাদী সকলক মানসিকভাৱে ভাঙিব বিচাৰিছিল। এনে পৰিস্থিতিত ১৯৩৪ চনত সাম্যবাদী সকলে তেওঁলোকৰ ঐতিহাসিক "লং মাৰ্চ" (Long arch) আৰম্ভ কৰিছিল আৰু ১৯৩৫ চনৰ ২০ অক্টোবৰত তেঁওলোক চেনচিত উপস্থিত হৈছিল। সাম্যবাদীসকলৰ মুখ্য কাৰ্য্যালয় চেনচিত প্ৰতিষ্ঠা কৰা হৈছিল।



১৩.৮ অধিক জানিবলৈ

1) Singh, A.K, (1984), *History of Far East In Modern Times*, Delhi-110007, Surjeet Publications.

2) Vinacke, H.M., (1982), *A History of The Far East In Modern Times*, New Delhi, Kalyani Publications.



১৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ চিয়াং-কাই-চেক।

২ নং প্রশ্নৰ উত্তৰঃ ১৯২১ চনত।

৩ নং প্রশ্নৰ উত্তৰঃ ১৯২৭ চনত।

৪ নং প্রশ্নৰ উত্তৰঃ পেইপিং

৫ নং প্রশ্নৰ উত্তৰঃ ৰাছীয়ান সাম্যবাদ



১৩.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ কোন চনত চিয়াং কাই-চেকে জন্মগ্রহণ কৰিছিল?

প্রশ্ন ২ঃ 'পেইপিং' ৰ অর্থ কি?

প্রশ্ন ৩ঃ চীনৰ সাম্যবাদী দলৰ প্রথম অধ্যক্ষজনৰ নাম কি?

প্রশ্ন ৪ঃ কোন চনত জাপানে মাঞ্চুৰিয়া আক্রমণ কৰিছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ১৯২০ চনৰ পিছত চীনদেশত হোৱা ৰাজনৈতিক অস্থিৰতাৰ দুটা কাৰণ লিখক।

প্রশ্ন ২ঃ য়ুহান চৰকাৰৰ দুজন গুৰুত্বপূর্ণ নেতাৰ নাম লিখক।

প্রশ্ন ৪ঃ বৈদেশিক ক্ষেত্রত চিয়াং-কাই-চেকৰ দুটা সফলতা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ১৯২০ চনৰ পিছত চীনদেশত হোৱা ৰাজনৈতিক অস্থিৰতাৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ঃ চিয়াং-কাই-চেকৰ এক মূল্যাংকন কৰক।

* * * * *

অধ্যায় ১৪ ঃ চীনত সাম্যবাদ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৫ মাও-ছে-তুঙৰ উত্থান

১৪.৫.১ চীনৰ সাম্যবাদী দলৰ বিকাশ

১৪.৫.২ গৃহযুদ্ধ

১৪.৫.৩ সাম্যবাদীসকলৰ লং মার্চ

১৪.৫.৪ জনসাধাৰণৰ ৰাজনৈতিক পৰিষদৰ গঠন

১৪.৬ চীন সাম্যবাদৰ জয়যাত্রা

১৪.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১৪.৮ অধিক জানিবলৈ

১৪.৯ অগ্রগতিৰ খতিয়ান

১৪.১০ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ণ কৰি আপুনি —

- মাও-চে-তুং আৰু চীনৰ সাম্যবাদী দলৰ বিকাশৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- চীনদেশত হোৱা গৃহযুদ্ধৰ বিষয়ে আলোচনা কৰিব পাৰিব
- চীনতদেশত হোৱা গৃহযুদ্ধৰ বিষয়ে আলোচনা কৰিব পাৰিব
- চীনদেশত সাম্যবাদী চৰকাৰ গঠনৰ বিষয়ে জানিব পৰিব।

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ইতিমধ্যে মাঞ্চু বংগৰ অৱসানৰ পাছত উত্থান হোৱা চীনৰ ৰাজনৈতিক অস্থিৰাৱস্থাৰ বিষয়ে আলোচনা কৰিলো। এতিয়া আমি এই অধ্যায়টোত চীনত মাও জে তুঙৰ অধীনত সাম্যবাদৰ বিকাশৰ বিষয়ে আলোচনা কৰিম। ইয়াৰ লগতে চীনৰ কমিউনিষ্ট পার্টীৰ অধীনত চীনৰ ৰাজনৈতিক বিকাশৰ বিষয়ে আলোচনা কৰিম আৰু কেনেকৈ অৱশেষত ১৯৪৯ চনত চীনত চীনৰ কমিউনিষ্ট পার্টীয়ে চৰকাৰ গঠন কৰে, সেই বিষয়েও আলোচনা কৰিম।

১৪.৩ মাও-চে-তুঙৰ উত্থান (RISE OF MAO- TSE- TUNG)

মাও-চে-তুং চীনত সাম্যবাদী চৰকাৰৰ প্ৰতিষ্ঠাতা। ১৮৯৩ চনত এটা কৃষক পৰিয়ালত তেওঁ জন্মগ্ৰহণ কৰিছিল। কলেজীয়া শিক্ষা সমাপ্ত কৰাৰ পিছত মাও-চে-তুঙে উচ্চশিক্ষাৰ বাবে

পিকিং বিশ্ববিদ্যালয়ত নামভর্ত্তি কৰিছিল। সেই সময়তে পিকিং বিশ্ববিদ্যালয়ৰ ছাত্রসকলে মেঃ ফ'ৰ্থ আন্দোলনৰ সূত্রপাত কৰিছিল যাৰ বিষয়ে আমি ইতিমধ্যে অধ্যয়ন কৰি আহিছো আগৰ অধ্যায়ত। পিকিং বিশ্ববিদ্যালয়ৰ ছাত্র হিচাপে মাও-চে-তুঙে 'মে'-ফ'ৰ্থ আন্দোলনত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। এই আন্দোলনৰ জৰিয়তে তেঁওৰ সক্রিয় ৰাজনৈতিক জীৱনৰ আৰম্ভমি হৈছিল আৰু অতি সোনকালে তেঁওৰ চীনৰ এজন বিপ্লৰী নেতা হিচাপে উত্থান হৈছিল।

১৪.৩.১ চীনৰ সম্যবাদী দলৰ বিকাশ

মাও-চে-তুঙৰ নেতৃত্বত চীনৰ সাম্যবাদী দলৰ যথেষ্ট বিকাশ হৈছিল। মাও-চে-তুং চীনৰ সাম্যবাদী দলৰ এজন প্রতিষ্ঠাপক সদস্য আছিল আৰু তেঁও চীনৰ সাম্যবাদী আন্দোলনৰ এজন বিখ্যাত নেতা আছিল। কুওমিনটাং-সাম্যবাদী সংঘর্ষৰ সময়ত মাও-চে-তুং চীনৰ সাম্যবাদী দলৰ এজন সক্রিয় নেতা আছিল। তেঁওৰ সবল নেতৃত্বই চীনত সাম্যবাদী চৰকাৰ প্রতিষ্ঠাৰ ক্ষেত্রত যথেষ্ট গুৰুত্বপূর্ণ আৰিহণা যোগাইছিল।

আমি ইতিমধ্যে অধ্যয়ন কৰি আহিছো যে ১৯২৭ চনৰ হানকাও ঘটনাৰ পিছত সাম্যবাদীসকলক কুওমিনটাং দলৰ পৰা বহিষ্কাৰ কৰা হৈছিল। এই কথা সাম্যবাদীসকলৰ বাবে যথেষ্ট লজ্জাজনক আছিল আৰু কিছু সময়ৰ বাবে চীনত সাম্যবাদী দলৰ অৱস্থিতিক ই ভীতিগ্রস্ত কৰিছিল। এনে পৰিস্থিতিত মাও-চে-তুঙে সাম্যবাদী দলৰ বাবে ৰক্ষাকর্তাৰ ভূমিকা পালন কৰিছিল যেতিয়া কুওমিনটাংসকলৰ বাঢ়ি অহা ক্ষমতাৰ সন্মুখত চীনৰ সাম্যবাদী দল দুর্বল হৈ পৰিছিল। মাও-চে-তুঙৰ আদর্শ তথা ধাৰণাসমূহে চীনৰ সাম্যবাদী দলক নতুন তথা কার্য্যকৰী ৰূপ দিছিল। মাও-চে-তুঙে সাম্যবাদী আন্দোলন চীনৰ তলৰ শ্রেণীৰ লোকৰপৰা আৰম্ভ কৰিব বিচাৰিছিল আৰু সেইবাবে তেঁও চীনৰ কৃষকসকলৰ লগত ঘনিষ্ঠ সম্পর্ক স্থাপন কৰিছিল। তেঁওৰ ধাৰণা মতে চহৰাঞ্চলৰ লোকসকলৰ পৰিৱর্তে স্থাপন কৰিছিল। তেঁওৰ ধাৰণা মতে চহৰাঞ্চলৰ লোকসকলৰ পৰিৱর্তে কৃষক তথা সৈন্যবাহিনীৰ সমর্থনত হে এটা সাম্যবাদী দলে বর্তি থকা উচিত। তেঁও সাম্যবাদৰ আদর্শ গ্রাম্যঞ্চলৰ লোকসকল বিশেষকৈ কৃষকসকলৰ মাজত প্রচাৰ কৰিছিল আৰু এনেদৰেই কৃষকসকলৰ সমর্থন চীনৰ সাম্যবাদী দলৰ মুখ্য শক্তি আছিল।

১৯২৭ চনৰ হ ানকাও ঘটনাৰ পিছত হুনান প্রদেশত এটা কৃষক বিদ্রোহক সমর্থন কৰিবৰ বাবে মাও-চে-তুঙক হুনান প্রদেশলৈ প্রেৰণ কৰা হৈছিল। কিন্তু দুর্ভাগ্যবশত তেঁও যেতিয়া এই আভিযানত ব্যর্থ হৈছিল তেতিয়া তেঁওত দলৰ কার্য্যবাহী সমিতিৰ পৰা বহিষ্কাৰ কৰা হৈছিল। কিন্তু মাও-চে-তুঙে পৰাজয় স্বীকাৰ কৰা নাছিল। অনতিপলমে অস্ত্র-শস্ত্র থকা এটা কৃষকৰ দল আৰু কুওমিনটাং দলৰ দোষযুক্ত সৈন্যবাহিনীক লৈ মাও-চে-তুঙে এটা কার্যকৰী সৈন্যদল গঠন কৰিছিল। তাৰ পিছত মাও চিং কান পর্বতলৈ গুচি গৈছিল। তাতে মার্চাল চু-টেহ নামৰ চীনৰ এজন উচ্চ শিক্ষিত আৰু উচ্চ প্রশিক্ষাণপ্রাপ্ত সৈনিকে মাও-চে-তুঙৰ লগত সহযোগ কৰিছিল আৰু তেঁও সহায়তে মাও-চে-তুঙে চীনৰ বিখ্যাত ৰঙা সৈন্যদল (Red Army) গঠন কৰিছিল। পৰৱর্তী সময়ত এই ৰঙা সৈন্যদলেই চিয়াং-কাই-চেকৰ জাতীয়তাবাদী দলক এক শক্তিশালী প্রতিৰোধ প্রদান কৰিছিল।

১৪.৩.২ গৃহযুদ্ধ

চীনৰ গৃহযুদ্ধ চীনৰ ইতিহাসৰ এক যুগান্তকাৰী ঘটনা। ই চীনৰ ভৱিষ্যত ৰাজনৈতিক পটভূমিক গঢ় দিছিল। কুওমিনটাং আৰু সাম্যবাদীসকলৰ মাজত বাঢ়ি অহা বিবাদেই চীনত গৃহযুদ্ধৰ সূত্রপাত হোৱাৰ বাবে ভৌটি নির্মাণ কৰিছিল আৰু চীনত এই গৃহযুদ্ধ ১৯৩৬ চনলৈকে বর্তি আছিল। ১৯২৭ চনৰ হানকাও ঘটনাই কুওমিনটাং-সাম্যবাদীৰ সম্বন্ধ ইমান বেয়া কৰি তুলিছিল যে এই দুই পন্থীৰ মাজত গৃহযুক্ত হোৱাটো একেবাৰে নিশ্চিত হৈ পৰিছিল। ১৯২৭ চনত কিয়াংচিৰ জুইকিঙত চীনৰ সাম্যবাদীসকলে কেন্দ্রীয় ছোভিয়েট চৰকাৰ প্রতিষ্ঠাকৰাৰে পৰাই চিয়াং-কাই-চেকে সাম্যবাদী সৈন্যবাহিনীৰ বিৰুদ্ধে এক আক্রমণাত্মক নীতি গ্রহণ কৰিছিল। তাৰ পিছত চীনৰ দূৰৱর্তী অঞ্চলৰ কৃষক বিদ্রোহবোৰ দমন কৰাৰ উদ্দেশ্যৰে চীনৰ গৃহযুদ্ধৰ সাত বছৰৰ ভিতৰত দেশৰ জাতীয়তাবাদী চৰকাৰে প্রায় ছয়টা সাম্যবাদ-বিৰোধী অভিযান প্রেৰণ কৰিছিল। চীনৰ চহৰ অঞ্চলত সাম্যবাদীসকলৰ বাঢ়ি অহা প্রভাৱক দমন কৰিবলৈ জাতীয়তাবাদীসকল সফল হৈছিল, কিন্তু চীনৰ দূৰৱর্তী অঞ্চলত বিশেষকৈ কেন্দ্রীয় আৰু দক্ষিণ চীনত সাম্যবাদীসকলৰ বাঢ়ি অহা প্রভাৱক নিয়ন্ত্রণ কৰিবলৈ জাতীয়তাবাদীসকল ব্যর্থ হৈছিল, কাৰণ মাও-চে-তুঙৰ সবল তথা শক্তিশালী নেতৃত্বত চীনৰ সাম্যবাদী দলে দেশৰ দূৰৱর্তী অঞ্চলৰ কৃষকসকলৰ মাজত জনপ্রিয়তা অর্জন কৰিছিল। একে সময়তে সাম্যবাদী সকলে কৃষক ৰাইজক দেশৰ মধ্যবিত্ত জাতীয়তাবাদী শ্রেণীৰ বিৰুদ্ধে উছটনি দিছিল। গতিকে চীনৰ দূৰৱর্তী অঞ্চলত প্রায়েই হৈ থকা কৃষক বিদ্রোহবোৰ দমন কৰিবলৈ চিয়াং-কাই-চেকে আপ্রাণ চেষ্টা কৰিছিল। কিন্তু চেকৰ এই সকলো চেষ্টা বিফল হৈছিল কাৰণ কেন্দ্রীয় ছোভিয়েট চৰকাৰৰ প্রত্যক্ষ নিয়ন্ত্রাধীন অঞ্চলত চিয়াং-কাই-চেকৰ সৈন্যবাহিনীয়ে প্রৱেশ কৰিব নোৱাৰিছিল। এনেদৰেই গৃহযুদ্ধই চীনদেশৰ ৰাজনৈতিক সুস্থিৰতাক কিছু বছৰৰ বাবে ভংগ কৰিছিল।

১৪.৩.৩ সাম্যবাদী সকলৰ লং মার্চ

চীনৰ ইতিহাসত সাম্যবাদীসকলৰ লং মার্চ এক অতি গুৰুত্বপূর্ণ ঘটনা। যেতিয়া চীনৰ দূৰৱর্তী অঞ্চলত সাম্যবাদীসকলৰ বাঢ়ি অহা প্রভাৱক দমন কৰিবলৈ জাতীয়তাবাদীসকল ব্যর্থ হৈছিল, তেতিয়া চিয়াং-কাই-চেকে এক শক্তিশালী প্রতিবন্ধকতাৰ সৃষ্টি কৰি সাম্যবাদীসকলক মানসিক ভাৱে ভাঙিব বিচাৰিছিল। চিয়াং-কাই-চেকৰ নিয়ন্ত্রাধীন সৈন্যবাহিনীয়ে চীনৰ সাম্যবাদীসকলৰ অধীনত থকা অঞ্চলসমূহ চাৰিওফালৰপৰা আগুৰি ধৰিছিল আৰু জাতীয়তাবাদী সৈন্যৰ এই শক্তি শালী বান্ধোনৰ মাজত চীনৰ সাম্যবাদীসকলে যথেষ্ট অশান্তি কথা কষ্ট পাইছিল। গতিকে ১৯৩৪ চনৰ আগষ্ট মাহত সাম্যবাদীসকলে এই কুওমিনটাং বান্ধোনৰ পৰা ওলাই আহিবলৈ যথেষ্ট চেষ্টা কৰিছিল, কিন্তু তেওঁলোকৰ এই চেষ্টা বিফল হৈছিল। প্রতিবন্ধকতাৰ ফলস্বৰূপে সাম্যবাদী অধ্যুষিত অঞ্চলত এক ভয়ানক অর্থনৈতিক সংকটৰ সৃষ্টি হৈছিল যাৰ ফলস্বৰূপে ১৯৩৪ চনৰ ২ অক্টোবৰত

সাম্যবাদীসকলে সাম্যবাদী নেতা মাও-চে-তুং, চৌ-এন- লাই আদিক একত্রিত কৰি এখন সামৰিক পৰিষদ গঠন কৰিছিল আৰু এসপ্তাহৰ ভিতৰত কিয়াংচি প্ৰদেশ এৰি যোৱাৰ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত সাম্যবাদীসকলে গ্ৰহণ কৰিছিল। প্ৰায় ত্ৰিছ হাজাৰ ৰঙা সৈনেই (Red Army) ১৯৩৪ চনৰ ১৬ অক্টোবৰত কিয়াংচি ত্যাগ কৰি এক দীঘলীয়া পদযাত্ৰা আৰম্ভ কৰিছিল। হুনান, কুংচি, য়ুনান, ৱেইচাও, চিকাং, জেচুৱান, কানচু ইত্যাদি অঞ্চলৰ মাজেৰে পদযাত্ৰা কৰি সাম্যবাদীসকলে ১৯৩৫ চনৰ ২০ অক্টোবৰত তেওঁলোকৰ গন্তব্যস্থান চেনচিত উপস্থিত হৈছিল। প্ৰায় তিনিশ সত্তৰ দিনত তেওঁলোকে প্ৰায় ছয়হাজাৰ মাইল দূৰত্ব অতিক্ৰম কৰিছিল। এই পদযাত্ৰাত প্ৰায় পয়ত্ৰিছ জৰাকী মহিলা সহিতে প্ৰায় এক লাখ সাম্যবাদীয়ে অংশগ্ৰহণ কৰিছিল। ৰঙাসৈন্যদলৰ এটা গোটক জাতীয়তাবাদীসকলৰ লগত যুদ্ধ কৰিবৰ বাবে পিছত এৰি অহা হৈছিল। ইতিমধ্যে ১৯৩৪ চনৰ নৱেম্বৰ মাহত জাতীয়তাবাদী সকলে সাম্যবাদীসকলৰ ৰাজধানী জুইকিন অধিকাৰ কৰিছিল।

জুইকিনৰ পৰা চেনচিলৈকে সাম্যবাদীসকলৰ এই পদযাত্ৰা "লং মাৰ্চ (Long March) নামেৰে জনাজাত। এই "লং মাৰ্চ" চীনৰ ইতিহাসৰ এক অদ্বিতীয় ঘটনা। চীনৰ ইতিহাসত কোনো চীনা লোকে আগতে কেতিয়াও এনে কষ্টকৰ তথা দীঘলীয়া যাত্ৰা কৰা নাছিল। মানুহৰ কষ্ট তথা দৃহ সংকল্পৰ এইটো এটা সুন্দৰ উদাহৰণ। তেওঁলোকৰ যাত্ৰাপথত সাম্যবাদীসকলে ওঠৰটা পাৰ্বত্য অঞ্চল, কেইবাখনো মৰুভূমি আৰু চৌৱিশখন নদী অতিক্ৰম কৰিছিল। লগতে যাত্ৰাপথত সাম্যবাদী সকলে বহুতো উগ্ৰ জনজাতিৰ সন্মুখিন হৈছিল, প্ৰায় দুশখন যুদ্ধত অৱতীৰ্ণ হৈছিল আৰু প্ৰায় ষাঠিখন চহৰ আৰু এশখন নগৰ দখল কৰিছিল। এই যাত্ৰাই ৰঙা সৈন্যৰ দুৰ্ভেদ অধ্যৱসায়, সংকল্প আৰু শক্তিৰ প্ৰকাশ কৰিছিল যাৰ ফলত যথেষ্ট বাধাৰ মাজতো সাম্যবাদীসকল আগবাঢ়ি যাব পাৰিছিল। এই "লং মাৰ্চে" পৰোক্ষভাৱে চীনত সাম্যবাদী চৰকাৰ প্ৰতিষ্ঠানত অৰিহণা যোগাইছিল কাৰণ তেওঁলোকৰ এই ইতিহাসিক যাত্ৰাৰ সময়ত সাম্যবাদীসকলে তেঁওলোকৰ আদৰ্শ সমূহ যাত্ৰাপথত লগ পোৱা হাজাৰ হাজাৰ মানুহৰ মাজত প্ৰচাৰ কৰিছিল। এনেদৰেই সাম্যবাদীসকল "লং মাৰ্চ" চীনৰ ৰাজনৈতিক ইতিহাসৰ এক পথ পৰিৱৰ্তকাৰী ঘটনা।

জানি থোৱা ভাল



"লং মাৰ্চ"ৰ পিছত চীনৰ সাম্যবাদীসকলৰ মুখ্য কাৰ্য্যালয় চেনচিত প্ৰতিষ্ঠা কৰা হৈছিল। চেনচিৰ পৰাই ১৯৩৫ চনত চীনৰ ছোভিয়েট চৰকাৰ আৰু চীনৰ সাম্যবাদী দলৰ কেন্দ্ৰীয় সমিতিয়ে এক "ঐক্যতাৰ ঘোষণাপত্ৰ" জাৰি কৰিছিল আৰু দহ-দফীয়া ৰাষ্ট্ৰীয় কাৰ্য্যৰ এক তালিকা দাঙি ধৰিছিল। তাৰ ভিতৰত অন্যান্য কৰ্মৰ লগতে শ্ৰমিক, কৃষক তথা সৈন্যসকলৰ জীৱন-ধাৰণৰ মানদণ্ডৰ উন্নত কৰাটো বিশেষভাৱে উল্লেখযোগ্য আছিল।

উল্লেখযোগ্য যে চীনদেশৰ গৃহযুদ্ধৰ মাজতে ১৯৩১ চনত জাপানে মাঞ্চুৰিয়া আক্রমণ কৰিছিল। এই ঘটনা কুওমিনটাং আৰু সাম্যবাদীসকলৰ মাজৰ সম্বন্ধত এক পথ পৰিৱৰ্তনকাৰী ঘটনা আছিল। কিন্তু সংকটৰ এই মুহূর্ত্ততো জাপানৰ আক্রমণৰ সন্মুখিন হোৱাতকৈ চীনৰ ভিতৰত সাম্যবাদীসকলক দমন কৰাতহে চিয়াং-কাই- চেকে মনোযোগ দিছিল। তাৰ বিপৰীতে চীনদেশৰপৰা জাপানৰ সৈন্যবাহিনীক বহিষ্কাৰ কৰিবৰ বাবে সাম্যবাদীসকলে চীনদেশত এক ৰাষ্ট্রীয় ঐক্যতা স্থাপনৰ ওপৰতহে গুৰুত্ব দিছিল। ১৯৩৫ চনত সাম্যবাদীসকলে "ঐক্যতাৰ ঘোষণাপত্র" জাৰি কৰিছিল আৰু কিছু সসয়ৰ বাবে কুওমিনটাং নেতাসকলত কুওমিনটাং আৰু সাম্যবাদীৰ মাজত থকা পার্থক্যৰ কথা পাহৰি পেলাই মাঞ্চুৰিয়াত জাপানৰ আক্রমণক বাধা দিবৰ বাবে কুওমিনটাং- সাম্যবাদীৰ এক যৌধগোট গঠন কৰিবৰ বাবে অনুৰোধ জনাইছিল। কিন্তু সাম্যবাদীসকলৰ এই অনুৰোধ চিয়াং-কাই-চেকে প্রত্যাখ্যান কৰিছিল। তাৰ পৰিৱর্তে সাম্যবাদীসকলক আক্রমণ কৰিবৰ বাবে ১৯৩৬ চনৰ ১১ ডিচেম্বৰত চিয়াং-কাই-চেক চেনচিৰ ৰাজধানী চিয়ানত উপস্থিত হৈছিল। কিন্তু চিয়ানত চিয়াং-কাই-চেকৰ বিৰোধীসকলে তেওঁক তেৰদিনৰ বাবে বন্দী কৰি ৰাখিছিল। এই তেৰ দিনত জেনেৰেল চাং-চুয়েহ- লিয়াঙে জাপানৰ আক্রমণৰ সন্মুখিন হ'বৰ বাবে চিয়াং-কাই-চেকক সাম্যবাদীসকলৰ লগত সহযোগ কৰিবৰ বাবে মান্তি কৰাইছিল। এই ঘটনা "চিয়ান ঘটনা" নামেৰে জনাজাত। এনে পৰিস্থিতিত মাঞ্চুৰিয়াত জাপানৰ আক্রমণক প্রতুৎতৰ দিবৰ বাবে কুওমিনটাং-সাম্যবাদীৰ একতাৰ প্রস্তাৱক মানি ল'বলৈ চিয়াং-কাই-চেক বাধ্য হৈছিল। লগতে এক নথিপত্রত স্বাক্ষৰ কৰিবলৈ চিয়াং-কাই- চেক বাধ্য হৈছিল যাৰ জৰিয়তে তেঁওক সাম্যবাদীসকলৰ কবলৰ পৰা মুক্তি দিয়া হৈছিল আৰু বিনিসয়ত চীনৰ জাতীয়তাবাদী চৰকাৰখন অধিক গণতান্ত্রিকভাৱে সংগঠিত কৰা হৈছিল। লগতে এই কুওমিনটাং- সাম্যবাদীৰ আপোচৰ জৰিয়তে সিদ্ধান্ত গ্রহণ কৰা হৈছিল যে গণতান্ত্রিক পদ্ধতিৰ সূচনা কৰিবৰ বাবে চীনৰ সাম্যবাদী দলে ছোভিয়েট চৰকাৰখন ভংগ কৰিব আৰু জাতীয়তাবাদী আৰু ৰঙা সৈন্যৰ যৌথ সামৰিক বাহিনীৰ নেতৃত্ব চিয়াং-কাই-চেকক দিয়া হ'ব। উল্লেখযোগ্য যে মাঞ্চুৰিয়াত জাপানৰ আক্রমণৰ সন্মুখীন হ'বৰ বাবে উক্ত সন্মিলিত সামৰিক বাহিনীৰ গঠন কৰা হৈছিল। কিন্তু জাপানৰ লগত হোৱা এই যুদ্ধখনত চীন ৰঙা সৈন্য (Red Army) বাহিনীয়ে নিজৰ সুকীয়া বিশেষ আসন বর্তাই ৰাখিছিল। এনেদৰেই কিছুসময়ৰ বাবে জাপানৰ মাঞ্চুৰিয়া আক্রমণে অস্থায়ীভাৱে কুওমিনটাং আৰু সাম্যবাদীসকলক বিদেশী আক্রমণকাৰীৰ বিৰুদ্ধে এক সন্মিলিত প্রতিৰোধ আগবঢ়াবৰ বাবে একত্রিত কৰিছিল।

১৪.৪.৪ জনসাধাৰণৰ ৰাজনৈতিক পৰিষদৰ গঠন

চীনত জাপানৰ পূর্ণ আক্রমণ ১৯৩৭ চনৰ জুলাই মাহত আৰম্ভ হৈছিল। অনতি পলমে জাপানৰ সৈন্যবাহিনীয়ে চীনৰ উত্তৰ অংশৰ এক-তৃতীয়াংশ দখল কৰিছিল আৰু সেইবাবে চীনৰ চৰকাৰী কার্য্যলয়সমূহ নানকিঙৰ পৰা চুংকিঙলৈ স্থানান্তৰিত কৰা হৈছিল

আৰু ১৯৩৮ চনত চীনদেশত জৰুৰী অৱস্থা ঘোষণা কৰা হৈছিল। এনে পৰিস্থিতিত চীনদেশক বিদেশী আক্ৰমণৰ পৰা ৰক্ষা কৰিবৰ বাবে ১৯৩৮ চনৰ ৬ জুলাইত এখন "জনসাধাৰণৰ ৰাজনৈতিক পৰিষদ" গঠন কৰা হৈছিল। কুওমিনটাং আৰু সাম্যবাদী এই দুয়োটা দলৰে দুশ সদস্যক লৈ এই পৰিষদখন গঠন কৰা হৈছিল। চৌ-এন- লাইক সামৰিক পৰিষদৰ ৰাজনীতি বিভাগৰ উপাধক্ষ্য হিচাপে নিযুক্তি দিয়া হৈছিল। এই পৰিষদখন যুদ্ধকালীন সংসদৰ দৰে যি প্ৰতিৰোধ আৰু ৰাষ্ট্ৰীয় পুনঃ গঠনৰ এক কাৰ্য্যাৱলী গ্ৰহণ কৰিছিল। লাহে লাহে সাম্যবাদীসকলে এই পৰিষদখন তেওঁলোকৰ ক্ষমতা বৃদ্ধিৰ বাবে এক আহিলা হিচাপে ব্যৱহাৰ কৰিছিল আৰু এই পৰিষদখনৰ জৰিয়তে তেঁওলোকে নিৰপেক্ষপক্ষ সদস্যসকলক তেঁওলোকৰ ফলীয়া কৰিবলৈ যত্ন কৰিছিল।

জাপানৰ মাঞ্চুৰিয়া আক্ৰমণ চীনৰ সাম্যবাদী দলৰ বিকাশৰ বাবে আশীৰ্বাদস্বৰূপ আছিল। যুদ্ধৰ সময়ত যেতিয়া জাতীয়তাবাদী সৈন্যবাহিনীয়ে জাপানৰ সৈন্যবাহিনীৰ বিৰুদ্ধে গেৰিলা যুদ্ধ চলাই আছিল। জাপান অধিকৃত অঞ্চলসমূহত গ্ৰাম্য গেৰিলা ঘাটি স্থাপন কৰাত সাম্যবাদী সকলে মনোযোগ দিছিল আৰু গ্ৰামাঞ্চলৰ কৃষকসকলৰ দ্বাৰা অধিক গেৰিলা সৈন্যবাহিনীৰ গঠনত সাম্যবাদীসকলে গুৰুত্ব দিছিল। চীনৰ গ্ৰাম্য অঞ্চলত সাম্যবাদীসকল যথেষ্ট জনপ্ৰিয় হৈ পৰিছিল আৰু লাহে লাহে চীনৰ সাম্যবাদী দলৰ সদস্যসংখ্যা আঠ লাখলৈ বৃদ্ধি পাইছিল।

মাও-চে-তুঙে জাপান-বিৰোধী যুদ্ধখন চীনত সাম্যবাদী সকলৰ শক্তি বৃদ্ধিৰ বাবে ব্যৱহাৰ কৰিছিল আৰু সাম্যবাদীসকলৰ সমৰ্থন লাভ কৰি চীনত জাপানে দখল কৰা অঞ্চলসমূহত বহুতো জাপান-বিৰোধী গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠিত হৈছিল। এই কথাই কুওমিনটাং সকলক সন্দেহযুক্ত কৰি তুলিছিল আৰু সেইবাবে চীন আৰু জাপানৰ যুদ্ধৰ মাজতো কুওমিনটাং আৰু সাম্যবাদীসকলে প্ৰায়েই সংঘৰ্ষত লিপ্ত হৈছিল। ইতিমধ্যে ১৯৪৫ চনৰ ৮ আগষ্টত ছোভিয়েট ৰাছিয়াই জাপানৰ বিৰুদ্ধে যুদ্ধত অংশগ্ৰহণ কৰিছিল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই ১৯৪৫ চনৰ ৬ আগষ্ট আৰু ৯ আগষ্টত জাপানৰ ক্ৰমে হিৰোচিমা আৰু নাগাচাকি চহৰত বোমাবৰ্ষণ কৰিছিল। তাৰ পিছত ১৯৪৫ চনত জাপানে আত্মসমৰ্পন কৰিছিল। জাপানে আত্মসমৰ্পন কৰাৰ পিছত জাপানে আত্মসমৰ্পন কৰা অঞ্চলসমূহ দখল কৰিবৰ বাবে পুনৰবাৰ কুওমিনটাং আৰু সাম্যবাদীসকলে নিজৰ মাজত কাজিয়াত লিপ্ত হৈছিল। সেই সময়ত কুওমিনটাং- সাম্যবাদীৰ সংঘৰ্ষৰ অন্ত পেলাবৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই ও যত্ন কৰিছিল কিন্তু বিফল হৈছিল।

১৪.৬ চীনদেশত সাম্যবাদৰ জয়যাত্ৰা (TRIUMPH OF COMMUNISM IN CHINA)

জাপানে আত্মসমৰ্পন কৰাৰ পিছত কুওমিনটাং আৰু সাম্যবাদীৰ মাজত তিক্ততা বৃঢ়ি পাইছিল আৰু এখন মুকলি যুদ্ধৰ সূত্ৰপাত হৈছিল। প্ৰথম অৱস্থাত জাতীয়তাবাদী কুওমিনটাং

সকলে কিছু সফলতা লাভ কৰিছিল। কিন্তু চীনৰ দূৰৱৰ্তী অঞ্চলৰ কৃষকসকলকৰ সহযোগত ১৯৪৯ চনৰ ভিতৰত সাম্যবাদী সৈন্যবাহিনীয়ে চীনৰ উত্তৰ আৰু দক্ষিণ অঞ্চলৰ প্ৰায়ভাগ ঠাই দখল কৰিছিল। তেওঁলোকৰ প্ৰাথমিক পৰাজয়ৰ পিছত কুওমিনটাং সকলে আলোচনাৰ মাধ্যমেৰে সাম্যবাদীসকলৰ লগত বিষয়টো সামাধান কৰিবলৈ যত্ন কৰিছিল আৰু সেইবাবে ১৯৪৯ চনৰ ১ এপ্ৰিলত আলোচনা কৰিবৰ বাবে প্ৰথমটো কুওমিনটাং প্ৰতিনিধিৰ দল সাস্যবাদী সকলৰ শিবিৰলৈ প্ৰেৰণ কৰা হৈছিল। কিন্তু যিহেতু সাম্যবাদীসকল এক যথেষ্ট উন্নত অৱস্থাত আছিল, গতিকে তেওঁলোকে কুওমিনটাং সকলৰ ওপৰত চৰ্ত আৰোপ কৰিব বিচাৰিছিল। ১৯৪৯ চনৰ ২০ এপ্ৰিলত সাম্যবাদী সৈন্যবাহিনী কুওমিনটাং সকলৰ ৰাজধানী অভিমুখে অগ্ৰসৰ হৈছিল আৰু ২২ এপ্ৰিলত নানকিং আৰু ২৪ এপ্ৰিলত টাইয়ুৱান দখল কৰিছিল। অৱশেষত ১৯৪৯ চনৰ চেপ্তেম্বৰত সাম্যবাদী সৈন্যবাহিনীয়ে চিনকিয়াং দখল কৰিছিল। তাৰ পিছত চিয়াং-কাই-চেক অন্যান্য জাতীয়তাবাদী নেতা প্ৰমুখ্যে চীনদেশ ত্যাগ কৰিবলৈ বাধ্য হৈছিল আৰু তেঁওলোকে ফ'ৰমোছাত আশ্ৰয় গ্ৰহণ কৰিছিল য'ত আমেৰিকা যুক্তৰাষ্ট্ৰই তেঁওলোকক সুৰক্ষা প্ৰদান কৰিছিল। চিয়াং-কাই-চেকে মৃত্যুৰ সময়লৈকে ফ'ৰমোচাত আশ্ৰয় গ্ৰহণ কৰিছিল। তাৰ পিছত বিজয়ী সাম্যবাদীসকলে ১৯৪৯ চনৰ ১ অক্টোবৰত চীনত সাম্যবাদী চৰকাৰ প্ৰতিষ্ঠা কৰিছিল। মাও-চে-তুং এই চৰকাৰৰ অধ্যক্ষ আৰু চৌ-এন-লাই 'প্ৰিমিয়াৰ' আছিল। অনতি-পলমে ছোভিয়েট যুক্তৰাষ্ট্ৰই চীনৰ এই সাম্যবাদী চৰকাৰখনক স্বীকৃতি প্ৰদান কৰিছিল। এনেদৰেই চীনত সাম্যবাদৰ জয় হৈছিল আৰু ডা° চান-য়েৎ-চেনে প্ৰতিষ্ঠা কৰা জাতীয়তাবাদী দল (কুত্তমিনটাং)ৰ অন্ত পৰিছিল।

চীনত জাপানৰ আক্ৰমণে চীনদেশত সাম্যবাদীসকলৰ সফলতাত অৰিহণা যোগাইছিল কাৰণ এই আক্ৰমণে কুওমিনটাং সকলৰ দুৰ্বলতা প্ৰকাশ কৰিছিল আৰু সাম্যবাদীসকলক তেঁওলোকৰ শক্তি বৃদ্ধি কৰিবৰ বাবে এক সুবিধা প্ৰদান কৰিছিল। ইয়াৰ উপৰিও চীনৰ দূৰৱৰ্তী অঞ্চলৰ কৃষকসকলৰ সমৰ্থন, মাও-চে-তুঙৰ শক্তিশালী নেতৃত্ব, সুসংগঠিত সাম্যবাদী সৈন্যবাহিনী ইত্যাদি কাৰণেও চীনত সাম্যবাদী সকলৰ সফলতাত অৰিহণা যোগাইছিল। তাৰ বিপৰীতে চীনত কুওমিনটাং চৰকাৰৰ পতনৰ বাবে চিয়াং-কাই-চেক বহুদূৰ জগৰীয়া আছিল কাৰণ এক দীঘলীয়া সময়ৰ বাবে তেঁও কুওমিনটাং দলৰ নেতৃত্বত আছিল। তেঁও কৃষক আৰু সাধাৰণ জনতাৰ লগত সংযোগ স্থাপন কৰিবলৈ ব্যৰ্থ হৈছিল। কিছুসংখ্যক ভূস্বামী আৰু চহৰাঞ্চলৰ ধনী শ্ৰেণীৰ লোকৰ ওপৰতে তেঁওৰ চৰকাৰ সম্পূৰ্ণৰূপে নিৰ্ভৰশীল আছিল। ইয়াৰ উপৰিও তেঁও সামৰিক শক্তি প্ৰয়োগ কৰি সকলো সমস্যাৰ সমাধান কৰিবলৈ যত্ন কৰিছিল তথা কুওমিনটাং চৰকাৰখনৰ সুস্থ সংগঠন কৰিবৰ বাবে তেঁও কোনো গুৰুত্ব দিয়া নাছিল। এনেদৰেই এই সকলোবোৰ কাৰণে একলগ হৈ চীনত কুওমিনটাং সকলৰ পৰাজয় তথা সাম্যবাদী সকলৰ বিজয়ৰ ভেটি নিৰ্মাণ কৰিছিল। এনে দৰেই চীনৰ ইতিহাসত এটা নতুন অধ্যয়ৰ সূচনা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কোনে চীনৰ 'ৰঙা সৈন্যদল' গঠন কৰিছিল?

.....

প্রশ্ন নং ২ঃ কোন চনত "সাম্যবাদীসকলৰ লং মার্চ " আৰম্ভ হৈছিল?

.....

প্রশ্ন নং ৩ঃ কোন চনত 'ঐক্যতাৰ ঘোষণাপত্র' জাৰি কৰা হৈছিল?

.....

প্রশ্ন নং ৪ঃ 'লং মার্চ'ৰ পিছত সাম্যবাদীসকলে ক'ত তেঁওলোকৰ ৰাজধানী স্থাপন কৰিছিল?

.....

প্রশ্ন নং ৫ঃ কোন চনত চীনত সাম্যবাদী চৰকাৰ প্রতিষ্ঠা কৰা হৈছিল?

.....



১৪.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে,

- মাও-চে-তুঙৰ শক্তিশালী নেতৃত্বত সাম্যবাদীসকলে অতি সোনকালে তেওঁলোকৰ হেৰুৱা শক্তি আৰু সন্মান পুনৰুদ্ধাৰ কৰিছিল। জাতীয়তাবাদী সৈন্যবাহিনীৰ লগত যুদ্ধ কৰিবৰ বাবে মাও-চে-তুঙে চীনৰ বিখ্যাত ৰঙা সৈন্যবাহিনী (Red Army) গঠন কৰিছিল। অতি সোনকালে মাও-চে-তুঙৰ সবল নেতৃত্বত চীনৰ দূৰৱর্তী অঞ্চলৰ কৃষক সকলৰ সমর্থন লাভ কৰিবলৈ সাম্যবাদীসকল সফল হৈছিল।
- কুও মিনটাং- সাম্যবাদীৰ সংঘর্ষৰ মাজতে ১৯৩১ চনত জাপানে মাঞ্চুৰিয়া আক্রমণ কৰিছিল আৰু সেইবাবে বিদেশী আক্রমণকাৰীৰ বিৰুদ্ধে এক সম্মিলিত প্রতিৰোধ আগবঢ়াবৰ বাবে কিছু সময়ৰ বাবে কুওমিনটাং আৰু সাম্যবাদীসকলে তেওঁলোকৰ মাজত থকা ব্যক্তিগত পার্থক্যসমূহ পাহাৰিবলৈ ব্যধ্য হৈছিল। যেতিয়া ১৯৩৭ চনত চীনত জাপানৰ পূর্ণ আক্রমণ আৰম্ভ হৈছিল তেতিয়া চীনক সেই সংকটৰ পৰা ৰক্ষা কৰিবৰ বাবে "জনসাধাৰণৰ ৰাজনৈতিক পৰিষদ "এখন গঠন কৰা হৈছিল। কুওমিনটাং আৰু সাম্যবাদী সদস্যৰ দ্বাৰা এই পৰিষদখন গঠন হৈছিল। চীনদেশত তেওঁলোকৰ ক্ষমতা বৃদ্ধি কৰিবৰ বাবে সাম্যবাদীসকলে এই পৰিষদখন ব্যৱহাৰ কৰিছিল। চীন-জাপানৰ যুদ্ধৰ সময়ত সাম্যবাদীসকলৰ ক্ষমতা যথেষ্ট বৃদ্ধি পাইছিল।

- ১৯৪৫ চনত জাপানে আত্মসমর্পন কৰাৰ পিছত জাপানে আত্মসমর্পন কৰা অঞ্চলসমূহ দখল কৰিবৰ বাবে কুওমিনটাং আৰু সাম্যবাদীসকলৰ মাজত পুনৰ সংঘর্ষ লাগিছিল। আমেৰিকা যুক্তৰাষ্ট্রই এই সংঘর্ষৰ অন্ত পেলাবলৈ যত্ন কৰিছিল কিন্তু বিফল হৈছিল। অৱশেষত সাম্যবাদী সৈন্যবাহিনীয়ে চীনৰ উত্তৰ আৰু দক্ষিণ অঞ্চলৰ বহুতো ঠাই দখল কৰিছিল আৰু ১৯৪৯ চনৰ ২০ এপ্রিলত সাম্যবাদীসকলে কুওমিনটাং ৰাজধানী নানকিং দখল কৰিছিল। তাৰ পিছত কিছুমান জাতীয়তাবাদী সদস্য সহিতে চিয়াং-কাই-চেকে তেঁওৰ মৃত্যুলৈকে ফ'ৰমোচাত আশ্রয় লৈছিল। কুওমিনটাং সৈন্যবাহিনীক পৰাস্ত কৰাৰ পিছত মাও-চে-তুঙৰ নেতৃত্বত সাম্যবাদীসকলে ১৯৪৯ চনৰ ১ অক্টোবৰত চীনদেশত সাম্যবাদী চৰকাৰ প্রতিষ্ঠা কৰিছিল। অনতিপলমে ছোভিয়েট যুক্তৰাষ্ট্রই এই সাম্যবাদী চৰকাৰখনক স্বীকৃতি দিছিল। এনেদেৰেই চীনত কুওমিনটাং শক্তিৰ অন্ত পৰিছিল আৰু সাম্যাবাদীসকলৰ বিজয় হৈছিল।
- মাও-চে-তুঙৰ শক্তিশালী নেতৃত্ব, সু-সংগঠিত সাম্যবাদী বাহিনী, কৃষক সমর্থন ইত্যাদিয়ে চীনত সাম্যবাদীসকলৰ জয়ৰ কাৰণ আছিল। ইয়াৰ বিপৰীতে চীনৰ সাধাৰণ জনতাৰ সমর্থন লাভ কৰাত চিয়াং-কাই-চেকৰ ব্যর্থতা, সামৰিক বাহিনীৰ ওপৰত তেওঁৰ অত্যাধিক নির্ভৰশীলতা তথা চীনত নতুন অর্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ প্রৱর্তন কৰাত তেওঁৰ ব্যর্থতাই প্রত্যক্ষ বা পৰোক্ষ ভাৱে চীনদেশত কুওমিনটাং চৰকাৰৰ পতনৰ বটি মুকলি কৰিছিল।



১৪.৮ অধিক জানিবলৈ

1) Singh, A.K, (1984), *History of Far East In Modern Times*, Delhi-110007, Surjeet Publications.

2) Vinacke, H.M., (1982), *A History of The Far East In Modern Times*, New Delhi, Kalyani Publications.



১৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ মাও-চে-তুং।

২ চনং প্রশ্নৰ উত্তৰঃ ১৯৩৪ চনত।

৩ নং প্রশ্নৰ উত্তৰঃ ১৯৩৫ চনত।

৪ নং প্রশ্নৰ উত্তৰঃ চেনচিত।

৫ নং প্রশ্নৰ উত্তৰঃ ১৯৪৯ চনত।



১৪.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ চীনৰ সাম্যবাদী দলৰ প্ৰথম অধ্যক্ষজনৰ নাম কি?

প্ৰশ্ন ২ঃ কোন চনত জাপানে মাঞ্চুৰিয়া আক্ৰমণ কৰিছিল?

প্ৰশ্ন ৩ঃ কোন চনত 'চিয়ান ঘটনা' সংঘটিত হৈছিল?

প্ৰশ্ন ৪ঃ কোনে চনত চীনদেশত 'জনসাধাৰণৰ ৰাজনৈতিক পৰিষদ' গঠন কৰা হৈছিল?

প্ৰশ্ন ৫ঃ কোন চনত জাপানে আত্মসমৰ্পণ কৰিছিল?

প্ৰশ্ন ৬ঃ চিয়াং-কাই-চেকে কোন ঠাইত আশ্ৰয় গ্ৰহণ কৰিছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ চীনৰ সাম্যবাদী দলৰ মুখ্য উদ্দেশ্যসমূহ কি কি আছিল?

প্ৰশ্ন ২ঃ বৈদেশিক ক্ষেত্ৰত চিয়াং-কাই-চেকৰ দুটা সফলতা লিখক।

প্ৰশ্ন ৩ঃ 'জনসাধাৰণ ৰাজনৈতিক পৰিষদ' খন কি?

প্ৰশ্ন ৪ চীনদেশত সাম্যবাদীসকলৰ সফলতাৰ দুটা কাৰণ উল্লেখ কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ মাও-চে-তুঙৰ নেতৃত্বত সাম্যবাদীসকলৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ চীনত হোৱা কুওমিনটাং-সাম্যবাদীৰ সংঘৰ্ষৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ঃ 'সাম্যবাদীসকলৰ লং মাৰ্চ' ৰ বিষয়ে এটা চমুটোকা লিখক।

প্ৰশ্ন ৪ঃ 'জনসাধাৰণৰ ৰাজনৈতিক পৰিষদ'ৰ বিষয়ে চমুকৈ লিখক।

* * * * *



REFERENCES

BOOKS : ENGLISH

1. Cady, John F. (1964): *South East Asia: Its Historical Development*, McGraw Publications
2. Clyde, P. H. and Beers, B. F. (1975): *The Far East,* Prentice Hall
3. Ebrey, P.B. (2010): *The Cambridge Illustrated History of China*, Cambridge University Press
4. Hsu,I. (1999): *The Rise of Modern China,* OUP
5. Keay, J. (2009): *China: A History*, Harper Press
6. Singh, A.K. (2006): *History of Far East In Modern Times*, Surjeet Publications, Delhi
7. Shuyun, S. (2008): *The Long March: The History of Communist China's Founding Myth*,

   Anchor
8. Vinacke, H.M. (1959): *A History of the Far East in Modern Times*, Allen & Unwin